আর সোনালীর দুর্দিন

আৰু মেঘালীৰ দৃষ্টিৰে

ধনদা দেৱী

নতুন অসম
(ভাষা-সাহিত্যৰ বিশিষ্ট প্ৰকাশক)
উদ্যোগপাম ঃ বামুণীমৈদাম
গুৱাহাটী-২১

ARU MEGHALAR DRISTRIRE : An Assamese novel based on Assamese Rural Area's development & Cultural Social System of the society written by Smti Dhanada Devi, Vill Gendhalipar, P.O. Nowboicha, Dist Lakhimpur, Assam and Published by Sri Jyotipada Dev Choudhury. Natun Asam, 31 B Industrial Estate, Bamunimaidam, Guwahati-21, Assam.

1st Edition : Nov. 2002 ***Price Rs.50.00 only***

প্ৰকাশক : শ্ৰীজ্যোতিপদ দেব চৌধুৰী এম. এ, এল এল বি
নতুন অসম
উদ্যোগপাম, বামুণীমৈদাম
গুৱাহাটী-৭৮১০২১
ফোন : ০৩৬১-৫৫০০৫৩

পৰিৱেশক : গণেশ প্ৰকাশন
কলেজ হোষ্টেল ৰ'ড
পাণবজাৰ : গুৱাহাটী-১

প্ৰথম প্ৰকাশ : নবেম্বৰ, ২০০২

বেটুপাত : ৰূপম/অনুপম

মূল্য : পঞ্চাশ টকা মাথোন

ছপা : বাণীপ্ৰকাশ মুদ্ৰণী প্ৰাঃ লিঃ
৩১ বি, উদ্যোগপাম, বামুণীমৈদাম
গুৱাহাটী-৭৮১০২১

উৎসৰ্গ

নতুন কিবা এটা শিকিবলৈ
আমাক সদায় উৎসাহিত কৰি অহা
দেউতা স্বৰ্গীয় ঘনকান্ত দেৱ শৰ্মা আৰু
মা শ্ৰীমতী পোণা দেৱীৰ নামত :—

জীমণি মিনু

।। মুখবন্ধ ।।

ধনদা দেবীৰ কোনো লেখা মই আগতে পঢ়ি পোৱা নাছিলোঁ। সেই কাৰণে তেওঁ যেতিয়া এখন উপন্যাসৰ পাণ্ডুলিপি পঢ়ি চাবলৈ মোক অনুৰোধ কৰিলে, সঁচা কথা কবলৈ গ'লে মই সামান্য বিৰক্তই হ'লোঁ। বহুতো ন-লেখকৰ ৰচনাৰ পাণ্ডুলিপি পঢ়ি চাবলৈ মই বাধ্য হওঁ। বেছিভাগ লেখকৰ ক্ষেত্ৰতে দেখা যায় যে, লিখিবলৈ তেওঁলোকৰ যিমান হেপাহ আছে সেই অনুপাতে তেওঁলোকৰ প্ৰতিভা নাই। ফলত তেওঁলোকৰ লেখাবোৰ পঢ়ি দুই প্ৰকাৰে মোৰ ক্ষতি হয়। প্ৰথম, মোৰ সময়ৰ অপচয় হয়। দ্বিতীয়, তেওঁলোকক অপ্ৰিয় সত্য কব লগা হোৱাৰ কাৰণে মোৰ কিছু মানসিক কষ্ট হয়।

ধনদা দেবীৰ উপন্যাসখনো মই মনত যথেষ্ট শংকা লৈ পঢ়িবলৈ আৰম্ভ কৰিছিলোঁ। কিন্তু, কেইখিলামান পাত পঢ়াৰ পিছতে মোৰ মনৰ সকলো শংকা দূৰ হ'ল। তাৰ ঠাই ললে এটা নতুন প্ৰতিভা আবিষ্কাৰ কৰাৰ আনন্দই। একে আষাৰে কবলৈ গলে উপন্যাসখন পঢ়ি মই অতিশয় মুগ্ধ হৈছোঁ। মোক মুগ্ধ কৰিছে উপন্যাসখনৰ বাস্তৱ-ধৰ্মী কাহিনীৰে, জীৱন্ত চৰিত্ৰবোৰে, চৰিত্ৰবোৰৰ নৈতিক অন্তৰ্দ্বন্দ্ব আৰু মানসিক সংঘাতে, লেখিকাৰ গভীৰ মনস্তাত্বিক অন্তৰ্দৃষ্টিয়ে, আৰু সৰ্বোপৰি উপন্যাসখনৰ সৰল অথচ ব্যঞ্জনা-ধৰ্মী ভাষাই। মই বিশ্বাস কৰোঁ যে মোৰ দৰেই সৰ্বসাধাৰণ পাঠকেও উপন্যাসখন পঢ়ি ভাল পাব আৰু এটা নতুন প্ৰতিভা আবিষ্কাৰ কৰাৰ আনন্দ অনুভৱ কৰিব। ধনদা দেবীৰ কাপৰ পৰা আৰু কেবাখনো শক্তিশালী উপন্যাস ওলাব বুলি মই আশা কৰোঁ।

গুৱাহাটী — হোমেন বৰগোহাঞি

১২ মাৰ্চ, ২০০১

—ঃ ব্যক্তিগত এষাৰ ঃ—

মনৰ তীব্ৰ তাগিদাত উপন্যাস এখন লিখোঁ বুলি লিখিয়েই পেলালোঁ। পিছে কি বা লিখিলোঁ? ভুল কিবা এসোপাহে লিখিলো নেকি? — তাৰ উত্তৰ বিচাৰি কাষ চাপিলো অসমীয়া সাহিত্যৰ দুই কাণ্ডাৰী মাননীয় শ্ৰীযুত হোমেন বৰগোহাঞি ছাৰ আৰু মাননীয় শ্ৰীযুত চন্দ্ৰপ্ৰসাদ শইকীয়া ছাৰৰ।

হোমেন বৰগোহাঞি ছাৰে অসম্ভৱ ব্যস্ততাৰ মাজতো মোৰ উপন্যাসখন পঢ়াৰ উপৰিও মুখবন্ধ লিখি দি ঋণী কৰিলে। ঋণী কৰিলে চন্দ্ৰপ্ৰসাদ শইকীয়া ছাৰে।

অৱশ্যেই ঋণ-স্বীকাৰ কৰিছোঁ বাণীপ্ৰকাশ মুদ্ৰণীৰ স্বত্বাধিকাৰী আৰু নতুন অসম প্ৰকাশন প্ৰতিষ্ঠানৰ গৰাকী মাননীয় শ্ৰীযুত জ্যোতিপদ দেৱ চৌধুৰীদেৱৰ।

সদৌ শেষত মোৰ ঘৰুৱা জঞ্জালৰ পৰা বেহাই দিয়া স্বামী দেৱপ্ৰসাদ কাকতিৰ ঋণ স্বীকাৰ নকৰিলে দোষে চুব। ইতি

শ্ৰীধনদা দেৱী

গেজালিপাৰ
নাওবৈচা
লক্ষীমপুৰ
০১/১০/২০০২

"তুমি আজি সৰিয়হ ফুলৰ ৰঙৰ ফোঁটকে লোৱাচোন —

"সৰিয়হ ফুলৰ ৰঙৰ?"

"অঁ!"

"সৰিয়হ ফুলৰ ৰঙৰ এসাজ কাপোৰ পিন্ধা সহজ, কিন্তু এটা ফোঁট লোৱা.......... "

"বৰ কঠিন কাম..... নহয়?"

আধা তিতা মুক্ত চুলিৰে ড্ৰেছিংখনৰ কাষত নীলি। সোঁহাতে গজালৰ মূৰটোৰে মহাতীৰ্থ সেন্দুৰৰ ফোঁটটো বৰ সাৱধানে গোল কৰি আছে তাই। ... এইযে সেন্দুৰবোৰ! কি যে আঠা আঠা। অকণমান অসাৱধান হলেই বৃত্তটো ভাগি যাব। আকৌ মচিব লাগিব। আকৌ মচা মানে কপালখন ৰঙা কৰা। আকৌ চাবোনেৰে ধোৱা। সেয়ে তাই কাষতে থিয় হৈ থকা স্বামীৰ কথাত বিশেষ গুৰুত্ব দিয়া নাই। গুৰুত্ব দিছে ফোঁটটোত। মহাতীৰ্থ সেন্দুৰৰ ফোঁটটোত।

পত্নীৰ কাষত কিছুসময় মনে মনে থিয় দি থাকি ভট্টাচাৰ্য লাহে লাহে আগকালে ওলাই আহিল। 'উস্ এই ইণ্টাৰনেটৰ যুগত কমলপুৰত ফোনটোৱেই নাই'— মনত এক নিঃশব্দ ধিক্কাৰ।

ড্ৰয়িংৰুমত ভৰি দি তেওঁ দমাই থোৱা আলোচনী বিলাক এনেয়ে খুচৰি আছে। আচলতে এই মুহূৰ্তত তেওঁক এটা লগ লাগে। পবিত্ৰ অথবা বিকাশৰ দৰে লগ। তেওঁৰ জীৱনৰ এই কঠিন সংবাদটো পত্নীৰ আগত উপস্থাপন কৰিব পৰাকৈ এটা লগ।

টুইট্! টুইট! টুইট্!

চৰাইৰ মাতৰ কলিং বেলটো বাজি উঠিল

তেওঁ খিৰিকিৰে ভুমুকিয়াই চালে।

হঠাৎ তেওঁৰ মগজুৰ কোষবোৰে কিৰিলিয়াই উঠিল। বুকুখন অসম্ভৱ লঘু লঘু লাগিল। উস্ ৰক্ষা।

অৱশ্যে তেওঁৰ বাহিৰৰ নিয়ন্ত্ৰণ একেবাৰে সঠিক। স্বাভাবিক গাম্ভীৰ্যৰ লগত নিত্য-নৈমিত্তিক হাঁহিটো মিহলাই তেওঁ আগন্তুকক স্বাগত জনালে—

"গুড্ মৰ্ণিং! আহা! আহা! বহা! বহা! মই যোৱা দুদিন ধৰি তোমালোকৰ উপস্থিতি আশা কৰি বৈ আছোঁ।............

ভট্টাচাৰ্যই তেওঁলোকৰ সৈতে সৰু সুৰা কথা পাতিলে। গাঁৱৰ খা-খবৰ ল'লে।

অলপ সময়ৰ পাছতে নীলি ওলাই আহিল। তেওঁৰ আধাতিতা চুলিখিনি তেতিয়াও মুক্ত। পত্নীক দেখাৰ লগে লগে ভট্টাচাৰ্যই আগতকৈ উচ্চ গ্ৰামত কৈ উঠিল।

"এওঁৰ ওচৰত তোমালোক বেচ প্ৰশংসিত। কমলপুৰ ডিভেলপৰ বাবে তোমালোকৰ চেক্ৰিফাইচৰ কথা কাহিনী এওঁ মোক কয়।"

"বাইদেউৰ মনৰ আকাশ বহল। অকলশ্মানকে বহল কৰি দিছে। নে কি কৱ বিকাশ?"

"আজিকালি চব্ পালেও নাপায়' স্বীকৃতি। গতিকে বাইদেউৰ অকৃপণ স্বীকৃতিত বুকুফুলাই ল না।"

বিকাশৰ কথাত নীলি আৰু পবিত্ৰই হাঁহি দিলে। ভট্টাচাৰ্যৰ মুখত অৱশ্যে নতুন হাঁহিৰ চমক দেখা নগ'ল। আগৰ ধীন হাঁহিটোও লাহে লাহে মচ খাই গ'ল— তেওঁ গহীন কণ্ঠে ক'লে —

"বুইচা! আমি মাত্ৰ অহৌবলীয়াৰ দৰে প্ৰাচুৰ্যৰ পাছে পাছে ঢপলিয়ালো। মাত্ৰ নিজৰ পেট পুৰালোঁ। খক্ পুৰালোঁ।"

পৰিবেশটো হঠাৎ গহীন হৈ গ'ল। খন্তেক নীৰৱ আটাইকেইটি প্ৰাণী।

হঠাৎ কিবা এটা মনত পৰাৰ দৰে নীলিয়ে ক'লে–

"তোমালোক বহা। মই ভিতৰৰ পৰা আহোঁ।"

মায়াক চাহ কৰিবলৈ কৈ তাই পাছফাল পালেগৈ। চৰিয়াত চেপি থোৱা তিতা কাপোৰবোৰ লৈ তাই টাঁৰ ডালৰ ওচৰ পালেগৈ। হাতত লৈ থকা তিতা চাদৰখন গাৰ জোৰে চটপকৈ মাৰি পঠিয়ালে। সমান হৈ গ'ল সৰু সৰু ভাঁজ । মেলি গ'ল এখন এখনকৈ সকলো কাপোৰ।

মায়াই চাহ দি গ'ল।

চাহৰ কাপত দীঘল, চুটি শোহা পৰি গ'ল ।

ইতিমধ্যে তেওঁলোকৰ কথাই এটা টিলা গৰকিছে। –কত কথা— দলং সজাৰ কথা, চৰকাৰী বাছ চলাচলৰ কথা, ষ্টাডি চাৰ্কেলৰ কথা, ফোনৰ বাবে তেজপুৰলৈ তাওঁবাতি কৰাৰ কথা। এই সকলো কথাকে নাকচ কৰি পেলালে নতুন কলেজখনৰ কথাই, ইংলিছ মিডিয়াম কলেজৰ কথাই........।

নতুন কলেজখন ক'ত হব। মুখ্য পৃষ্ঠপোষক কোন কোন থাকিব, ছাত্ৰ-ছাত্ৰীৰ মানদণ্ড কেনে হব লাগিব ইত্যাদি ইত্যাদি।

কলেজৰ প্ৰসঙ্গই পৰিবেশটো ক্ৰমশঃ নাটকীয় কৰি পেলালে।

হঠাৎ বহাৰ পৰা উঠিল ভট্টাচাৰ্য। তাৰ পাছত আধুনিক কলেজৰ প্ৰসঙ্গত দি পেলালে এটা লেকচাৰ। ঠিক মাইকৰ আগত সভাত কোৱাৰ দৰে— মডাৰ্ণ টেক্নলজী এডপট কৰিব পৰাকৈ, যুগৰ দাবী পূৰাব পৰাকৈ সঁচাকৈয়ে এখন ষ্টেণ্ডাৰ্ড কলেজ

কমলপুৰত প্ৰয়োজন। মানে এছ্ছেনচিয়েল। আজিৰ শিক্ষাৰ উদ্দেশ্য হ'ল Prepared the child for advancing world, গতিকে সৰ্বভাৰতীয় ভিত্তিত বিজ্ঞান, প্ৰযুক্তি বিদ্যা আদি। বিভিন্ন ক্ষেত্ৰত দক্ষতাৰে যেৰ মাৰিবলৈ হলে ইংৰাজী ভাষাৰ ওপৰত দখল থাকিবই লাগিব। এতিয়া আমাৰ বহিঃমুখী দৃষ্টিভংগীৰহে প্ৰয়োজন। তোমালোকে কৰা সকলো কামতকৈ, এই কৰিম বুলি ভবা কামটোহে সুন্দৰ কাম হব.......।

তাৰ পাছত তেওঁ চিঞৰি উঠিল– "নীলি এইফালে আহা। বৰ মজাৰ খবৰ এটা আছে ! আহাঁ! সোনকালে..........

"ইমান তাল-ফাল লগাই চিঞৰিব লাগেনে?" কথাষাৰ কৈ তেওঁ শাৰীৰ আগটো ককালত খোচ মাৰি লৈ ড্ৰয়িং ৰুমৰ দুৱাৰমুখ পালেহি।

"আঁহা আহাঁ! মোৰ ওচৰলৈকে আহা।"

ইতিমধ্যে থিয় দি ভাষণ দি থকা ভট্টাচাৰ্য নীলিৰ ওচৰতে বহিল।

অৱশ্যে সুন্দৰ খবৰটোত নীলি ইমান উল্লাসিত নহ'ল, যিমান উল্লসিত হৈছিল ভট্টাচাৰ্য।

"আপুনি বৰ সুন্দৰকৈ বহু দূৰলৈ ভাবিলে ছাৰ। আমি ইমানবোৰ ভৰাই নাছিলোঁ। হাঁহি মুখে পবিত্ৰই কলে–

"Inspector of Schools– বহু দূৰলৈ দেখে।"!

নীলিয়ে ক'লে–।

"আপুনি কেইদিনমান থাকিবনে ছাৰ?

"কেইদিনমান কিয়? নমৰালৈকে।"

নীলি হঠাৎ গহীন হৈ গ'ল। স্বাভাৱিক ভাবে ওলাই আহিল – "মানে?"

" মানে আৰু কি! যোৱা ১০ ফেব্ৰুৱাৰীত মোৰ Inspector জীৱনৰ শেষ চহীটো কৰি আহিছো।" — খুউব সাৱধানে উত্তৰ দিলে তেওঁ।

হঠাৎ নীলিৰ চকু বিস্ফুৰিত। বিস্ফুৰিত চকুহাল এই পৰোঁ, এই পৰোঁ, বিস্ফুৰিত চকুহালৰ তলেদি বৈ আহিল জুইৰ ফিৰিঙটি–

"এইবোৰ তুমি কি কৈছা? মোৰ আগততো তুমি এই সম্পৰ্কত টু শব্দও উচ্চাৰণ কৰা নাছিলা।"

"পৰিবেশ পোৱা নাছিলোঁ।"

বিকাশ আৰু পবিত্ৰ বিষ্ময়-বিমূঢ়।

এইবাৰ প্ৰচণ্ড উষ্মাৰে নীলি গৰজি উঠিল--

"তুমি! তুমি Inspector চাকৰি ৰিজাইন দি আহিছা ....

"অ ৰিজাইন দিছোঁ .... অহংকাৰ মিহলি গহীন কণ্ঠৰ উত্তৰ।

"ছাৰ খোলা খুলিকৈ কওঁকচোন।"

"নিশ্চয়! এইয়ে তোমালোকৰ উপস্থিতি কামনা কৰিছিলোঁ-- এই বাবেই। বুজিছা আমাৰ এওঁ বৰ আবেগিক। মোৰ জীৱনৰ এই কঠিন সিদ্ধান্তটো এওঁক জনাবলৈ মোক লগ লাগে।"

হঠাৎ নীলিৰ মনত পৰিল নিভা বাইদেউলৈ .... তেজপুৰৰ নিভা বাইদেউলৈ। "নিভা বাইদেৱে কথাটো জানেনে?" যেন বাইদেৱে গম পোৱা হ'লে বুজাই বঢ়াই কিবা এটা ক'লেহেঁতেন।

"জনোৱাৰ কোনো প্ৰয়োজন নাই। এইটো মোৰ ব্যক্তিগত কথা" .. .. ভট্টাচাৰ্যৰ নিৰ্ভীক উত্তৰ।

"ছাৰ আপুনি...... ?"

"তুমি কি প্ৰশ্ন কৰিবা মই বুজিছো। শুনা যি চাকৰিত নিজস্ব বুলি কোনো কথা নাথাকে, মুৰটো এই ফুলদানীটোৰ দৰে সজাই থব লাগে, তেনে চাকৰি কৰা আৰু জেলৰ কয়দী জীৱন কটোৱা একেই কথা।" টেবুলৰ ওপৰত ফুলদানীটোত চকু থৈ তেওঁ প্ৰসঙ্গটো সলাই পুনৰ ক'লে--

"জানা কলেজ শিক্ষকৰ চাকৰিটো এৰি মই এক মস্ত ভুলৰ সূচনা কৰিলোঁ। বাৰু যোৱাবোৰ যাবলৈ দিয়া। নে কি? তোমালোকো চিৰিয়াচ হৈ গৈছা নেকি? Don't mind.........

"আপোনাক মানিলো কিন্তু ছাৰ, What God does he does for the best. এতিয়া আমি ভবা কলেজখন বাঙ্ময় হৈ উঠিব।"

- পৰিত্ৰইঁত গ'লগৈ।

নীলিৰ মন আগতকৈ বেছি উদাস আৰু বিষন্ন। নিঃচুপ হৈ বৈ গ'ল আই। তাৰ পাছত ধীৰে ধীৰে সোমাই গ'ল। মুখমণ্ডল ক্ৰমে বিষণ্ন পৰা বিষণ্নলৈ পৰ্যবসিত হ'ল।

ড্ৰেছিংখনৰ কাষৰ টুলখনত বহি আকৌ আধা তিতা মেলা চুলিত আঙুলি বুলালে। পাঁজি সেৰীয়া আঙুলিৰ হাতখন ওপৰৰ পৰা তললৈ, তলৰ পৰা ওপৰলৈ অহা যোৱা কৰিলে।

"তুমি কথাটো সহজভাৱে নললে মোৰ খুউব বেয়া লাগি থাকিব।" পাছফালে এইমাত্ৰ থিয় হোৱা স্বামীৰ কণ্ঠস্বৰ নীলিৰ অসহ্য লাগিল।

ভট্টাচাৰ্য কাষৰ বিচনাখনত বহিল।

কিছুসময় কোঠাটো নীৰৱ। তাৰ পাছত গাৰুৰ গিলিপৰ চুকটো আজুৰি আজুৰি পুনৰ ক'লে —

"মোৰ পত্নী হিচাবে মোৰ ভাল লগাতো তুমি নিবিচাৰা নেকি?"

"তুমিয়ে চাকৰি ৰিজাইন দিয়া সেইকথা তোমাৰ পত্নী হিচাপে মই জানিব নালাগিছিল নেকি? তুমি প্ৰতিমাহে অন্ততঃ এখন্টাৰ কাৰণে হ'লেও ঘৰলৈ আহা! অথচ এনে এটা

ভয়ংকৰ সিদ্ধান্ত লোৱাৰ আগতে.............

"তোমাক জনাব লাগিছিল নজনালোঁ .... নীলিৰ বাক্যটোৰ আধাখিনি নিজৰ দখললৈ নি পুনৰ ক'লে—

"আচলতে কি জানা- প্ৰত্যেক মানুহৰ এনে কিছুমান একান্ত ব্যক্তিগত কথা থাকে, যিবোৰ নেকি যিমানেই আপোন নহওক কিয়-- কেতিয়াও দ্বিতীয় ব্যক্তিক কব পৰা নাযায়। তেনে পৰিস্থিতিত প্ৰত্যেক ব্যক্তিয়ে নিজাকে সিদ্ধান্ত গ্ৰহণ কৰে। বচ্! ময়ো তাকেই কৰিলোঁ।"

পিটিকি থকা গাৰুটো কোঁচত হেচামাৰি ধৰি পুনৰ ক'লে--

"ভয় নাখাবা! টকা পইচাহে আচল কথা। দেউতাৰ ইমানখিনি মাটি আছে যেতিয়া চলি যাব আৰু!"

" মই টকা পইচাৰ কথা কোৱা নাই। চাকৰি কেৱল টকাৰ বাবেই নকৰে। ই এটা ষ্টেটাচ্ Status দিয়ে। তোমাৰ চাৰিওকাষৰ মানুহখিনি? এই মানুহখিনিক তুমি কোৱা নিষ্প্ৰয়োজন যে তুমি আদৰ্শ ৰক্ষাৰ বাবেহে চাকৰি ৰিজাইন দি আহিছা। কাৰণ তুমি যি বুলিয়েই নোকোৱা কিয়— মানুহে বুজি লব— দুৰ্নীতিৰ বাবে তোমাক চাকৰিৰ পৰা খেদালে। কাৰণ, কোৱা কথাতকৈ, নোকোৱা কথাবোৰ মানুহে বেচি ভালকৈ বুজে।" এক উত্মাৰে কথাখিনি একে উশাহে কৈ পেলালে।

বিচনাৰ পৰা ঘপহকৈ উঠি এক নাটকীয় পজেৰে ভট্টাচাৰ্যয়ো সমান উত্মাৰে কৈ উঠিল—

" মানুহৰ কথা মোক নালাগে। মানুহৰ বাবে অথবা তোমাৰ বাবে চাকৰি এটা মহাৰ্ঘ ৰতন হব পাৰে। কিন্তু মোৰ বাবে মহাৰ্ঘ ৰতন ৰক্ষাৰ নিমিত্তে চাকৰি বিসৰ্জ্জন দিব লগা হব পাৰে।" কথাখিনি কৈ তেওঁ সদম্ভে বাহিৰলৈ ওলাই গ'ল।

সেই নিশা তেওঁৰ টোপনি নাহিল। আহিল Inspector of school ৰ দলিল দস্তাবেজ। আহিল জাক জাক হঠাৎ দেশপ্ৰেমিক।.........., উস্ কি যন্ত্ৰণা! গিৰিপ গাৰাপ্! গিৰিপ গাৰাপ্! দেশপ্ৰেমীক নে গুপ্তঘাটক! নাই, নাই। সিহঁতৰ কোনো লেবেল নাই। বসয়ৰ পাৰ্থক্য নাই। অহংকাৰৰ পাৰ্থক্য নাই। নাই কোনো নিজস্ব ফলক!...............

আস্ ! সিহঁতৰ বাবেই এৰি পেলালোঁ পাৰচনেল কাৰ। কি দুঃসহ যন্ত্ৰণা! বাচৰ হেঁচা-খেলা, হৈ হাল্লা, চিএৰ-বাখৰ, ভৰিৰ গচক, চকা পামচাৰ, দাদাগিৰি, ধূমপান, খোচা খুচি...... ইত্যাদিৰ মাজেৰে পাৰ হয় এদিনৰ ডায়েৰী ....

'আস্' আকৌ এক নিঃশব্দ! চিৎকাৰ।

...... এইযে মন্ত্ৰীবোৰ! সিহঁতে অফিচাৰবোৰক বেলেগ বেলেগ কায়দাৰে আটি আটি বান্ধে! কাৰণ সিহঁত গণনেতা........ গণদেৱতা! ....

তানানা..... তানানা........ তানানা ......ঘোঁৰা পোৱালি এটাৰ দৰে নাচি উঠে ফোনটো।

হাতখনেৰে গবামাৰি ধৰোঁ বিচিস্তাৰ.....। গল্ গলীয়া কণ্ঠই শিল বৰষুণ ঢালে ছিয়াত, বিবেকত, মগজুত,—

হেৰি কেন্ডিডেট আপোনাৰ মতে এপইন্টমেন্ট নহব।

ন ন! আপোনালোকে পাতি দিয়া ব'ৰ্ডহে মেধাখিনি চিলেক্ট কৰি লিষ্ট দিছে।

সেইখন কেনচেল কৰা হৈছে। মই জনাত নতুনখন আপোনাৰ টেবুলতে আছে।

কিন্তু সেইখনত একেবাৰে অপদাৰ্থ কেইটাৰ নামহে আছে। এইচ্ এচ্ এল্ চিত চাপপ্লিমেন্টৰী। বি.এ টানি টুনি থাৰ্টি থ্ৰি পাৰচেন্ট ....

সেইবোৰ পদাৰ্থ নে অপদাৰ্থ সেইয়া বিশ্লেষণৰ দায়িত্ব আপোনাৰ নহয়। আপুনি চহীৰ মানুহ চহী কৰক।

ন ন'। মই নোৱাৰিম ....

ঠিক আছে ওদালগুৰিলৈ যাব পাৰিবতো?

.....ৰ...ব...চো....ন....ৰ....ব.....

তেতিয়া শব্দবোৰ জিভাত আঠা লাগি ধৰিছিল ছাগে।

কি হল নকয় কিয়? (কণ্ঠত ভ্ৰুকুটি)

লিষ্টখন পাইছো। আপুনি পঠোৱা লিষ্ট।

টেবুলৰ ওপৰত ঢাকি থোৱা পানী গিলাচ কোট্ কোট কৈ পি পেলালে তেওঁ। আকৌ তিক্ত অতীত। আকৌ দৌৰা দৌৰি। ভিতৰৰ মানুহটোক শাসন।.......... যাঃ! য'ত চব্ জহন্নামে যাঃ। হায় মেধা কেইটা। দাল দৰিদ্ৰ কেইটা তহঁতৰ বাবে মন্ত্ৰী-চন্ত্ৰী নাই, দেশপ্ৰেমিক নাই। ভীৰু! অপদাৰ্থ! তহঁতৰ বাবে কৰ্টো নাই! উকিলো নাই। ঘূৰি ফুৰ! ঘূৰি ফুৰ! ঘটং মটং চাইকেল মাৰি, ঘৰে ঘৰে টিউচন বিচাৰি নহলে গাধৰ দৰে পিঠিত কোম্পানীৰ টোপোলা লৈ...........। যাঃ চব্ যহন্নামে যাঃ ! মই জীয়াই থাকো। মন্ত্ৰী জীয়াই থক। উগ্ৰপন্থী জীয়াই থক। তহঁতবোৰ মৰ!........ তহঁতবোৰ জহন্নামে যাঃ। ঘৰলৈ অহা মন্ত্ৰীৰ কেনডিডেটক মই কি বুলি কলো? অঁ! অঁ! মনত পৰিছে...। দিয়া পঞ্চাছ। মেধা কেইটাই যদি কৰ্ট কৰে তাৰ জবাব দিবলৈ লাগিব চল্লিশ মান।

বচ। মোৰ এক সুন্দৰ বেংক বেলেন্স। গিৰিপ্! গাৰাপ্! গিৰিপ্ গাৰাপ্! দুৱাৰত ধম ধম শব্দ।

হাতৰ সাৰে ভৰিত সাৰে আকৌ দুৱাৰ খোলা। লগে লগে ডিণ্ডিত ধাতৰ। চেৰ্চা. চেৰ্চা।

দে পাচ লাখ নহলে.......।

না..........না....... না...........।

যাঃ.... যি আছে। আন.........

অপদাথ চাৰিটা মানে দি যোৱা পেকেট কেইটা এক কৰি পেলালোঁ। তাৰ পাছত

মোৰ সন্মুখৰ ভগৱানক নিবেদন কৰিলোঁ।.......... ভগৱান গ'লগৈ। উস্ বক্কা।

পিছে? পিছে এইয়া কি? দেশপ্ৰেমিক নে গুপ্তঘাটক .... এটাক সন্তুষ্ট কৰিলে আনটো সন্তুষ্ট হবনে?

নাই., নাই, এইবোৰ কাকো ক'ব নোৱাৰা কথা। কাক কবা? কোনেনো বিশ্বাসত লব। মই নোকোৱাটো তেওঁলোকে বুজি লব—তোমালোকৰ ওচৰলৈ যে সেইবোৰ যায়। আমাৰ ওচৰলৈ নাহে কিয়? তোমালোকৰ আগে কেণা আছে। নাই কাকো নক'লোঁ পত্নী নীলিকো নক'লো। কিজানি তেৱোঁ মই নোকোৱাখিনিহে বুজে—তুমি ঘোচ লৈছা চাগৈ.....।

.... আচলতে তেতিয়াৰ পৰাই মই এক ৰহস্যময় প্ৰাণী হৈ পৰিছিলোঁ। মোৰ নিজলৈকে নিজৰ কৌতুহল হৈছিল। থাকক! সেই অতীতটো সদায় আবৃত হৈ থাকক। এতিয়াৰ পৰা মই এজন বেলেগ মানুহ। জ্ঞান, বিবেক লৈ ফুৰা মানুহ।

এইযে নীলিৰ অলক্ষিতে থকা মোৰ টকাবোৰ, এইবোৰ লৈ মই সুখীনে? এই সোপাত মোৰ কোনো শ্ৰদ্ধা নাই। আছে ঘৃণা। প্ৰচণ্ড ঘৃণা।.......... কিন্তু? কিন্তু টকাবোৰৰ দোষ কি? তাক ঘৃণা কৰাৰ যুক্তি ক'ত? গজালৰ মূৰত হাতুৰিয়ে ঢুটুৰ ঢুটুৰ মাৰে। কিন্তু হাতুৰিয়ে জানো জানে গজালৰ দোষ কি? হাতুৰিৰ নিজা ভাবা নাই। যুক্তি নাই। আছে শক্তি। টকায়ো নাজানে সিহঁত 'ক'লা'ৰ হাতত নে 'বগা'ৰ হাতত।

যি কি নহওক টকাবোৰক পৰাচিত কৰিবলৈ তেওঁ এখন থলি পাইছে। এতিয়া তেওঁৰ কোনো টেনচন নাই।

কাৰেণ্ট নাই। নীলিয়ে লেমটো জ্বলাই থৈছে। লেমটোৰ দুয়োফালে জয় বিজয়ৰ দৰে থিয় দি আছে ক্ৰেম্প দুডাল। ক্ৰেম্প দুডালে কাষতে শুই থকা নীলিৰ মুখত ছাঁ কৰিলেও সেন্দুৰৰ ফোঁটটো জিলিকি আছে। মহাতীৰ্থ সেন্দুৰৰ ফোঁট সেইটো।

তেওঁ পত্নীৰ সেন্দুৰৰ ফোঁটটোলৈ চাই কলে— তোমাৰ এই ৰঙা ফোঁটটো হেৰাই যোৱাকৈ মই যে চুৰান্তভাৱে হেৰাই নগ'লো।

পুনৰ তেওঁ টোপনি যাবলৈ চেষ্টা কৰিলে। ছায়াময়া টোপনিত এটা ফাইল তেওঁৰ সন্মুখলৈ উঠি আহিল .... যাঃ ৰাতিপুৱাই খুলিম তোক .... তাৰ পাছত তেওঁৰ নাকৰ শব্দ।

পৃথিৱী তিনিভাগ আন্ধাৰ, এভাগ পোহৰ। এই ব্ৰহ্ম মুহূৰ্ত্ততে সীমান্ত ভট্টাচাৰ্যই আজি শেতেলী এৰিলে। তেওঁ আজি এক দৃশ্য চাব। নিত্য নৈমিত্তিক মহাজাগতিক দৃশ্য।

হাতত টুথ ব্ৰাচডাললৈ তেওঁ বাহিৰ ওলাল। স্বপ্নাচ্ছন্ন শিশুৰ দৰে। খালি ভৰিৰে। ধীৰে ধীৰে খোজ দিলে পদূলিৰ ফালে। ভৰিয়ে দুবৰীৰ মুকুতা সৰালে

পদূলি স্পৰ্শ কৰি ইফালে সিফালে চালে। তেওঁ কব নোৱাৰাকৈয়ে নিলাজী বনজোপাই মানুহৰ স্পৰ্শ পালে— লাজত জাপ খাই গ'ল সমস্ত পাত।

এবাৰ তেওঁ পুব আকাশলৈ চালে। বন গোলাপ জোপাৰ পৰা ভুৰুংকৈ চৰাইটো উৰি যাওঁতে হঠাৎ চকু বন গোলাপত পৰিল। ইতিমধ্যে তেওঁ ৰাষ্ট্ৰীয় ঘাই পথৰ কিছুদূৰ অতিক্ৰম কৰিছে। বিমলৰ ঘৰৰ পৰা ঘটং ঘটং শব্দ আহিছে। টিউৱেলৰ শব্দ। মেঘালী ছাগে উঠিলেই। মনতে ভাবি গ'ল তেওঁ।

আৰু কেইখোজমান গৈয়ে তেওঁ দলংখন পালে দলঙৰ তলত অকণমাণি নৈ খন এটি শান্ত-শিষ্ট শিশুৰ দৰে মৃদু গতিৰে বৈ আছে পুৱাৰ জিৰ্ জিৰ্ বতাহ জাক তেওঁ হাতৰ ঠাৰিয়ে, দুই ভৰিৰ ফাকেৰে সুৰ সুৰকৈ সৰকি গৈ আছে। অণুক্ষনে। দলংখনত গাটো ভেজা দি তেওঁ আকৌ পুবলৈ চালে, তেতিয়া সূৰ্যটোৱে চেষ্টা কৰিছিল আন্ধাৰৰ জৰায়ু ফালিবলৈ। পাৰিশ্ৰমিক বিহীন শ্ৰমৰ বাবে আকৌ এবাৰ পৃথিৱীলৈ আহিবলৈ। নিঃস্বাৰ্থৰ প্ৰমাণ দিবলৈ।

তেওঁৰ হাতত থকা টুথ ব্ৰাচডাল তেতিয়াও হাততে আছিল। নাই, নাই। ইমান সুন্দৰ দৃশ্য চোৱাৰ সময়ত তেওঁ আন কোনো কাম কৰিব নোৱাৰে।

তেওঁ এইবাৰ চাৰিওফালৰ সেউজীয়াবোৰলৈ দাৰ্শনিকৰ দৃষ্টিৰে চালে। এই মাত্ৰ প্ৰসৱ হওঁ হওঁ সূৰ্য্যটোৰ বাবে পৃথিৱীয়ে যেন সেউজীয়া পাতখন পাৰি দিছে।......... তেওঁ অপাৰ্থিব জগতত মজি থাকোতেই চাৰিওফালে ৰটৌ টৌ পোহৰ হৈ গ'ল।

দাঁত ঘঁহি ঘঁহি তেওঁ আকৌ ঘৰমুৱা হ'ল। এইবাৰ তেওঁ নিজ ঘৰৰ ফুলনিখনৰ বেৰ্যত ধৰি দৰক লাগি ৰ'ল। তেওঁ এনেভাৱে বৈ গ'ল যেন এই ঘৰৰ তেওঁ প্ৰথম অতিথি।

তেওঁতো এক প্ৰকাৰ অতিথিয়েই। সেইযে চৰাইটো, শেৱালী জোপাত টুপুক টাপাক্ কৰি থকা চৰাইটো তাৰ নাম তেওঁ নাজানে। সেই মিহি পাতৰ কাৰ্শলা সাপৰ

দৰে বগাই থকা ফুলজোপাৰ কথা তেওঁ নাজানে। অৱশ্যে তাৰ ফুলক তেওঁ জানে। কোনোবা নিপুণ শিল্পীৰ হাতত গঢ় লোৱা দীৰ্ঘ বসন্ত মালঞ্চই তেওঁক কাবু কৰি তোলে। সেইযে বেঙুণীয়া ফুলজোপা তাৰ গোন্ধে লুলুপ কৰি পেলায়। পখিলাক, মৌ-মাখিক, কাৰ্শলা সাপক – তাৰ নাম তেওঁ নাজানে। তেওঁ মনতে ভাবিলে অমৃতে কিজানি এইবোৰৰ নাম জানে তাকে সুধিব লাগিব।

আনদিনা পুৱাৰ চাহকাপ খাই তেওঁ বাতৰি কাকত পঢ়ে। আজি তেওঁ চাহ খায়েই বিশেষ ফাইলটোৰ ওচৰলৈ গ'ল। যোৱা ৰাতি সমুখলৈ উঠি অহা ফাইলটো।

ফাইলটোৰ বান্ধটো খোলাৰ লগে লগে এক অবুজ অনুভূতিয়ে তেওঁৰ হৃদয় দখল কৰিলে। সেইটোটো কেৱল ফাইলেই নহয়-- সেইটো কিছু প্ৰাচীন সম্পদ, পিতৃ সম্পত্তিৰ দলিল দস্তাবেজ, পিতৃৰ বৈষয়িক গৰিমাৰ প্ৰণালীবদ্ধ প্ৰতিবেদন।

তেওঁ বাঁও হাতেৰে ওপৰৰ কাগজবোৰ টিপামাৰি ধৰি মাটিৰ মেপখন উলিয়াই আনিলে।

কি আচৰিত? মেপখনত মনোযোগ দিওঁতেই হঠাৎ তাৰ পৰা শুধ বগা ধূতি পাঞ্জাবী পিন্ধা, কান্ধত এখন গামোচা লোৱা হাস্যমুখৰ থুলন্ত দেউতাজন উঠি আহিল। তেওঁ চকুহাল মুদি দিলে। তাৰ পাছত অনুচ্ছ কণ্ঠে দেউতাকৰ লগত কথা পাতিলে- প্ৰত্যাহিক তুচ্ছতাৰ মাজত থাকিও তুমি কিমান অতুচ্চ। লাওপুলি ৰোৱা, জিকাত জেং দিয়া, কেৰেলাত খেৰ দিয়াৰ দৰে তাৎপৰ্যহীন কামৰ মাজত থাকিও তুমি কিমান তাৎপৰ্যপূৰ্ণ। কি কৌশলেৰে যে ইমানবোৰ মাটি ৰাখিলা! তুমিযে কৈছিলা – মোৰ মাটিত তই এখন স্কুল সাজিবি। স্কুল কিয়? আমি এখন কলেজ সাজিম। এখন জাকত জিলিকা কলেজ আৰু এইখিনিত থকা বিশ বিঘা মাটি দান কৰিব তোমাৰ পুত্ৰই –তাৰ পাছত তেওঁ মেপৰ নিৰ্দিষ্ট ঠাইখনত এটা বৃত্ত আঁকিলে। তাৰ পাছত ফাইলটো সামৰি গাঁঠি দি দিলে।

"অমৃত এইফালে আঁহাচোন,"

"গৈছো চাৰ"

অমৃতৰ সৈতে ধৰাধৰি কৰি শোৱনি কোঠাৰ সৰু আলমাৰিটো তেওঁৰ পঢ়া কোঠালৈ সুমুৱালে।

অমৃতে ছাৰৰ আগৰ কথাবোৰত এবাৰ বিচৰণ কৰি চালে। আগতে ভট্টাচাৰ্য ছাৰ ঘৰলৈ আহিলে চক্ৰেটিচৰ পৰা আৰম্ভ কৰি চন্দ্ৰপ্ৰসাদ শইকীয়াৰ মহাৰথীলৈ নানা বস্তুৰ কথা পাতে। ছাৰৰ কণ্ঠ সুন্দৰ। সাধাৰণ কবিতা এটাও অসাধাৰণ হৈ পৰে তেওঁৰ কণ্ঠত। জনজনাই উঠে প্ৰতিটো শব্দ। ইস্পাতৰ দৰে হৈ পৰে তাৰ চোক।........ এইবাৰ চাকৰিত শেহ চহীটো কৰি অহা বাবেই নেকি ছাৰ এক প্ৰকাৰ দাৰ্শনিক হৈ আছে। খোজত, কথাত, চাৱনিত সকলোতে স্পষ্ট এই দাৰ্শনিকতা।

অমৃত কিছুসময় এনেয়ে থাকি গ'ললৈ —

ভট্টাচাৰ্যই বিশেষ বিশেষ ফাইল কিছুমান ট্ৰাংকৰ পৰা উলিয়ালে। কেইটামান ফাইল পঢ়া কোঠাৰ আলমাৰিটোত থলে। তাৰ পাছত চাবি পাতেৰে আলমাৰিটো বন্ধ কৰি খন্তেক বৈ গ'ল।

চাবিযোৰ হাতত লৈয়ে তেওঁ চকুহাল মুদি দিলে। এটুকুৰা ঠাইৰ কথা চিন্তা কৰিলে। তেওঁক এনে এটুকুৰা ঠাই লাগে যি ঠাইত তেওঁৰ বাহিৰে আনৰ হাত নপৰে। এই যোৰা তেওঁৰ একান্ত ব্যক্তিগত চাবি।

খন্তেক পাচতে তেওঁ চকুহাল মেলি দিলে।

স্থানটোৱে যেন তেওঁৰ কাণত ফুচফুচাই ক'লে-- মোৰ বুকুতে থোৱা। এইখন বুকু একমাত্ৰ তোমাৰহে চিনাকি।

চাবিযোৰা ঠিকমতে থৈ তেওঁ ঘড়ীটোলৈ চালে, ন বাজিছে।

আজি কালি তেওঁ গাড়ী চলাবলৈ ড্ৰাইভাৰে নাৰাখে নিজেই ড্ৰাইভ কৰে।

আবেলি তেওঁ এপাক ওলাই যোৱাৰ কথা ভাবিলে। বিমল ফুকনৰ বাহিৰে তেওঁৰ কোননো আছে এই অঞ্চলত? হয়, বিমলৰ ওচৰলৈ এপাক যোৱা হওক। খোলা খুলিকৈ কৈ থৈ আহো, মোৰ কথাবোৰ। এতিয়াৰ পৰা আৰু মোৰ কোনো গোপনীয় জীৱন নাথাকক। এতিয়াৰ পৰা মোৰ জীৱন এখন বাগিছাৰ দৰে হওক।

* * * * * *

মায়াৰ চাটকৈ মনলৈ কথাষাৰ আহিল। কালিয়েই.......

কালিয়েইতো বাইদেৱে কৈছিল ঘৰৰ মকৰাজালবোৰ সৰাৰ কথা।

লগে লগে ওপৰ সৰা মাৰিডাল লৈ কামত লাগি গ'ল তাই।

গভীৰ মনোযোগেৰে মকৰাজাল গুচাই থাকোতেই তাই দেখিলে মকৰা এজনীয়ে তাইৰ গাটোতকৈ দুগুণ ডাঙৰ টোপোলাটো পেটত লৈ প্ৰাণে প্ৰণে চোফা আৰু বেৰৰ মাজৰ আন্ধাৰকণত লুকাইছে।

তাই পিন্ধি থকা চেণ্ডেল এপাত খুলি লৈ মকৰাজনীৰ গাত চটপকৈ মাৰি পঠিয়ালে। লগে লগে গৰ্ভফালি চিটিকি গ'ল তাইৰ বৃহত সংসাৰ।

ফটা কাপোৰৰ টুকুৰাৰে মকৰাৰ তেজ-পুঁজ মচি থাকোতেই তাইৰ কাণত পৰিল এটা গানৰ কলি-- পৰদেশী..... পৰদেশী....... জানে নাহি.......। কণ্ঠটো ক্ৰমশঃ ওচৰ চাপি আহিল। অৱশ্যে কণ্ঠৰ গৰাকীক খুউব সহজে চিনি পালে তাই।

ইতিমধ্যে গানৰ কলি তাইৰ পিঠিফালে। ঘূৰি নোচোৱাকৈয়ে তাই সুধিলে--

— পৰদেশী কোন ফালে বা?

— মায়াবী মায়াৰ ফালে।

— হয় নেকি?

তই পিছে কথা এটা গম পাইছনে নাই?

— 'কি কথা' এইবাৰ মায়াই তাৰ ফালে চালে।

— ছাৰে চাকৰি ৰিজাইন দি আহিছে।

— সেই আনন্দতে হব পায় তুমি গীত জুৰিচা তাই তাৰ পৰা চকুহাল আঁতৰাই আকৌ চিলিঙত থলে।

— অলপ ৰিলিফ। কালি ঠিক পুৰা ন বজাৰ পৰা ঘৰখন ট্ৰেজেদি ট্ৰেজেদি গোন্ধাইছে। গতিকে অলপ কমেডি পাৰফিউম্ চটিয়াই দিছোঁ।

খন্তেক নীৰৱে থাকি পৰদেশীয়ে ক'লে—

— আচলতে তো...মা...ক এটা ইন্টাৰেষ্টিং খবৰ দিব লগা আছে।

হঠাৎ 'তই' পৰা 'তুমি' মায়াই তাঁলৈ নোচোৱাকৈয়ে ঢেক-ঢেকাই হাঁহিলে।

— শুনা আক' মোৰ খবৰ' .... লাজ লাজকৈ পৰদেশীয়ে ক'লে।

— কৈ থাকা। মোৰ চকুহে চিলিঙত। কাণ আৰু মুখ ফ্ৰি।

হঠাৎ নীৰৱ হৈ গ'ল পৰদেশী মুহূৰ্ততে সি বুকুত উমান পালে থৌকি বাথৌ জোনাকৰ টৌ। মেঘালী বাইদেউৰ পৰা কথাটো শুনাৰ পাছত সি কালি বহুসময় ধৰি খিৰিকিৰে জোনাক চাইছিল। জোনাকত মায়াক জুবুৰিয়াই পেলাইছিল..... হেপাহ মতে, হৃদয়ে বিচৰা জোখাৰে।

নিমিষতে তাৰ চকুত যোৱা নিশাৰ জোনাক। সি পূৰ্ণ অনুৰাগেৰে তাইলৈ চালে ভৰিৰ পৰা মূৰলৈ। মূৰৰ পৰা ভৰিলৈ, বাকলি গুছোৱা বাঁহগাজ যেন তাইৰ কলাফুলত ৰৈ গ'ল তাৰ চকু। তাৰ দুটা জোনাকী চকু।

কি হ'ল? কোৱা আৰু ইণ্টৰেষ্টি কথাটো — খোলা কাণে মায়াই সুধিলে।

মাৰিডাল তললৈ নমাই এইবাৰ তাই তাৰ ফালে চালে— চকুৰে চকুৰে পৰিল। অচ'ঞ্চল হ'ল চাৰিটা চঞ্চল চকু, মিহিকৈ কঁপিল চাৰিটা চকুৰ তৰা। তৰাবোৰৰ প্ৰত্যেকে প্ৰত্যেকৰ নক্ষত্ৰ সন্ধান কৰিলে .... নিবিড় নক্ষত্ৰ।

তাইৰ হাতখন ঢিলা হৈ গ'ল। ঢিলা হৈ গ'ল সোঁ হাতৰ ভেন্দী যেন আঙুলি। খট্‌কৈ শব্দ কৰি পৰি গ'ল মাৰি। চাফাইৰ দীঘলীয়া মাৰি।

ভৰিতে উবুৰি খাই পৰা মাৰিডালে জগাই দিলে তাইক।

মুখেৰে শব্দ নকৰাকৈ মাৰিডাল হাতত লৈ তাই ভিতৰলৈ সোমাই গ'ল।

পৰদেশী অকলশৰে বহি থাকিল ড্ৰয়িংৰুমত।

মুখ হাত ধুই ভিতৰতে অলপ সময় বহি থাকিল মায়া। অলপ আগৰ বুকুৰ কঁপনিটো ইতিমধ্যে সৰ্ব শৰীৰত বিয়পি গৈছে।

—অ' ইণ্টাৰেষ্টিং নিউজটো?' মায়া আকৌ ড্ৰয়িংৰুম পালেহি।

ড্ৰয়িংৰুমৰ পৰ্দাত তাই খামুচি ধৰিলে। চকুহাল মজিয়াত। মজিয়াৰ কাৰ্পেটৰ ওপৰত

বগাই থাকিল তাই চকু। বগাই থাকিল এটা নিগনিৰ দৰে।

সি তাইৰ হাতখনত ধৰি ওচৰতে বহুৱাই ললে। ভেতিয়া তাইৰ লাজটো এৰ খাইছিল।

"কোৱা আৰু' ইন্টাৰেষ্টি। নিউজটো" —চকুলৈ নোচোৱাকৈ মায়াই প্ৰশ্ন কৰিলে।

"বাইদেৱে মেঘালী বাইদেউৰ আগত কৈছে— মোৰ চাকৰি এটা হলেই— তোমাৰ পদুলি, ঘন ঘন উৰুলি, লাজুক লাজুক মায়াজনীয়ে ওৰণি লব। মোৰ কাষত হোম জুই ফুৰাব।" সি তাইক সাবটি ধৰিলে জোৰেৰে।

"দুষ্টটো কৰবাৰ।"

"দুষ্ট মই নহয়।"

"কোন?"

"ফাগুণ। আৰু ফাগুণৰ তেজৰঙা শিমলু, কোৱাগৈ শিমলুক দুষ্ট বুলি ....।

"কেনেকৈ যাবা! যিহে কাইট। পিছে ধেমালী এৰা।" তাৰ পাছত প্ৰসঙ্গটো সলাই মায়াই সুধিলে—

"চাহ একাপ খাবা নেকি?"

"খাব পাৰোঁ। যদিহে তোমাৰ মনৰ ৰঙৰ চাহ হয়।"

তাৰ হাতদুখন লাহেকৈ এৰুৱাই তাই ভিতৰলৈ গ'লগৈ।

তাই আজি একাপ বিশেষ চাহ কৰিব।

গেছ ভুভৰ ওপৰত তাই লাইটাৰটো খটক্‌কৈ মাৰি দিলে। শিলৰ ঘৰ্ষণত উভৰি আহিল এটা ঈষত ৰঙা ফিৰিঙটি। ফিৰিঙটি আৰু গেছৰ সমন্বয়ত জ্বলি উঠিল একুৰা সাগৰ নীলা জুই, প্ৰেমৰ নীলা জুই।

ইতিমধ্যে চাহকাপ উতলিছিল। উতলি থকা চাহ মিশ্ৰিত পানীখিনিলৈ চাই তাই নিজকে প্ৰশ্ন কৰিলে— এনে সৰ্বগুণসম্পন্ন পুৰুষজনৰ পত্নী হব পৰাকৈ তাইৰ থাকিব লগা উপাদানবোৰ আছে নে?

আত্মৰ্টোকাৰি হাঁহিটোৰে তাই চাহকাপ প্ৰেমিকৰ সন্মুখত থলে।

চাহত হেপাহৰ শোহাটো দি— সি ক'লে,

"মই জীৱনত বহুত চাহ খাইছোঁ। বহু কাপ চাহ, সমস্ত চাহৰ ভিতৰত এইকাপেই সৰ্বশ্ৰেষ্ঠ চাহ বুলি ক'ব পাৰি।"

"তোমাৰ কথাৰ পাক বুজাই টান। ইংৰাজী সাহিত্যত মেজৰ। তাতে চিত্ৰকৰ। বগা কাগজ এখিলাত ৰং কিছুমান আঁক-বাক কৰিয়েই স্বপ্নৰ স্বৰ্ণভূমি সাজিব পাৰা। অনিৰ্বচনীয় সৌন্দৰ্যত ডুব যাব পাৰা। চাহ কাপটো তুমি চাগৈ সেই দৃষ্টিকেই প্ৰয়োগ কৰিছা।"

চাহকাপ খাই সি বহাৰ পৰা উঠিল তাৰ পাছত ভট্টাচাৰ্যৰ পদূলিতে থকা দোকান ঘৰ সদৃশ সৰু ঘৰটোলৈ লক্ষ্য কৰি লাহে লাহে খোজ বুলালে।

সি তাৰ কোঠাৰ দুৱাৰমুখত থিয় হওঁতেই বগা এম্বেচাদৰখন দেখিলে।

বৈ গ'ল গাড়ী। গাড়ীৰ চালকে খিৰিকিৰে মুখ উলিয়াই ক'লে— "অমৃত আঁহা! তোমাৰ লগত কথা পতাই নাই নহয়।" গাড়ী ঘৰত সোমাল।

আগফালৰ বাৰন্দাত বহি ভট্টাচাৰ্যই অমৃতৰ লগত কথা পাতিলে। সি চকীত নবহি মূঢ়াত বহিল।

"এইবাৰ তুমি বি. এ ফাইনেল দিছা নহয়? "

"হয় ছাৰ।"

"কেনেকুৱা কৰিলা?"–তেওঁ এখন ভৰিৰ ওপৰত আনখন ভৰি উঠাই ললে।

"ঠিকেই হৈছে।"

"ইয়াৰ পাছত কি ভাবিছা? পঢ়িবানে-- চাকৰি কৰিবা।"

"চৰকাৰী চাকৰিনো কত পাম ছাগে? পঢ়িলেও নিজাকৈ খৰচ এটা উলিয়াই লম বুলি ভাবিছো। ইমান দিন আপোনালোকে পঢ়ালে। আৰু আপোনালোকৰ খৰছ কৰিলে মোৰ নিজকে নিজে পঙ্গু যেন লাগিব।"

"নাই নাই তেনেকৈ নক'বা। তোমাৰ বাবেই মোৰ ঘৰখন ঘৰ হৈ আছে। তুমি আমাৰ সহায় । আমি তোমাৰ সহায় । বচ্............

হঠাৎ ভট্টাচাৰ্যৰ ফুলনিখনলৈ চকুযোৱাত কথাৰ প্ৰসঙ্গ সলনি হ'ল।

তেওঁ বহাৰ পৰা উঠিল আৰু ফুলনিখনৰ বেৰাত দুয়োহাত থৈ থিয় দিলে। পাছে পাছে উঠি গ'ল অমৃত।

"তুমি মোৰ ফুলনিখন বৰ আটোম-টোকাৰিকৈ সজাই ৰাখিছা। বাৰু! কোৱাচান সৌ নীলা ফুলজোপাৰ নাম কি? এইযে লতাডাল ইয়াৰ নাম কি?"-- যথাযথ উত্তৰ দি গ'ল সি।

হঠাৎ তেওঁৰ আগদিনা ৰাতিপুৱা দেখা চৰাইটোলৈ মনত পৰিল। "বুজিছা কালি ৰাতিপুৱা অকমাণি ধুনীয়া চৰাই এটা ইয়াতে পৰি আছিল। তুমি দেখা হলে নামটো কব পাৰিলাহেঁতেন ছাগৈ।....... আঁহা বাৰীলৈ যাওঁ।"

তাৰ পাছত এক নিৰ্দিষ্ট বিন্যাসত খোজ দি, মাজে মাজে বিন্যাস ভঙ্গ কৰি ভট্টাচাৰ্যই বাৰীৰ ফালে খোজ দিলে। লগে লগে অমৃত।

ভট্টাচাৰ্যই কৈ গ'ল--'বহুত দিনৰ মূৰত বাৰীত ভৰি দিছো। প্ৰথমে পঢ়াৰ নামত, তাৰ পাছত চাকৰিৰ নামত জীৱনৰ আধাখিনি দূৰে দূৰেই পাৰ হ'ল। বস্তুত ঘৰলৈ আহিলেও সেই আলহীৰ দৰে। ....

পিতৃৰ পাচ বিঘা মাটি জুৰি থকা বাৰী। বাৰীখনত সোমাই আজি তেওঁৰ এনে লাগিছে যেন আজি তেওঁ প্ৰতিজোপা গছৰ খবৰ লব। প্ৰাণখুলি সিহঁতৰ লগত কথা পাতিব। আচিনাকি গছৰ লগত চিনাকি হব। এইবাৰীয়েই তেওঁৰ জীৱনৰ শেষ বাৰী।

জীৱনৰ শ্ৰেষ্ঠ আশ্ৰয়।

তেওঁ দুই, এজোপা গছৰ পাত চিঙি শুঙি চালে নাম নজনা গছৰ নামটো অমৃতক সুধিলে। অমৃতেইতো আটোম টোকাৰিকৈ ৰাখিছে তেওঁৰ বাৰীখন।

তেওঁ আকৌ আন এজোপা গছ পাত চিঙি শুঙা মাৰি কলে তাহানি আমাৰ ককাই কৈছিল--

এজোপা কাটিলে ছজোপা ৰুবা
নাতি পুতিৰ ভাল কৰিবা।
সুকাঠী অকাঠী নকৰা বিচাৰ,
সকলো গছৰে আছে উপকাৰ।

"ককাৰ উদ্দেশ্য কি আছিল জানা। অসমত যিমানবোৰ গছ পোৱা যায়-- সেই গছ অন্তত এজোপা হলেও ককাৰ বাৰীত থাকিব লাগিব। এইজোপা চোৱা এই বহুমথুৰি জোপা ককাই মোৰ হতুৱাই ৰোৱাইছিল। এইজোপাত মোৰ শৈশৱ কৈশোৰ জড়িত। আহ্ ককাই যেন মাটিৰ সিৰলুত সোণহে লহপহকৈ গঁজাব।"

পূব দিশে আৰম্ভ হোৱা পৰিভ্ৰমণ পশ্চিম দিশত ইতি পৰিল।

অমৃত তাৰ কোঠাৰ ফালে গ'ল। দোকানঘৰৰ দৰে তাৰ কোঠা।

তেতিয়া সন্ধিয়া লাগো লাগো হৈছিল। সি ভৰি হাত ধুই পঢ়া টেবুলৰ ওচৰত বহি ছাৰৰ কথাকে চিন্তা কৰি আছে। ছাৰ কিমান সুন্দৰ মনৰ কিমান অকৃপণ মনৰ। বিবেকৰ দাসত্ব মানিয়েইতো চাকৰি এৰি গুছি আহিছে। সেই মানুহজনেইতো তাৰ জীৱনো সুন্দৰ কৰি তুলিছে।

জীৱন স্বপ্নৰ দুৱাৰ দলিত অমৃত। অনাগত স্বপ্নময় দিনত ভৰি থৈ সি সীমান্ত ভট্টাচাৰ্যৰ ব্যক্তিত্ব বিশ্লেষণ কৰি চাইছে।

হঠাৎ সি কৈ পেলালে মনতে।-- এই মানুহজনৰ দহটা গুণৰ অন্ততঃ এটা তাৰ দেউতাকৰ থকা হলে। জীৱনক বিভিন্ন কোণৰ পৰা চাবলৈ শিকা, হৃদয় দিব জনা, লব জনা, পৃথিৱীৰ পৰা সুন্দৰৰ সমল আহৰণ কৰিবলৈ শিকা, অমৃতৰ মনটো হঠাৎ উদাস উদাস লাগিল।

তাৰ সচেতন মনে নৰৰূপী দেৱতাৰ বিশ্লেষণ কৰি থাকোতেই হঠাৎ অৱচেতন মনত জাগ্ৰত হৈ উঠিল এক পশু। কদাকাৰ মানুহ নামৰ এক নৰ পশু, পশুটো ক্ৰমশঃ তাৰ সন্মুখলৈ উঠি আহিল।

মুহূৰ্ততে গোটেই শৰীৰ বক্‌বক্‌কৈ উঠলি গ'ল তাৰ, 'আস' এটা চিৎকাৰ কৰি সি ফেনৰ চুইচটোত খটককৈ আঙুলিটো বহুৱাই দিলে।

ইতিমধ্যে তাৰ সমুখত হাজিৰ হোৱা পশুটোৱে এক অশ্ৰাব্য পাণ্ডুলিপি তাৰ টেবুলত যেন থৈ গ'ল। সি ধমহকৈ গাৰ জোৰে দুৱাৰখন জপাই দিলে। তাৰ পাছত সি পৃষ্ঠাবোৰ এখিলা এখিলাকৈ মেলি গ'ল।

এতিয়া সি চাৰি বছৰৰ আগৰ এক পৃষ্ঠাত।

সেইদিনা আবেলি সি বল খেলিছিল। প্ৰতিপক্ষক লগে লগে দুটা গোল দি দিছিল। লগৰ কেইটাই তাক একেলগে ওপৰলৈ দাঙি ধৰিছিল। মনটো খুউব ভাল লাগি আছিল তাৰ, সি আনন্দতে সুহুৰি বজাই বজাই ঘৰ সোমাইছিল।

কতা নিধক। ডেকা দেখুৱাইছ! ধিতিঙালি কোবাই কোবাই বাপেৰৰ মূৰ খাইছ চোতাল সাৰি থকা মাহীমাকৰ সন্ধিয়াৰ ভাষণ। আগতেও মাজে মাজে শুনোৱা ভাষণ।

মোৰ কৰিবলগাখিনি কৰিহে মই খেলিবলৈ গৈছো। সদায় সদায় এইবোৰ গালি মই সহ্য কৰি নাথাকো। খং উঠিব কিবা বজাই দিম — সোতৰ বছৰীয়া অমৃতৰ উষ্মা মিহলি উত্তৰ।

কি কলি? কি বুলি কলি তই? আকৌ কচোন?

তাৰ পাছত ভিতৰৰ ফালে চাই তাল ফাল লগাই বাধ্যস্বামীক চিঞৰিলে – অ' শুনিছেনে? আপোনাৰ পুত্ৰই মোক কি বুলি কৈছে শুনিছেনে? আই ঐ মই মৰি থকাই ভাল অ'.... চিঞৰ আৰু কান্দোন একাকাৰ হ'ল শেষলৈ।

অলপ আগতে থৰক বৰক খোজৰ পুৰুষজন ঘৰ সোমাইছে। সঞ্জীৱনী সুৰা পাণ কৰি পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ বীৰ পুৰুষজন হৈ। পত্নীৰ আৰ্ত্তনাদ আৰু আস্ফালন সোঁ সোঁকৈ কাণত সোমাল। তেওঁৰ চকু দগমগ ৰঙা চকুহালে কৈ দিলে তেওঁ ঘৰৰ ভিতৰৰ পৰা ওলোৱা নাই, ওলাইছে দগমগ একুৰা জুইৰ পৰা।

চোতালত ভৰি দিয়েই টেং টেঙীয়া কণ্ঠই গৰজি উঠিল— কি কৈছ? কি কৈছ তই? – পিতৃ নামৰ প্ৰাণীটোৱে চোঁচা ললে পুত্ৰৰ ফালে।

অঁ! সদায় সদায় যিহকে তিহকে বকি থাকিলে বজাই দিম বুলি কৈছোঁ। এক নিৰাপদ দুৰত্বত থাকি পূৰ্ণ দম্ভৰে উত্তৰ দিলে সি।

মোৰ ল'ৰা হৈ, মোৰ আগতে, মোৰ মাইকীক এনে কথা কব। ইফালে সিফালে কুকুৰ লৰ দি এপাত অস্ত্ৰৰ অন্বেষণ চলিছিল প্ৰাণীটোৰ। হঠাৎ ভৰিটোৱে খুন্দা দিলে

এটা শিলগুটিত। নিমিষতে অস্ত্ৰৰ অন্বেষণ শেষ হ'ল।

শিলগুটিটো গাৰ জোৰে মাৰি পঠালে প্ৰতিপক্ষলৈ।

শিলগুটিটোৱে তাৰ নাকত এক প্ৰচণ্ড খুন্দা দিলে। মাটিত বাগৰি পৰিল সি।

পলকতে সবল প্ৰাণীটোৱে হেপাহেৰে গুৰিয়াবলৈ ধৰিলে। দুৰ্বল প্ৰাণীটোক। গভীৰ তৃপ্তিৰে চাই থকা তৰুণী পত্নীক পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ বীৰজনৰ প্ৰমাণ দি দিলে।

সি নাজানে কিমান সময় তেজ আৰু ধুলিৰে একাকাৰ হৈ চোতালত পৰি আছিল সি যেতিয়া সম্বিত ঘুৰি আহিল ....

তেতিয়া কিন কিনকৈ এজাক বৰষুণ আহিছিল। সি সাৰ পালে। উঠি বহিল।

কিন কিন বৰষুণত জুপুকা লাগি বহি থাকোতে মাকৰ মুখখন বাৰে বাৰে তাৰ মনলৈ আহিছিল। আহ! মাক তাক বৰষুণ হৈ স্পৰ্শ কৰা নাইতো?

সি চকুপানী মচি মচি মনে মনে মাকক কলে— জান মা! মাক থাকিলেহে দেউতাক থাকে। তই এই কথা মোক কৈ থৈ নগলি কিয়?

সেই ৰাতিয়েই আছিল তাৰ শেষ ৰাতি। পিতৃ-মাতৃগৃহৰ শেষ ৰাতি।

পিছদিনা পুৱাই এটা টিণৰ সৰু চুটকেচত তাৰ সৰু সংসাৰখন ভৰাই পেলালে। তাৰ পাছত লাহে লাহে খোজ দিলে সমুখৰ জনপূৰ্ণ ৰাস্তালৈ। পিন্ধনত তাৰ পুৰণি ৰং যাব ধৰা এটা আকাশী ৰঙৰ চাৰ্ট আৰু খাকি ৰঙৰ পেন্ট।

ৰাস্তাত ভৰি দি কিছু সময় সি ৰৈ গ'ল—। সি কোনফালৰ বাচত উঠিব— পুবৰ নে পশ্চিমৰ।

ইতিমধ্যে কেইবাখনো বাছ তাৰ ওচৰত ৰখাইছে। জপিয়াই জপিয়াই কিছুমান উঠিছে। কিছুমান নামিছে। সি বহু দেৰী সেই দৃশ্যকে চাই থাকিল এক বৃদ্ধৰ দৰে।

হঠাৎ সি বৃদ্ধৰ পৰা তৰুণ হৈ গ'ল। তাৰো-মন গ'ল গাড়ীত একেজাপে উঠিবলৈ।

সিয়ো জাপ মাৰি বাছ এখনত উঠিল। তেতিয়া বাছত ভূপেন হাজৰিকাৰ কণ্ঠ নিনাদিত হৈ আছিল। প্ৰাণঢালি গাইছিল সেই গীত।

তাৰ লক্ষ্যহীন যাত্ৰা। এই যাত্ৰাই গীতটো কৰি পেলালে অপাংক্তেয়, অৰ্থহীন।

সম্পূৰ্ণ তিনিটা ঘণ্টা বাছ চলিল। পাই গ'ল লক্ষীমপুৰ চহৰ। পিছে তাৰচোন ভাল নালাগিল। আকৌ ওভোটা বাছত জাপ মাৰি দিলে সি। মাত্ৰ আঠ কিলো মিটাৰ চলিছে বাছ। যাত্ৰী উঠাবলৈ বাছ ৰৈ গ'ল, সিয়ো তাতে নামি গ'ল। হাতত এটা পুৰণি চুটকেচ।

আকৌ লক্ষ্যহীন সি। এনেয়ে সোমাই গ'ল উত্তৰ দিশে। এটা অসহায় প্ৰাণী, গধূলিৰ গাঁৱৰ ৰাস্তাৰে গাঁৱৰ গধূলি।

বাটৰ পৰাই সি মানুহৰ ঘৰবোৰ নিৰিক্ষণ কৰিলে।

দুফালে দুজোপা দৌল যেন নাহৰৰ পদূলিটো তাৰ ভাল লাগি গ'ল। সোমাই গ'ল আন্দাজতে।

প্ৰাথমিক কথা-বাৰ্তা চলিল। হৃদয়বান গৃহিণীয়ে হঠাৎ যেন অনুমান কৰিলে ল'ৰাটোৰ বুকুৰ কাইঁটৰ কথা।

থাকি গ'ল সেই ঘৰতে। এমাহমান গৃহস্থৰ লগত তাৰ পাছত পদূলিৰ মুৰৰ এটা সুকীয়া সৰু ঘৰত— এটা কোঠাৰ ঘৰ।

এমাহ মান যোৱাৰ পাছতে গৃহস্থই সন্ধান পালে অমৃতৰ নামটোৰ দৰে মগজুত সোমাই থকা অমৃতৰ। মেট্ৰিক পাছ ল'ৰাটোক কলেজত নাম লগাই দিলে।

বাঃ কি চমকপ্ৰদ তাৰ বন্ধুৰ কাৰ্যসূচী। বাৰীখন চাফা হবলৈ এদিনত কেইজন বনুৱা লাগিব, ফুলৰ কোনজোপাত কি সাৰ লাগিব, নতুনকৈ কি কি গছ পুলি ৰুব ইত্যাদিৰে সি গৃহস্থৰ বুকু দখল কৰি পেলালে কম দিনৰ ভিতৰতে।

মাজে মাজে সি সোমাই পৰে ৰং তুলিকাত, মাজে মাজে মায়াৰ সতে চুপতিত.......।

মায়াৰ কথা মনলৈ অহাৰ লগে লগে আকৌ তাৰ কাণ মুৰ ভম ভমাই গ'ল। কথা হ'ল, কোনখন ঘৰলৈ? কোনখন ঘৰলৈ সি মায়াক বোৱাৰী কৰি নিব।

উত্তেজনা। প্ৰচণ্ড উত্তেজনা! উত্তেজনাত সি বহাৰ পৰা উঠি এনেয়ে কোঠাটোত ইফাল সিফাল কৰি থাকিল। তেতিয়া কাণৰ কাষেদি, নাকৰ জখলাইদি বিন্দু বিন্দু ঘামৰ টোপাল বৈ আহি থুতৰিত এটা ডাঙৰ টোপাল গঠন কৰিছিল।

কোঠাতো স্তব্ধ আৰু স্থবিৰ। তাৰ টেবুল ঘড়ীত মৃদু টিক্ টিক্। মৃদু গতি।

হঠাৎ দুৱাৰত এটি টোকৰ। তাৰ পাছত কণ্ঠ অমৃত আছানে?

হঠাৎ তাৰ উত্তেজনা কাটি গ'ল।

পুনৰ ভাহি আহিল কণ্ঠ

অমৃত আছানে?

এইমাত্ৰ তাক তেনে এক লগেই লাগে। বাহিৰৰ কণ্ঠৰ দৰে লগ।

সি দুৱাৰ খুলিলে।

খোলা দুৱাৰেৰে সোমাই আহিল তাৰ ভাল লগা কণ্ঠৰ গৰাকী। তাৰ পাছত সি দীঘল উশাহ এটা ল'লে।

অমৃতৰ ভাল লগা কণ্ঠৰ গৰাকী পবিত্ৰ। পবিত্ৰ বৰঠাকুৰ, তাৰ পবিত্ৰদা। সেইদিনা বহু ৰাতিলৈকে সি পবিত্ৰৰ লগত কথা পাতিলে-- নতুন কলেজৰ কথা, ভট্টাচাৰ্যৰ কথা, ভট্টাচাৰ্যৰ বিশাল ব্যক্তিত্বৰ কথা।

ভট্টাচাৰ্য ঘৰৰ সদস্য সকলক অমৃতে যিমান ভাল পায় সিমানেই সি ভাল পায় পবিত্ৰদাক। সকলো মানুহৰ লগত সৌহাদ্যপূৰ্ণ আচৰণ কৰিব জনা, আচৰণত বিনয় বজাই ৰাখিব জনা-- পবিত্ৰৰ লগত কথা পতাৰ সোৱাদেই বেলেগ। কথাত, চলন-ফুৰণত, এক নিৰ্জস্ব আৰ্ট আছে তেওঁৰ।

পবিত্ৰ সমাজ-শাস্ত্ৰৰ স্নাতকোত্তৰ। পাছৰ প্ৰজন্মক আধুনিক সমাজৰ সংজ্ঞা দিব জনা। সেই সংজ্ঞা নিজৰ জীৱনত প্ৰয়োগ কৰিব জনা।

পবিত্ৰ উপনাম ছ'ছিয়েল ওৱৰ্কাৰ। আঞ্চলিক ছ'চিয়েল ওৱৰ্কাৰ। বিশেষকৈ কমলপুৰৰ। ক'ৰবাত জুই লাগিলে জানিবা জুইলৈ যিজনে বালি চটিয়াই আছে, জপিয়াই জপিয়াই জুইৰ মাজৰ পৰা বস্তু উলিয়াইছে সেইজনেই পবিত্ৰ। কাৰোবাৰ ঘৰত মানুহ মৰিলে এহাতে ফুল, এহাতে দা লৈ প্ৰথমে হাজিৰ হোৱাজনেই পবিত্ৰ। চাৰি এক কংক্ৰিতৰ পৰিবৰ্তে আঠ এক কংক্ৰিতেৰে বনোৱা গাঁৱৰ কালভাৰটো বাৰিষাৰ প্ৰথমটো বানতে উটি গলে ইঞ্জিনিয়াৰৰ অফিচ গৰম কৰি দিয়াটোৱেই পবিত্ৰ।

সেই পবিত্ৰৰ এতিয়া আন এক ব্যস্ততা। নতুন কলেজৰ ব্যস্ততা। লক্ষীমপুৰ জিলাভিত্তিত এখন ৰাজহুৱা সভা পাতিব লাগে। সভালৈ জিলাৰ সচেতন নাগৰিক সকলক নিমন্ত্ৰণ কৰিব লাগে ইত্যাদি অলেখ কামত সি এতিয়া ব্যস্ত।

এইকেইদিন খাৱন-শোৱন নোহোৱাকৈ অমৃতো পবিত্ৰহঁতৰ লগত ঘূৰি ফুৰিছে। পবিত্ৰহঁতৰ দৰে তাৰো নিজকে সচেতন নাগৰিক যেন লাগিছে। কমলপুৰৰ অপৰিহাৰ্য নাগৰিকৰ দৰে সিয়ো এতিয়া সদা জাগ্ৰত, সদা কৰ্মথ।

নিৰ্দিষ্ট তাৰিখটো আহিল। কমলপুৰ আঞ্চলিক যুৱক সংঘৰ বৃহৎ কোঠাটো প্ৰাণ প্ৰাচুৰ্যৰে ভৰি উঠিল।

সভাত অলেখ মানুহ। লক্ষীমপুৰ জিলাৰ প্ৰথম শ্ৰেণীৰ, দ্বিতীয় শ্ৰেণীৰ চৰকাৰী বিষয়া, শিক্ষানুৰাগী ৰাইজ। সমস্ত ৰাইজৰ মাজত কন্দৰ্পকুমাৰহেন সীমান্ত ভট্টাচাৰ্যৰ

অৰ্থপূৰ্ণ ব্যস্ততা।

মাইকত ঘোষিত হ'ল-- শ্ৰীযুত সীমান্ত ভট্টাচাৰ্যই সভাপতিৰ আসন গ্ৰহণ কৰিব লাগে।

মাইকত এইবাৰ সভাৰ উদ্দেশ্য ব্যাখ্যা ঃ আজিৰ যুগ বিশ্বায়তনৰ যুগ। বিশ্ব প্ৰতিযোগিতাৰ যুগ। এই যুগত সৰ্বভাৰতীয় ভিত্তিত বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদি সকলোতে দক্ষতাৰে ফেৰ মাৰিবলৈ আমাক এটি এড্‌ভান্স ষ্টাডি চাৰ্কেল লাগে। সেয়ে আমি ইংৰাজী মাধ্যমৰ এখন কলেজ প্ৰতিষ্ঠা কৰাৰ কথা ভাবিছোঁ।

লগে লগে এক প্ৰতিবাদী কণ্ঠই তীব্ৰ ভাষাৰে ক'লে-- এই উদ্দেশ্য আন একো নহয়। অসমীয়া ভাষাৰ ওপৰত, অসমীয়া জাতিৰ ওপৰত ই এক চাবুক। সন্দেহ নাই--- এজোপা বৃক্ষক, বিশাল বৃক্ষক তিনি ইঞ্চি জোখৰ এখন কুঠাৰেই ভূ-লুণ্ঠিত কৰিব পাৰে। অসমৰ ভাষা জননীৰ বাবে' এই কলেজখন হ'ব এখন কুঠাৰ। ৰাইজ। আপোনালোকে এই কুঠাৰ এতিয়াই হস্তগত কৰক......। এতিয়াই...........!

সভাঘৰ নীৰৱ নিস্তব্ধ।

হঠাৎ জধলা মানুহ এজন মঞ্চলৈ গ'ল। মাইকটোৰ ওচৰত থিয় হৈ তেওঁ কৈ গ'ল-- মই জানিব খুজিছোঁ কমলপুৰ ছাত্ৰ সংস্থাটো কেতিয়াৰ পৰা কমলপুৰ ৰাইজৰ বাপেক হ'ল। কোনে দিলে বাপেকৰ অধিকাৰ! তোমালোকে বহুদিন অসমী আইক ভাল পালা। তোমালোকৰ চেনেহৰ চুমাৰে কেইবাবাৰো আইৰ নাকটি চিঙিলা। এতিয়া তোমালোকৰ নাকটি আমি চিঙিম...........।

লগে লগে সভাঘৰত প্ৰচণ্ড হুলস্থূল। দুজনমান ডেকা চোঁচা মাৰি গ'ল বক্তাজনৰ ফালে। হঠাৎ বক্তাজনক আবৰি ধৰিলে পবিত্ৰহঁতে।

এইখন সভাত আমাৰ কাম নাই। প্ৰথম শ্ৰেণীৰ বিষয়া কেইজনে সভা ত্যাগ কৰিলে। ত্যাগ কৰিলে অসমী আইক নিজা ৰবীয়াকৈ ভালপোৱা যুৱক কেইজনে।

সভা স্বাভাবিক অৱস্থালৈ আহিল। থৈয়া নথৈয়া শব্দবোৰ থান্‌থিত লাগিল।

এইবাৰ সাহিত্যিক হৰেন্দ্ৰদেৱ গোস্বামীয়ে মিহি কণ্ঠে কলে' – এতিয়া আমাৰ অসমীয়াত্ব সাধনৰ সময় নহয়। সময় শ্ৰেষ্ঠত্ব সাধনৰ। শ্ৰেষ্ঠত্বইহে অসমীয়াত্ব আনিব.............। সভাপতিয়ে এইবাৰ মেঘালী ফুকনক এবাৰ কবলৈ অনুৰোধ কৰিলে।

থিয় হ'ল মেঘালী

..... মই মাত্ৰ এষাৰ কথাই কওঁ, আমি গোঁৱাৰৰ দৰে অসমক ভাল পালে নহ'ব। আমি পৃথিৱীক ভাল পাই অসমক ভালপাব জানিব লাগিব। জ্যোতিপ্ৰসাদৰ দৰে

গাঁৱলীয়া বাটেৰে লুইতৰ ঘাটেৰে পৃথিৱীখন চাব জানিব লাগিব।.........

হঠাৎ সভাকক্ষ নিতাল নিস্তব্ধ। সকলোৰে চকু, মগজু মেঘালীৰ ওপৰত. কব নোবৱাকৈয়ে বহুজনৰ মুখ মেল খাই গৈছে। কেৱল কাণেৰেইনে? মুখেৰেও সোমাই গৈছে শব্দবোৰ। শুনি ভাল লগা শব্দবোৰ। নহয়-- নহয়। শব্দ নহয়-- শেৱালী, পাহি পাহিকৈ সৰি পৰা শেৱালী। শেৱালীৰ সুবাসে আকৌ সভাকক্ষ ৰমনীয় কৰিলে।

পাছৰ কাৰ্যসূচী দান-বৰঙণি।

স্বয়ং সভাপতিৰ আসনত থকা মানুহজনে ঘোষণা কৰিলে, নাহৰবাৰী চৰকাৰী গ্ৰেজিংটোৱেই হ'ব কলেজৰ স্থান। সেই গ্ৰেজিংটোৰ কাষত দেউতাৰ বিশ বিঘা মাটি আছে। উত্তাধিকাৰী সুত্ৰে মই সেই মাটি কলেজলৈ দান কৰিলোঁ।

তাৰ পাছত এজন এজনকৈ কৈ গ'ল মই টেবুল চকী এজোৰা দিম। মই এটা আলমাৰী দিম....... ইত্যাদি।

সবাৰে শেষত উঠিল সেই মানুহজন। ছাত্ৰ-সংস্থাৰ লগত ফেপেৰি পতা মানুহজন। পিন্ধনত যাৰ হাতে বোৱা মুগা চোলা। নীলৰ মুখ নেদেখা এখন চুৰিয়া। কান্ধত আঁচুৰ ৰং গোটেই খনতে চেলেকা চুবুৰিয়াকৈ লগা এখন গামোচা, মানুহজনে গহীন কণ্ঠস্বৰে ঘোষণা কৰিলে.... মই আঠ বাণ্ডিল টিং দিম।

হঠাৎ সভাৰ সদস্য সকলৰ কৌতুহলী চকু ডাঙৰ ডাঙৰ হৈ গ'ল। সভাৰ সমস্ত চকু মানুহজনৰ গাত উবুৰি খালে।

পিছে কলেজখনৰ অধ্যক্ষ?

ভট্টাচাৰ্যৰ অবিহনে কোন আছে উপযুক্ত ব্যক্তি-- এই কমলপুৰ সমষ্টিত।

সন্ধিয়াৰ আগে আগে সভা ভাগিলু। ভট্টাচাৰ্যকে ধৰি কেইবাজনো গণ্যমান্যই মানুহজনৰ ফালে আগবাঢ়ি আহিল। এজনে সুধিলে, 'আপোনাৰ নাম?'

~~ৰঙাই শইকীয়া। ঘৰ থকনবৰী গাঁৱত।~~

থকনবৰী গাঁৱত? ভ্ৰকোঁচাই পবিত্ৰই আকৌ শুধিলে।

অঁ! কি হ'ল? থকনবাৰীত কেৱল চুলাই মদৰ ঘাটিহে আছেনে? তাত মানুহো আছে। সেই মানুহবোৰ সভা সমিতিলৈকো যায়। কৈয়েই ঢেক-ঢেকাই হাঁহি দিলে ৰঙায়ে। তেওঁৰ কথাত আনে ৰস পালেনে নাই তেওঁ নাজানে। নিজে কিন্তু পালে।

অতদিন ৰঙায়ে নিজকে এটা টিপচি চৰাই বুলি ভাবি আহিছিল। আজি পিছে তাৰ নিজকে এভাৰেষ্ট জয় কৰাৰ লেখীয়া লাগিছে। অতমখা মানুহে তাৰ পৰিচয় লৈছে। ঠিকনা বিচাৰিছে।

ৰঙাইৰ বুকুখন অলপ ফুলি উঠিল। অংহকাৰী ভাবটো গোটেই দেহত বিয়পি পৰিল। ঘটং ঘটং চাইকেলখন লৈ সি ঘৰমুখী ৰাস্তাত ভৰি দিলে।

আজি কেতেকীক সি এইবোৰ ক'ব পাৰিব । সি যে এই অঞ্চলৰ এক লেখৰ মানুহ ক'ব পাৰিব। পিছে টিংপাত দিম বোলা কথাষাৰ তাই নজনাকৈ ৰাখিব লাগিব। এক গহীন হাঁহি স্বাভাৱিকভাৱে ওলাই আহিল তাৰ। তাৰ এটা সুছৱি বজাবলৈকো মন গৈছিল। পিছে বয়সে নকয়।

তেতিয়া সন্ধ্যা লাগিছিল।

তেওঁ চাইকেলখন খকনবড়ী গাঁৱত সৰু লিকটোত মিলাই দিলে। কাষৰ নামঘৰটোত তেতিয়া দবাৰ কোব।

সি পদূলিত থিয় হোৱাৰ লগে লগে এজন মানুহ তাৰ ঘৰৰ পৰা ওলাই অহা দেখিলে। সেই মানুহটোৱে কেতেকীক কি কথা ক'ব সেইয়া তাৰ বুজা হৈ গৈছে। নিমিষতে তাৰ বুকুখন চেপা খাই গ'ল।

'যাহ্ যি হয় হ'ব' এনে এটা ভাবেৰে সি চাইকেলখন ঘৰৰ ভিতৰলৈ অহং ভাব এটাৰে চোঁচোৰাই নিলে।

সি চাইকেলখন নিৰ্দিষ্ট ঠাইত থলে। তাৰ পাছত কাপোৰজোৰ সলালে। পিৰিক পাৰাক কৈ ইফালে-সিফালে চাই ভৰি-হাত ধুই আগফালৰ বাৰান্দাৰ চকীখনত বহিলগৈ। চকীখনৰ বাঁও হাতোৰাটো ভগা। আয়ুস শেষ হোৱা।

ইতিমধ্যে কাষৰ ঘৰৰ পৰা 'কিমতে ভকতি কৰিবো তোমাক! হৰি এ' প্ৰাৰ্থনা ভাঁহি আহিছে।

লগে লগে সি চোতালৰ মূৰৰ টিঙৰ চালিখনৰ ফালে চালে। নাই। তাত জ্বলিব লগা চাকিগছ তেতিয়াও জ্বলা নাই। তাৰ উচ্-পিচ্ লাগিল। পৃথিৱী আধা আন্ধাৰ অথচ চাকিগছ......।

তাৰ গাৰ কাবেদি কেতেকী পাৰ হৈ গ'ল। তাইৰ হাতত এবোজা ডালি খৰি। ভৰালৰ আগৰ পৰা আনিছে। মানুহজনী আজন্ম বোবা যেন লাগিল তাৰ।

কেতেকী আকৌ এবাৰ বাহিৰলৈ ওলাই আহিল। তাইক উদ্দেশি সি ক'লে--

"কি হ'ল? গোঁসাই ঘৰত চাকি নিদিঅ' নেকি?"

"নিদিও থাকক। এইখন ঘৰ সদায়েই আন্ধাৰ। মিছাতে তেল পোৰাৰ দৰকাৰ নাই?"

কেতেকীৰ উত্তৰটো তাৰ বুজা হৈ গৈছে। তাৰ চকু সৰু হৈছে। চেলাউৰি কোঁচ খাইছে। মুখখন কম দেখা মানুহে কিতাপ পঢ়াৰ দৰে হৈছে। তথাপি সি নীৰৱ।

ৰান্ধনীঘৰৰ দুৱাৰখনত ঠেকেচা এটা দি কেতেকীয়ে বাহিৰত বহি থকা জনৰ কাণত পৰাকৈ ক'লে—

"সোঃ! ফুটনিখন চোৱা! আঠ বানকৈ টিংপাত দিয়ে, "কয় নহয়, লোকে আঠুৱা চাই মেলিবা ঠেং, শক্তি চাই জুৰিবা ভেম্, ফটা চিটা ফটহুৰ আকৌ দান। নিজৰ ঘৰত বা কেইচলা টিং আছে।"

ৰঙাইৰ কাণত শব্দবোৰ সোঁ সোঁকৈ সোমাল? শব্দ নহয় কাঁড়। আগত লোৰ জোং থকা কাঁড়। সি বুজিলে গোবিন্দই সি অহাৰ আগতেই মিটিঙৰ কথা সব কেতেকীক পিয়্কালেহি। চকীখনৰ একমাত্ৰ হাতোৰাটোত দুয়োটা হাতে খামুচি ধৰি গৰজি উঠিল সি ঃ

"এই কালসন্ধ্যাখন কেপ কেপাই নাথাক। লোকৰ ঘৰত প্ৰাৰ্থনা, মোৰ ঘৰত বকলা! কুলক্ষণী তিৰোতা কৰবাৰ!" মুহূৰ্ততে সি সজাগ হ'ল কুলক্ষণী বুলি ক'ব নালাগিছিল। পিছে ঘচংকৈ আহি গ'ল জিভাত।

কেতেকী একে উশাৰে আগফাল পালেহি আৰু হেপাহেৰে ঢালি দিলে "মই কুলক্ষণীনে? হয়তো আক' কুলক্ষণীয়ে সন্ধিয়া বেলিকা নকৈ কেতিয়া কম? দিনত ক'বলৈ মহালক্ষীৰ পুতেকজনা ঘৰত থাকিলেহে হৈছে।"

তাৰ অলপ আগতে টিঙিচ্কৈ উঠা খংটো এতিয়া মূৰলৈ উধাইছে। খঙত কঁপিছে। তথাপি চকীখনত খামোচা মাৰি শৰীৰটো চকীতে ৰাখিবলৈ যত্ন কৰিছে।

আগতকৈ কঠোৰ কণ্ঠে সি গৰজি উঠিল।

"চপৰাণি মাটি কেনেকৈ মৈয়াৰ লাগে মই জানো, মৈয়াই পেলাম।"

"এস্ মোক মৈয়াই পেলালেই পৃথিবী ফালি চলা চলাকৈ টিংপাত ওলাব। তাকে নি ৰাইজখনক দিবগৈ। আদা বেপাৰীৰ জাহাজৰ খবৰ তাকে কলে লাগে জগৰ, সেইবোৰ মেললৈ যাব লাগে কিয়?"

উচাত মাৰি তাই ভিতৰ সোমাল। লগে লগে আইজনী আৰু সোণটিয়ে কি কৰিছে উহ্ ল'লে। সিহঁত নিজৰ নিজৰ ঠাইত।

তাৰ পাছত তাই পাছফালৰ পৰা চেৰেকীটো আনিলে। বাঁওহাতে সোঁমাজৰ শকত শলা ডালত ধৰি কেইবাটাও হুটুৰ হুটুৰ কোব চেৰেকীত বহুৱাই দিলে। তাই এতিয়া মহুৰা ফুৰাব।

নিমিষতে ফুৰাই শেষ কৰি পেলালে দুকুৰি মহুৰা। ইতিমধ্যে তাইৰ খংটো সূতা হৈ গ'ল। সূতাবোৰ মহুৰাত পাক খাই গ'ল। তাই মানুহজনী শান্ত হ'ল।

যঁতৰ আৰু চেৰেকী থান-থিত লগাই তাই আখলত সোমাল। চেৰেংকৈ আচল কথাটো তাইৰ মনলৈ আহিল — হে হৰি আজি সঁচাকৈয়ে গোঁসাই ঘৰত চাকি দিয়া নহ'ল—

বাওঁহাতে চাকিটো লৈ গোসাঁই ঘৰ সোমাল। বৰ আন্তৰিকতাৰে চাকিগছ জ্বলালে তাই। তাৰ পাছত সাষ্টাঙ্গে পৰি ভগৱানক ক'লে 'শাওপাত নিদিবা প্ৰভু! মই অকলে এই সংসাৰৰ মহাভাৰখন কেনেকৈ টানো। তেখেতৰ মনটো পৰ্বতটোৰ সমান। মাজে মাজে পৰ্বত হেন মনটোক মই আগভেটি ধৰোঁ। দুষাৰ বঢ়া বচন শুনাও। নহলে সংসাৰ নৰয়। হে প্ৰভু তুমি তেখেতৰ মনটো চাপৰ কৰি দিয়া............ নেদেখাজনক বহু কথা কৈ পেলালে তাই। পুনৰ তাই আখল পালেগৈ। জুইকুৰা ধৰোঁতে তাইৰ আজি বহুপৰ লাগিল। জুইকুৰা ধোৱাঁইছে, তাই হাতত ফু-চুঙাটো ললে। গালখন ফুলাই ফুলাই ফু-চুঙাত ফু দিলে। কিন্তু? কিন্তু হঠাৎ যেন তাইৰ মগজুৰ কোষবোৰো ফুলি গ'ল। সমাধান! সমাধান! সমস্যাৰ সমাধান, ধোৱাৰ মাজত সমাধানৰ পথ এটা তাইৰ দেখা যেন লাগিল। নিমিষতে মনটো লঘু লঘু লাগিল তাইৰ।

জ্বলা জুইকুৰালৈ তাই বৰ তৃপ্তিৰে চালে। জুইকুৰাই সঁচাকৈয়ে তাইক এটা সমাধান দিলে।

বাৰান্দাত বহি বহি আমনি লাগিলত ৰঙাই এনেয়ে এপাক পদূলিলৈ উঠি গৈছিল। ঘূৰি আহি দেখিলে সি বিচৰা চাকিগছ জ্বলিছে। দেৰিকৈ হলেও জ্বলিছে।

আকৌ সি আগৰ ঠাইত বহিলে। বহাৰ পৰা ইকৰাবেৰৰ ফাকেদি জিলিকি থকা চাকিগছলৈ চালে। চাকি গছলৈ চাই চাই সি কেতেকীৰ কথাকে ভাবিলে আই ঐ দেহি! জাৰ-জহ, ৰ'দ-বৰষুণ, এলাহ ভাগৰ এইবোৰৰ তাই ভূ নাপায়। ভুইকই থাকিলে, বৰষুণত হাতখন ঠেটুঁৱৈয়ে ধৰিলে, কঠিয়াবোৰ হাতখনৰ লগতে ওপৰলৈ গুছি আহিলে তাই কয়– 'হ'ব আৰু। ঘৰলৈকে যাওঁ। গোচবোৰ বৰ বেয়া হৈছে।' পৃথিৱী ফাটি চিতাচিত হোৱা ৰ'দত তাইৰ গালখন জুইয়ে পোৰাদি পুৰিলে, চকুৰ ধোৱা ধোৱা দেখিলে তাই কয়– 'চকুৰে দেখোন নেদেখা নেদেখা লাগিছে। থক্ আৰু! ঘৰলৈকে যাওঁ। গোচবোৰ বৰ বেয়া হৈছে।' যিটো ৰ'দত মই আমতলৰ ছাঁত বৈ থাকোঁ, সেই ৰ'দত তাই হাঁহি হঁহি ভুঁইৰুই থাকে। মাজে মাজে পানী এবাতি পিয়ে। যিজাক বৰষুণত মূৰত জাপি লৈয়ো মই কঁপি কঁপি জলকা লাগি বৈ থাকো, সেইজাক বৰষুণত তাই

তামোল এখন মুখত ভৰাই ভুঁই ৰুই থাকিব পাৰে।

অকল খেতি খোলাতে নে? তাইৰ বুদ্ধি সম্বিৰ কিটিপেই বেলেগ। মই তাইক হিয়া উবুৰিয়াই ভালপাওঁ। পিছে মুখে সুৱদি মাত নিদিও। লাজ লাগে।

পকাধানৰ দিনত তাই ছিৰী একোপ চৰে। এবেলি ধান দাই অকণমান বহে। যোলেং টেঙা খায়, টেঙা খাই থাকোতে তাইলৈ মই লুকাই চাও। সেন্দুৰীয়া গালখন হেপাহেৰে চাওঁ। মনটো উচপিচ কৰে। দেহাজনী বুলি মাতিবৰ মন যায়। পিছে মাতো কেনেকৈ। কাৰণ তাইৰ লগত কেতিয়াবা সোনটি, কেতিয়াবা আইজনী থাকে। কেতিয়াবা অকলে পাওঁ। পিছে দেহাজনী বুলিবলৈ লাজ লাগে। মোৰ হিয়াখন এফাল তাইৰ। পিছে তাইক ভেকাহি মাৰি মাৰি অভ্যাস হৈ গ'ল।

মানুহজনীৰো মোলৈ হিয়াখন আছে। পিছে মুখখন লাওপাত কচুপাত। দহে তাইক দাংকাটি বুলি কয়। সেয়ে দুচাট এচাট কেতিয়াবা সোধাও। পিছে মাৰ কিল কৰিলেও তাইহে মোৰ ঘৰৰ লখিমী। ল'ৰা ছোৱালীহালো পঢ়াশুনাত ভাল। গাওঁখনৰ ভিতৰতে ভাল। সিহঁতক তায়ে চকু দিয়ে।

প্ৰভু তেনে এজনী লখিমী তিৰোতা তুমিয়ে মোক দিলা— ৰঙায়ে বহি থকাৰ পৰাই নেদেখাজনক সেৱা এটা জনালে।

এইবাৰ সি নিজক খুচৰি খুচৰি চালে— মই মানুহটো টোকোনা, মনটো মাজুলীয়াল। মানুহে কয় মাজুলী মানুহে নিজে ভোকত থাকিও আনক খুৱায়। মেললৈ গৈ ভালপাওঁ, দেৱতা হেন মানুহবোৰ লগ পালে মনটো কিবা উৰুলিপুঙা হৈ পৰে। ৰাইজক বহুত কিবা কিবি দিবলৈ মন যায়। মোৰ এই পগলা মনটোৱে ঘৰখন মাজে মাজে খালত পেলায়.....।

"দেউতা ভাত বাঢ়িলে আহ।"

"হলেই নে?"

"অ"

ৰঙাই ভিতৰলৈ উঠি গ'ল।

* * * * * *

...... পুৱতি নিশাই সাৰ পালে কেতেকীয়ে। সেইদিনা পুৱাৰ শেতেলীত তাইৰ মনটো বেয়া লাগি গ'ল। বেয়া নহয় দুখ। ৰাতিপুৱাই মিছা মাতিব লগাৰ দুখ। তাই আজি যাব পৱিত্ৰ মাষ্টৰৰ ওচৰলৈ। কিন্তু ৰঙাইক ক'ব বকুলীৰ ঘৰলৈ যাওঁ। এবিকণি বিচাৰি। আজল জল, সাতোতা পোৰা মাছ ভাতৰ তল। মানুহটোৰ মনটো তাম, তুলসী, গঙ্গাজল চুই শপত খোৱা কালৰ। কিবা এটা আছিলা দেখুৱালেই হ'ল। তাকে সঁচা বুলি ভাবে। অকণমান খুচৰিলেই সঁচাটো ওলায়। পিছে নোখোচৰে।

অৱশ্যে মানুহটোক তাই বেয়া নাপায়। বেয়া পায় ববপুখুৰীহেন তাৰ মনটোক।

মনে বিচাৰে ৰজা হ'বলৈ, বিধাতাই নিদিয়ে খুজিয়ো খাবলৈ। ঘৰত কি আছে, কি নাই সেইটো আচল কথা নহয়, আনক কি দিব পাৰি, কেনেকৈ দিব পাৰি, সেইয়াহে আচল কথা।

'হে হৰি' – ভগৱানক এবাৰ ভাবি তাই বাগৰ সলালে।......... কথাবোৰ ভাবি ভাবি পোহৰ হওঁ নৌহওঁতেই তাই শোৱাপাটি এৰিলে।

পুৱাৰ নিত্য নৈমিত্তিক কাম কেইখন কৰি গা-পা ধুই তাই সাজি কাচি ওলাল।

যাবৰ সময়ত আইজনীক কলে– "দেউতাৰ উঠিলে চাহকাপ কৰি দিবি। মই বকুলীৰ ঘৰৰ পৰা আহোঁগে। তইঁত স্কুল যোৱালৈ মই পামহি।"

সাৰ পাই বিচনাত এনেয়ে লুটি-বাগৰ দি আছিল ৰঙায়ে। কেতেকীয়ে আইজনীক কোৱা কথাকেইষাৰত বাটলুগুটি এটা সোমোৱাদি তাৰ কাণত সোমাল।

সি কাঁহ এটা মাৰি ক'লে – "এই ৰাতিপুৱাই ক'ত মৰগৈ। আবেলি গ'লে নহয়নে?"

"এই বেলাতেই যাওঁ। পিছবেলা তাই কিজানি ঘৰত নাথাকিব।" কৈয়ে কেতেকী লৰালৰিকৈ ওলাই আহিল।

এটা মিছা কথাৰে দিনটো আৰম্ভ কৰিব লগা হ'ল। তাইৰ মনটো কিবা কিবা লাগিল। অৱশ্যে পদূলি পাৰ হৈ কেইখোজমান গৈয়ে তাই এটা হাতী দেখা পালে। হাতীটো তাইৰ কাষেদি পাৰ হৈ গ'ল। মনটো ভাঁলি ভাল লাগিল।

ইতিমধ্যে পুৱাৰ ৰ'দজাক দিনটোৰ বাবে ওলাইছে। গছৰ আগত পাতনি তৰিছে। কেতেকীৰ মুগাৰ মেখেলাৰ খম্ খম্ শব্দ আৰু তজবজীয়া বেলি একে হৈ পৰিছে। ধন্য হৈছে পুৱাৰ ৰাস্তা।

তাই কাষৰ গছ বিলাকলৈ চালে। চৰাইবোৰ ইজোপাৰ পৰা সিজোপালৈ জপিয়াইছে। নিজৰ নিজৰ ভাষাৰে কথা পাতিছে।

সেই সময়ত কাষত ঘৰৰ ৰেডিঅ'পৰা ভাহি আহিছে হৰিনাম–

পুৱা গধূলি কৰা হৰিক স্মৰণ
নেৰিবা মনাই অ' হৰিৰ চৰণ'
ৰাম নাম মুখে লৈ হৰিক হৃদয়ে লৈ
সফল কৰা মনাই অ' মানবী জীৱন।

নামষাৰ তাইৰ হিয়াৰ মগুহে মগুহে সোমাই গ'ল। এনে নাম শুনিলে তাইবো মন যায় ৰেডিঅ' এটা লবলৈ। তাই মনতে পাঙিলে এইবাৰ যেনেতেনে ৰেডিঅ' এটা লবই লাগিব।

ঘুটুলুং ঘুটুলুং ঘুটুলুং...............

নির্দিষ্ট বিন্যাসৰ শব্দ কৰি থোৱা গাড়ীখন তাইৰ কাষেৰে পাৰ হৈ গ'ল। তাইৰ এনে লাগিল তাই খোজকাঢ়ি অহা নাই। ঘোঁৰাত মূলা গাভৰুৰ দৰে আহিছে। আহিছে সমস্যা এটা আগভেটি ধৰিবলৈ। সমস্যাক পৰাজয় কৰিবলৈ।

এটা সময়ত তাই পৱিত্ৰ মাষ্টৰৰ চোতাল স্পৰ্শ কৰিলে। নাই, তাইৰ লাজৰ চুচুক চামাক নাই। অচিনাকিৰ থেৰো-গেৰো নাই।

তাইৰ আকাংখিত মানুহজন বাৰান্দাত। মানুহ নহয়— যুৱক। বগা বগা মুখৰ পাহোৱাল ডেকা। থমথমকৈ চকী গুৰাই বহি আছে।

তাইক দেখিয়েই সৌজন্যৰে ক'লে—

"আহক! বহক!"

তাইলৈ সম্ভ্ৰমেৰে চকীখন আগবঢ়ালে।

তাই চকীত নবহি ওচৰতে থকা মূঢ়াটোত বহিল।

"আপোনাক চিনি......

"অ' নাপাব। মই খৰুনবৰী গাঁৱৰ। বঙাই বৰাক চিনি পায় ছাগে। তেখেতৰ পৰিবাৰ।"

"নমস্কাৰ। আপোনাৰ মানুহজন কিন্তু বৰ উচ্চমনৰ মানুহ।"

কেতেকীৰ বুকুখন গৰ্বত কিঞ্চিত ফুলিছিল। পিছে নিমিষতে চেপা খাই গ'ল সেই গৰ্ব। তাই যথাসম্ভব বিনয়েৰে ক'লে—

"হয়, মানুহজনৰ মনটো ঘৰখনতকৈ ডাঙৰ। সেইটোৱেই মোৰ সমস্যা। আপোনাৰ ওচৰলৈ তেনে এটা সমস্যা........।" শব্দবোৰ ফৰফৰকৈ ওলাই নাহিল। জিভাত লাগি ধৰিল।

ইতিমধ্যে এক অসহায় ভাৱে তাইৰ মুখমণ্ডল চানি পেলাইছে।

"কওঁকচোন আপোনাৰ সমস্যাটো" সৰল হাঁহি এটাৰে পৱিত্ৰই কলে....

আমাৰ অৱস্থা একেবাৰে নিহাইল। যেনেতেনে দুবেলা দুমুঠি চলে। পিছে তেখেতে কালি হেনো......... আধাতে বৈ গ'ল তাই।

পৱিত্ৰই যি বুজিব লাগে সকলো বুজিলে। সেয়ে বাকী অংশ পূৰ্ণ কৰি সি ক'লে—

"তেখেতে কালি টিনপাট দান দিম বুলিছিল। হ'ব, তেখেতক বুজাই ক'ম। আপুনি নিচিন্ত হ'ব পাৰে। আচলতে বস্তুত কৈয়ো আমাক এজন বিশ্বস্ত কৰ্মীৰ প্ৰয়োজন। মিস্ত্ৰিকেইটা চোৰা-চিতা কৰিবলৈ।"

শোনাপুনিকৈ ক'লে তেখেতে বৰ বেয়া পাব। মই ইয়ালৈ আহিছোঁ বুলি তেখেতে ভূ নাপায়। আপুনি দয়া কৰি আমাৰ ঘৰলৈ এপাক যোৱা হ'লে.......।' এতিয়া তাই

মুখৰা মহিলা নহয়। লেখি লেখি কথা কোৱা মহিলা।

"থাম আৰু"। চিনা পৰিচয়ো হ'ব লাগে দিয়কচোন।

তাইৰ মন গদ্ গদ্ কৃতজ্ঞতাৰে ভৰি পৰিল।

ঘৰমুখী ৰাস্তাত ভৰি দি কেতেকীয়ে ভাবিলে ৰাতিপুৱাই মিছা কথা এৰাৰে তাই এটা সমস্যা চিজিল কৰিলে।

কেতেকী ঘৰ সোমোৱাৰ লগে লগে ৰণ্ডাই সাজি কাছি ওলাই তাইক ক'লে— "মই আহিছোঁ।" সি মাতষাৰ এনে ভাবে লগালে যেন নিতৌ যোৱা অফিচটোলৈহে সি গৈছে।

* * * * * *

ভাত পানী খাই ইখন সিখন কৰি আজৰি হৈ তাই তাঁতৰ পাতত বহিল।

পিছে সাতিবেনো তাই কেইমাকো বব পাবে? সেইয়া আহিলেই নহয় উদণ্ডীয়া গৰু। তাই তাঁতৰ পাতৰ পৰাই কাষৰ ঘৰৰ কণক চিএৰিলে। – "অ' বোপাই খেদচোন খেদ্। মই উঠি নাযাওঁ। গৰুজাক খেদ!"

পিছে সনাহিটোৱে ঢেলায়েই নকৰিলে। তাই উচাত মাৰি তাঁতৰ পাতৰ পৰা উঠি গ'ল, হাতত ছিৰি চটাকে লৈ— 'ৰাবীখন বেৰিবলৈ কওঁতে কওঁতে মুখৰ এচাল গ'ল। সোঃ! মেললৈ যায়। বাহিজৰ কাম কৰে। আজ্ঞাৰ মাছকে নোৱাৰে ধৰিব, বিললৈ যায় মাছ মাৰিব।' বকি বকি বাৰী ফেনেকি ফেনেকি গৰু খেদাই থাকোতেই গগণ ফলা চিএৰ এটা তাইৰ কাণত পৰিল। খন্তেক কাণ উনাই তাই ধৰিব পাৰিলে সেইয়া কাৰ চিএৰ।

কাটিলেঅ' বাইদেউ। কাটিলেঅ'........ ইতিমধ্যে চিএৰ আহি তাইৰ চোতাল পালেহি। আগে আগে এটা অবলা প্ৰাণী পাছে পাছে দাঁলৈ এটা সবল প্ৰাণী।

কেতেকীয়ে সাউতকৈ হাতত থকা চিৰিচটা অবলাৰ হাতত দিলে। লগে লগে মুৰৰ বিশেষ দোপটোৱে উভতি ধৰিবলৈ নিৰ্দেশ দি তাই গা আঁৰ দিলে।

আউলি-বাউলি দুৰ্বলাই শৰীৰৰ সমস্ত সাহস নিমিষতে বুকুলৈ আনিলে। লগে লগে চিৰি চটাৰে উভতি ধৰি ফোপাই ফোপাই ক'লে—

"কাটকচোন!"

সবলৰ কালান্তক বিস্ফোৰক চকু। পত্নীৰ হাতত অস্ত্ৰ দেখি বৈ গ'ল সি। তাৰ বিস্ফোৰিত চকু 'এই পৰোঁ; এই পৰোঁ।'

কিছুসময় চাৰিটা বিস্ফোৰক চকুৱে পৰস্পৰে পৰস্পৰক চালে। বৈ গ'ল এযোৰ

এযোৰ চকু, চাৰিহাত ব্যৱধানত।

"অ' গোসাঁই ! ক'তে মৰোঁ!"– এই মাত্ৰ ভিতৰৰ পৰা ওলাই অহা কেতেকীয়ে চিঞৰি দিলে। তাই এনে ভাব দেখুৱালে যেন অবলাই সবলক .... ছিৰি দাণ্ডি লোৱা কথাত তাই হতভম্ভ। তাই খপকৰে অবুজ প্ৰাণীটোৰ হাতৰ পৰা ছিৰিটো কাঢ়ি আনিলে।

নিৰস্ত্ৰ প্ৰাণীটো চাৰিহাত হুহকি গ'ল। সবলে তলমূৰ কৰিলে।

"হয়নে? তোমাৰ লেখিয়া বৰ নামঘৰৰ পাঠেকীয়ে পাটিৰ তিৰোতাজনীক দা লৈ খেদিব লাগেনে?"

"নবৌ সোধকচোন! এই হেৰামীয়ে মোক কি-ষাৰ কথা কৈছে?" পৌৰুষত্বৰ উত্মাৰে সবলে ক'লে।

"কচোন ক', কি কলি? কেলৈনো ই সাতবাৰী ফেনেকি তোক পছখেদা দিছে।"

"শুনকচোন বাইদেউ। মায়াক লৈ আহিবলৈ কওঁতে কওঁতে মুখৰ এচাল গ'ল। গাভৰু ছোৱালী। লোকৰ ঘৰত আছে। আচলত জীৱ বন্ধা হনুমানে সাগৰ লংঘা লেখীয়া নহয়নে?" অবলাই কৈ থাকোতেই ভম্‌ককৈ জ্বলি উঠিল সবল–

"আচল কথাটো ক।"

"তেখেতে কৈছে নীলিমা বাইদেউ হেনো সাক্ষাত দেৱী গোঁসানী, মায়াক একেবাৰে নিজৰ ছোৱালী ৰখাদি ৰাখিছে। মই বোলো, আপুনিও তাতে থাককগৈ, নিজৰ মতা ৰখাদি ৰাখিব।"

"শুনিলেনে নবৌ সেইহেন মানুহজনী শলাগিলেই তাইৰ গা বেজবেজাই যায়। এনে অসইভ তিৰি দুচেও কৰি জেলত থকাই ভাল।" কেতেকীৰ সাক্ষাততে পুনৰ সবলে চোঁচা ল'লে।

কেতেকীয়ে সবলৰ দা-খন ঠাপ মাৰি ভিতৰলৈ দলিয়াই ক'লে— "হ'ল হ'ল, দেখিলোঁ তোমাৰ ৰবমতা গিৰিটো। তাই মুখেৰেহে কৈছে। হওঁতে হয় চকলা নেমু, যেনিয়েই পোনাবা তেনিয়েই চমু। সেইষাৰতে দালে খেদিব লাগেনে।"

চুলি মেলি আউলি বাউলি হৈ কঁপি কঁপি থিয় দি থকা অবলা আন কোনো নহয়। তাই কেতেকীৰ সৰু জ্যা ফুলেশ্বৰী।

"যা, ভিতৰলৈ যা। যখিনী-ৰূপটো সামৰি মানুহৰ ৰূপ ল"। ফুলেশ্বৰী ভিতৰলৈ সোমাই গ'ল।

তাৰ পাছত সবল কণ্ঠৰ গৰাকী গোবিন্দই ক'লে– "নবৌ। আপোনাৰ কথাষাৰ হয়। পিছে এই হেৰামীয়ে মোলৈ হাত দগা কথাটো কাকো নকৰ।"

"নকওঁ, নকওঁ। হাত দণ্ডা বুলি নকওঁ। মৰিয়ালে বুলিহে ক'ম।" উচাত মাৰি কেতেকী তাতৰ পাতত বহিলগৈ।

গোবিন্দ ওচৰ চাপি টোলোঠাৰ ওচৰ পালেগৈ, সি পুনৰ বিনয়েৰে কলে, "নবৌ! এই কথা গুপুতে নাৰাখিলে মোৰ ফালে আধ্যা পৰিব। মই আপোনাৰ চৰণত ধৰিছোঁ।"

বাওঁভৰিৰে গৰকাত হেঁচাদি তাই ক'লে, "ঠিক আছে। গুপুতে ৰাখিম। কিন্তু তুমি আগলৈ কেতিয়াও তাইক মাৰধৰ নকৰোঁ বুলি শপত খাব লাগিব।"

গোবিন্দই লগে লগে ভূমি চুই শপত খালে। তাৰ পাছত অহা বাটে ঘুৰি গ'ল।

কেতেকীৰ পেটে পেটে হাঁহি উঠিছিল অথনিৰে পৰা। গোবিন্দৰ আগত ধৰা পৰি যায় বুলি তাই বৰ যত্নৰে হাঁহিটো নিয়ন্ত্ৰণ কৰিছিল। এতিয়া সি যোৱালে চাই বৰ তৃপ্তিৰ হাঁহি এটা মাৰিলে তাই।

কিছু সময়ৰ পাছত ফুলেশ্বৰী ভিতৰৰ পৰা ওলাই আহি কেতেকীৰ ওচৰত ৰ'লহি।

ইতিমধ্যে তাইৰ মাছৰাটো শেষ হৈছিল। মাকোৰ শলাত মাছৰাটো খুৱাই তাই ফুলেশ্বৰীলৈ নোচোৱাকৈয়ে ক'লে— "সি দা-খন জোকাৰিলে বুলিলেই তই ইমান চিঞৰিব লাগেনে? আমাৰ এই খণ্ডত কোনটো মতাই ঘৈণীয়েকক কটা শুনিছ।"

এইবাৰ ফুলেশ্বৰীৰ মুখলৈ চাই ক'লে—

"থাওকতে ছাগে সি এচাৰি বিচাৰি নাপালে। পোনচাটে দাখন পালে। তাকে লৈ খেদা ধৰিলে। এতিয়া ঘৰলৈ যা মুখেৰে ওম তৰা একো নামাতিবি।"

ফুলেশ্বৰী গ'লগৈ।

কেতেকীয়ে তাঁতত মনোযোগ দিলে।

পিছে আহিলেই নহয়— লং লং কে এপাল জুমফুৰা গৰু

খণ্ডতে বহি থকা সৰু বেঞ্চখনকে বোন্দা ঠেকেছা দি কেতেকী ছিৰিছটা লৈ আকৌ উঠিল।

'সন্তৰ লগত সুবাসনা, দুষ্টৰ লগত দুৰ্বাসনা।- কিনো পাপ কৰিছিলোঁ ঐ, এই মহাপুৰুষৰ লগত— সংসাৰ কৰিবলৈ।..........

গালি পাৰি পাৰি তাই আকৌ তাঁতৰ শালত বহিল। মনতে ভাবিলে এইবাৰ গোটেই ভাৰতৰ গৰুজাক বাৰীত সোমালেও উঠি নাযাওঁ। অকল কিবা মোৰেই নষ্টনে?

তাইৰ মন চকু তাঁতৰ পাতত, কাণ দুখন অৰণ্যে আলিবাটত।

পৰিচিত কাহঁটো কাণত পৰাৰ লগে লগে তাই মনতে কলে— আজি মহাপুৰুষ সন্ধ্যা নালাগোটেই ঘৰ পালেহি দেখোন?

কালি ওখনা ওখনি লগাবে পৰা বন্তায়ে তাইক হলি পলিকে মতা নাই। তায়ো কথাৰ মূৰত উত্তৰটো দিছে।

চোতালত ভৰি দিয়েই মহাপুৰুষে আকৌ কাঁহ এটা মাৰিলে। তাৰ অৰ্থ 'মই পালোহি। তই জোৰ কৰিব লগাখিনি কৰ।'

আনদিনা এই কাঁহটোত কেতেকী উঠি গৈ চিধাই চাহ কৰেগে। সি হাত-মুখ ধোৱে মানে চাহ তাৰ সন্মুখত হাজিৰ।

ইতিমধ্যে বন্তায়ে হাত-মুখ ধুই নিৰ্দিষ্ট চকীখনত বহিলহি। পিছে তাইৰ দোৰ পতিৰ খট্‌খট্‌নি, গৰুকাৰ খটখটনি আগতকৈ চৰিল। তাই মাত্ৰ তাঁতখনহে দেখিছে। ওচৰত কোনোবা বহি আছে যদিও সেইয়া তাই দেখা নাই।

সি মুখখন ফুলাই চকু ঘোপা কৰি দুবাৰমান তাইলৈ চালে। নাই তাই কেটকুটকে কৰা নাই। আনকি তাৰ ফালে কেৰাহিকৈয়ো চোৱা নাই। তথাপি সি ধৈৰ্য্য ধৰিছে। গম্ভীৰ কণ্ঠে সি কলে— "মোক চাহ অকন দে?" কেতেকীয়ে ও আ একো নামাতিলে।

আকৌ কিছুসময় পাৰ হ'ল। নীৰৱে।

এইবাৰ মাতৰ অলপ জোৰ দি কলে— "মোক চাহ এটোপা নুখুৱাবিনেকি?"

"মই নোৱাৰোঁ।"

"আইজনীকে ক।"

"তাই টিউচন কৰিবলৈ গ'ল।"

ইমান পৰে নিয়ন্ত্ৰণত ৰখা খংটো হঠাৎ সৰকি গ'ল—

"মোক চাহ অকণ নুখুৱাবি নেকি? কিবা ভমক উঠিব, কাটি কুটি তহিলং কৰি পেলাম।"

"একেটা কথাকে চেপেতা কৰি নাথাকিব। অথনিৰে পৰা উদণ্ডীয়া গৰু খেদোতে খেদোতে ওহালিটো পুৰাব পৰা নাই। ওহালিটো পুৰা নোহোৱালৈকে দৈবাসন তল গ'লেও নুঠো।"

"তোৰ এহালিচা বলকণি শুনিবলৈ মই ইয়াত বহি থকা নাই।"

"হয়নে? মোৰ ওপৰত ৰবমতাগিৰিটো দেখুৱাবলৈ বহি আছে। এনেয়ে মৰিছোঁ ঋষিৰ শাপত, তাতে আকৌ ধানৰ ভাপত। আপুনি দৈবাসন তল গ'লেও মোৰ কথা নুশুনে, ময়ো আপোনাৰ কথা নুশুনো।

তাইৰ তাঁতৰ দোৰপতিৰ শব্দ আগতকৈ ডাঙৰ হৈছিল। বেচি জোৰত টাব খাই সেই অংশ কাপোৰ বেচি ডাঠ হৈছিল। বাকী অংশৰ লগত তাৰ এটা পাৰ্থক্য ওলাই

পৰিছিল।

খণ্ডত একো নাই হৈ এইবাৰ বণ্ডাই উচাত মাৰি চকীৰ পৰা উঠিল। "কালিৱেই মই তোক এজাৰণি দিব লাগিছিল। আজি? আজি এবাইছ নিহে এৰিছোঁ...."

মানুহটো খণ্ডত উঠলি গৈছে। মুখখন দগ মগ্ ৰঙা হৈছে। অলপ কঁপিছে। খৰখোজে ইফালে সিফালে কিবা বিচাৰিছে। যেন ঢেকীয়াপতীয়া বাঘটোৰ আগৰ পৰা কোনোবাই মাংসখিনি থাপ মাৰি উধাও হ'ল। তেওঁ ইফালে সিফালে বিচাৰি ফুৰিছে। বিচাৰি ফুৰিছে আধাখোৱা মাংসখিনি।

পাই গ'ল! পাই গ'ল! বিচৰা বস্তুটো পাই গ'ল। গোহালিঘৰৰ ওচৰত পৰি থকা চুটি ফলীয়া বাঁহচটা খপ কৰে সি বুটলি ললে—। তাৰ পাছত চোঁচা ললে কেতেকীলৈ।

কেতেকীয়ে যেন যুদ্ধখনৰ কথা জানিছিল। এই যুদ্ধখনৰ বাবে তাই আগতেই প্ৰস্তুত হৈ আছিল। হাতত ছিৰিছটা লৈ তাই গৰজি উঠিল— পোৱালি হেৰোৱা বাঘিনীৰ দৰে, ওলাই পৰোঁ, ওলাই পৰোঁ চকুৰে — "মই জানোৱাৰ নহয়! সদায় সদায় সহ্য কৰি নাথাকিম মই। মোৰ গাত চাট পৰিলে ময়ো সুখেৰে নেৰিম।"

চাৰিহাত ব্যৱধানত থৰ হৈ ৰৈ গ'ল দুটা ৰনোমত্ত প্ৰাণী।

কেতেকী সাউত্‌কৈ ভিতৰ সোমাল।

...... সেইদিনা সন্ধিয়া গোঁসাইৰ আগত চাকিটো জ্বলাই কেতেকীয়ে বহুসময় প্ৰাৰ্থনা কৰিলে। নেদেখাজনক হিয়া উবুৰিয়াই মনৰ কথা ক'লে— 'প্ৰভু তুমিতো জানাই। মই হিয়াখনেৰে মানুহটো বেয়া নাপাওঁ। কিন্তু ঘৰখনলৈ মন কান নথকা মানুহটোক মই কেনেকৈ সহো। আজি যি কৰিছোঁ কৰিছোঁ। তুমি লেকাম নধৰা হলে আৰু কিবা-কিবিখন হৈ গ'লহেঁতেন। প্ৰভু! মোৰ হিয়াখন বুজি.......... মোৰ দোষ মৰিষণ কৰা।'

গোঁসাইঘৰৰ পৰা ভিতৰলৈ আহোঁতে তাইৰ বাৰান্দাৰ চকীখনলৈ চকু গ'ল। খালি।

তাই সোণটি আৰু আইজনীক এবাৰ নিৰীক্ষণ কৰি আথলত সোমাল। তাৰ পাছত তাই খুচ্‌খুচকৈ পাকঘৰত ইটো সিটো কৰিছে, এখন কাণ আগফালে থৈছে। নিৰ্দিষ্ট কাঁহটো ধৰি ৰাখিবৰ বাবে যেন নিয়োগ কৰিছে সেইখন কাণ....।

ভাত হ'বৰ হ'ল। পিছে অঙঠাৰ তাপ এতিয়াও ভাত হবৰ বাবে প্ৰয়োজন।......... জ্বলি থকা খৰি কেইদাল তাই ফু মাৰি নুমাই পেলালে। তাৰ পাছত বহলকৈ অঙঠাবোৰ মেলি দিলে। নুমাই থোৱা খৰি এডালেৰে চাকিটোৰ এঙাৰৰ থোপাটোত খাঁহি দিলে। ফটফটীয়া হৈ গ'ল চাকিৰ পোহৰ।

এটা মৃদু গল হেঁকাৰি কাণত পৰিল। পিছে এইটো বাহিৰৰ পৰা অহা নাই। আহিছে পাকঘৰৰ কাষৰ কোঠাৰ পৰা, আলহীৰ বাবে আচুতীয়াকৈ থোৱা কোঠাটোৰ

পৰা। তাই মনতে ভাবিলে— সেইটো কোঠাত তেওঁ দেখোন কোনোদিন নাথাকে। হাতত সাৱে ভৰিত সাৱে গলহেঁকাৰি অহা কোঠাটোৰ ফালে তাই আগবাঢ়ি গ'ল।

কোঠাটো আন্ধাৰ। আন্ধাৰ পিছে গভীৰ নহয়। আখলৰ চাকিৰ পোহৰ ইকৰাৰ ফাঁকেদি সেই কোঠালৈ গৈছে। অত্যন্ত ক্ষীণ পোহৰত মাত্ৰ বিচনাখনহে ধৰিব পৰা গৈছে।

তাই নিঃশব্দে ৰঙাইৰ পথানৰ ফালে বহি দিলে।

পথানত বহি থকা কেতেকীক গোৰ এটা সোধাবৰ মন গৈছিল তাৰ। নাই, তেনে কাম সি আৰু জীৱনত নকৰে। সি আজি পেটে পেটে এটা বধ শপত লৈছে 'তাইক কোনোদিন মাৰধৰ নকৰোঁ।' তাই আজি কালি বেলেগ হৈছে। খং উঠিলে একেবাৰে বাঘিনী হৈ পৰে। কথাবোৰ ভাবি ভাবি সি বেৰৰ ফালে বাগৰ সলালে।

'ভাত হ'ল উঠক'— খু-উ-ব লাহেকৈ তাই ক'লে। নাই, তাৰ কোনো সাৰসুৰ নাই।

হঠাৎ তাৰ ভাব হ'ল— সি কেইদিনমানৰ আগতে খেলৰ পৰা খেদা খোৱা মানুহ। খেলৰ মানুহৰ ঘৰত তাৰ প্ৰবেশ নিষিদ্ধ। এইকথা তাৰ কাষত বহি থকা গৃহস্থজনীয়ে ভালকৈয়ে জানে। জানিশুনিও গৃহস্থই তাক কৈছে— পাৰিলে এপাক যাবা। আচলতে? আচলতে তাই তাক পুতৌ কৰা নাইতো?

তাই এইবাৰ শিতানৰ ফালে বহিল। লাহেকৈ তাৰ মূৰত আঙুলি কেইটা বুলাই দিব ধৰোঁতেই—

"গুচ ইয়াৰ পৰা। মোক শাঁতিৰ থাকিবলৈ দে।" তাইৰ পুতৌ খুউব অসহ্য লাগিছিল তাৰ। ৰঙায়ে আকৌ ভাবিলে— 'মাইকীয়ে, মোলৈ হাতদঙা কথাটো কোনেও দেখা নাইতো?'

কেতেকী লাহে লাহে কোঠাৰ পৰা ওলাল। এক অপৰাধী ভাবেৰে। তাৰ পাছত তাই সোণটি আৰু আইজনীক কলে ঃ সামৰ। পঢ়া সামৰ, ভাত খাহঁত।

ল'ৰা-ছোৱালীহালক ভাতকেইটা বাঢ়ি দি তাই আকৌ ৰঙাইৰ ওচৰ পালেগৈ। শিতানৰ আঠুৰাৰ খুটিটোত ধৰি থিয় দি তাই বিনয়ী কণ্ঠে কলে,

"মই মূৰ্খ মাইকী। মোৰ খং উঠিলে আপোনাক বকো। তেতিয়া খংটো সাম কাটে। মনটো পাতল লাগে। আপুনি দহটা কথা জনা মতা মানুহ, দহ ঠাই ফুৰা মানুহ, পিছে আপোনাৰ খং উঠিলে এচাৰি লাঠি বিচাৰে কিয়? এচাৰি বা লাঠি নহলে খংটো নমাব নোৱাৰেনে? তেনেহলে পুৰুষ হিচাবে নিজকে নিজে অপমান কৰা নাইনে?"

"হ'ব যা। মোক নিৰলে থাকিবলৈ দে।"

তাৰ ওচৰৰ পৰা আঁতৰি তাই আখল পালেগৈ। আখল সামৰি ভৰি হাত ধুই তাই

শুই থাকিল।

পিছদিনা ৰাতিপুৱা গা-পা ধুই ল'ৰা-ছোৱালীহালে মেদেখা কৈ তাই ৰঙাইক তামোল এখন দি সেৱা এটা কৰিলে।

.... তেতিয়া আবেলি বেলি পৰিবলৈ দুদাৰমান আছে। তাই আগফালৰ বাৰীৰ বেঙেনা কেইজোপাৰ মাজত। আগদিনা ঘটি যোৱা ঘটনাটোকে পাগুলি বেঙেনা তলৰ গোন্ধোৱা বনবোৰ উঘালি আছে। তেনেতে সিহঁতৰ পদূলিত এখন সেউজীয়া ৰঙৰ সৰু গাড়ী বৈ গ'ল। তাই বিস্ময়েৰে গাড়ীখনলৈ চালে তাৰ পৰা সোঁশৰীৰে নামি আহিল তাইৰ আকাঙ্খিত মানুহ কেইজন। মানুহ নহয়, দেৱতা। তাই এনে লাগিল যেন ডুবাৰ আগতে বেলিটো তাই ঘৰ ভুমুকি মাৰি যাবলৈ আহিছে। তাই হাত ধুবলৈ নাদৰ পাৰলৈ গ'ল খৰখোজে।

কালিৰ পৰা ৰঙাই শৰণাৰ্থী শিবিৰৰ প্ৰাণীৰ লেখীয়াকৈ জলকা লাগি আছে। মুখৰ মাত-বোল কথা-কাণ্ড একো নাই। নিতান্ত যান্ত্ৰিকভাৱে সি খাইছে, সিফালে ঘৰৰ ভিতৰতে লৰচৰ কৰিছে। তাৰ এই জলকাটো তাৰ নিজৰে আত্মনিদায়ক হৈ পৰিছে।

দুপৰীয়া এপাক ওলাই যোৱা বা শোৱাৰ পৰিবৰ্তে সি কিবা এটা কৰাৰ কথা চিন্তা কৰিলে। তাৰ পাছত সি ভৰালৰ গাধৈখনৰ ফালে খোজ দিলে। গাধৈত আওঁজাই থোৱা ভাঁজ লগা পোজা কাঠ ডোখৰ পিতিকি পাতাকি চাই গড় এটুকুৰাৰ ওপৰত কাঠডাল থলে। তাৰ পাছত ভিতৰলৈ আহি মৰ্জিয়াৰ বেৰৰ ফাঁকত থকা বাইছখন উলিয়ালে। ধাৰটো ঠিকে আছেনে হাতেৰে চুই চাই পুনৰ কাঠডালৰ ওচৰ পালেগৈ। তাৰ পাছত খৰ গতিত বাইছ চলিল। ভাঁজ লগা কাঠডালৰ ওপৰে ওপৰে, নিজস্ব ঠাঁচেৰে।

সি বাইছখন মাৰি মাৰি অবাইচ শব্দ এসোপা ভোৰ ভোৰাই থাকিল। যেন কালিৰ পৰা তাৰ মগজুত থুপ খাই থকা ক্ষোভবোৰ কাঠডালতে জাপি দি সি বাইছখনেৰে তাৰ গা বখলা বখল কৰিছে।

নিৰ্দিষ্ট হিচাবত একান্তমনে বাইছখন চলাই যাওঁতে ভাঁজটোৰ চকুত তাৰ দুচকু বৈ গ'ল। আস্ সেই হাল চকু যেন বাঘেখাতী জনীৰহে চকু।

"খুৰা কি কৰিছে। পাছ্কালৰ পৰা মাটি খুঁচিলে বিকাশে—

"এইয়া অ' নাঙল এটা খুঁচিচো— যুবি নোচোৰাকৈয়ে ক'লে বঙায়ে। তাৰ পাছত পাছলৈ ঘূৰি। "অ' তই! বহুদিনৰ মূৰত আহিছি।"

"অকল মইয়ে নহয়। পবিত্ৰ আৰু আচাৰ্য্য হুৱো আহিছে।" বিকাশে শব্দকেইটা উচ্চাৰণ কৰি শেষ হোৱাৰ মুহূৰ্ততে সি উধাতু খাই নাদৰ পাৰ পালেগৈ। তাৰ পাছত হাত মুখ ধুই চোলাটো পিন্ধি আলহীৰ ওচৰ পালেহি।

"নমস্কাৰ ছাৰ।" এক অনাবিল মিঠা হাঁহিৰে অভিবাদন জনালে দেৱহেন অতিথিক। তাৰ পাছত মূঢ়াটো বিচাৰি তেওঁৰ ওচৰতে বহি ল'লে।

কি খুৱাও, কি খুৱাও কৰি কেতেকীৰ উথপ থপৰ সীমা নাই। ভাগ্যে মলাৰ দৈ-কণ খৰছ নকৰাকৈ সাচি ৰাখিছিল তাই।

বৰ আন্তৰিকতাৰে গৃহস্থৰ দ্বাৰা অপ্যায়িত হোৱাৰ পাছত বঙাইলৈ চাই মুখ্য অতিথিয়ে ক'লে—

"আপোনাৰ উদাৰতা আৰু মহানতাত মই বিস্ময় হৈছোঁ। আপোনাক আমাৰ মাজতে ৰাখিব খুজিছোঁ" — তাৰ পাছত তেওঁ পবিত্ৰলৈ চালে। চাৱনিৰ অৰ্থ বাকীখিনি তুমি কোৱা।

"হয় ! আপুনি আমাৰ লগত থাকিব লাগিব। বিশেষকৈ মিস্ত্ৰীক চোৱা চিতাৰ বাবে এজন নিষ্ঠাবান ব্যক্তি আমাক লাগে। আৰু সেইজনেই আপুনি।"

বঙাইৰ মুখমণ্ডলত আকৌ এটা মিঠা হাঁহি। হাঁহিটো টিপামাৰি ধৰি সি কলে,

"ঈশ্বৰৰহে ইচ্ছা। আপোনালোকৰ লেখীয়া দেৱপুৰুষৰ সঙ্গত কাম কৰাটো আনন্দৰহে কথা।"

এইবাৰ বিকাশে বঙালৈ চাই কলে—

"ভালেই হব খুৰা। তুমি তাৰ পৰা পোৱা দৰমহাৰে নিজেও চলিব পাৰিবা আৰু কলেজলৈ কি দিয়া লাহে লাহে দিব পাৰিবা।"

ভিতৰ ফালৰ দুৱাৰমুখৰ ওচৰত পীৰাত বহি একান্তমনে আলহীৰ কথা শুনি থকা কেতেকীৰ বুকু খোকি বাধৌ। আবেলিৰ বদন্ডাক তাইৰ বুকুত কুৰুকি কুৰুকি সোমাইছে।

.......তাৰ পাছত আলহী গোবিন্দৰ ঘৰৰ ফালে গ'ল। লগতে বঙাই আৰু কেতেকী। পিছে তাৰ ঘৰত আলহী বেচিপৰ নাথাকিল। সময় তাকৰ।

বঙাই, কেতেকী, ফুলেশ্বৰী আৰু গোবিন্দই আলহীক গাড়ীখনৰ ওচৰলৈকে আগবঢ়াই দিলে।

গাড়ীত উঠি পবিত্ৰই কলে—

"ছাৰ মেথালী চাহিলেউৰ ভাত এপাক সোমাই যাব লাগিব।"

"হুঁ।"

গাড়ীৰ চকা চলিল মেঘালীৰ ঘৰৰ অভিমুখে। গাড়ীখন লৈ নেদেখা হোৱাত কেতেকীয়ে বঙাই লৈ চালে— তাৰ চকুৰ মণিত ডুবো ডুবো জিলমিলি। বৰ মায়াময় হৈ পৰিছিল তাৰ দুচকু।

কল্পিতাৰ চিঠিখন পঢ়াৰ পাছত মেঘালী নিজকে মহা অৰণ্যত অকলে অকলে বিচৰণ কৰি থকা প্ৰাণী যেন লাগিছে। বান্ধৱী কল্পিতা তাইৰ কলেজৰ অন্তৰো অন্তৰঙ্গ বান্ধৱী। যোৱা দুবছৰৰ আগতে তাই বিয়া হৈ গৈছে ডিব্ৰুগড়ৰ এজন বিখ্যাত উকিলৰ সৈতে।

কালিয়েই পিয়নে দি থৈ যোৱা চিঠিখন মেঘালীয়ে দুবাৰ পঢ়িলে। আচলতে সেইখন চিঠি নুবুলি প্ৰতিবেদন বুলিলেহে শুদ্ধ হয়। প্ৰতিবেদন মানে তাই দুবছৰীয়া জীৱনৰ প্ৰতিবেদন।

তেতিয়া আবেলি চাৰিমান বাজিছে। কাম কৰা ছোৱালীজনীৰ লগত ল'ৰা-ছোৱালীহালে পদুলিত খেলি আছে। তাই শোৱনি কোঠাত সোমাল। তৃতীয়বাৰৰ বাবে কল্পিতাৰ চিঠিখন পঢ়িবলৈ। খিৰিকি বন্ধ কৰি লাইটটো জ্বলাই তাই বিচনাত উঠিল। ওৱালত পিঠিটো ভেজা দি আৰু পিঠিত গাৰু দুটা সুমুৱাই তাই বৰ আৰামেৰে চিঠিখন পুনৰ মেলি ললে ....

এইবাৰ তাই প্ৰতিবেদনখনৰ পূৰ্ণ পাঠ নকৰে। যি যি অংশত ৰঙা দাগ দিয়া হৈছে সেই সেই অংশ পঢ়ি গ'ল ....

.... জান মেঘালী। মোৰ। মোৰ যৌৱনৰ হাঁহি-মধুৰ পাণ্ডুলিপি তেওঁ কোনোদিন বিচৰা নাই। মোৰ উশাহে, মোৰ গানে তেওঁৰ বুকুত কোনোদিন কঁপনি তোলা নাই। কিমান দিন। কিমান ৰাতি মই তেওঁৰ বাবে ধৰফৰাইছোঁ। চটফটাইছোঁ অথচ তেওঁ কোনোদিন মোৰ বাবে ধৰফৰাই পোৱা নাই............

মনত পৰেনে মেঘালী, অফ পিৰিয়ডত পাৰ্কত বহি আমি যে নিজৰ নিজৰ ভাৱী স্বামীৰ বৈশিষ্ট্য বখানি আছিলো— মোৰটো ভাই এনেকুৱা হ'বই লাগিব.......... তইযে কৈছিলি..... সৰাতোকৈ জিকিব তোৰ মানুহটো তোৰ গান শুনি, তোৰ প্ৰেমত মজি

মজি সি পাগল হৈ যাব.........।

আস্ তেওঁৰ বংশৰ বহুতো বৃদ্ধই, মোৰ বংশৰ বহুতো বৃদ্ধ বৃদ্ধাই টোপনি খতি কৰিছিল সেই ৰাতি। সেই ৰাতি জ্বলি উঠা জুইকুৰাত ' তব হৃদয়ং মম্ মম্ হৃদয়ং তব' মন্ত্ৰেৰে ঘিউ ঢালিছিলোঁ জ্বলা জুইত। কিমান আশাৰে, কিমান প্ৰতিশ্ৰুতিৰে গুচি আহিছিলো তেওঁৰ পিছে পিছে........।

এইখিনিতে মেঘালীয়ে চকুহাল মুদি কথাখিনি যেন মগজুৰ নিৰ্দিষ্ট কোঠালিত চিজিল কৰি থলে । তাৰ পাছত আকৌ চিঠিখন বিশেষ বিশেষ অংশত চকু ফুৰালে।........... তেওঁৰ হৃদয় নামৰ শিলচটাত দুবছৰ হাতুৰি বতালি মাৰি মাৰি মই ভাগৰি পৰিলো। নাই নোৱাৰিলো।' মোৰ নামটো তেওঁৰ হৃদয়ত লেখিব নোৱাৰিলোঁ...........।

ঘৰত থকা সময়কণত তেওঁ জাপ জাপ আইনৰ কিতাপৰ মাজত .... আইনৰ প্ৰতিটো ধাৰা, প্ৰতিটো দফা তেওঁ নখদৰ্পণত।......... মুঠতে সৰ্বত্ৰ তেওঁ তেৱেঁই। তেওঁৰ অধ্যয়ণত, তেওঁৰ সাধনাত, তেওঁৰ নীৰৱতাত মাত্ৰ তেওঁ।

.... ইমানখিনি তেওঁৰ কথা কোৱাৰ পাছত তই হয়তো ভাবিছ মই বিবাহবিচ্ছেদ কৰিম অথবা একো নকৰাকৈয়ে পৃথক পৃথকে থাকিম। ন' নেভাৰ। এইবোৰৰ মই একোকে কৰিম বুলি ভবা নাই। পৃথিৱীৰ প্ৰেমৰ ওপৰত, আদিত্য আৰু তোৰ লেখীয়া বান্ধৱীৰ ওপৰত বিশ্বাসৰ শেষ শ্বাস-প্ৰশ্বাস থকালৈকে মই হাঁহি হাঁহি জীয়াই থাকিম। বাহিৰত হাঁহি থকাৰ মোৰ আটাইতকৈ ডাঙৰ সুবিধাতো কি জান, মোৰ মা-দেউতা জোঁৱাইৰ প্ৰশংসাত পঞ্চমুখ। অনুক্ষণে উকিল হৈ থকা মানুহটো মা-দেউতাৰ আগত সৰল জোঁৱাই হৈ পৰে। তদুপৰি তেওঁৰ বংশ পৰিয়ালৰ সকলো সদস্যই তেওঁক লৈ আছে এক গৰ্ব।.........

শুন, এতিয়া মই হাঁহি হাঁহি জীয়াই থাকিবৰ জোখাৰে য'ৰ ত'ৰ পৰা কিছুমান বাণী লিখি মোৰ শোৱণি কোঠাৰ বেৰত আঁৰি লৈছোঁ (অন্ততঃ হাঁহি হাঁহি জীয়াই থাকিবৰ বাবে) বাণীবোৰ এনেধৰণৰ—

(ক) মানুহ কেৱল আবেগ আৰু অনুভূতিৰে জীয়াই নাথাকে। আবেগ অনুভূতিক বিসৰ্জন দি একমাত্ৰ বিবেকৰ দাবীটো মানুহ জীয়াই থকাৰ প্ৰয়োজন।

(খ) চাৰিখন দেৱালেৰে আগুৰা সংসাৰ নামৰ অভিধানখনৰ পৰা প্ৰেম-অপ্ৰেম সুখ-দুখ, পতি-পত্নী, তোমাৰ চকুৰ শেৱালী পাহি, ইত্যাদি শব্দবোৰ আঁতৰাই থলোৱেই যেনিবা— কিনো মহাভাৰতখন অশুদ্ধ হব।

(গ) মোৰ বুকুৰ চঞ্চল বেলিটো কাৰোবাৰ অকণমান স্পৰ্শত বাহিৰলৈ ওলালেই যেনিবা তাতে ক্ষতি কি? ইত্যাদি।

তোৰ মনত পৰেনে কলেজ উইকত গোৱা সমবেত গীতটো 'বেলিৰ উদয় কোনে

ৰুধিব পাৰে, মানুহৰ প্ৰতাৰণাৰে', নোৱাৰে। মানুহৰ বুকুৰ চঞ্চল বেলিবোৰ কোনেও হেঁচাদি ধৰি ৰাখিব নোৱাৰে।

মই এক প্ৰকাৰ বৰ সুখী জান। তেওঁৰ হৃদয়ৰ ওচৰত মোৰ হৃদয়ৰ দাসত্বৰ যে বন্ধন নাই সেইবাবে। আচলতে কথাটো এনেকুৱাও হ'ব পাৰে। মই দুখৰ মাজত পৰাই সুখবোৰ টুকি টাকি লব জানো। সেই ব্লটিং পেপাৰৰ দৰে। কেনেকৈ যে মই আধুনিক জীৱনত অভ্যস্ত হৈ পৰিছোঁ। নিজকে কেতিয়াবা বৰ অচিনাকি অচিনাকি যেন লাগে, জান .... অ' এটা কথা। মই তোৰ আগত মোৰ সুখ-দুখৰ কথাবোৰ ক'লো বুলি এইটো নাভাবিবি .... মই যাৰে তাৰে আগত শোকৰ সঙ্গীত গাই ফুৰো বুলি........ এপাক নিশ্চয় আহিবি।

চিঠিখন জপাই মেঘালীয়ে চকুহাল আকৌ মুদি দিলে।

হঠাৎ কলিং বেলটো বাজি উঠিল। তাই খপজপকৈ বিচনাৰ পৰা নামি মজিয়াত ভৰি দিলে। তাৰ পাছত আইনাখনত মুখখন ঠিকে আছে নে চাই বাহিৰলৈ ওলাই আহিল।

"নমস্কাৰ! আহক আহক বহক।"

ভট্টাচাৰ্য, পবিত্ৰ আৰু বিকাশ সোমাই আহিল। কোনো পাতনি নেমেলাকৈ পোণে পোণে পবিত্ৰই কলে,

"কালিলৈ কলেজৰ আধাশিলা স্থাপন হ'ব। আপুনি কিন্তু যাবই লাগিব। বিমলদাকো কথাটো ক'ব।"

"আজি তেওঁ অফিচৰ পৰা বাহিৰে বাহিৰে বায়েকৰ ঘৰলৈ যাব, কালিলৈ অফিচ কৰি পাছ বজাতহে ঘৰ সোমাব। মই বাৰু যাম।"

ইতিমধ্যে সন্ধিয়া লাগিছিল। পবিত্ৰহঁতৰো কেইবাঠাইলৈকো যাব লাগে। সেয়েহে মেঘালীক কথাবাৰ কৈয়ে সিহঁত যাবলৈ ওলাল। তায়ো চাহ একাপ খাই যাওক বুলি জোৰ নকৰিলে। অৱশ্যে যাবৰ সময়ত ভট্টাচাৰ্য্যক কলে,

"আপুনি দেওবাৰ এটাত আহিবচোন। সিদিনা আহিলে মই কথা পাতিবলৈ নাপালোৱেই। আজিও এয়া থিয়ৈ থিয়ৈ যাবলৈকে ওলাল।"

"আজিকালি মোৰ বাবে সকলো বাৰ সমান। গতিকে আহিম বাৰু। যেতিয়াই সময় পাওঁ—।" তাৰ পাছত দুখোজমান গৈয়ে কিবা এটা মনত পৰাৰ দৰে তেওঁ উভতি আকৌ কলে— "অ' পাহৰিছিলোৱেই। আমাৰ এওঁ চাইজৰ ট্ৰেইনিং এটাৰ বাবে কলিং লেটাৰ পাইছে। অহা সপ্তাহত যাবই। যোৱাৰ আগতে আপোনাক এবাৰ লগ পাব বিচাৰে। পাৰিলে কালিলৈকে মাতিছে বিশেষ কিবা কথা আছে হেনো।"

'আকৌ আপুনি' আপত্তি কৰিম বুলি ভাবিও তাই মনে মনে ৰ'ল। ভট্টাচাৰ্যই তাইক আপুনি বুলিলে কিবা অখজা অখজা লাগে তাইৰ। যিহেতু শীলিৰ সৈতে তাই একেখন

কলেজত পঢ়িছিল, একেলগে হোষ্টেলত আছিল। তাইতকৈ নীলি দুটা বেচ্ আগ কাৰণে নীলিক 'বাইদেউ' বুলি মাতিছিল। নীলিয়েও তাইক এতিয়াও 'মেঘালী' বুলি মাতে।

পিছে ভট্টাচাৰ্যই বন্ধু পত্নী হিচাবে নামকাঢ়ি মাতিবলৈ টান পায়। মেঘালীয়ে কেইবাবাৰো আপত্তি কৰিলে– 'আপুনি নাম কাঢ়িয়েই মাতিব।' পিছে ভট্টাচাৰ্যৰ বাবে বন্ধু পত্নীক নামকাঢ়ি মাতিব পৰা নাযায়।

.... মেঘালীয়ে বগা এখোৰ্ছাদৰখনলৈ চাই চাই ভট্টাচাৰ্যৰ কথাকেই পাগুলিলে ইমান উচ্চ ব্যক্তিত্বসম্পন্ন হৈয়ো কিমান সাধাৰণ, মাখি মৰা সাধাৰন কেৰাণীৰ লগত আজিয়ো বজাই ৰাখিছে– অমল ধৱল বন্ধুত্ব। কিমান সুন্দৰ মনৰ মানুহ এইজন......

'মা মা!' অকণমানিটোৱে পাছফালৰ পৰা চাদৰখন টানি ধৰাত তাক কোলাত তুলি তাই ভিতৰলৈ সোমাই গ'ল।

সন্ধিয়াৰ নিত্য নৈমিত্তিক কাম কেইখন কৰি তাই শোৱনি কোঠাত সোমাল।

আনদিনা এই সময়ত তাই অকণমানিটোক কোঁচত লৈ মামুক এ বি চি ডি শিকাই থাকে। আজি পিছে তাইৰ একোকে কৰিবলৈ মন নগ'ল। কাৰণ কল্লিতাৰ চিঠিয়ে তাইক আজি কলেজৰ দিনবোৰলৈ লৈ গ'ল, লৈ গ'ল বন্ধু আদিত্যৰ ওচৰলৈ।

তাই কাম কৰা ছোৱালীজনীৰ হাতত লুডুখন দি কলে–"যা তহঁতে মাজৰ কমতে খেলি থাক। সিহঁতৰ টোপনি ধৰিলে মোক মাতি দিবি।"

শোৱনি কোঠাৰ তাই লেখা-পঢ়া কৰা টেবুলখনৰ কাষত চকীখনত বহিল। ঢুকি পোৱাতে থকা লাইটৰ চুইছটো অফ কৰি দিলে। তাৰ পাচত তাই মুক্ত মনেৰে বিচৰণ কৰিলে কেইবাবছৰৰ আগতে এৰি থৈ অহা কলেজখনত........

সেই কলেজ তাইৰ হৃদয়ৰ, তাইৰ কলিজাৰ। সেই কলেজত লেখা আছে তাইৰ যৌৱন, তাইৰ কবিতা। সেই কলেজেই তাইৰ মগজুত কবিতাৰ বীজ ৰোপন কৰিছিল। যৌৱনৰ হাঁহি খিকিন্দালি, পাৰ্কৰ অনেক গল্প, বহু কবিৰ কবিতাৰ চন্দ, তাইৰ নিজৰ বহু কবিতাৰ শব্দৰ লগত জড়িত হৈ আছে– সেই কলেজ। আন্ধাৰৰ আঠুৱা তৰি একান্তমনে কলেজ চৌহদত বিচৰণ কৰাৰ লগে লগে এক অনাবিল আনন্দই তাইৰ হৃদয় খোঁকি বাখো কৰিলে। আস্ কি অনুপম সুন্দৰ সেই দিন! বাগানত উটি ভাহি ফুৰাৰ দিন, গোটেই পৃথিৱী নিজৰ মতে সলাই পেলাবলৈ মন যোৱাৰ দিন– কবিতাৰ চন্দেৰে নিজৰ হৃদয় আনৰ হৃদয়, ঝংকাৰিত কৰি পেলোৱাৰ দিন, ভৰ বাৰিষাৰ বগা নদীৰ পানীৰ দৰে খলখলাই থকাৰ দিন।

মূৰত লেখি ওকণি পিলিকাৰ দৰে বাওঁহাতৰ বৃদ্ধ আৰু তৰ্জনী আঙুলিৰে মূৰৰ চুলিবোৰ টানি টানি তাইৰ মনটো উৰ্দ্ধশ্বাসে দৌৰি ফুৰিছে। কলেজৰ ক্লিন্তত, নানা ধৰণৰ ফুলৰ পাৰ্কখনত, লাইব্ৰেৰীত, পাৰ্কৰ মাজৰ পুখুৰীত। কল্লিতাৰ চিঠিখন পাই

তাইৰ প্ৰতি যে মেঘালীৰ হৃদয় দুখত, সহানুভূতি উঠলি উঠিছে, এনে নহয়। আচল কথাটো হ'ল কল্লিতাৰ এই বাক্যটোৰ ওপৰত — "পৃথিৱীৰ প্ৰেমৰ ওপৰত, আদিত্য আৰু তোৰ লেখীয়া বান্ধৱীৰ ওপৰত বিশ্বাসৰ শেষ শ্বাস-প্ৰশ্বাস থকালৈকে মই হাঁহি হাঁহি জীয়াই থাকিম।' মানে? মোৰ দৰে আদিত্যৰ লগতো পূৰ্ণ বন্ধুত্ব বজাই ৰাখিছে কল্লিতাই। অথচ আদিত্যক দেখোন তাই পাহৰি পেলাইছিল। আস্ আদিত্য। তাইৰ কবিতাৰ অনুৰাগী পাঠক আদিত্য।

লেখিকা হম বুলি মেঘালীয়ে কোনোদিন ভবা নাই। লিখা তাইৰ এক প্ৰবৃত্তি মাত্ৰ। লিখি তাইৰ ভাল লাগে। বচ্ ইমানেই। স্কুল কলেজৰ আলোচনীৰ বাহিৰেও দুই এখন আগশাৰীৰ কাকতত তাইৰ প্ৰবন্ধ ছপা হৈ ওলাইছে। সচেতন দুই একে তাইৰ লেখা শলাগিছে। তাই লেখা পঢ়া অনুৰাগী সকলৰ ভিতৰত অন্যতম আদিত্য।

পাৰ্কত বহি, পুখুৰীৰ পাৰত বহি, গেষ্ট ৰুমত বহি, কিমান দিন যে আদিত্যৰ লগত গল্প কৰিছে তাৰ সীমা নাই। এই আড্ডাবোৰত প্ৰাধান্য লাভ কৰে— ৰবীন্দ্ৰনাথৰ কবিতাই, ভবেন শইকীয়া ছাৰৰ গল্পই, নৱকান্ত বৰুৱাৰ কবিতাই। কবিতাৰ অৰ্থ লৈ কিযে হাঁহি চিম্পনী। পাৰ্কৰ পুখুৰীটোৰ পাৰত বহি আদিত্যই কৰা প্ৰশ্নবোৰ আজি জীৱন্ত ৰূপত আহিছে তাইৰ ওচৰলৈ।

তুমি বাৰু কবিতাবোৰ কিয় ভালপোৱা? কেনেকৈ ভালপোৱা?

খিল খিল্‌কৈ হাঁহি পেলালে— মেঘালীয়ে। তাৰ পাচত তাই কলে—

বুজিলোঁ। বুজিলোঁ। তুমি মোৰ ৰুমমেটলৈ দিয়া চিঠিত ৰবীন্দ্ৰনাথৰ কবিতাৰ অৰ্থ নুবুজাকৈয়ে লিখিছিলা।

বিশ্ব যখন নিদ্ৰা মগন
গগণ অন্ধকাৰ,
কেঅ' দেঅ' আমাৰ বীণাৰ তাঁৰে
এমন ঝংকাৰ।

বুজিছা সেইয়া ৰবীন্দ্ৰনাথে প্ৰেয়সীক উদ্দেশ্য কৰি লিখা নাছিল। তেওঁ পৰমপুৰুষ পৰমাত্মাকহে কৈছে। সেইয়া কবিৰ উপনিষদীয় চিন্তাহে। পাৰ্থিৱ প্ৰেমৰ নহয়, অপাৰ্থিৱ।

অ' মানে লোকৰ প্ৰেমৰ চিঠি পঢ়াৰ অভ্যাস তোমাৰ আছে।

কিয় নাথাকিব। অন্তত ভাবী বন্ধুপত্নী..

হ'ব হ'ব কথা তল পেলাব নালাগে। এতিয়া কোৱা, কবিতা তুমি কেনেকৈ ভালপোৱা?

যেনেকৈ তুমি মোৰ ৰুমমেটক ভালপোৱা।

আজি কিন্তু তুমি মোক এটি কবিতাৰ অৰ্থ ক'ব পাৰিব লাগিব। তেতিয়াহে তোমাক কবি বুলি স্বীকৃতি দিম।

না না না ভাই। সেই স্বীকৃতি পাবৰ যোগ্য মই নহওঁ। পাবৰ যোগ্যতা থাকিলেও

অন্তত তোমাৰ পৰা সেই স্বীকৃতি নিবিচাৰোঁ। বাৰু তোমাৰ কবিতাটো বা কি?"

সি এখন গৰ্বীয়সীৰ পাত মেলি পঢ়ি গ'ল–

এতিয়াও
তোৰ ওঁঠত শব্দবোৰ
থিতাপি লগাই নাই
তোৰ ধমনীৰ ৰক্তপ্ৰবাহ
গৰলেৰে নীলা হোৱা নাই
ঘোলা হোৱা নাই
তোৰ চকুহাল এতিয়াও
ঈৰ্ষা আৰু জিঘাংসাৰে

কবিতাটো বৰ সুন্দৰ। একান্ত মনোযোগেৰে শুনি থকাৰ পাছত মেঘালীয়ে ক'লে।

এতিয়া মোক এই কবিতাটো বুজাই দিয়া। কবিতাটো মোৰো ভাল লাগিছে। কিন্তু মই যেন ইয়াৰ ভিতৰলৈ সোমাব পৰা নাই।

লগে লগে মেঘালীয়ে কলে–

এইযে বুজা নুবুজাৰ দোমোজাৰ যি ভাব সেয়ে কবিতাৰ মূল আকৰ্ষণ। কবিতাটো অৰ্থ মই পুৰাপুৰি বুজি পাইছোঁ বুলি নকওঁ। কিন্তু মই যিটো বুজিছোঁ সেইয়াই হৃদয়ৰ তেজ মঙহ ঠন্‌ঠন্‌াই যায়। আস্ অনাগত শিশুবোৰ কিমান নিষ্পাপ কিমান সুন্দৰ। জন্মৰ আগতে সিহঁত আন্ধাৰত থাকিও কোটি কোটি সূৰ্যৰ আলোকেৰে যেন আলোকিত। কিন্তু পৃথিবীৰ আন্ধাৰলৈ আহিয়েই সিহঁত কিমান বিভৎস হৈ পৰে; ঈৰ্ষা আৰু হিংসাৰে সিহঁত কি যে কলংকিত হৈ পৰে; এবাৰ ভাবি চোৱাচোন।

তেতিয়া বেলি ডুবো ডুবো হৈছিল। ডুবন্ত সূৰ্যটোৰ কাৰ্যত মেঘখিনি ঈষত সোণালী হৈছিল। সেই সোণালী মেঘৰ পাহাৰটোলৈ চাই আদিত্যই কলে–

চোৱা মেঘ চপৰা কিমান ভাল লাগিছে। তুমি চাগে এনেকৈয়ে কবিতা ভালপোৱা।

কিমান দিন আদিত্য, কল্পিতা আৰু তাই বিভিন্ন স্থানত আড্ডা দিছে। এই আড্ডাবোৰৰ শেষত আদিত্যই মেঘালীক কয়–

তুমি লেখিবা। অবাবত সময় নকটাবা। মই এতিয়ালৈকে তোমাৰ প্ৰকাশিত প্ৰবন্ধবোৰ আৰু কবিতাবোৰ কাটিং কৰি ৰাখি গৈছোঁ। তুমি বা ৰাখিছানে নাই? এই ধৰা আগলৈ মন গলে থূপ খুৱাই কিতাপ এখন উলিয়াব পাৰিবা। কাৰণ তোমাৰ প্ৰবন্ধত, কবিতাত অনেক আদৰ্শ আছে। সেইবোৰে স্থায়ী ৰূপ পোৱাটো মই বিচাৰো। তোমাৰ লেখনি মই কিয় ভালপাওঁ জানা– তাত কোনো প্ৰেমৰ পেনপেননী নাই, ঘেন-ঘেননী নাই। শব্দবোৰ একো একোটা গজাল। তোমাৰ কলমটো এক সাৰ্থক হাতুৰি।

সিহঁতৰ আড্ডাত কল্পিতা প্ৰায়ে শ্ৰোতা হৈ থাকে মুখ্য ভূমিকা লয় তাই আৰু

আদিত্যই .... অথচ সেই আদিত্য.....

'বাইদেউ মাইনাই টোপনিয়াইছে।' কাম কৰা ছোৱালী বীণাৰ মাতত মেঘালী বৰ্তমানলৈ ঘূৰি আহিল। বহাৰ পৰাই যান্ত্ৰিকভাৱে লাইটৰ চুইছটো দি দিলে আৰু কোবাকুবিকৈ ভিতৰ পালেগৈ।

আজি ল'ৰা-ছোৱালী হালৰ লগতে তায়ো খালে। বীণাকো দিলে। আজি তাইক সময় লাগে। নিজৰ মাজত সোমাই থাকিব পৰাকৈ সময়।

দুৱাৰ খিৰিকিবোৰ ঠিকে আছেনে এবাৰ চাই তাই বিচনাত উঠিল। গাৰুত মূৰটো থৈয়েই তাইৰ এবাৰ বিবাহিত জীৱনটো উভতি চাবৰ মন গ'ল। কাৰণ আজিলৈকে তাই নিজক খেপিয়াই চোৱা নাই। চোৱা নাই তাইৰ দেহৰ ছন্দত বিমল বুৰ গৈ থাকেনে? তাইৰ চকুত শেৱালী পাহি বিমলৰ চুমাই সেমেকাব পাৰেনে? চোৱা নাই, তাইৰ কবিতাৰ শব্দই তাৰ হৃদয় কঁপাই তোলেনে? অথবা তাইৰ বাবে তাৰ হৃদয় ধৰ্‌ফৰাইনে? নাই, এইবোৰ কোনোদিন তাই চিন্তা কৰি চোৱা নাই। বিমলেও কোনোদিন কোৱা নাই 'তোমাৰ আঁচলৰ ছাঁ দিয়া, হৃদয়ৰ বা দিয়া, চাদৰৰ আঁচলেৰে মোৰ ঘামবোৰ মচি দিয়া। মোৰ টোপনি অহাকৈ তুমি এটা কবিতা মাতা....।' অথচ বিমলেই তাইৰ প্ৰথম আৰু শেষৰজন প্ৰেমিক।

তাই ভবামতে বাস্তৱৰ ৰূঢ় ফুটাবোৰ প্ৰেমৰ লেপনেৰে সদায় ঢাকিব পৰা নাযায়। কেতিয়াবা সেই ফুটাইদি হৰ্‌হৰ্‌কৈ প্ৰেমবোৰ যেন বাগৰি যায়। সংসাৰ হৈ পৰে অপ্ৰেম অৰণ্য। দীঘলীয়া অকাব্য। অথচ পানীত পৰা মানুহে প্ৰাণ ৰক্ষাৰ বাবে আপ্ৰাণ চেষ্টা কৰাৰ দৰে অপ্ৰেমত সাঁতুৰি সাঁতুৰি জীৱনে সন্ধান কৰে— প্ৰেমৰ। ভালপোৱাৰ। আস। প্ৰেমৰ প্ৰলেপেৰে আকৌ ফুটা মৰাত কি যে কৰুণ প্ৰচেষ্টা। কিবি নহওক কিছুদিনলৈ ফুটা বন্ধ হয়। বচ চলি যাব। অলপ প্ৰেমৰ, অলপ অপ্ৰেমৰ জীৱন। তাতেইতো আনন্দ। তাতেইতো জীৱনৰ ৰহস্য।

এইবাৰ মেঘালী আৰু কেইখোজমান আগুৱাই গ'ল— সেই দিনবোৰলৈ, গৈ যিবোৰ দিন এদিন গৰলেৰে নীলা হৈছিল, অথচ গৰল পাণ কৰি কৰি দিনবোৰ অমৃতময় বোধিদ্ৰুমলৈ ৰূপান্তৰ হৈছিল।

.... দিনৰ দিনটো অফিচৰ ফাইলৰ মাজত মূৰ গুজি সন্ধ্যা ঘৰ সোমোৱা বিমলক লৈ তাইৰ কোনো সমস্যা নাই, দ্বন্দ্ব নাই, তাইৰ সমস্যা মানে ভীষণ সমস্যা তাই ঘৰৰ দুয়োকাষে বিয়পি থকা বস্তুতঃ আধুনিকাসকলক লৈ। এই আধুনিকাসকলে বছৰৰ শ্ৰীপঞ্চমী তিথিটো বৰ উলহ মালহেৰে পাতে। নিতৌ গোঁসাই ঘৰত ধূপ-ধুনাৰে 'শ্বেত পদ্মাময়াদেবী শ্বেত পুষ্পেণ শোভিতা' বন্দনা কৰে, ঘৰুৱা শিক্ষকক আলোচান ধৰে, ল'ৰা-ছোৱালীয়ে পঢ়িছেনে খবৰ ৰাখে, কাৰোবাৰ মুখে ভাল কিতাপ বুলি শুনি 'প্ৰজ্ঞাৰ সাধনা', 'জীৱনৰ সাধনা' আদি কিতাপ ল'ৰা-ছোৱালীৰ বাবে নগদ পইচা খৰচ কৰি

কিনি আনে। পিছে সেইবোৰ সিহঁতে পঢ়িছেনে ড্ৰইং ৰুমত সজাইছে, তাত হাতী আছে নে ঘোঁৰা আছে, কি কাৰণে সেইখন ভাল বুলি কোনোবাই ক'লে, ইত্যাদি উত্তৰ পাবলৈ এখিলা পাতো লুটিয়াই চোৱাৰ প্ৰয়োজন বোধ নকৰে। কথা হ'ল, এতিয়া এইবোৰ পঢ়ি কি লাভ? নিজে পঢ়াৰ বাবে আলোচনী বাতৰি কাকত কিনি এওঁলোকে পইচাৰ অপব্যয় নকৰে। মেঘালীৰ সমস্যা সেইখিনিতেই– ন বোঁৱাৰী হিচাবে দিনটোৰ সৰহখিনি সময় এওঁলোকৰ লগতে কটাব লাগে। এওঁলোকৰ লগত কথা পাতিলে পাতিব লাগে লেটেষ্ট মডেলৰ চেইন, নেকলেচ, কাপোৰ, ডাইনিং চেট, চোফা ইত্যাদিৰ কথা, অথবা আমুকি বৰ লেতেৰা দেই, সদায় ঘৰ নোমোছে, সেইজনীয়ে আকৌ নাৰিকলৰ লাৰু বনালে ভকৃভকীয়া বগা হৈ নাথাকে। অমুকি মস্ত পেৰেট, যিকণহে তেল দি ঘিলা পিঠা বনায় ইত্যাদি ইত্যাদি। ন-ছোৱালী মেঘালীয়ে শাহটো ভিতৰত সামৰি থৈ বাহিৰৰ বাকলিটোৰে 'হয় হয়, নহয়, নহয় কৰে। মুঠতে যি বুলি ক'লে তেওঁলোকে ভাল পাব আৰু কথাৰ পাগ উঠিব সেইদৰে কয়। মাজে মাজে অৱশ্যে অপৰাধ বোধ এটাই তাইক হেচা মাৰি নধৰাকৈ নাথাকে। তেতিয়া তাই গাঁৱৰে সেন্দুৰী আইতা অথবা কলী আইতাৰ ওচৰ পায়গৈ। আইতাহঁত একালত নামঘৰৰ নামতি। বয়স হ'ল বাবে এতিয়া পদবোৰ পাহৰে। নামতিৰ আসনত নবহিলেও এতিয়াও নামঘৰলৈ যায়। নাম লয়, বিভিন্ন নামৰ সুৰ সঞ্চাৰৰ কথা পাতি পাতি, অনাবিল ভাগৱত প্ৰেমৰ মহিমা শুনি শুনি তাইৰ পাপী মনটো পখালি পেলায়। আকৌ আধুনিকতাৰ লগত চামিল। আকৌ পৰচৰ্চা, লেটেষ্ট মডেল, লাৰু, পিঠা ইত্যাদি। পিছে হঠাৎ এদিন তাইৰ ভিতৰৰ শাহটোৱে প্ৰতিবাদ কৰি উঠিল—'তুমি দিনে দিনে মাইকী হৈ গৈছা, কিন্তু তোমাৰ জীৱনৰ উদ্দেশ্য আছিল মানুহ হোৱাৰ, মানুহৰ শাৰীত পোনহৈ থিয় হোৱাৰ।' হঠাৎ তাই কাঠফুলাৰ দৰে চুক বিচাৰিবলৈ ল'লে– মনে মনে আন্ধাৰত গঁজিবলৈ। আন্ধাৰত খেপিয়াই থাকিল আখৰবোৰ, শব্দবোৰ। শব্দবোৰ খেপিয়াই ফুৰোতে বাহিৰ হল কিছুমান স্বতন্ত্ৰ শব্দ। বাতৰি কাকতত সেইবোৰ মুদ্ৰণ হ'ল, সপ্ৰশংস চকুৰে বিমলে কলে– 'লেখা লেখা। তুমি পাৰিবা।'

হঠাৎ মাইকী মেঘালীৰ পৰা উদয় হল– মানুহ মেঘালী। এজন মানুহে এখন সমাজৰ যিখিনি কৰা উচিত বা কৰিব লাগে বুলি তাই ভাবে সেই খিনিকে কৰিবলৈ ললে তাই।

মেঘালী মানুহ হ'ল হয়, পিছে তাইযে সংখ্যা লঘু দলৰ একমাত্ৰ সদস্য হ'ল। এই কথা নিজেই নাজানিলে তাইৰ বিপৰীত বিন্দুত অৱস্থান কৰা সংখ্যাগৰিষ্ঠ সদস্যসকল দূৰৰ হোৱা হ'লে কোনো কথা নাছিল। কিন্তু তেওঁলোক হ'ল একো একোজন ফুকন বংশৰ ধ্বজাবাহী পুৰুষৰ পত্নী। বিমলৰ মাতৃসমা বৌ। তেওঁলোকে খুউব কম দিনৰ ভিতৰতে এক প্ৰতিবেদন যুগুত কৰিলে ওপঙা পুনি মেঘালীৰ বিপক্ষে। ৰঙা ফোট

নহলে সেউজীয়া ফোঁট লোৱা মেঘালীৰ বিপক্ষে।

প্ৰতিবেদনখনৰ প্ৰথম পইণ্ট— 'ষ্টেণ্ডাৰ্ড' সেই শব্দটো তেওঁলোকে এনে ধৰণেৰে ব্যৱহাৰ কৰে— 'হ'ব পাৰে মাখি মৰা কেৰেণীৰ ফৈণীয়েক, কিন্তু প্ৰিন্সিপালৰ, কাৰ্ট্ৰেক্ট ঠিকাদাৰ আদিৰ ভাইবোৱাৰী বুলি বংশৰ ষ্টেণ্ডাৰ্ড এটা আছে নহয়।

'ৰাভা দিবসৰ নামত, নাৰী দিবসৰ নামত, মানুহৰ ঘৰে ঘৰে টলৌ টলৌকে ঘূৰি ঘূৰি মহিলাক সচেতন কৰে। পিছে ষ্টেণ্ডাৰ্ড বুলি যে কথা এটা আছে সেইবোৰ অগাজুত নধৰে।'

'এৰা! মাকৰ ঘৰৰে ষ্টেণ্ডাৰ্ড বোলা বস্তু এটা নাই। আগৰ পৰা নথকা বস্তু এটা নতুনকৈনো ক'ৰ পৰা গজিব। বিমলৰে ভাগ্য বেয়া, ইমান হ' ষ্টেণ্ডাৰ্ডৰ মানুহ ঘৰতহে খোটটো পৰিবগৈ লাগেনে? বেছেৰাটোলে বেয়াই লাগে। উস! তাৰ আগতে কেনেকৈ যে সেউজীয়া ফোঁটডাল লৈ......

তাই লক্ষ্য কৰিলে আগতকৈ বিমল কিছু গহীন। বিশেষ প্ৰয়োজনবোধ নকৰিলে তাইৰ সৈতে কথা নাপাতে। তাই কিবা শুধিলেও চুটী চুটী উত্তৰ। সি যেন আজি কালি নিজক আঁতৰাই লৈ ফুৰি বেছি ভাল পায়। সন্ধিয়া অফিচৰ পৰা আহি কিবা এটা খায়েই আকৌ ঘৰৰ পৰা ওলায়। হয়তো মাতৃসমা বৌয়েকহঁতৰ ওচৰলৈ, যিকি নহওক তাই সেইবোৰ লৈ বিশেষ মূৰ নঘমায়, গভীৰতাৰ মাজলৈ নোসোমায়।

প্ৰতিবেদনৰ তৃতীয় দফাটোৱেই সবাটোকৈ শক্তিশালী, আলোড়ন সৃষ্টিকাৰী দফা। সেই দফাৰ জন্ম হোৱা নাই উদয় হ'ল, সেইটো দফা উদয় হ'ল তেতিয়া যেতিয়া তাই দিল্লীৰ পৰা অকলে অকলে আহি ঘৰ ওলাইছিলহি। সেইবাৰ মাকৰ চিকিৎসাৰ বাবে ককায়েকৰ সৈতে তাই দিল্লী পাইছিলগৈ। ডাক্তৰৰ পৰামৰ্শ, ৰোগী এমাহ থাকিব লাগিব। মাকৰ ওচৰত ককায়েকক থৈ তাই অকলে অকলে গুচি আহিল ট্ৰেইনত।

আ কৰিলেই গৰ্ভদেখা বিমলৰ মাতৃসমা সকলে মোটামুটি এটা সিদ্ধান্ত কৰি পেলালে। নিশাৰ বেলৰ দবা মানে একো একোটা নিঃসঙ্গ দ্বীপ। তেনে এটা দ্বীপৰ তিনিদিনীয়া বাসিন্দা আছিল মেঘালী। সন্দেহ নাই, এইদ্বীপটোত একমাত্ৰ অবলা প্ৰাণী তাই। তাইৰ বাহিৰে সকলো নাৰী মাংসলোভী প্ৰবল প্ৰাণী। এই প্ৰবল প্ৰাণীবোৰে সিহঁতৰ উদৰ পূৰণ হোৱাকৈ তাইৰ তেজ মাংস ভক্ষণ কৰি কেৱল থাক কক হাড়সোপা যোৱাবাটে ঘূৰি আহিল। সেইৰে যখিনী ছোৱালীজনীৰ দৰে ফুটুকাৰ আঁৰে আঁৰে ঘূৰি ফুৰিছে, সেইজনী, সেইজনীয়েই ফুকন বংশৰ কলঙ্ক। সেইজনীক খেদিব নোৱাৰিলে ফুকন বংশ ৰসাতলে যাব। বাচকবনীয়া শব্দৰে যাক যেনেদৰে ক'ব লাগে কৈ কৈ বুজাই বুজাই আৱশ্যক মতে চকুপানী টুকি বিমলৰ মাতৃসমা সকলে বিয়পাই দিলে চৌদিশে। ওফন্দি উঠা পানীৰ দমটোৱে যেন বৈ যাবলৈ এটা বাট বিচাৰি আছিল। বেলনেৰাই কাটি দিয়া সৰু লিক এটা পাই হুৰহুৰাই বৈ গ'ল মেডিনী কঁপাই।

বাহিৰত বদনামৰ বানপানী। অৱশ্যে তাই ঘৰৰ ভিতৰলৈ পানী সোমোৱা নাছিল। চাৰিদিনলৈ।

.... সেইদিনা নিশা নমান বাজিছিল। এজাক ধুমুহাৰ দৰে বিমল ঘৰ সোমাইছিল। তাৰ পাছত সোঁ সোঁ কৈ সোমাই গৈছিল সিমূৰে আলহীৰ বাবে ৰখা আচুতীয়া কোঠাটোলৈ। কোঠাটোৰ দুৱাৰদলি পাৰ হৈয়ে শৰীৰৰ সমস্ত জোৰে দুৱাৰখন ধামৰকৈ মাৰি দিছিল— যেন ভাগি-চিগি উথলি যাওঁক এই ঘৰ, এই দুৱাৰ।

তাইৰ বুজিবলৈ বাকী নাথাকিল— আজি বিমল, তাইৰ বদনামৰ বানপানীত তিতি জুৰুলি-জুপুৰি হৈ আহিছে।

'হে হৰি। এতিয়াবা কিথন কৰি পেলায়'— এক অজ্ঞান আশংকাত তাই দুৱাৰ ঢকিয়াবলৈ লাগিল। ৰাতি ন বজাৰ এই ধাম-ধুম শব্দ শুনি বিচনাত দুবছৰীয়া মামুৱে তালফাল লগাই কান্দিবলৈ ধৰিলে। বাহিৰৰ পৰা দুই এক শুভাকাংক্ষীয়ে এই শব্দৰ প্ৰতিক্ৰিয়া নিশব্দে শ্ৰৱণ কৰিলে।

মেঘালীয়ে কাতৰ কণ্ঠটোৰ সৈতে কেইবাবাৰো দুৱাৰত ঢকিয়ালে। এবাৰ দুৱাৰ খাল খালে। পিছে বিমলৰ পৰিবৰ্তে দুৱাৰ মুখত থিয় হল এটা সিংহ। সিংহই কেশৰ জাকাৰি জোকাৰি, ডিঙি ফুলাই গৰ্জন কৰিলে—

'এইটো মোৰ ঘৰ। খুউব সোনকালে ইয়াৰ পৰা লোকৰ মানুহবোৰ ওলাই যাব লাগে। মোৰ ঘৰত অসভ্য মানুহৰ স্থান নাই ....'

তিনিগজ দূৰৈত চিটিকি পৰিল মেঘালী। তায়ো নিজৰ কোঠাত সোমাই দুৱাৰ বন্ধ কৰি দিয়াৰ বাহিৰে অন্য উপায় নাছিল।

বৌয়েকহঁতৰ নিপুণ চৰ্য্যাত সি ধৰি ললে পৃথিৱীৰ সবাতোকৈ ঘৃণনীয়, চলনাময়ী নাৰীজনীকে সি পৰমা পত্নী বুলি হৃদয়ৰ ছাঁ ললে। আচলৰ বা ললে। এই চলনাময়ীয়ে যাত্ৰা পথৰ বৰ্ণনা-ৰেলৰ ডবাত লগ পোৱা পাঞ্জাবী মহিলা দুগৰাকীক মোৰ বৰ আপোন আপোন লাগিল। মোৰ ওচৰতে সিহঁত দুজনীৰ শ্লিপাৰ, কিবা খাবলৈ বাটত নামিলে একেলগে নামো, একেলগে খাওঁ, গুৱাহাটীৰ পৰা নাইট চাৰ্ভিচত মোৰ চিতত অহা যাত্ৰী বৃদ্ধজন বৰ ভদ্ৰ। বেচেৰাই মোৰ গাত ভৰি লাগে বুলি কুচি মুচি বহে, তেওঁ সময় ঠেলা চালকেই হব। অশিক্ষিত সৰু মানুহৰ ভদ্ৰতা অলপ বেছি।........ ইত্যাদি সকলোবোৰ চৰ ফাঁকি। চৰ ফাঁকি।

ছি ঃ ছিঃ ছিঃ ছিঃ। ইতিমধ্যে যেন ৰেলৰ পৰা বহন কৰি অনা দুৰাৰোগ্য ব্যাধি তাৰ গোটেই শৰীৰতে বিয়াপায় দিলে। সেই দিনকেইটাই তাৰ জীৱন ইতিহাসৰ বুকুত সবাতোকৈ ঘৃণনীয় দিন। চাল্লা বেশ্যা। বাটে ঘাটে যাৰে তাৰে লগত দেহা জুৰাব পাৰেই তেনেক্ষেত্ৰত আনৰ জীৱন চেপি খুন্দি থকাৰ প্ৰয়োজন কি?..........

..... মই। মই ইমান কেঁচা বুলি ভাবিছ। হব পাৰোঁ মই কেৰেণী। কিন্তু মোৰ

তিনিজন সুযোগ্য কন্যাই আছে, তিনি গৰাকী মাতৃসমা বৌ আছে।...... সেই ছোৱালীজনী প্ৰকৃততে মোৰনে? মোৰ বন্ধু বিলাকো এওঁৰ.... নাই..... এই বেশ্যাৰ লগত একেখন ঘৰত থকা অসম্ভৱ, একেবাৰে অসম্ভৱ। ....

কাবৰ কোঠাৰ মেঘালীৰ বুকুভগা কান্দোন তাৰ কাণত পৰিছিল। কান্দোনটো তাৰ এনে লাগিল মেঘালী বঞ্চিত বেশ্যালয়ৰ সি নিয়মীয়া গ্ৰাহক আছিল। চাকৰি বদলি সূত্ৰে নিয়মীয়া গ্ৰাহকজন যাবলৈ ওলোৱাত বেশ্যাজনীয়ে সঁচাসচিকৈয়ে কান্দিছে। তাইৰ কান্দোনৰ অৰ্থ হ'ল 'মোৰ গ্ৰাহকবিলাকৰ ভিতৰত তুমিয়েই সবাতোকৈ মূৰ্খ আৰু অকমা গ্ৰাহক। তুমি গম নোপোৱাকৈ তোমাক যিমান দিছিলোঁ তাৰ তিনিগুণ তোমাৰ পৰা খিৰাইছিলোঁ। তুমি গুছি গ'লে তোমাৰ লেখীয়া মহামূৰ্খ গ্ৰাহক এজন সততকাই পামনে?'

সুদীৰ্ঘ নিদ্ৰাবিহীন যন্ত্ৰণাক্লিষ্ট ৰাতিৰ প্ৰভাৱে সি সিদ্ধান্ত কৰিলে খুউব কম সময়ৰ ভিতৰতে সি মেঘালীক আঁতৰ কৰিব। আস্ মেঘালী নহয়– মেঘ। কিচ্‌কিচ্ৰিয়া কলা মেঘ। এই মেঘচপৰা তাৰ আকাশৰ পৰা আঁতৰ কৰিবই লাগিব।

সম্পূৰ্ণ দহ দিন। বিমল বিমল হৈ... মেঘালী কেৱল মেঘালী হৈ থাকিল। প্ৰত্যেকেই জীৱনৰ সৌন্দৰ্যক জলাঞ্জলি দিছিল। নিজ নিজ আত্মাক আলহী সাজি সাজি, নিজৰ ওচৰত নিজে আলহী হৈ থাকিল।

সেই দিন ধৰি পুৱা ছয় বজাতে বিমল ঘৰৰ পৰা ওলাই যায়। নিশা দহ বজাত ঘৰ সোমায়। নিৰ্দিষ্ট কোঠাৰ দুৱাৰ বন্ধ হয়।

কিন্তু অনুক্ষণে ঘৰতে থকা মেঘালীৰ আহ কি অবৰ্ণনীয় নিঃসঙ্গতা তাইৰ। হেৰাই যোৱা দিনৰ, হেৰাবলৈ ধৰা সপোনৰ গুৰি বিচাৰি বিচাৰি অকলে গুজৰি থাকে তাই, উস্ ভগৱান! যেতিয়াই তেতিয়াই বিকোনো পুৰুষকে নাৰী মাংসলোভী প্ৰাণী বুলি ভবা সেই মহিলাসকলে– নিজৰ নিজৰ মানুহজনক তেনেদৰে ভাবি পাৰিবনে? তেওঁলোকৰ 'পুত্ৰ' নামৰ পুৰুষসকলক? 'সেইসকল মাংসলোভী প্ৰাণী' মাত্ৰ এবাৰৰ কাৰণে ভাবিব পাৰিবনে? হয়তো নোৱাৰে আস্ ইমান দূৰ অকলে আহোতে বাটৰ অভিজ্ঞতাৰ বিষয়ে তাইকতো কোনেও টু শব্দ এটা নুশুধিলে। অথচ কিমান সুন্দৰ ভাবে তাইৰ ৰেলত তিনিটা ৰাতি পাৰ হৈছিল। হাঁহি চিম্ফণীৰ মাজত কেতিয়াবা তাই গুৱাহাটী পালেহি গমকে নাপালে! বিদায় পৰ্বত তিনিদিনৰ চিনাকি পাঞ্জাবী মহিলা দুজনীৰ চকু যে দুখত সেমেকি উঠিছিল সেইকথা এওঁলোকে বিশ্বাস কৰিবনে?

এদিন দুদিনকৈ দিনবোৰ আপোন গতিৰে গৈ থাকিল। অনুক্ষণে ঘৰৰ ভিতৰত সোমাই তেল-ফণি বিহীন চুলিৰে মেঘালীৰ নিজকে যখিনী যখিনী লাগিল। মাজে মাজে এই যখিনীলৈ তাইৰ ভয় লাগিল। যখিনীয়ে স্পৰ্শ কৰা বস্তুৰ 'টুক্ টুক, টক টক, ছে ছে', আদিৰ বাহিৰে বাকী শব্দই নীৰৱতাৰ পোচাক পিন্ধিছিল, শব্দবোৰে যখিনীলৈ ভয় কৰিছিল। অৱশেষত এই যখিনীৰ পৰা তাইৰ দুবছৰীয়া ছোৱালীজনীক নিজেয়েতে

উদ্ধাৰ কৰিছিল। ছোৱালীজনীক থৈ আহিছিল— তাইৰ জেঠায়েকৰ ঘৰত।

.... সেইদিনা আবেলি চিৰিলা চিৰিলি পাতৰ সৈতে বেলিটোৱে ঢৌ খেলিছিল। তেল, ফণি, বেনীৰে মেঘালী ধুনীয়াজনী হৈ এই দৃশ্য বৰ আন্তৰিকতাৰে উপভোগ কৰিছিল। দৃশ্যটো চাই থাকোতেই বতাহ ক্ৰমশঃ জোৰে অথালি পথালিকৈ ববলৈ ধৰিলে। বহু সময় উৰি উৰি নাৰিকলৰ পাতখিলাত জিৰণি লোৱা শৰালিজনীয়ে অকণমান জিৰাবৰ বাবে পুনৰ আন এটুকুৰা ঠাই বিচাৰিবলৈ ধৰিলে। তেতিয়াও তাইৰ পিঠিত ঢৌ-খেলি আছিল ৰ'দ। দৃশ্যটো চাই চাই তাই নিজকে নিজে কলে— 'তই এতিয়া শৰালি। তই ক'তো জিৰাবলৈ ঠাই নাপাবিনে? পাবি পাবি। মহানগৰীৰ পৰিত্যক্ত চিম্‌নিত তই জিৰাবলৈ নিশ্চয় অকণমান ঠাই পাবি।

পিছ মুহুৰ্ত্ততে তাইৰ চকু পৰিল আকাশৰ কপাহৰ পাহাৰটোৰ ওপৰত। লগে লগে নিজক কলে, নহয় — তই শৰালি নহয়, মেঘালী। সৌ যে দেখিছ কপাহৰ পাহাৰৰ দৰে মেঘৰ পাহাৰ, চাচোন চা অথালি পথালি বতাহত মেঘবোৰ কি সুন্দৰভাৱে চঞ্চল হৈছে। .... চা চোন চা তাৰ অনাবিল সৌন্দৰ্য, কেনেকৈ পৃথিৱীলৈ চটিয়াই দিছে। অস্বাভাৱিক বতাহৰ মুখা-মুখী হবলৈ মেঘবোৰে অলপো কেৰেপ কৰা নাই। ক'তা তাইতো কপালৰ ৰঙা ফোঁটটোৰ বাবে হাহাকাৰ কৰা নাই। চাচোন চা, উদং বগলীৰ বগা কপালখন লৈয়ে তাই কিমান চঞ্চল, কিমান উচ্ছল।

...... যি কি নহওক সেই দিনাৰ পৰা তাই যখিনীৰ পৰা 'মেঘালী' ৰূপ ললে। নিজক বৰ সাহসী সাহসী লাগিল তাইৰ।

সেইদিনা প্ৰবন্ধ এটা লিখিবলৈ ভিতৰৰ পৰা এক প্ৰবল আহ্বান আহিল মেঘালীৰ। সন্ধিয়া লাগি ভগাৰ পাছতেই তাই শোৱনি কোঠা পালেগৈ আৰু তাইৰ চকীখনত বহি কলম কাগজ উলিয়াই ললে— প্ৰবন্ধটো লিখিবলৈ।

প্ৰথমে তাই প্ৰবন্ধটোত থাকিব লগা মূল কথাখিনি এবাৰ লিখি ললে।

.... সাধাৰণতে লেখা যায় যে নাৰী নিৰ্যাতন বুলি কলে পুৰুষ প্ৰধানৰ চাল বাকলিকে তৰপে তৰপে বখলিয়াই চোৱা হয়। এই ক্ষেত্ৰত নাৰীক আজলী হৰিণীজনী বুলি একাষৰীয়াকৈ থোৱাটো কিমান যে হাস্যস্পদ। সঁচাকৈয়ে ঈৰ্ষা আৰু জিঘাংসাৰে এজনী নাৰীৰ সাগৰ নীলা দুচকু কেনেকৈ যে ঘোলা হৈ যায়; কেনেকৈ যে সেই চকুৰে তিলতিলকৈ নিঃশেষ কৰি পেলায় এজনী অসহায় নাৰীক, ভাৱিলে বিস্ময়ত হতবাক হ'ব লাগে.....

..... আমাৰ সমাজত অশিক্ষিতা কপাহী, কেতেকী, ফুলেশ্বৰীহঁতক লৈ সমস্যা নাই। কাৰণ তেওঁলোকৰ মাজত প্ৰতিযোগিতাৰ দৌৰ নাই। স্বামী পদবীৰ ভেম নাই। কুৎসিত ঈৰ্ষা নাই। আমাৰ সমাজৰ বাবে ভয়ংকৰ তথা নাৰী প্ৰগতিৰ সমুখত প্ৰচণ্ড প্ৰাচীৰ সেই সকল নাৰী— যি সকল স্বামীৰ পদবীলৈ গৰ্বিতা স্বামীৰ শৃংখল অলংকাৰ

বুলি সুসজ্জিতা। এই সকল পৰজীৱী নাৰীৰ নিজাকে কিবা এটা কৰাৰ সাহস নাই, আনে কৰিলেও সহযোগিতাত মন নাই। এলাহুত শুই বহি সময় কটোৱা এই সকলে সহযোগিতা কৰা দূৰৰে কথা বদনামৰ লেপনেৰে আগবাঢ়ি যোৱা গৰাকীক (মানুহৰ কাম কৰি যোৱা গৰাকীক) চলে বলে কৌশলে ভূ-লুণ্ঠিত কৰাই যেন এই সকলৰ উদ্দেশ্য কথা হ'ল, তেওঁ পুৰুষ প্ৰধান সমাজৰ মূল্যবোধক স্বীকৃতি দি ঘৰৰ ভিতৰতে পৰজীৱী লতাৰ দৰে আছে। আন কোনোবা থাকিব নোৱাৰাৰ কোনো যুক্তি নাই।

আমি এতিয়া সকলোবোৰ কথা যুক্তিৰে চালি জাৰি চোৱাৰ দিন আহিছে। এগৰাকী নাৰীৰ জীৱনৰ প্ৰেম পূৰ্ণ পাত্ৰ থাপমাৰি কাঢ়ি অনা গৰাকী পুৰুষ নহয়; নতুন ঘৰখনত ভৰিদিয়া ক্ষণৰ পৰা অপৰাধ, দোষ ত্ৰুটি খুচৰি খুচৰি অতিষ্ঠ কৰা জন পুৰুষ নহয়; একমাত্ৰ পুত্ৰক মাতৃৰ পৰা কাঢ়ি নিয়া গৰাকী পুৰুষ নহয়; পৰিয়ালৰ সবাৰে প্ৰিয় ব্যক্তিজন পৰিয়ালৰ বুকুৰ পৰা কাঢ়ি নিয়াজন পুৰুষ নহয়, পুৰুষ প্ৰধান সমাজৰ পৰম্পৰাগত সংস্কাৰক ৰক্ষণাবেক্ষণ দিয়াজন পুৰুষ নহয়, অলপ কথাতে ঘেন-ঘেনাই, পেনপেনাই থকাজন পুৰুষ নহয়; পৰৰ পদ মৰ্য্যদাৰে সমাজত বৰ-পিৰা বিচৰাজন পুৰুষ নহয়, অলংকাৰ আৰু সাজপাৰৰ কুৎসিত প্ৰতিযোগিতাত নমাজন পুৰুষ নহয়।

এইখিনিলৈকে লিখি তাই ঘড়ীটোলৈ চালে। দহ বাজিছে। তাৰ মানে? তাৰ মানে বোবা মানুহজন আজি আৰু নাহে। হয়তো বায়েকৰ ঘৰলৈ গৈছে। আকনো কলৈ যাব পাৰে?

তাই কলমটো জপাই আকৌ এবাৰ বাহিৰৰ পৰা আহি বিচনাত বাগৰ দিলে। কিন্তু টোপনি? টোপনি ক'ত? টোপনি? দুখৰ আঙুলিৰে মূৰ বুলাই নিজকে নিজে সান্ত্বনা দিলে তাই।

..... তাইৰ টোপনি নাহিল। আহিল এটি প্ৰাৰ্থনাৰ দৰে পবিত্ৰ, শিশুৰ দৰে নিস্পাপ, কোমল, অমল, অনাবিল এখনি মুখ। হোমৰ জুইয়ে বহু মানুহৰ উপস্থিতিৰে যিখন মুখ তাইৰে অন্য এক মুখ বুলি স্বীকৃতি দিছিল। কিমান সুন্দৰ আছিল তেওঁৰ মন তেওঁৰ কথা। 'মেঘালী আবৃত্তি কৰা চোন তোমাৰ ভাল লগা কবিতাটি; কামবন থাকক দিয়া, আজি অলপ প্ৰেমৰ কথা পাতো আহাঁ ; মোক সিমান ভাল পোৱানে যিমান ভালপোৱা তুমি, তোমাৰ কবিতা। তোমাৰ খিলখিল হাঁহিটো, চকুৰ ঝিমঝিম চাৱনিটো, এটা কলিজা চুই যোৱা কবিতাই জানা। বহুদিন তোমাৰ কোলাত মূৰ থোৱা নাই, আজি অকণমান থওঁ দিয়া' সুন্দৰ মুখৰ অনেক সংলাপ ভাঁহি আহিল হেৰোৱা দিনৰ, ইতিহাস হৈ যোৱা দিনৰ।

.... ইমান উৰ্বৰ হৃদয়খন কেনেকৈ শুকান মৰুভূমি হ'ল? কিয়, কিয় ইমান মানসিকভাৱে দৰিদ্ৰ হৈ গ'ল তেওঁ। আস্ অকল কিবা তেৱেঁইনে? গোটেই পৃথিৱীখনেইতো এতিয়া মানসিক দৰিদ্ৰতাত জৰ্জৰিত।

মেঘালী লাহে লাহে সহজ হ'ল। তাই এটা কথাত নিশ্চিত হ'ল, তাইৰ কোনো তেনে গলনাকে শক্তি নাই যাৰদ্বাৰা জ্যা-বাইদেউহঁতৰ হৃদয় গলাব পাৰিব, তাইৰ প্ৰতি অনুকম্পা জন্মিব। তাই প্ৰাণে-পণে পাহৰি পেলাবলৈ যত্ন কৰিলে প্ৰত্যাহিক তুচ্চতাৰ মাজত ধৰা দিয়া সিহঁতৰ দাম্পত্য প্ৰেমৰ অতুচ্চ সত্য আৰু অতুচ্চ সৌন্দৰ্যক।

যিকি নহওক এতিয়া তাই সিদ্ধান্ত কৰি পেলালে বিমলে বিচৰামতেই তাই এই ঘৰ এৰি যাব। তাই ঘ'ৰ পৰা আহিছিল তালৈকে কৰিব তাইৰ প্ৰথম যাত্ৰা। এই যাত্ৰাৰ বাবে ভিতৰি ভিতৰি তাই সাজু হৈছেই। সেয়ে দুবছৰীয়া মামুক এই ঘৰৰ পৰা আগতীয়াকৈয়ে উলিয়াই পঠাইছে। অন্ততঃ এই ঘৰ এৰি যাব লগা মুহূৰ্তৰ চকুপানীবোৰ সেই পেটৰ পোৱালীটোৱে নেদেখক। তাই যেন কোনোদিন মাকৰ চকুৰ পানী নেদেখে এয়ে তাইৰ কামনা। তাইৰ হাত দুখন অথবা মুৰটো কৰবাত গুজি ল'ব পাৰিলেহে মামুক আনিব নিজৰ কাষলৈ । আচলতে এতিয়াৰ পৰাহে তাই তিল তিলকৈ প্ৰতিটো দিন যাপন কৰিব পাৰিব। সমস্যাৰে বিধস্ত প্ৰতিটো দিন আলফুলে শুই ৰব তাইৰ ব্যক্তিগত জীৱন ইতিহাসত।

সেইদিনা বিমল অফিচৰ পৰা ঘৰলৈ নগৈ বায়েকৰ ঘৰগৈ গ'ল– ইতিমধ্যে প্ৰায় খাটাং হৈ যোৱা কথাটো বায়েককো জনোৱা উচিত এনে ভাবি।

সাধাৰণ কথাবাৰ্তাৰ পাছত সি মেঘালীৰ অসাধাৰণ অপযশৰ ইতিবৃত্ত দাঙি ধৰিলে। লগতে এইটোও কলে ইতিমধ্যে সি মেঘালীক তাৰ জীৱনৰ পৰা আঁতৰ কৰা সিদ্ধান্তটো প্ৰায় পকা হৈ গৈছে।

ইতিবৃত্ত শেষ হোৱাৰ পাছত বায়েকে তাক কিছুমান প্ৰশ্ন কৰিলে। 'সেই'ডবাটোৰ সকলো মানুহেই পুৰুষ বুলিনো তই কেনেকৈ জানিলি? ধৰি ললো সকলো পুৰুষ। পুৰুষ মানেই নাৰী মাংসলোভী প্ৰাণী নে? তোক সেই পুৰুষৰ শাৰীত আনে থিয় কৰালে থিয় হব পাৰিবি নে? তোৰ তিনিটা ককায়েৰক সেই পুৰুষৰ শাৰীত চাব পাৰিবি নে?

সি নিমাত

তামোলটোৰ গাৰ বাকলি তৰপে তৰপে এৰুৱাই থাকিয়েই পুনৰ বায়েকে কলে— তই কিবা সেই কথা নাজান নে, পশুৰূপী পুৰুষৰ কবলৰ পৰা যুগে যুগে নাৰীৰ সন্মান ৰক্ষা কৰি আহিছে দেৱৰূপী পুৰুষেই। বেলৰ ডবাত তাইক কোনোবাই অশালীন ব্যৱহাৰ কৰা হ'লে— তাত থকা আন আন পুৰুষৰ হাততেই সেইজন ধৰাশায়ী নহব নে? নিজ ভালেই জগত ভাল। তাইৰ সেই সাহসক তইঁতে শলাগিবহে লাগিছিল। তই তাইৰ পিবিয়েক হলি বুলি সদায় দেহৰক্ষী পুলিচ হৈ থাকিবি নে? নিজ ভালেই জগত ভাল। তই এতিয়া কথাবোৰ আকৌ এবাৰ প্ৰথমৰ পৰা নিজৰ মূৰেৰে চিন্তা কৰ। নবৌয়েৰহঁতৰ মুৰবোৰ সোলোকাই থ। পুৰুষৰ চিন্তা সদায় পুৰুষোচিত হোৱা উচিত।

বুজিছু মোৰ অভিজ্ঞতাৰ পৰা মই কওঁ, কেতিয়াবা কেতিয়াবা জ্যা-জোৱালীৰ ঈৰ্ষা আৰু সতিনীৰ ঈৰ্ষা সমান হৈ পৰে। বহুক্ষেত্ৰত নাৰীয়েই নাৰীৰ শত্ৰু হৈ ধৰা দিয়ে। তিৰোতা মানুহৰ মাজত দন খৰিয়াল বেছি। বাতৰি কাকতত পোৱা নাই শাহু, ননদে বোৱাৰী জ্বলোৱাৰ কাহিনী। মুঠতে কুকুৰৰ দৰে নাৰী নাৰীৰ বৈৰী। মোৰ ইয়ালে আহিলেও সিহঁতে তাইৰ বদনাম কমসোপা ৰটে নে? মেলে মিটিঙে গলে বংশৰ সম্মান নুটুটে। বাঢ়েহে। এই কথা সিহঁতে জানে। পিছে সিহঁতৰ ঈৰ্ষাত জ্বলি পুৰি থকা হৃদয়খন শাঁত পেলাবলৈকে বদনাম গাবলৈ থলি এখন লাগে। অৱশেষত বদনামেৰে সিহঁত এনে এক সিদ্ধান্তলৈ আহে, তাই সভালৈ তাইৰ কথা শুনাবলৈ বা আনৰ কথা শুনিবলৈ যোৱা নাই। গৈছে কোনোবা মতাৰ লগত গা ঘেলাবলৈ! ছিঃ ছিঃ ছিঃ ইমান বেয়া মনৰ হোৱাটো মহাপাপ।

বাকলি গুচাই হৈ যোৱা তামোলটো বাওঁহাতে মুঠি মাৰি ধৰি কটাৰীখন মজিয়াতে থৈ দীঘল হুমুনিয়াহে এটা পেলালে বায়েকে। তাৰ পাছত আকৌ কলে— 'এৰা! সিহঁতকনো ছিঃ ছিঃ ছাঃ ছাঃ কৰিলে কি লাভ হ'ব। আমাৰ পৰম্পৰাগত সমাজ ব্যৱস্থাটোৱেই মাইকী মানুহৰ মনবোৰ সৰু কৰি পেলাইছে। বিশেষকৈ গঞা মহিলাৰ আধুনিকতা, সাজপাৰলৈহে আহিছে, মনলৈ অহা নাই। গাঁৱৰ মহিলাবোৰ পুবাৰ পৰা গধূলিলৈকে সৰু সৰু কামত ব্যস্ত থাকে। ভাত ৰান্ধে, লাৰু-পিঠা কৰে, চাহ কৰে, বাচন ধোৱে, কাপোৰ ধোৱে, কেঁচুৱাৰ আপদাল কৰে। সন্তান ডাঙৰ দীঘল হয়, কিন্তু মহিলাসকলৰ সৰু সৰু কামৰ শেষ নহয়। আমাৰ চাকৰি নকৰা গঞা মহিলাৰ জীৱন জন্মৰ পৰা মৃত্যুলৈ সৰু সৰু কামৰ চিন্তাই বান্ধি ৰাখে। অথচ এই তুচ্ছতি তুচ্ছ কামৰ ওপৰতে বৰ্তি থাকে এখন সমাজ, পৰম্পৰাগত সমাজ। অনুক্ষণে তুচ্ছতি তুচ্ছ চিন্তাৰ পৃথিৱীত জীৱন কটোৱা এই মহিলাসকলৰ মানসিক পৃথিৱীখনো বৰ তুচ্ছ হৈ পৰে। তেওঁলোক হৈ পৰে কাজিয়াখোৰ, হিংসাকুৰীয়া, ভয়াতুৰ, পৰজীৱী, সৰু সৰু কথাতে ঘেনঘেনাই পেনপেনাই থকা স্বভাৱৰ— যাক কোৱা হয় মাইকী। সৰু সৰু কথাত লাগি থকা অদ্ভুত জীৱটোৰ নাম মাইকী।

মাজে মাজে চকুমুদি, মাজে মাজে চকুমেলি একান্তমনে বায়েকৰ কথা শুনি থকা বিমলৰ এনে লাগিল সি যেন আঠ মাৰ্চৰ এক বিৰাট ৰাজহুৱা সভাত বহি আছে। সেই সভালৈ সমাজকৰ্মী মহিলা বায়েককো নিমন্ত্ৰণ কৰিছে। বায়েকৰ তেজোদ্দীপ্ত ভাষণত সভাঘৰ ৰজন্‌জনাই গৈছে। সভাঘৰ কাঁহ পৰি জিন গৈছে। অন্যান্য পুৰুষ প্ৰধানৰ লগতে সিয়ো গোগ্ৰাসে বায়েকৰ বক্তৃতা গিলিছে। বক্তৃতাবোৰ পোনে পোনে মগজুলৈ গৈ নিজৰ নিজৰ কোষ দখল কৰিছে।

...... পিছদিনা বায়েকৰ ঘৰৰ পৰা ঘূৰি অহা বাছখন ৰঙানদীৰ দলঙৰ ওপৰতে কিবা বিজুতি ঘটি বৈ গ'ল। কিছু সময় যাত্ৰী ধৈৰ্য্য ধৰি থাকি এসময়ত হুৰ হুৰকৈ

গড়ীৰ পৰা যাত্ৰীবোৰ নামিল। লগতে সিয়ো ন্যমিল। বাছৰ পৰা নামি যোবা যাত্ৰীবোৰক লক্ষ্য কৰি হেণ্ডিমেনে কলে— বব বব অন্য গাড়ীত নাযাব। মাত্ৰ নট এটা খুলি গৈছে- - টাইট কৰি দিলেই ভাল হৈ যাব।

গাড়ীৰ পৰা নামি সি দলঙৰ ৰেলিঙত ধৰি একান্তমনে তললৈ চাই আছিল। এজাক বগা বগলীৰ দৰে নাচি আছিল ৰঙানদীৰ পানী।

পানীখিনি নিবিষ্ট মনেৰে চাই থাকোতেই হেণ্ডিমেনৰ কথাখিনি তাৰ কাণত পৰিল। সি নিজকে ক'লে— মোৰো মগজুৰ নট বল্টুবোৰ টাইট কৰি থলে মোৰ সংসাৰ বাছখনো ঠিকেই চলি থাকিব। অথচ মই তাকেই কৰা নাছিলো।

আকৌ তাৰ মন নিবিষ্ট হ'ল ৰঙানদীৰ টৌখেলা পানীত, জাক জাক, বগলীৰ খিলখিলনীত। সি মনতে ক'লে— এই পানীখিনি মেঘালীয়ে দেখা হ'লে এটা কবিতাই লিখি পেলালেহেঁতেন।

বাচ পুনৰ ষ্টাৰ্ট হ'ল। হুৰহুৰকৈ যাত্ৰীবোৰ পুনৰ বাছত উঠিল। সিয়ো জাপ মাৰি বাছত উঠিলগৈ।

.... সন্ধিয়া লাগো লাগো সময়ত সি ঘৰ পালেগৈ। তাৰ ভিতৰৰ শাহটোত যিয়েই নাথাকক বাহিৰৰ বাকলিটো গম্ভীৰ হৈয়ে থাকিল। সি ভিতৰ সোমাই কাপোৰ সলোৱাৰ পৰিবৰ্তে চোতাললৈ চকী এখন উলিয়াই থম থমকৈ বহিল। যেন জীৱনত প্ৰথমবাৰৰ বাবে এইখন ঘৰলৈ অহা আলহীজনে বাহিৰতে অপেক্ষা কৰিছে গৃহস্থলৈ।

ক্ষন্তেক পাছতে তাৰ গাৰ কাষেদি পাৰ হৈ ভিতৰলৈ গ'ল যন্ত্ৰণা ক্লিষ্ট এখন মুখ। মুখখনৰ গৰাকী যে তাৰ দৰেই আলহী, সেয়া সি জানিলে আৰু জানিলে তাৰ দৰে সেই মুখৰ গৰাকীও বোবা। কিন্তু সিয়ে এতিয়া বোবা নহয়— সেই কথা প্ৰমাণ কৰি দিবৰ মন গৈছিল তাৰ। সি ভিতৰৰ অটল গহ্বৰৰ পৰা শব্দবোৰ টানি আনিবলৈ যিমানেই চেষ্টা কৰিলে সিমানেই শব্দবোৰ কণ্ঠত এঠা লাগি ধৰিলে।

নিঃশব্দে তাৰ গাৰ কাষেদি পাৰহৈ যোৱা বোবা মানুহজনীক চিঞৰি চিঞৰি ক'বলৈ মন গৈছিল— তুমি? তুমি মোক কি বুলি ভাবা? ৰেলৰ ডবাত ঘৰৰ কোনো দেহৰক্ষী নাছিল বুলিয়েই — মোৰ দেহ নেফানেফ হৈ গ'ল বুলি ভাবিলানে? চোৰা! চোৰা! মোৰ দেহা ফালি চোৰা — মোৰ দেহত সতীত্ব আছে নে নাই? ধৰি ললো সুদীৰ্ঘ যাত্ৰা অকলে কৰাৰ বাবে মই অসতী। এজনী অসতীয়ে কৰিব পৰা সকলোখিনি কাম কৰিছে মই ঘৰ সোমালোঁ। তেতিয়াই? মই যি মুহূৰ্তত তোমাৰ ঘৰ গৰকিলোঁ তেতিয়াই তাৰ কৈফিয়ত নললা কিয়? সম্পূৰ্ণ চাৰিটা দিন একেটা কোঠাত হাঁহি মাতি থকাৰ পাছতহে তোমাৰ মগজুৱে উদ্ভাৱন কৰি পেলালে— মই অসতী, বেশ্যা তিৰি। পুৰুষ মানেই যদি নাৰী মাংসলোভী পশু তেনেহলে তুমিয়ো তেনেকুৱা এজন পুৰুষেই। মোৰ প্ৰতি দেখুউৱা আচৰণে তাকেই প্ৰমাণ কৰিলে। মোৰ ওচৰত তুমি পুৰুষৰ যিটো

ৰূপ উদঙাই দেখুৱাইছা, সেইটো ৰূপৰ বাহিৰে বোধকৰো পুৰুষৰ আন আন বৈশিষ্ট্যৰ লগত তোমাৰ পৰিচয় নাই। যদি তুমি পুৰুষৰ একমাত্ৰ সেই ৰূপকেই চিনি পোৱা তেন্তে তোমাৰ নিচিনা পুৰুষবোৰতকৈ অধিক ঘৃনণীয় বস্তু এই পৃথিৱীত আন একোৱেই থাকিব নোৱাৰে। আজি দহ দিনৰ আগতেই এই ঘৰ এৰিবলৈ মোক হুংকাৰ দিছা। তুমি ছাগে ভাবিছা পেটৰ দায়ত মই আন দহজনীৰ দৰে বোবা ভুতুনীৰ জীৱন লৈ ইয়াতে পচি থাকিম। ন' নেভাৰ। মই মাত্ৰ সেই ফলকখনৰ অপেক্ষাত। যিখন ফলক লৈ মই এই ঘৰ এৰি যাব লাগিব। তুমি নিজহাতে লিখি দিব লাগিব সেই ফলক।

.... তাইৰ যিমানেই চিএঞৰি চিএঞৰি কথাবোৰ ক'বলৈ মন গৈছে সিমান জোৰেৰে যেন শব্দবোৰ ভয়ত ভিতৰলৈ দৌৰ দিছে। তাৰ মানে? তাৰ মানে আজি দহদিন প্ৰায় বোবা হৈ থাকি থাকি তাই ইতিমধ্যে সঁচা-সচি বোবালৈ ৰূপান্তৰ ঘটিছে। কিন্তু অত্যাৱশ্যকীয় কথাখিনি আজি ক'বই লাগিব। তাই কঁপি কঁপি আগফালৰ দুৱাৰ মুখৰ চ'কাঠত খামুচি ধৰিলেগৈ। তাৰ পাছত শৰীৰৰ সমস্ত শক্তি জিভালৈ আনি তাইৰ ফালে পিঠি হৈ থকা বিমলক কলে– আজিয়েই। আজিয়েই তুমি মোক লিখি দিব লাগিব, তোমাৰ ঘৰৰ পৰা যাব লগাৰ কাৰণ। কালিলৈ ৰাতিপুৱাই তোমাৰ লেখাখন পিঠিত আঁৰি ওলাই যাম। তাৰ অপেক্ষাত ৰৈ আছো। তোমাক আমনি দি আছো– একে উশাহে কথাখিনি কৈ তাই বতাহৰ গতিৰে শোৱনি কোঠালৈ সোমাই গ'ল। ধাচকৈ বিচনাখনত পৰি তললৈ মূৰ গুজি পৰি থাকিল তাই। ....

...... অচিনাকি অতিথি হৈ বহি থকা বিমল গৃহস্থৰ খোজেৰে ভিতৰ সোমাই গ'ল। তাৰ পাছত দহদিনে স্পৰ্শ নকৰা শোৱণি কোঁঠাৰ ফালে ধীৰে ধীৰে আগবাঢ়িল। শোৱনি কোঠাৰ পৰ্দাখনত খামোচ মাৰি ধৰি সি ভিতৰলৈ ভুমুকিয়ালে– অলপ আগতে বোবা নহয় বুলি প্ৰমাণ কৰা মহিলা গৰাকী তললৈ মূৰগুজি বিচনাত পৰি আছে। সি হাতত সাৰে ভৰিত সাৰে সেই কোঠাত প্ৰৱেশ কৰিলে। চাৰ্ট, পেন্ট খোলোতে হব পৰা মিহি মিহি শব্দবোৰ সি যথাসাধ্যে নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিলে। কাপোৰ সলাই সি আকৌ ওলাই আহিল। হাত মুখ ধুই ভিতৰৰ বাৰান্দাৰ বচীতে ওলমি থকা গামোচাখনেৰে মুখ মচি মচি সি পুনৰ শোৱনি কোঠালৈ সোমাই গ'ল। তাৰ পাছত মানুহজনী শুই থকা বিচনাখনতে সিয়ো বহি দিলে। হঠাৎ তাৰ বুকুখনে ঘন ঘন উঠা নমা কৰিলে।

বৰ সাহসেৰে সি তাইৰ পিঠিত হাতখন থৈ মাতটো যিমান পাৰি বিনয় আৰু কোমলতা আনি কলে, আচলতে নিঃসঙ্গ কোঠাৰ নিশাত সৰু সৰু কথাবোৰ বৰ বৰ হয়। যেনেকৈ মেকুৰীৰ জাপটোত ডকাইত বুলি নিশ্চিত হৈ আগন্তুক বিভীষিকাৰ বাবে সাজু হোৱা হয়। মোৰো কিজানি তেনেকুৱাই হৈছিল। কিন্তু ! কিন্তু ইমান সৰু কথাটোৱে মোক কেতিয়া, কেনেকৈ ইমান তললৈ লৈ গ'ল– মই নিজেই নাজানিলোঁ। আচলতে

মই তোমাক, তুমি মোক, আমি পৰস্পৰে পৰস্পৰক বহু ওপৰলৈ লৈ গলোঁ। হয়তো মই এই কাৰণেই তললৈ যাব পাৰিলোঁ— তোমাৰ মৰমে যিহেতু মই ভবাতকৈ, মই বিচৰাতকৈ বহু ওপৰলৈ লৈ গৈছিল মোক।

প্ৰসঙ্গটো সলনি কৰি পুনৰ ক'লে— বাক ! যোৱাবোৰ যাবলৈ দিয়া। মই এতিয়া মই হৈ উভতি আহিছোঁ মই আকৌ এবাৰ হোমৰ জুই স্পৰ্শ কৰি আহিছোঁ।

তাৰ কথাখিনি কেৱল কোঠাটোৰ বস্তুবোৰেহে শুনিছেনে নে শুই থকা মানুহজনীয়েও শুনিছে তাৰ সন্দেহ হ'ল। সেই কথাৰ উমান লবলৈকে যেন সি নীৰৱ হৈ দিলে। নীৰৱ হৈ-ৰৈ থকা সময়কণতে তাৰ চকু গ'ল বেৰত ওলমি থকা কেলেণ্ডাৰখনৰ গোলাপ পাহলৈ। হঠাৎ তাৰ হৃদয়ত গুণ গুণাই উঠিল এটি কবিতাৰ কলি (নে পদ্যৰ) 'গোলাপেহে বুজিব পাৰে জোনৰ কাব্যময় প্ৰেমৰ ভাষা আৰু বৰ্ণময় ৰঙৰ সুবাস।'

হঠাৎ বিচনাত তললৈ মুখ গুজি পৰি থকা মানুহজনীৰ উচুপনিয়ে, তাৰ কথা যে শুনিছে সেই কথা কৈ দিলে—। মুহূৰ্ততে সিয়ো উবুৰি খাই থকা মানুহজনীৰ পিঠিতে মুখ গুজি কান্দি দিলে— এটি শিশুৰ দৰেই।

নাই। নাই, নাই, নিঃশব্দ উচ্চাৰণ এটাৰে তাই হঠাৎ বৰ্তমানলৈ ঘূৰি আহিল। অতীতৰ সেই ঘটনাৰ বাবে কাৰো ওচৰত কোনো আক্ষেপ নাই। তাইৰ জ্যা বাইদেউসকল তাইৰ এতিয়া সবাতোকৈ মাননীয়। পূজনীয়। এই ঘটনাই মাত্ৰ এটা কথাই প্ৰমাণ কৰিলে, তাইৰ সংসাৰখন খাতি সোণৰ, সোণালী ৰঙৰ নহয়। কষটি শিলত প্ৰমাণ হৈ গৈছে এই কথা।

অ' কালি পবিত্ৰহঁতে আধাৰশিলা স্থাপন অনুষ্ঠানলৈ মাতি থৈ গৈছিল নহয় ভাত ৰান্ধি থাকোতেই চেৰেংকৈ কথাষাৰ মনত পৰিল মেঘালীৰ। তাৰ পাছত লৰা লৰিকৈ ৰান্ধি বাঢ়ি খাই— কামকৰা ছোৱালীজনী আৰু ল'ৰা ছোৱালীহাল কাষতে থকা জ্যা বাইদেউৰ ওচৰতে থৈ তাই ওলাল।

বাইদেউৰ ওচৰত ল'ৰা ছোৱালীহাল থাকিলে তাইৰ নিজৰ মাকৰ ওচৰত থকা যেন লাগে। যিহেতু সিহঁতে মাকতকৈ বৰ মাককহে বেছি ভাল পায়।

তাই ৰিক্সাত উঠি এক কিলোমিটাৰ মান যাওঁতেই এক অনিন্দ্য সুন্দৰ দৃশ্যই তাইক আকুল কৰি পেলালে। সেই চলন্ত দৃশ্যটো উপভোগ কৰি কৰি গৈ থাকিবলৈকে তাই ৰিক্সাৱলাক কলে—'যিমান পাৰা, সিমান জোৰত চলোৱা।'

মেঘালী সেইখিনিতেই বিক্সাৰ পৰা নামিল, য'ত বৈ গৈছিল আগে আগে, আহি থকা অনিন্দ্য সুন্দৰ দৃশ্যটো, মূৰত এটা হেলমেট, মুখত মিঠা হাঁহি, চকুত একাগ্র দৃষ্টি, দুহাতেৰে হেণ্ডেল খামুচি ধৰা নীলিক পিছফালৰ পৰা মহাকাশৰ এক নিৰ্দিষ্ট গ্ৰহলৈ এই উৰো এই উৰো হৈ থকা যেন লাগিছিল।

বিক্সাৰ পৰা নামি মেঘালী সেই অনিন্দ সুন্দৰ দৃশ্য সৃষ্টিকাৰী গৰাকীৰ ওচৰলৈ গৈ ক'লে– কংগ্ৰেচুলেছন ফ'ৰ ইয়ৰ ড্ৰাইভিং।

'মেনি মেনি থেংকছ' চানিখন ষ্টেণ্ড কৰি থৈ অহা মানুহ গৰাকীৰ উত্তৰ।

'আপুনি চানি এখন লম বুলি কৈছিলহে আজি দহ দিন মানৰ আগতে। আজি একেবাৰে চলায়েই আহিলে। মই কিন্তু অচ্‌মান হলো দেই।'

'তোমাক চমক এটা দিম বুলিয়েই পাছৰখিনি কোৱা নাছিলোঁ। কালি তোমালোকৰ ঘৰলৈ আমাৰ এওঁ যাওঁতে কিমানবাৰ যে কৈছো 'আপুনি মেঘালীক মই চানি শিকি আছোঁ বুলি নক'ব।'

'আপোনাক কিন্তু পাছফালৰ পৰা ইমান ভাল লাগিছিল। আচলতে বয়সস্থ মহিলাই বাইক চলোৱাৰ সৌন্দৰ্যই বেলেগ। সেই সৌন্দৰ্য এক বিশেষত্বপূৰ্ণ সৌন্দৰ্য।'

"যিকি নহওক! বুঢ়া শালিকাই মাত ধৰিব নোৱাৰিব বুলি ভাবিছিলোঁ। পিছ পাৰিলে" উচ্ছাসিত মুখমণ্ডলেৰে কথা পাতি পাতি মেঘালী আৰু নীলিমা সেই স্থান পালেগৈ, য'ত নাৰী-পুৰুষ নিৰ্বিশেষে থিয় দি আছিল প্ৰায় তিনিশমান মানুহ।

কন্তেক পাছতেই বঙা ফিটাৰে সুসজ্জিত চাবিকোণীয়া দীঘল শকত বদৰ কংকালটোত ধৰি মিস্ত্রিয়ে ভট্টাচাৰ্যলৈ চাই কলে 'এতিয়া বাল্টিটোৰ মচলাখিনি ইয়াত ঢালি দিয়ক ছাৰ — বহল চাপৰ মচলাসহ বাল্টিটো ওপৰলৈ দণ্ডাত ভট্টাচাৰ্যক সহায় কৰিলে পবিত্ৰই। হুকস্‌কে বাল্টিৰ মিশ্ৰণটো সৰু গাতটোত পৰাৰ লগে লগে উৰুলিৰে বিটোত হ'ল পথৰুৱা মাত্তি। পথৰুৱা এজাক দুপৰৰ স্থিৰ বতাহ।

তাৰ পাছত উপস্থিত সৰু বৰ অলেখ হাতেৰে একৰণি একৰণি বালি চিমেন্ট শিলৰ মিশ্ৰনটো লোৰ জকাটোৰ গুৰিত ঢালি দিলে। পবিত্ৰ আৰু জীৱনে চাবিওফালৰ পৰা

চাবিটো ঢোকা লোৰ জকাটোত দি দিলে,— ব্লেগ'ল জকা। ৰঙাফিটা মুৰত লৈ ঢোকাৰ সহায়ত ওখ জকাটো মুৰ দাঙি থিয় হ'ল। ... লগে যোগ হ'ল কমলপুৰৰ ইতিহাসত এটা নাম— 'কমলপুৰ চেন্ট্ৰেল কলেজ'।

এই আপাততঃ সৰু অনুষ্ঠানটোৰ বিশেষত্ব এয়ে যে সভা সমিতিৰ নামত গাঁৱৰ নামঘৰৰ বাহিৰে কতো ভৰি দি নোপোৱা কেতেকী, ফুলেশ্বৰী, বকুলীহঁতো এই অনুষ্ঠানলৈ আহিছিল। উৰুলি দিছিল, জীৱনত প্ৰথমবাৰৰ বাবে কৰণি চুইছিল।

নতুনকৈ থিয় হোৱা জকাটোৰ পৰা দহ মিটাৰ মান আঁতৰত ইটা, লোহা, চিমেন্ট ৰখীয়া আদিৰ বাবে এটা অস্থায়ী টিনৰ ঘৰ সজা হৈছিল। বৰ্তমান সেই ঘৰটোত থাকিব লগা বস্তুবোৰ বাহিৰতে আছে। সেই ঘৰটোত অনুষ্ঠানটোত উপস্থিত হোৱা লেখৰ মানুহখিনি বহিলগৈ। হাঁহি ফুৰ্টিৰে সকলোৰে একাপ লাল চাহ বিস্কুটেৰে সৈতে খালে।

মানুহখিনিক আলপৈচান ধৰি থকা মেঘালীয়ে মহিলাসকললৈ চাই ক'লে, 'আজি কমলপুৰৰ ইতিহাসত এটি নতুন দিন যোগ হৈছে। আধাৰশিলা স্থাপনৰ দৰে অনুষ্ঠানত আপোনালোকৰ উপস্থিতিয়ে এই কথা প্ৰমাণ কৰি দিলে। এতিয়া আমি নিশ্চিত যে আমাৰ ভৱিষ্যতৰ কলেজখনে ৰাইজৰ পৰা আকুণ্ঠ মৰম-স্নেহ পাব। গৃহ নিৰ্মাণ সমিতিৰ সদস্য হিচাপে আপোনালোকলৈ মোৰ আন্তৰিক ওলগ থাকিল।'

সদায় বাতিত চাহখোৱা কেতেকীয়ে আজি কাপত চাহ খাইছে। কাপটো সৰিপৰে বুলি নালত নধৰি গাটোত ধৰি তাই ক'লে 'আমি শুনিছো এইখন কলেজৰ কথাকাণ্ড, নীতি-নিয়ম আন কলেজতকৈ বেলেগ হ'ব। চোকা বুদ্ধিৰ ল'ৰা-ছোৱালীয়েহে ইয়াত পঢ়িব পাৰিব। বৰ ভাল হৈছে। ল'ৰা-ছোৱালীবোৰো চোকা হবলৈ মন মেলিব।

'হয়, হয়' জ্বলা ধূপ কেইডাল টেবুলখনৰ কাঠচটাৰ ফাঁকত গুজি নীলিয়ে শলাগিলে তাৰ পাছত মহিলাসকললৈ চাই ক'লে 'আচলতে ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ ভাব সৃষ্টি কৰিব নোৱাৰিলে, আজিৰ প্ৰতিযোগিতাত পৃথিৱীত সিহঁত তিষ্ঠি থাকিব নোৱাৰে। যি কি নহওক, আমাৰ গএগ্ৰা মহিলাসকল পাকঘৰৰ নিমখ, হালধিৰ জোখৰ মাজত, পথাৰৰ বৰা, চকোৱা, শুৱাগমনিৰ মাজতে সোমাই থাকিলে নচলিব। কেৱল শিক্ষাৰ ক্ষেত্ৰতে নহয় সমাজৰ সকলো দিশতে সচেতন নহ'লে, অপসংস্কৃতিবিলাক আঁতৰ নকৰিলে গাওঁবোৰ মধ্যযুগতে শুই থাকিবলৈ বাধ্য হ'ব। নগৰীয়া এমুঠিমান সচেতন মহিলাই আমাৰ গাঁৱৰ মধ্যযুগীয়া গাঁৱৰ কৰাল গুচাই দিবহি নোৱাৰে। আনহাতে পুৰুষসকলেও একপক্ষীয়ভাৱে সফলতা লাভ কৰিব নোৱাৰিব। এখন পাখিৰে চৰাই যেনেকৈ উৰিব নোৱাৰে, এখন ভৰিৰে যেনেকৈ খোৰাই খোৰাই খোজ কাঢ়িব লাগে, তেনেদৰে কেৱল পুৰুষৰ প্ৰচেষ্টাত এখন সমাজ কেতিয়াও সুস্থ সমাজ হিচাবে গঢ় লব নোৱাৰে। যিকোনো প্ৰকাৰে মহিলাসকলক সচেতন কৰিবলৈ সুবিধা বিচাৰি ফুৰা নীলিয়ে

এই সুবিধাকনো সৰকি যাবলৈ নিদিলে।

মন্ত্ৰমুগ্ধ দেৱশিশুৰ দৰে কেতেকী, ফুলেশ্বৰীহঁতে নীলিবাইদেউৰ কথা শুনিলে। হাতৰ চাহৰ কাপ মুখলৈ নগ'ল, বেঞ্চলৈ উভতি আহিল। আচলতে তেওঁলোকৰ কথাবোৰ কেতেকীহঁতৰ বাবে পোৱালমণি যেন লাগিছিল। সুবিধা পাওঁতেও টপাটপে বুটলিছিল।

ফুলেশ্বৰীয়ে এইবাৰ চাহত শোহাটো মাৰি মনতে ভাবিলে— মানুহটোৱে যে কয় সাক্ষাৎ দেৱী সৰস্বতী বুলি কথাষাৰ যোল্ল অনাই সত্য।

আচলতে মায়া আজি চাৰি বছৰ ধৰি নীলিহঁতৰ ঘৰত আছে যদিও ফুলেশ্বৰী অলৈ যাবলৈ পোৱা নাই। যাবলৈ ওলালেই মানুহটোৱে কয়— 'তইনো গৈ কি কৰিবি? মই গলে চাইকেল লৈয়েই যাব পাৰিম। তই গ'লে খচকিবহে লাগিব।'

যি কি নহওক আজি তাই সৰস্বতী গোঁসানী হেন মানুহ গৰাকীক দেখি, কথা শুনি মনটো বৰ ভাল লাগিল।

কেতেকীক বেছি মুগ্ধ কৰিলে— মেঘালীয়ে। আও। মাইকী মানুহ হৈ ঘৰ সজা কামো জানেনে? নহলে সেই কমিটিত নাম থাকেনে? আনহাতে বাতৰি কাকতত লেখা-পঢ়া কৰা মানুহ বুলিও জানে বাবে বৰ আগ্ৰহেৰে আজি মেঘালীৰ কথা-বাৰ্তা চাল-চলন লক্ষ্য কৰিলে— কেতেকীয়ে।

তেতিয়া দুজন এজনকৈ মানুহবোৰ ঘৰমুৱা হৈছিল আৰু প্ৰায় সকলো সদস্য টিঙৰ অস্থায়ী ঘৰটোৰ পৰা বাহিৰলৈ ওলাইছিল। যাবৰ সময়ত চতুৰঙ্গৰ লেখক হৰেন্দ্ৰদেৱ গোস্বামীয়ে মহিলাসকলৈ লক্ষ্য কৰি ক'লে, "বিশ্বকৰ্মাৰ কৰণি এইবাৰ লক্ষ্মীয়ে স্পৰ্শ কৰিলে যেতিয়া এই অনুষ্ঠান লক্ষ্মী-সৰস্বতীৰ বৰঘৰ হ'ব।"

মহিলাসকলৰ উচ্চাসিত মুখৰ খিল্ খিল্ হাঁহিত আকৌ এবাৰ মুখৰিত হ'ল পথৰুৱা মাটি।

নীলিয়ে হেলমেট পিন্ধি চানিখন ষ্টাৰ্ট কৰোতে মেঘালী সহ উপস্থিত মহিলা সকলে মন্ত্ৰমুগ্ধ নয়নেৰে তেওঁলৈ চালে যেন সেই অনুষ্ঠানলৈ নিমন্ত্ৰিত দূৰণিবৰ্ত্তীয়া বিশিষ্ট ব্যক্তিজনক বিদায় দিবৰ বাবে তেওঁলোক অপেক্ষাৰত।

হেলমেট পৰিহিতা নীলিৰ মুখত ছাঁ আৰু ৰ'দৰ সৰগীয় খেলা। তেওঁ দুহাতেৰে ষ্টাৰ্ট হৈ থকা চানিৰ হেণ্ডেলত ধৰি মহিলাসকলক উদ্দেশ্য কৰি ক'লে— "মই অলপ আগবাঢ়ো আপোনালোক আহক। মেঘালী, মই ট্ৰেইনিঙলৈ যোৱাৰ আগতে এপাক যাবা।"

"এতিয়া নাযাঁও! আপুনি খুবি আহকগৈ। যাত্ৰাৰ বাবে শুভেচ্ছা আগতীয়াকৈ থাকিল।"

মেঘালীৰ উত্তৰ ।

...সোঁহাতেৰে লাহে লাহে একুচিলাবেটৰডাল পকাই চলন্ত চানিৰ পিঠিত উঠি নীলিৰ প্ৰস্থান।

তেওঁক নেদেখা হোৱালৈকে চাই থকা মেঘালীয়ে মনতে ক'লে— চানিখনে মানুহজনীক এটা' চেঞ্জ দিছে, এটা গতি দিছে। এই গতিয়েই মই বিচৰা গতি। এই গতিয়েই কমলপুৰৰ মহিলাৰ মাজত মই বিচাৰি ফুৰা গতি।

...আবেলিৰ বৰ্ণময় ৰাষ্ট্ৰীয় পথেৰে, তীব্ৰ গতিৰ যান বাহনৰ কাষেৰে নিম্নগতিৰ গৰুগাড়ী, ঘোঁৰা গাড়ীৰ মাজেৰে, ধীৰ গতিত, খৰ গতিত খোজকাঢ়ি যোৱা জনতাৰ মাজেৰে, নিজস্ব গতিৰে দৌৰ দিলে— নীলিৰ চানি। বিপৰীত বতাহত টৌ খেলি থাকিল হেলমেটৰ তলেৰে সৰকা চুলি, টৌ খেলি থাকিল ককালত খোচমাৰি লোৱা চাদৰখনৰ আনটো আচল।

ভট্টাচাৰ্যই সহজে মিছাৰ আশ্ৰয় নলয় বুলি নীলিৰ বিশ্বাস। তথাপি তেওঁ যে নকৰিবলগীয়া কিবা এটা কৰি চাকৰি এৰি অহা নাই; বৰং ব্যক্তিগত আদৰ্শক সমাধিস্থ নকৰাৰ শক্তিশালী সিদ্ধান্ত এটাৰেহে নিজহাতে পদত্যাগ পত্ৰ লিখি থৈ আহিছে, সেই কথা মানি লবলৈ নীলিৰ দুমাহ সময় লাগিল। তেওঁৰ এই দুমাহৰ চিন্তা-চৰ্চা, পৰিকল্পনা আদি সেই কথা প্ৰমাণ কৰিবৰ বাবে যথেষ্ট। যি কি নহওক ইনচপেক্টৰ স্বামীতকৈ এইজন স্বামী কোনোগুণে হীন নহয়। তেওঁ মনে প্ৰাণে আশাকৰা স্বামীজন যেন নকৈ ফুটি ওলাইছে পুৰণি খোলাটোৰ পৰা।

শোৱনি কোঠাৰ মজিয়াত এৰিষ্টক্রেট কোম্পানীৰ বাকচটোত প্ৰয়োজনীয় কাপোৰখিনি জাপি জাপি স্বামীৰ কথাকে ভাবি আছে নীলিয়ে।

পুৱাৰ চাহকাপ পঢ়া কোঠাতেই গিলি, হাতত আপেলৰ টুকুৰাটো লৈ শোৱনি কোঠালৈ সোমাই আহিল ভট্টাচাৰ্য। শোৱনি কোঠাৰ ড্ৰেচিং আইনাখনৰ কাষতে থকা সৰু টুলখনত বহি পত্নীক চাইছে তেওঁ। দুমাহৰ বাবে ঘৰ এৰি যাবলৈ ওলোৱা

মানুহজনীক প্ৰাণৰ হেপাহেৰে চাই লব খুজিছে তেওঁ। দুমহীয়া বিজ্ঞান প্ৰশিক্ষণৰ বাবে সুদূৰ দিল্লীলৈ যাবলৈ ওলোৱা নীলিয়ে এইকেইদিনত যেতিয়াই বিটো মনলৈ আহিছে তেতিয়াই সেইটো মায়াক বা ভট্টাচাৰ্যক কৈ পেলাইছে।

তেওঁৰ ওচৰত বহি থকা ভট্টাচাৰ্যৰ মুখলৈ নোচোৱাকৈয়ে তেওঁ ক'লে—

"শুনিছা! মই কালি বিন্‌জুক কৈ আহিছোঁ। দিনৰ ভাগত তাই মায়াৰ লগত ইয়াতে থাকিব। তুমি কিন্তু কাম বাদ দি হ'লেও সন্ধিয়াৰ আগে আগে ঘৰ সোমাবা। মানে বিন্‌জু যোৱাৰ আগে আগে তুমি পাবহি লাগিব।

"নালাগে, তাই কালিলৈ ঘৰলৈকে যাওঁক। এই মাহ ঘৰৰ পৰাই কলেজলৈ অহা-যোৱা কৰক। অলপ কষ্ট হব। হওঁক দিয়া। সেইবুলি মই মুখৰ কামোৰণী এটা লৈ থাকিব নোৱাৰো।"

আপেলৰ টুকুৰাটোত কামোৰটো দি ভট্টাচাৰ্যই ক'লে।

"তুমিও আৰু! মাক নথকা জীয়েক বিলাক বাপেকৰ মুখৰ কামোৰণী নেকি? মই নথকা ঘৰখনত তায়ো যদি নাথাকে, ঘৰ গুচি বাঁহতল হ'ব। বাইজনীৰ কামবোৰ ইমান পালমৰা। তাই থাকিলেহে ঘৰখন পৰিপাতি হৈ থাকিব।"

"তুমি নথকা ঘৰখন অপৰিপাতিয়েই হ'ল যেনিবা তাতেনো ক্ষতি কি? আহি পৰিপাতি কৰিলেই হল।"

"মই ঘৰত নাথাকিলেও মোৰ ঘৰ পৰিপাতি হৈ থকাটো মই বিচাৰোঁ। তাইক ঘৰত নাথাকিলে মোৰ মনটো এনেয়ে উদিগ্ন হৈ থাকিব এই ভাবি-বাইজনীয়ে চাগে আগফালৰ দুৱাৰ মুখতে শোতাটো পেলাই থৈছে। চোতালত চাগে ফটা কাগজবোৰ বতাহত ইফালে সিফালে উৰি আছে। পাৰ্টিকটোত ছাগে মকৰাই জাল গুঠিছে......।"

নিজৰ কথাত নিজেই হাঁহি দিলে নীলিয়ে।

"সেইবোৰ কাম মই কৰিব নাজানো বুলি ভাবিছা নেকি? হব বাৰু? ঘৰখনৰ বাবে নহলেও অন্ততঃ তোমাৰ মনটোৰ বাবেই তাই ইয়াত থকাটো প্ৰয়োজন হ'ব।"

কথাষাৰ কৈয়ে তেওঁ নিজৰ লেখা পঢ়া কৰা কোঠাটোলৈ উঠি গ'ল।

পঢ়াকোঠাৰ চকীখনত বহি "New Education policy" নামৰ কিতাপখনৰ পাত লুটিয়াই তেওঁ নীলিৰ কথাকে ভাবি থাকিল।

নীলিয়ে কথাই কথাই মায়া নিজৰ ছোৱালী বুলি যুক্তিৰে প্ৰতিপন্ন কৰিব খুজিলেও ভট্টাচাৰ্যই অৱশ্যে তেওঁৰ জীয়েক অসীমাৰ শাৰীত তাইক থিয় কৰাব পৰা নাই। হাজাৰ হলেও নিজৰ মাক বাপেক থকা ছোৱালী। দুদিন তেওঁৰ ঘৰত থাকিল বুলিয়েই তেওঁলোক মাক-বাপেক হৈ যাব পাৰে নে?

কথাবোৰ ভাবি ভাবি স্মৃতিৰ জখলাৰে ভট্টাচাৰ্য নাৰি গ'ল সেই দিনটোলৈ। যাৰা এই ঘৰলৈ অহাৰ সূচনাৰ দিনটোলৈ।

তেতিয়া বহুত তেওঁ ঘৰতে আছিল। মুগাৰ মেখেলা বেচিবলৈ মানুহজনী আহোতে তেওঁ আগফালৰ বাৰান্দাতে এনেয়ে বহি আছিল।

মানুহজনীয়ে গামোচাখনেৰে মেৰিয়াই অনা মুগাৰ মেখেলা কেইখন নীলিৰ হাতলৈ দিছিল। নীলিয়ে অসীমাকো মাতি দেখুৱাইছিল সেই মেখেলা। বিস্ময় দুচকুৰে মেখেলা কেইখন চাই চাই নীলিয়ে কৈছিল–

'সঁচাকৈয়ে আপুনি নিজহাতে বোৱানে?'

'অ' আই! লোকে বোৱাখননো পাওঁ ক'ত?

'বাৰু দামটো কোৱাচোন?'

'আপোনাকনো মই কি কম? জানেই নহয়– হাতে বোৱা মুগাৰ বৰ খাটনি। তাকে চাই দিয়ক আৰু।'

মানুহ গৰাকীক বৰ ভাল লাগি গৈছিল নীলিৰ। নগদ ছশ টকা দি দুখন মেখেলা ৰখাৰ উপৰিও চাহ-জলপান খুৱাই বৰ আন্তৰিকতাৰে কথা পাতিলে, মানুহ গৰাকীৰ লগত। শেষৰ কথাবোৰ এনে ধৰণৰ–

"আপোনাৰ ঘৰ? —।

"খকনবড়ীত —

"আপুনি মোক লাচনি-পাচনি হোৱাকৈ ছোৱালী এজনী আনি দিব নোৱাৰেনে?"

"ছোৱালী মানে —।

"এই ধৰক তেৰ চৈধ্য বছৰীয়া —

"আছে। মোৰে ভতিজা এজনী আছে। হাইস্কুললৈকে তাইক ময়ে পঢ়ালোঁ। দেওৰটো অৱস্থা বেয়া তাতে মস্ত ধোদ। মোৰো অৱস্থা নিহাইত। মই তাক ক'লো। 'অতদিন মই তাইক চালো – এতিয়া তই কি কৰ কৰ। সি চমুৱাই থলে। প্ৰমোচন পোৱা ছোৱালীজনীক স্কুল এৰুৱাই দিলে। এতিয়া গছতলে, বাঁহতলে ছেংগুটি খেলি ঘৰতে আছে। বৰ ভাল ছোৱালী। মই বাৰু বাপেকক কথাটো কমগৈ। মোৰ কথা অৱশ্যে দলিয়াই নেপেলায়।"

"বাৰু আপোনাৰ নামটো? —

"কেতেকী। কেতেকী ৰবা — এক মোলায়েম হাঁহিৰে উত্তৰ দিলে তাই।

বোৱাৰী জীৱনত প্ৰথমবাৰৰ বাবে কেতেকীয়ে এটা চমক খালে। মন গুচ লাগি যোৱা চমক। কাৰণ শিৰত সেন্দুৰ আৰু মুখত ওৰণি উঠাৰে পৰা আজিলৈকে তাইক

কোনেও তাইৰ নামটো সোধা নাই। প্ৰয়োজন হলে আপোনাৰ মানুহজনৰ বা গৃহস্থৰ নাম কি বুলিহে সোধে। এক প্ৰসন্ন মুখভঙ্গিৰে মানুহ গৰাকী গ'লগৈ।

মানুহ গৰাকীৰ মুখভঙ্গি দেখি নীৰৱ শ্ৰোতা ভট্টাচাৰ্যয়ো মুখ টিপা হাঁহি এটা মাৰিলে।

পিছদিনা আবেলিলৈ জী সহ পিতৃৰ আগমন। ভট্টাচাৰ্য কেনিবা যাবলৈ ওলাই পিতা-পুত্ৰীক দেখি বৈ দিলে।

তেওঁ হাতৰ আঙুলিৰে চকীখনলৈ নিৰ্দেশ কৰি ' বহক' বুলিলে। মানুহজন চকীত নবহি কাষত মূঢ়াটোত বহিল। তেওঁ আলহীৰ ওচৰৰ চকীখনতে বহি নীলিক আলহী অহাৰ জাননী দিলে।

চুচুক-চামাক কৰি চোতালতে বৈ যোৱা ছোৱালীজনীলৈ চাই তেওঁ ক'লে, "আহা বহা।"

বাপেকৰ ওচৰতে আন এটা মূঢ়াত ছোৱালীজনী বহিল। ইতিমধ্যে নীলি আহি উপস্থিত হৈছিলহি। পাছে পাছে জী অসীমা ভট্টাচাৰ্যই চুটী চুটী প্ৰশ্নৰে সাক্ষাতকাৰ আৰম্ভ কৰি দিলে।

'আপোনাৰ ঘৰ?'

'ধকনবড়ীত! কালি আমাৰ নবৌ বোলে ইয়ালৈ আহিছিল। তেখেতেই কথা এষাৰ ক'লেগৈ। মই বোলো যাওঁচোন বাৰু এপাক, কৰ পানী কলৈ যায় পাছৰ কথা।

তাৰ পাছত তেওঁ ছোৱালীজনীলৈ চাই—

'তোমাৰ নাম কি?"

'মায়া।'

'পঢ়াশুনা কৰিছিলা?'

'আগতে কৰিছিলো। এতিয়া এৰিলোঁ।'

'কিমানলৈকে পঢ়িছিলা?'

'টেনলৈ পাছ কৰিছিলোঁ।'

'স্কুল এৰা কিমান দিন হ'ল?'

'দুবছৰ'। ছোৱালীজনীৰ অলপ আগৰ লাজৰ চুচুক-চামাক চকুহাল এইবাৰ সেমেকি উঠিল।

বাপেকে নিমিষতে পঢ়ি পেলালে জীয়েকৰ চকু। তেওঁ কৈ পেলালে— 'কি কৰিব দেউতা ঈশ্বৰ। বিধিয়ে দিলেও বিধাতাই নিদিয়ে। ছোৱালীজনী পঢ়াত বেয়া নাছিল

পিছে পেতেই পোহোনে চাকিবেই তেল পোবো? এইৰ পাছত দুটাকে ল'ৰা। ল'ৰা বেডিয়া গাৰ ছাল বেছি হলেও পঢ়ুৱাবই লাগিব। এই ছোৱালী কাৰণে এল পি পাচৰ পাছত পঢ়া বাদকে দিছিলোঁ। পিছে নবৌয়ে মোক গালি সপনি দি তেখেতেই হাইস্কুলেকে পঢ়ুৱালে।'

তললৈ মুৰ কৰি থকা ছোৱালীজনীলৈ এইবাৰ নীলিৰ প্ৰশ্ন–

তোমাৰ পঢ়িবলৈ মন আছেনে?

'আছে।' মুৰ তুলি বিষণ্ণ হাঁহি এটাৰে তাই ক'লে– যেন পাতেৰে গুলুপ মাৰি ধৰা লেচুজোপাৰ সৌমাজৰ ডাল এটা কাটি দিয়া হ'ল। সেই সুকণ্ঠাৰে ব'দ আহি তলৰ সেমেকা মাটিত বহুত দিনৰ মূৰত ৰ'দ পৰিছে।

তাৰ পাছৰ কথা স্বাভাৱিক, পঢ়া-শুনাৰ কথা থাকিলে– দৰমহাৰ কথা নাথাকে। ঘৰৰ নিচিনাকৈ থাকিব, অসীমাৰো লগ এটা হ'ব ইত্যাদি।

এবছৰৰ ভিতৰতে সাধুকথাৰ পৰীজনীৰ দৰে মায়াৰ চেহেৰা একেবাৰে মায়াময় হৈ উঠিল। অৰ্ধ চিনাকি-অচিনাকি অতিথিৰ কাণত বাইদেউ সম্বোধনটোৱে স্পৰ্শ নকৰিলে তেওঁলোকে মায়া তেওঁৰে ছোৱালী বুলি নিৰ্বিবাদে ভাবি থয়।

লাহে লাহে 'বাইদেউ মুৰ কামুৰিছে যদি ভিক্স অকণ মালিচ কৰি দিওঁ; থক থক আপুনি ধুৰ নালাগে মই ধুম; বাইদেউ এই আকাশী ৰঙৰ যোৰ শিহ্বক- এইযোৰে আপোনাক বেছি ভাল লাগে..... ইত্যাদিৰে মায়া নীলিৰ হৃদয়ৰ গভীৰতম প্ৰদেশত প্ৰৱেশ কৰিলে। আপোনত্বৰ দিশত এতিয়া তেওঁ অসীমা আৰু মায়াৰ মাজত সীমাৰেখা অঁকা নাই।

অসীমাৰ প্ৰতি মায়াৰ অনাবিল স্নেহ চাই চাই নীলিৰ হিয়া ভৰি উঠে পূৰ্ণতাৰে। হওঁক তেওঁ বেচেৰীজনী অকলশৰীয়া নহয়। বন্ধত তাই ঘৰলৈ আহিব লগা তাৰিখটো হিচাব কৰি কৰি মায়া উৎকলিকৃত হৈ থাকে। তাই আহিলে কি খুৱাব? তাই কি কি ভাল পায়? ক'ত ক'ত ফুৰিবলৈ যাব ইত্যাদিৰে সৰু সুৰা এটা পৰিকল্পনাকে যুগুত কৰি পেলায় তাই।

অসীমা ঘৰত থকা কেইদিন দুয়োজনীৰ হাঁহি খিকিন্দালিত ঘৰখন উৰো উৰো হৈ থাকে। অসীমাৰ কোঠাই মায়াৰ কোঠা, অসীমাৰ বহল বিচনাই মায়াৰ বিচনা। বয়সত মায়া অসীমাতকৈ তিনি বছৰ মানৰ ডাঙৰ। সিহঁতৰ বয়সৰ পাৰ্থক্য থাকিলেও, বৌদ্ধিকতাৰ পাৰ্থক্য থাকিলেও— হাঁহিৰ পাৰ্থক্য নাই, হৃদয়ৰ পাৰ্থক্য নাই, পাৰ্থক্য নাই মৰম আকলুৱাৰ।

যিকি নহওক আত্মীয়ত্বৰ বাবে হয়তো তেজ মঙহৰ সম্পৰ্ক ডাঙৰ কথা নহয়,

ডাঙৰ কথা মৰম স্নেহ মিশ্ৰিত সান্নিধ্য। চাকৰি সূত্ৰে দূৰে দূৰে থকা ভট্টাচাৰ্যৰ মায়াৰ সৈতে সান্নিধ্য যেনেকৈ সেৰেঙা তেনেকৈয়ে আত্মীয়ত্বও সেৰেঙা। তথাপি এই দুমাহৰ নিবিড় সান্নিধ্যই আত্মীয়ত্ব বিকাশত কিছু ৰহণি যোগাইছে।

পত্নীবিহীন ঘৰখনে ভট্টাচাৰ্যক বাৰুকৈয়ে আমনি দিছে। শোৱনি কোঠাৰ নীলিয়ে লেখা পঢ়া কৰিবলৈ বহা চকীখনত বহি কেলেণ্ডাৰখনলৈ চাই পত্নীৰ কথাকে ভাবি আছে তেওঁ। পাঁচদিন। মাত্ৰ পাচদিন। পাঁচদিনৰ পাছতে নীলি আহি ঘৰ পাব। নীলিৰ ধাৰণা ঠিকেই । ঘৰখনত তেওঁ নথকাৰ চিনতকৈ থকা চিনেই বেছি। কাৰণ মায়া আছে। তেওঁ নথকাৰ চিন ভট্টাচাৰ্যৰ বুকুত, নিশাৰ শেতেলীত, খোৱাৰ টেবুলত। বাকী একেই পৰিপাতি, একেই ৰুটিন, একেই চাহৰ লিকাৰ। এই সময়ত তেওঁ একাপ চাহ খায় লাল চাহ, দিনত খোৱা চাহৰ লিকাৰতকৈ এই সময়ত খোৱা লিকাৰ পাতল, অভ্যাস মতেই মায়াই তেওঁৰ কাষৰ টেবুলখনত চাহ কাপ থলেহি।

চাহ কাপ খাই তেওঁ এনেয়ে বিচনাত কাগৰ এটা দিলে। হঠাৎ তেওঁ চিলিঙখনৰ চক্ৰৰ দৰে ক'লা দাগটোলৈ চকু গ'ল। ক'লা মানে ধোঁৱাবৰণীয়া ক'লা । এস্ আজিয়ো পাহৰি গ'ল মিস্ত্ৰিৰ কথা। টিঙৰ গজালটোৰ কাষৰ পুটিনখিনি এৰাই গৈছে ছাগে। সেয়েহে পানী লিক কৰিছে। কালিলৈ পুঁটিন আনিবই লাগিব, মিস্ত্ৰি মাতিবই লাগিব। নীলি অহাৰ আগতে পানী পৰাটো বন্ধ কৰি চিলিংখন ৰং কৰিব.লাগিব। এৰা! ক'লা চক্ৰটোৱে গোটেই কোঠাৰ সৌন্দৰ্য গিলি পেলাইছে।

চিলিংখন চাই চাই নিজৰ লগতে মোকাবিলা কৰি থাকোতেই বাহিৰৰ পৰা অহা শব্দ এটাত তেওঁ উৎকৰ্ণ হৈ পৰিল।

'ছাৰ! মই আহিছিলো।'

মায়াই খুলি দিয়া দুৱাৰেৰে অমৃত সোমাই আহিল। ঘৰৰ ভিতৰত তাৰ পদশব্দ শুনিয়েই ভট্টাচাৰ্যই মাত লগালে–

'অমৃত নেকি? আহাঁ! ইয়ালৈকে আহাঁ।'

কোনোদিন প্ৰৱেশ নকৰা কোঠাটোলৈ অমৃত খেৰো গেৰোকৈ সোমাই গ'ল। স্কেটিং

আইনাখনৰ ওচৰত থকা সৰু টুলখন আনি ভট্টাচাৰ্য শুই থকা বিচনাখনৰ ওচৰতে বহিলহি।

ভট্টাচাৰ্য ইতিমধ্যে উঠি শিতানৰ থিয় কাঠটোত গাৰু দুটা থিয় কৰি দিলে। থিয় গাৰু দুটাত পিঠিটো পেলাই তেওঁ সুধিলে কোৱাচোন কি খবৰ?'

"খবৰ মা... নে.... ছা.....ৰ...। মই এডভাৰটাইজ এটা পাই ফৰমখন ফিলআপ কৰি দিছিলোঁ। ট্ৰেজাৰী অফিচৰ অফিচ এচিষ্টেন্ট। অহা বৃহস্পতিবাৰে ইন্টাৰভিউ।"

শ্লেষপূৰ্ণ হাঁহি এটাৰে তেওঁ ক'লে–

"মোক জনোৱা দেখীয়েই কৰিলা। ইতিমধ্যে চাগে বেপাৰ শেষেই। আজিকালি চাকৰিৰ খেলটো কিমান নিকৃষ্ট তুমিতো জানাই। তথাপি চাওঁচোন।"

প্ৰসঙ্গটো সলনি কৰি পুনৰ ক'লে–

"বাৰু! তুমি মোক কাম এটা কৰি দিব পাৰানে?"

"কওঁক চোন।"

"মিস্ত্ৰিটো মাতি আনি টিণ্ডৰ ফুটাটো মাৰি দিব লাগে।" আঙুলিটো চিলিঙৰ চক্ৰটোলৈ পোলাই – "দেখিছানে পানী পৰি চিলিঙখন দাগ্ পৰি গৈছে। বাইদেউৰাই সকলোতে পৰিপাতি আৰু ধুনীয়া বিচৰা মানুহ। গতিকে বাইদেউৰা অহাৰ আগতেই কামটো কৰি পেলাব লাগিব।"

কথাৰ মাজতে মায়াই আহি হৰলিক্স একাপ অমৃতক দি গ'ল। সি গৰম ভাপ উৰি থকা হৰলিক্স কাপ হাততলৈ ক'লে, 'সেইটোনো কি কথা। এঘন্টাতেই হৈ যাব। বিহাৰী মিস্ত্ৰি খানকে মাতিব লাগিব। সি বৰ এক্সপাৰ্ট।'

"এৰা! অসমীয়া এক্সপাৰ্ট মিস্ত্ৰি বৰ কম! সেই যে প্ৰিন্সিপাল ফুকন। তেখেতে অসমীয়া মিস্ত্ৰিয়েই পইচাকেইটা পাওক বুলি চাঁদ ঢালাই ঘৰটো অসমীয়া মিস্ত্ৰিৰ হতুৱাই বনালে। ঘৰটো বনাই হোৱাৰ পাছত দেখা গ'ল যেনি-তেনি পানী লিক্ কৰে। ঘৰটোৰ চাঁদখন এতিয়া খানে মেৰামতি কৰাৰ দায়িত্ব লৈছে। মিস্ত্ৰিয়ে তেখেতৰ পঞ্চাছ হাজাৰমান টকা লোকচান কৰিলে।"

পিচলি খহি অহা গাৰুটো পুনৰ থিয় কৰি আকৌ ক'লে,

"বুইচা! আমাৰ অৰ্দ্ধশিক্ষিত, অশিক্ষিত যুৱকসকল শ্লোগান আৰু গামোচাৰে অসমীয়া হ'বলৈ শিকিলে। সৰু সৰু কামৰ মাজেৰেও যে স্বচ্ছল আৰু সম্মানিত জীৱন এটা পাব পাৰি সেই কথা নিশিকিলে।"

অমৃতে শেষবাৰৰ বাবে হৰলিক্সৰ কাপত শোহাটো মাৰি কাপটো মজিয়াত থলে, তাৰ পাছত চাকৰিৰ সাংক্ৰান্তিয় দুই এটা কথা পাতি সি যাবলৈ ওলাল।

তেতিয়া বাহিৰত বতাহৰ সোঁ-সোৱণি।

অমৃত যাবলৈ খুলি দিয়া দুৱাৰেৰে সোঁসোৱাই ভিতৰলৈ সোমাই আহিল এজাক

বতাহ।

খাই থোৱা কাপ কেইটা নিবলৈ শোৱনি কোঠালৈ সোমাই যোৱা মায়াক ভট্টাচাৰ্যই ক'লে— 'ভাতকেইটা সোনকাল কৰ। সোনকালে শুই থাকো। বৰ ভাগৰ লাগিছে।'

আনদিনা এঘাৰ বজাত শোৱা ভট্টাচাৰ্য সেইদিনা দহ বজাতেই শুলে। চিলমিল টোপনিত তেওঁ অনুমান কৰিলে বতাহ ক্ৰমশঃ জোৰে বলিছে, গহ্বোৰে শব্দ কৰিছে। তেওঁৰ চিলমিল টোপনি কাটি গৈছে।

বিচনাৰ পৰাই তেওঁ খিৰিকিখন হাতমেলি খুলি বাহিৰলৈ চালে— ধুমুহা। প্ৰচণ্ড ধুমুহা। প্ৰকৃতি প্ৰহেলিকাময় নীহাৰিকা হৈছে, বিকত বিকত শব্দ কৰিছে। পৃথিৱী এফালৰ পৰা চাৰখাৰ কৰাৰ পৰিকল্পনা কৰিছে।

নহয়! নহয়! প্ৰকৃতি বলিয়া হৈছে। বলিয়া দাঁতালৰ দৰে তাই দৌৰিছে। দুৰন্ত তাইৰ গতি, দুৰন্ত তাইৰ শক্তি। নাই , নাই এইখন পৃথিৱী চাই থাকিব পৰা নাযায়। তেওঁ কঁপা কপাঁ হাতেৰে খিৰিকিখন জপাই হুকদাল লগাই দিলে।

পুনৰ টোপনি যাবলৈ চেষ্টা কৰোতেই হুকসকৈ এক প্ৰচণ্ড শব্দই গোটেই ঘৰ কপাঁই তুলিলে। শব্দৰ লগে লগে ভাঁহি আহিল এটি আৰ্তস্বৰ। পাৰ্থিৱ ভয়ত প্ৰাণৰ আৰ্তস্বৰ — ছা ....ৰ।' যেন দৌৰি ফুৰা মাতাল হাতীটো তেওঁৰ ঘৰৰ ওপৰত উবুৰি খাই পৰিছে।

তেওঁ জাপমাৰি বিচনাৰ পৰা নামিল। লাইটৰ ছুইছত আঙুলি দবালে। লাইট নজ্বলিল।

এইবাৰ তেওঁ শিতানত টৰ্চটো খেপিয়ালে। টৰ্চটোৱে নিজেই তেওঁৰ হাতত খুন্দা দিলে।

তেতিয়া 'ছাৰ ছাৰ' আৰ্তস্বৰৰ লগত কান্দোন মিহলি হৈছিল।

দুৱাৰ খুলি দিয়াৰ লগে লগে আৰ্তস্বৰ মিহলি কান্দোনে তেওঁক গৰা মাৰি ধৰিলে।

"ৰছোন ৰ। ইমান ভয় নাখাবি। ৰ কি হল চাই লওঁ।"

পাৰ্থিৱ ভয়াৰ্ত প্ৰাণক আঁতৰাই তেওঁ শব্দটো অহাৰ ফালে আগবাঢ়ি গ'ল। পাছফালৰ দুৱাৰখুলি টৰ্চ মাৰি তেওঁ দেখিলে মুখত থকা প্ৰকাণ্ড জলফাইজোপা হাত-ভৰি মেলি মায়া শোৱা কোঠাটোৰ ওপৰতে পৰি আছে। ঠিক মৃত এটা প্ৰকাণ্ড হাতীৰ দৰে। এইবাৰ তেওঁ কোঠাটোৰ ভিতৰ সোমাই চালে— নাই ভিতৰখন একো হোৱা নাই। হঠাৎ ঘূৰি দিওতে মায়াৰ গাত লগা খুন্দাৰ পৰা তেওঁ বুজিলে তাই তেওঁৰ পিছে পিছে।

তেতিয়া ধুমুহা সাম কাটি ঝৰঝুণ আহিছিল।

তেওঁ মায়াৰ চকুলৈ টৰ্চ মাৰি দিলে— ভীষণ ভয়খোৱা চকুহাল তেতিয়াও কঁপি আছিল।

তেওঁ লাহে লাহে কোঠালৈ সোমাই আহি দুৱাৰ মুখত বৈ দিলে — কিবা এটা

চিন্তা কৰাৰ ভঙ্গিৰে।

লগে লগে মায়াই সুধিলে— 'ছাৰ, মই ইয়াতে শোওনে?'

'শো' — তেওঁ শোৱনি কোঠাৰ দুৱাৰখন হুক লগাই দিলে।

এইবাৰ তেওঁ চিলিঙৰ চক্ৰটোলৈ টৰ্চৰ পোহৰটো পেলাই দিলে। চক্ৰটোৰ কেন্দ্ৰইদি তেতিয়া টোপ্ টোপ্‌কৈ পানী পৰিছিল।

পুনৰ দুৱাৰ খুলি তেওঁ পাকঘৰ পালেগৈ। পাকঘৰৰ সৰু বাল্টিটো আনি শোৱনিকোঠাৰ পানী পৰা ঠাইত পাতি দিলে। তাৰ পাছত দুৱাৰখন মাৰি তেওঁ বিচনাত বাগৰ দি কাষৰ সৰু বিচনাখনত শুই থকা মায়াক কলে — "আঠুৱা খন ভালকৈ খুচি ল।"

শব্দটোৱে গোটেই দেহৰ স্নায়ুবোৰ, কোষবোৰ উত্তেজিত কৰি পেলোৱা বাবেই নেকি তেওঁৰ টোপনিৰ ভাবটো নোহোৱা যেন লাগিল। কাষৰ বিচনাত ঘনঘনকৈ বাগৰ সলাই থকা অনুমান কৰি তেওঁ বুজিলে - তাইৰো টোপনি যোৱা নাই।

যি কি নহওক কিছুসময়ৰ পাছত তেওঁৰ চিলমিলকৈ টোপনি আহিল।

কিন্তু। কিন্তু এইয়া কি? সপোন নে বাস্তৱ। তেওঁ। তেওঁ নাৰী শৰীৰৰ ঘ্ৰাণ পাইছে, উশাহৰ শব্দ শুনিছে, উত্তপ্ত দেহৰ স্পৰ্শ পাইছে, তাপটো বুকুলৈ সোমাই আহিছে।........ হঠাৎ তেওঁ দেখিলে খিৰিকি খুলি আন এক হাতী শোৱনি কোঠালৈ সোমাই আহিছে। ক্ৰমশঃ হাতীটো মাতাল হৈছে। নাই নাই কোনো কথা নাই। মাতালৰ প্ৰেমৰ কথা নাই, চন্দনৰ সুবাস নাই, হৃদয়ৰ কথা নাই। বাহিৰৰ দুৰন্ত হাতীটোৰ দৰেই ভিতৰৰ হাতীটোও দুৰন্ত মাতাল। জীৱনৰ উপাদান থকা এই মাতাল হাতীটোৱে হঠাৎ আদিম সৰলতাৰ লগত মিতিৰালি পাতিছে। তাৰ ধোৱা বৰণীয়া কলা পিঠিত অভিসাৰী নিশাৰ কেইটামান মুহূৰ্ত স্তব্ধ হৈছে।

তাৰ পাছত? তাৰ পাছত অৱসাদ গ্ৰস্ত হাতীটো খন্তেক জিৰাইছে আৰু ধলং পলংকৈ খিৰিকিৰে ওলাই যোৱাৰ যো-জা কৰিছে।

এই যে বাহিৰৰ হাতী আৰু ভিতৰৰ হাতী ইহঁত দুটাৰ মাজত এটা পাৰ্থক্য আছে— পাৰ্থক্যটো হ'ল বাহিৰৰ হাতীটো অভয়াৰণ্যৰ, ভিতৰৰ হাতীটো চাৰ্কাচৰ।

চাৰ্কাচৰ হাতীটো খিৰিকিৰে জাপ দিয়াৰ লগে লগে সাৰ পাই উঠি বহিছিল — কাণ্ডজ্ঞানৰ মানুহ সীমান্ত ভট্টাচাৰ্য, মুহূৰ্ততে গ্লাণিত, অনুশোচনাত চিৰাচিৰ হ'ল— এখন মানুহৰ হৃদয়, এটা মানুহৰ বিবেক - অৰণ্য। অৰণ্য।

সপোন পৰাজিত বিবেকবান মানুহটোৱে নিমিষতে কোঠাটোত সাজি পেলালে অৰণ্য। বিবেকবান মানুহটোৰ অবাঞ্ছিত অৰণ্য, ৰহস্যঘন অৰণ্য।

ৰহস্যঘন অৰণ্যৰ পৰা মানুহটোৱে যেন মুক্তি বিচাৰিছে। মুক্তিকামী মানুহটো ঢলং পলংকৈ আগবাঢ়িল দুৱাৰখনৰ ফালে, উমানতে, এখন এখনকৈ তিনিখন দুৱাৰৰ হুক

খুলি মানুহটোৱে চোতাল গৰকিলে। লাহে লাহে, খুউব লাহে লাহে মানুহটো পদূলিৰ ফালে খোজ দিলে। কৰুণ মুখেৰে, মন্থৰ খোজেৰে পদূলিলৈ গৈ থকা মানুহজনক এনে লাগিল যেন মৃত্যুদণ্ডেৰে দণ্ডিত ব্যক্তিজন কৰ্তৃপক্ষৰ নিৰ্দেশ মানি নিশ্চিত বধ্যভূমিলৈ আগবাঢ়ি গৈছে। জীৱনৰ শেষৰ খোজ কেইটা পূৰ্ণৰূপে উপভোগ কৰাৰ মানসেৰে যিমান পাৰে লাহে লাহে পেলাইছে।

বাহিৰৰ অৰণ্য তেতিয়া শান্ত, সৌম্য। এক নিষ্পাপ নাঙঠ ঘুমন্ত শিশুৰ দৰেই আধা আলো, আধা ছাঁ বাহিৰৰ অৰণ্য তেতিয়া ঘুমটিত। সেই অৰণ্যত তেতিয়া আৰু বলীয়া হাতীৰ তিঘিল ঘিলনি নাই, দুৰন্ত গতি নাই; আছে মাথো স্বাক্ষৰ। উবুৰিখাই পৰি থকা জলফাই জোপাত থাকি গ'ল সেই স্বাক্ষৰ।

লক্ষ্যহীনভাবে খোজকাঢ়ি গৈ থকা মানুহটোৱে শব্দহীন উত্তেজনাৰে নিজকে প্ৰশ্ন কৰিলে— 'ভিতৰৰ বলিয়ালিৰ স্বাক্ষৰ বৈ যোৱা নাইতো?..........

তাৰ পাছত তেওঁৰ সমুখলৈ উঠি আহিল ইন্সপেক্টৰ জীৱনৰ দুটা মান নিশাৰ স্মৃতি।

ইন্সপেক্টৰ জীৱনত তেওঁ কণ্ঠশিল্পী নিভাৰ লগত এনে দুটামান সপোন বিভোৰ নিশা আন্তৰিকতাৰে কটাই দিছে। ক'তা তেতিয়াতো তেওঁৰ হৃদয় চিৰাচিৰ হোৱা নাই, তেওঁৰ বিবেক দংশন হোৱা নাই। নাই, নাই । পৰম্পৰাগত পাপ পুণ্যৰ বৃত্তত তেওঁ বন্দী হোৱা নাই। যি কি নহওক বিগত দিনৰ সেই সপোন-বিভোৰ মাধৱী নিশাত চন্দনৰ সুবাস আছিল, প্ৰেমৰ ছুটি ছুটি বাক্য আছিল, দুটা আকুল প্ৰাণ আছিল, হয়তো সেইবাবেই বিবেক দংশন হোৱা নাছিল তেওঁৰ।

ইতিমধ্যে মানুহজন পদূলি পাৰ হৈ আঁহত জোপাৰ তলত বৈ গ'ল। পিন্ধনত তেওঁৰ বগা পাইজামা, বগা এটা গেঞ্জি।

তেওঁক অনুসৰণ কৰি কৰি পিছে পিছে গৈ থকা মায়াই আকৌ এবাৰ ভয় খালে, "আঁহতজোপাৰ তলত সেইয়া ছাৰ নে বুঢ়া ডাঙৰীয়া?"

'হওঁক বুঢ়া ডাঙৰীয়া!' তাই বুকুখন ফুলাই দিলে। বুঢ়া ডাঙৰীয়াহে নালাগে পৃথিৱীৰ সমস্ত ভূত প্ৰেত আহি তাইৰ গলত চেপা মাৰি ধৰিলেও তাই ছাৰক এৰি নিদিয়ে। আচলতে তায়েতো এজনী ভূতেই। ঠিকেই । তাই ঠিকেই ভাবিছে। এই যে জলফাই জোপা উঘাল খাই পৰিল। তাত ছাগে ভূত আছিল। সেই ভূতটো এতিয়া তাইৰ গাত, নহ'লেনে মানুহৰ মুৰেৰে পিতৃতুল্য এজন ব্যক্তিৰ ওচৰলৈ গোপন অভিসাৰেৰে আগবাঢ়ি যায়নে—?

শব্দহীন উন্মাদনাৰে তায়ো আহঁতৰ তল পালেগৈ। তাৰ পাছত বুকুলৈ,.মাতলৈ সাহস আনি বুঢ়া ডাঙৰীয়া সদৃশ মানুহটোক তাই কলে— 'বলক ছাৰ! বলক। দুৱাৰ খোলা হৈ আছে। কোনোবা সোমায় বা?"

'কোন সোমাব! সোমাবলৈ আৰু বাকী আছে কি? থক থক। দুৱাৰ খোলাই থক'—

অনুচ্চাৰিত কণ্ঠে তেওঁ ক'লে।

অপৰিসীম কাণ্ডজ্ঞানৰ মানুহজন এইবাৰ আহত জোপাৰ তলৰ শিলটোত বহি দিলে। সপোন-বিধস্ত মানুহটোক যেন বতাহ লাগে। মুকলি সবল বতাহ।

'ছাৰ! ছাৰ! মোক ক্ষমা কৰক ছাৰ! আপুনি ঘৰলৈ বলক ছাৰ' -শোক বিহ্বল কণ্ঠে তাই ক'লে।

তাইৰ কথাত তেওঁৰ সন্দেহ হ'ল– ক্ষমা! তাই সচাকৈয়ে তেওঁৰ ওচৰত ক্ষমা বিচাৰিছেনে? নে 'ক্ষমা' শব্দটো তাইৰ ওচৰত প্ৰয়োগৰ বাবে তেওঁৰ মনতহে পেলাই দিছে। তেওঁ হঠাৎ উচ্চাৰণ কৰি পেলালে– 'তই মোক ক্ষমা কৰি দিব পাৰিবিনে? মই ক্ষমাৰ যোগ্যনে?'

'তেনেকৈ নক'ব ছাৰ! আপোনাতকৈ মই বেচি দোষী? যি হ'ল হ'ল ছাৰ! সেইবোৰ বাদ দিয়ক। এই নিশাৰ দুৰ্ঘটনা, এই নিশাতেই শেষ হওক। বলক ছাৰ! আপুনি ঘৰলৈ ব'লক।'

কাণ্ডজ্ঞানৰ মানুহজন ঘৰলৈ উভটিল।

কিন্তু তেওঁ যেন ঘৰলৈ অহা নাই। বিধস্ত মানুহজন আহিছে আশ্ৰয় শিবিৰলৈ, য'ত জীৱনৰ স্পন্দন নাই, য'ত প্ৰাণৰ হেঁপাহ নাই, আছে মাথোঁ হুমুনীয়াহ, আছে শোকৰ মালিতা।

পুনৰ শোৱনি কোঠাত প্ৰবেশ কৰি তেওঁ ঘড়ীটোলৈ চালে– তিনি বাজিছে। তাৰ মানে আৰু অলপ সময়ৰ পাছতে ৰাতিপুৱাবই। পোহৰলৈ ভয় কৰি পৃথিৱীৰ কোনেও যদি ৰাতিপুৱাটো আশা নকৰে তেতিয়াও ৰাতিপুৱাবই।

কিছুসময় পাছত চিনাকী অচিনাকী অনেক চৰাইৰ কৰ্কশ, সুললিত কণ্ঠত ৰাতি পুৱাল। এই মুহূৰ্তত তেওঁৰ নিজকে হাৰাকিৰি নকৰা জাপানী পৰাজিত সৈনিকজন যেন লাগিল। সৈনিকজনে হাৰাকিৰি নকৰাৰ সপক্ষে কিছুমান সন্তোষজনক যুক্তি নিজৰ বাবে প্ৰস্তুত কৰাৰ দৰে তেৰোঁ পুৱাৰ পোহৰৰ সৈতে সাহসেৰে মুখামুখী হ'বলৈ কিছুমান সন্তোষজনক যুক্তি খুচৰি চাইছে– দোষ কি মৌপিয়া চৰাইটোৰ? বসন্তৰ বন ঘোষাত পৃথিৱীলৈ ঢাপলি মেলা কুলী, কেতেকীৰ দোষ কি? কিহৰ তাৰণা? কিহৰ তাৰণাত বলিয়া কুলি কেতেকী............।

পুৱা দহ বজাতেই হুটুৰ হুটুৰ, ঢং ঢং, ধুমুচ ধুমুচ আদি ধাতব শব্দই ভট্টাচাৰ্যৰ ঘৰ ৰজনজনাই গ'ল। আনদিনা হোৱাহলে এইবোৰ প্ৰয়োজনীয় অথচ কান জ্বলা-কলা কৰা শব্দৰ পৰা সুৰঙা বুজি তেওঁ পলায়ন কৰিলেহেঁতেন। আজি কিন্তু তেওঁৰ এই ধাতব শব্দ বলয়ৰ মাজত থাকিয়েই ভাল লাগিছে। তেওঁ ইতিমধ্যে হাতুৰীৰ শব্দৰ লহৰত আত্মসমৰ্পণ কৰি পেলাইছে। হে থক শব্দ। আজি তেওঁক এনে কিছুমান কঠিন কঠিন শব্দৰেই প্ৰয়োজন।

শব্দৰ সহাৰিত শোৱনি কোঠাৰ দুৱাৰ, খিৰিকিৰ পৰ্দা মুহুৰ্মুহু কম্পিত।

নিজৰ কৰিবলগাখিনি কৰি যাবলৈ ওলোৱা মিস্ত্ৰি খানক অমৃতে ক'লে — 'ৰ'ব ৰ'ব! পৰীক্ষা কৰি চাওঁ — আপুনি সফলনে বিফল।'

কথাষাৰ কৈয়ে সি হাতত পানীৰ বাল্টিটো লৈ জখলাইদি ঘপাঘপ ওপৰলৈ উঠি গ'ল আৰু পৰীক্ষা হিচাপে হাতত থকা পানীৰ বাল্টিটো উবুৰিয়াই ধৰিলে নতুন গজাল কেইটাৰ ওপৰত।

ইতিমধ্যে শোৱনি কোঠাৰ ভিতৰৰ চিলিঙৰ নিৰ্দিষ্ট চক্ৰটোলৈ একেথৰে চাই থকা ভট্টাচাৰ্যই পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে — ঠিকেই আছে, পানী অহা নাই।

তাৰ পাছত ক্ৰমশ ধীৰে ধীৰে কঁপি থকা পৰ্দা ঠেলি তেওঁ বাহিৰলৈ খোজ দিলে।

উদাস উদাস ভাব এটাৰে তেওঁ আগফালৰ বাৰান্দাত কিছু সময় বহিল।

তেনেতে হাতত ৰঙৰ টেমা আৰু ব্ৰাচ লৈ তেওঁৰ ঘৰৰ ফালে সোমাই অহা অমৃতক তেওঁ ক'লে—

'তুমি আমনি নাপাবা জানো? মই আক' পেইণ্টাৰ মাতিছা বুলিহে ভাবিছিলোঁ।'

'নাই নাপাওঁ। ভালহে পাওঁ' — মিঠা হাঁহি মিশ্ৰিত উত্তৰ।

তেওঁ পুনৰ অমৃতৰ পাছে পাছে আহি শোৱনি কোঠা পালেহি।

ৰঙৰ লগত খেলা কৰা নিপুন হাত তাৰ। ৰং, তুলিকা তাৰ নিপুন হাতৰ বিনোদন। অৱশ্যে তুলনামূলকভাৱে এই ৰঙৰ টেমাটো আৰু ব্ৰাচডাল (তুলিকাডাল) ডাঙৰ। হক ডাঙৰ। কোনো কথা নাই। একেই বিনোদন, একেই ৰং, একেই তুলিকা।

চিলিঙৰ আগৰ ৰং আছিল নীলা। আকাশী নীলা।

অমৃতে আগৰ ৰঙৰ লগত মিলি যোৱাকৈ ৰং আনিছে। ধোৰা-ক'লা চক্ৰটোৰ ওপৰত দুই কুট ৰং সানি দিছে। ৰঙেৰে আবৃত হৈছে অনাবৃত দাগ।

চিলিঙৰ ৰঙত নিমগ্ন অমৃতৰ শিশুৰ দৰে সৰল মুখখনলৈ চাই চাই তেওঁৰ নিজকে বৰ ৰহস্যময় যেন লাগিল। তেওঁ তাৰ গাৰ পৰা চকুযোৰ আঁতৰাই আনিলে। তাৰ পাছত খিৰিকিৰ পৰ্দাৰ ফালে চাই ঘনঘনকৈ চকু পিৰিকিয়ালে। চুলিৰ ওপৰেৰে বাওঁহাতখন সমুখৰ পৰা পাছলৈ বুলাই বিচনাখনতে বহি পৰিল তেওঁ।

ৰঙৰ লগত ক্ষন্তেক উমলি সি গ'লগৈ। অৱশ্যে মায়াৰ সৈতে চুপতি মাৰিবলৈ তাৰ মন আছিল। কিন্তু ছাৰৰ আগত তাইৰ সৈতে চুপতি মৰাৰ দুঃসাহস তাৰ নাই।

ভট্টাচাৰ্য এইবাৰ শোৱনি কোঠাৰ পৰা ওলাই পঢ়া কোঠাত সোমাল।

পঢ়া কোঠাৰ টেবুলখনৰ ওচৰত থিয় হোৱাৰ লগে লগে 'নেইল কাটাৰ'টোৰ ওপৰত চকু পৰিল তেওঁৰ।

নখ কেইটা কাটিব লাগিব বুলি ৰাতিপুৱাই তেওঁ ড্ৰয়াৰ খুচৰি সেইটো টেবুলৰ ওপৰতে থৈ দিছিল। 'নেইল কাটাৰ'টো হাতত লৈ তেওঁ পিছফালৰ সৰু বাৰন্দাখনৰ ফালে গ'ল আৰু মুঢ়াটোত বহি লিকলিকাই থকা ভৰি-হাতত নখবোৰ কাটি গ'ল।

মনোযোগেৰে নখ কাটি থাকোতেই হঠাৎ তেওঁৰ চিন্তা বিক্ষিপ্ত হ'ল। বিক্ষিপ্ত চিন্তাৰ ফাঁকে ফাঁকে ভুমুকি মাৰি থাকিলে এখন মুখে। বহল মনৰ মুখখনে যেন ক'লে— আন্ধাৰৰ ওচৰত অতীত, বৰ্তমান আৰু ভৱিষ্যত ব্যৰ্থ, সকলো অন্ধ, সকলো ব্যৰ্থ। আন্ধাৰ মানে ব্যৰ্থতাৰ ইতিহাস। আন্ধাৰ মানে বৰ্বৰৰ ইতিহাস।

টুইট্, টুইট্, টুইট্।

চৰাইৰ মাতৰ লেখীয়া কলিং বেলটো বাজিল।

কলিং বেলৰ শব্দত মায়া বাহিৰলৈ ওলাই আহিল। আলহীক বহিবলৈ দি তাই পাছফালৰ বাৰান্দা পালেগৈ। পিঠিফালৰ পৰাই তাই ভট্টাচাৰ্যক ক'লে — 'আলহী আহিছে ছাৰ।'

তেওঁ 'ও, আ' একো নক'লে।

ইতিমধ্যে তেওঁৰ নখ কটা হৈ গৈছে।

নেইলকাটাৰ'টো যথাস্থানত থৈ চাবোন মাৰি হাত দুখন ধুই পেলালে। তাৰ পাছত শোৱনি কোঠাৰ দীঘল আইনাখনত নিজৰ মুখখন, সাজযোৰ এবাৰ পৰীক্ষা কৰি তেওঁ আলহীৰ ওচৰ পালেহি।

'অ' ফুকনদাইঁত। নমস্কাৰ।'

'নমস্কাৰ। আমি তোমাৰ ওচৰলৈ বিশেষ এটা কাৰণ লৈ আহিছোঁ।' — এক মোলায়েম হাঁহিৰে ফুকন উপাধী মানুহজনে ক'লে। তেওঁৰ মূৰৰ চুলি নাই বাবে তেওঁক মানুহে 'টপা ফুকন' বুলিয়েই কয়।

'হয় হয়। আমি কমলপুৰ সাহিত্য সভাৰ তৰফৰ পৰা তোমাক এটি অনুৰোধ কৰিবলৈ আহিছোঁ।' — অৱসৰৰ পাছত সময় কটাবলৈ সাহিত্য সভাত সোমোৱা শকত চাপৰ মানুহজনে ক'লে।

'কওঁকচোন বাৰু' — গহীন হাঁহি এটাৰে ভট্টাচাৰ্যই ক'লে।

'শুনা। আমাৰ কমলপুৰ শাখা সাহিত্য সভাৰ সভাপতিৰ পদটিৰ বাবে পেনেলত তোমাৰ নামটি দিবলৈ অনুমতি প্ৰদান কৰিব লাগে।' — কথা কৈ থাকোতেই টপা ফুকনে চোলাৰ ওপৰৰ জেপৰ পৰা চিঠিখন উলিয়াই তেওঁৰ আগত মেলি ধৰিলে। ভট্টাচাৰ্যই তাত চহীটো কৰিলেই সেইখন আকৌ ভাঁজ হৈ ফুকনৰ পূৰ্বৰ জেপটোত সোমাব।

'সাহিত্যৰ নামত এতিয়ালৈকে মই প্ৰবন্ধ এটাও লিখা নাই। বিজ্ঞানৰ নামত ক'ৰবাত কেতিয়াবা কিবা লিখা হৈছে যদিও সাহিত্যৰ নামত কলমেই চোৱা নাই। গতিকে এই পদটিৰ বাবে প্ৰাথমিক যোগ্যতাখিনিয়েই মোৰ নাই।'

'তেনেকৈ নক'বা। তোমাৰ কামেই প্ৰবন্ধ, কথাই সাহিত্য। তুমিয়েই এই অঞ্চলৰ প্ৰথম উচ্চ শিক্ষিত, প্ৰথম উচ্চ পদস্থ চৰকাৰী বিষয়া। নিজে এৰি আহিলা বুলিহে। তোমাৰ এই কন্দৰ্পকুমাৰহেন চেহেৰাৰে সৈতে সভাপতি পদটো বজিতা খাই পৰিব। মুঠতে সভাপতি পদৰ বাবে তুমি সুযোগ্য ব্যক্তি।'

'আচলতে মই নিজেই নিজক যোগ্য বুলি নাভাবিলে আনে ভবাৰ ওপৰত ভিত্তি কৰি চহী কৰিব নোৱাৰিম। মাফ্ কৰিব। অৱশ্যে মই এই পদৰ বাবে উপযুক্ত ব্যক্তিৰ নাম ক'ব পাৰিম।'

'ৰাইজে তোমাক উপযুক্ত বুলি ভাবিছে। পেনেলৰ এক নম্বৰত তোমাৰ নামটো থাকিব। দুই নম্বৰত এনেয়ে এটা থাকিব। নহ'লে আক' সংবিধান উলঙ্ঘা কৰা হ'ব নহয়। বাৰু, তুমি ভবা উপযুক্ত ব্যক্তিজনৰ নামটো শুনোচোন।'

বাকী কেইজন নীৰৱ শ্ৰোতা হৈ ফুকন বোলাজন মুখপাত্ৰ হ'ল।

'অৱশ্যে আপোনাৰ ঘৰৰে মানুহ। আপোনাৰ সৰু ভাইবোৱাৰী মেঘালী। গৱীয়সী, প্ৰান্তিক আদিৰ দৰে প্ৰতিষ্ঠিত আলোচনীত মই তেওঁৰ লেখা পঢ়িছোঁ। বেচ ভাল লাগে। ইতিমধ্যে অসমৰ শাখা সাহিত্য সভাবোৰৰ পৰাও তেওঁলৈ নিমন্ত্ৰণ আহিছে।

তেওঁহে ববৰৈ যাব ইচ্ছা নকৰে। যি কি নহওক মই মেখালীৰ দৰে প্ৰতিষ্ঠিত কমলপুৰৰ আন ব্যক্তিৰ নাম নাজানো।'

ওঁঠখন বেঁকা কৰি টপা ফুকনে ক'লে —

"বুজিছা যিমানে নহ'লেও মাইকী। আকাশলঙঘা প্ৰতিভা থাকিলেও মাইকীজনীক লৈনো কেনেকৈ শোভাযাত্ৰা কৰিবা? সভাপতি বুলি ক'লে পুৰুষজন যেনে গহীন, গুৰনি, মাইকীজনী লঘু লঘু লাগে। তাতে এইখন হ'ল গাঁও। গাৱঁৰ মহিলা ওখ আসনত নবহে। প্ৰতিভা থাকক বা নাথাকক।"

"নবহে নহয়। নবহুৱাও। আমি জীয়াই থকালৈকে বহিবলৈ নিদিম।" — ভট্টাচাৰ্যই মনতে কথাখিনি শুদ্ধ কৰি ল'লে। হঠাৎ তেওঁৰ মনত পুতৌভাব এটা উদ্ৰেক হ'ল এই ভাবি — তেওঁৰ য'তু জন্ম, সেই সমাজখন কিমান মানসিকভাবে দৰিদ্ৰ! কিমান নিস্বঃ! তেওঁৰ সমুখত বহি থকা মানসিক দৰিদ্ৰতাগ্ৰস্ত ব্যক্তিকেইজনলৈ তেওঁৰ খং নুঠিল। খঙৰ ঠাই ললে পুতৌৱে .... সীমাহীন পুতৌৱে ....

"মুখত পুতৌ ভাব প্ৰকাশক হাঁহি এটাৰে তেওঁ ক'লে — মোৰ দৃষ্টিভঙ্গী আপোনালোকৰ পৰা বহু পৃথক। মই ব্যক্তিত্বসম্পন্ন মহিলাক সন্মান কৰোঁ। সুন্দৰৰ সাধনাত নিজকে ব্ৰতী ৰখা ব্যক্তিত্বসম্পন্ন মহিলাৰ সৌন্দৰ্য এক অনন্য সৌন্দৰ্য। সংসাৰ পাতি অথচ সংসাৰৰ পৰা নিলগত থাকি এজন পুৰুষে নিৰলসভাবে সুন্দৰৰ সাধনাত ব্ৰতী হোৱা সহজ। কিন্তু এগৰাকী মহিলাই সংসাৰ মহাভাৰখন মূৰত লৈহে চৰম ত্যাগৰ বিনিময়ত সুন্দৰৰ সাধনাত ব্ৰতী হ'ব পাৰে।"

ইতিমধ্যে মায়াই চাহ লৈ আহিলে, আৰু ভাগে ভাগে দি গ'ল।

ফুকনে নীৰৱতাৰ মাজত ভাপ উঠি থকা তেওঁৰ সমুখৰ চাহৰ কাপটোলৈ চালে।

কোঠাটোত কিছু সময় নীৰৱতাই বিৰাজ কৰিলে।

ইতিমধ্যে আলহীয়ে চাহৰ কাপ হাতেৰে ধৰিলে।

নীৰৱতা ভঙ্গ কৰি এইবাৰ আকৌ ভট্টাচাৰ্যই কলে — "যি কি নহওক আপোনালোকৰ লগত মোৰ আৰু কোনো কথা পাতিব লগা নাই বুলি ভাবিছোঁ।" — কথাষাৰ কৈ ভট্টাচাৰ্য ভিতৰলৈ সোমাই গ'ল।

ভট্টাচাৰ্যৰ চেহেৰা যেনে সম্ৰান্ত, কথা কোৱাৰ ভঙ্গিও স্পষ্ট আৰু সম্ৰান্তপূৰ্ণ। অযথা তোষামোদেৰে তেওঁ আনৰ প্ৰিয়ভাজন হ'ব নিবিচাৰে। তেওঁৰ প্ৰতি অহা অতিশয়োক্তিটো নিজৰ আকাংখা উঠি ভাহি যাবলৈ এৰি নিদিয়ে। পিন্ধনত তেওঁ যেনে পৰিপাটি কথা-বতৰাতো সমানেই পৰিপাটি। তেওঁৰ দৃষ্টিভঙ্গীৰ সৈতে অমিল মানুহৰ লগত বেচি সময় কথা পাতি থকাটো তেওঁৰ পক্ষে সম্ভৱ নহয়।

কিছু সময় মৌন হৈ বহি থাকি আলহীকেইজন গ'লগৈ।

দেওবাৰৰ দিনটোত ভট্টাচাৰ্যৰ ঘৰ উৎসৱমুখৰ কৰি ৰাখে বিভিন্ন কাৰণত তেওঁক লগ পাবলৈ অহা অতিথিয়ে।

অতিথিকেইজন যোৱাৰ দহ মিনিটমানৰ পাছতে কলিংবেলৰ শব্দৰ পৰিবৰ্তে বাহিৰত মানুহৰ কণ্ঠভেদি ওলোৱা শব্দ শুনা গ'ল — 'অ' মায়া, আচনে অ'।'

চিনাকি মাতটোত মায়া উধাতু খাই ওলাই আহিল।

"অ' তঁহত আহিলি' বৰ উচ্ছ্বসিত হৈ আগন্তুকক গৰামাৰি ধৰিলে তাই।

উপস্থিত দ্বিতীয় অতিথিয়ে বৰ তৃপ্তিৰে চালে সেই বন্ধন।

গৰাটো এৰি দি তাই ক'লে — 'তই এইবাৰ ভাল আহিলি দেই।'

'মই কথা পাতিব নাজানো বুলি দেউতাৰে আক' মোক নানেই নহয়। এইবাৰ জোক লগাদি লগাতহে আনিছে।'

তাৰ পাছত ওপৰা-ওপৰিকৈ এলানি প্ৰশ্ন নিমিষতে সুধি পেলালে তাই। মাক-বাপেকে যথাযথ উত্তৰ দি গ'ল তাইৰ প্ৰশ্নৰ।

মায়াই অপাৰ উচ্ছ্বাসেৰে কথা পাতি থাকোতেই ভট্টাচাৰ্যই ওলাই আহিল। পিন্ধনত তেওঁ ওলাই যোৱাৰ সাজ।

'অ' আপোনালোক! জীয়াৰীৰ খবৰ কৰিবলৈ আহিলে।'

'এৰা! সেই আইৰো বাৰ্ত্তা, গঙ্গাৰো যাত্ৰা। এইখন ঘৰলৈ অহা আৰু গঙ্গাত বুৰ'মৰা একেই কথা।'

গোবিন্দৰ ভক্তি-বিহ্বল চাৱনি আৰু কণ্ঠত তেওঁ বুজিলে এইয়া তোষামোদ নহয়। হৃদয়ৰ তলিৰ পৰা ওলোৱা সঁচা কথা। কথাখিনি ভাবি থাকিয়ে তেওঁ ক'লে—

'মোৰ আক' কাৰ্যকৰী সভা এখন আছে। কলেজত। মোৰ লগত পাতিব লগা কিবা আছে যদি আগতে মোৰ লগত পাতক।' তাৰ পাছত মায়ালৈ চাই ক'লে —

আগত চাহ-তাহ খুৱাই ল। তাৰ পাছত পাতিবি, কি পাত।

মায়া ভিতৰলৈ গ'ল।

গোবিন্দই এইবাৰ ওৰণি-আবৃত্তালৈ চাই ক'লে —

'ছাৰক ক'ম বুলি আলচি অহা কথাবাৰ ক আক'।'

'আপুনিয়েই কৰক' ওৰণি তলৰ পৰা ক'লে।

হাত দুখন নমস্কাৰৰ ভঙ্গিমাৰে কোঁচত থৈ গোবিন্দই ক'লে — 'মায়ালৈ দৰা এটা ওলাইছে। ইঁওতে ভাল ল'ৰা। সৰুকৈ দোকান এখনো আছে, দুবিঘামান মাটিও আছে।

তাই ঘৰলৈ যাওঁতে লৰাটোৱে চালে। তাৰ মন খালে। তাই পিছে এইবোৰৰ ভু নাপায়।'

'অ' জোঁবাই লাগে তাৰ মানে?' তেওঁ হহাঁৰ নিচিনা কৰিলে। 'আমাৰ এওঁ আকৌ তলে তলে দৰা বন্দবস্ত কৰিছে বুলিয়েই শুনিছোঁ। অৱশ্যে আপোনালোকৰ ছোৱালী — যি ভাল দেখে তাকে কৰিব। এওঁ বৃহস্পতিবাৰ মানে পাবাহি। সেইবোৰ কথাৰ মালিক তেওঁহে।'

— হাঁহি নোহোৱা হৈ মুখখন স্বাভাবিক হ'ল তেওঁৰ।

সৰল হাঁহি এটাৰে এইবাৰ গোবিন্দই ক'লে —

'বাইদেৱে যদি ভাবিছে সেইটোৱেই হক। হ'লে বহাগতে হক। আচলতে আমাৰ গাঁৱত তাইতকৈ সৰু ছোৱালীবো বিয়া হৈ গৈছে বাবে তায়ো জীয়েকৰ বিয়াখন সোনকালে হ'লে ভাল পায়।'

কেৱল মাকেই নহয় পেতে পেতে সিয়ো বিচাৰে। কিন্তু তাইৰ কথাখিনি সি কৈছে কাৰণে তাইকে গইনাটো দিলে।

তাৰ পাছত মায়া আহি তেওঁলোকৰ ভিতৰলৈ মাতি নিলে।

ভট্টাচাৰ্যই সৰু সেউজীয়া বৰণৰ গাড়ীখন ষ্টাৰ্ট দিলে। অমৃতৰ কোঠাৰ আগেদি পাৰ হৈ গ'ল তেওঁৰ গাড়ী।

নিৰ্দিষ্ট গাড়ীখন তাৰ কোঠাৰ কাষেৰে পাৰ হৈ যোৱাত অমৃতে পেতে পেতে বৰ ভাল পালে। অন্ততঃ মায়াৰ লগত অলপ মুকলিকৈ চুপতি মাৰিব পৰা যাব। কাৰণ দেওবাৰৰ বাহিৰে আজি-কালি তাৰ সময়েই নাই। পৰীক্ষা দি উঠিয়েই সি প্ৰেছ এটাত অস্থায়ীভাৱে কামত সোমাইছে। ডিউটিও বুলি একেবাৰে পুৱা ন-বজাৰ পৰা আবেলি পাঁচ বজালৈ।

জোনাকে বুকু নচুৱাই সাগৰৰ সতে
এপাহ প্ৰেমৰ কথা পাতিব পাৰে
নল খাগৰিৰে লিখিব পাৰে
এখন আকাশ ভালপোৱা প্ৰেমৰ মহাকাব্য
সাগৰ-জোনাকৰ প্ৰথম প্ৰেমিক হ'ব পাৰে।
বুজিব পাৰে জোনাকৰ-কাব্যময় প্ৰেমৰ সুগন্ধি ভাষা
— বৰ্ণময় চিত্ৰ। *(পূৰ্ণ ভট্টাচাৰ্য)*

— সি তাৰ প্ৰিয় কবিৰ কবিতা কাঁকি আবৃত্তি কৰি কৰি ভট্টাচাৰ্যৰ আলহী বহা

কোঠাত ভৰি থওঁতেই মায়াই উধাতু খাই তাৰ ওচৰ পালেহি আৰু যথাসম্ভৱ সৰুকৈ 'তোমাৰ কবিতা সামৰা। মা-দেউতা ভিতৰত আছে। শুনিব।'

'মানে মোৰ ভাবী শাহু-শহুৰ। শুনক! যিটো সত্য বাইদেৱে আধাখিনি প্ৰতিষ্ঠা কৰিছে, পাচৰখিনি প্ৰতিষ্ঠা কৰিবলৈ মই সিদ্ধান্ত ললোঁ — সেইটো মোৰ ভাবী শাহু-শহুৰে জানিব লগা কথা। অ, কে। গতিকে সাৰে জাহাছে আৎসা' — চাৰ্কাচৰ বহুৱাৰ ভঙ্গিৰে সি কথাখিনি ক'লে।

ইতিমধ্যে বাহিৰলৈ ওলাই অহা তাৰ ভাবী শহুৰ-শাহুৰৰ কাণত সুৰ সুৰকৈ সোমাইছিলগৈ কথাবোৰ। কিন্তু তাৰ ওচৰ পোৱাৰ লগে লগেই সি পৃথিৱীৰ ভদ্ৰ যুবকজন হৈ পৰিল। মুখত বিৰিঙি থাকিল এটি লাজকুৰীয়া হাঁহি।

এটা মোলায়েম হাঁহিৰে গোবিন্দই ক'লে — 'এৰা। তোমাৰ লেখীয়া জোঁৱাই পালে নেসাধিলো নো কি? পিছে হৈ যোৱাৰ পাছতহে হ'ল বুলিব পাৰি। এইবোৰ চব্ ঈশ্বৰৰ মায়া। বাৰু আমাৰ ঘৰলৈ এপাক যাবা। কথা-বতৰা হ'ম।'

ফুলেশ্বৰীয়ে ভাবী জোৱাইক মুৰৰ পৰা ভৰিলৈ পৰম তৃপ্তিৰে এবাৰ চালে।

হঠাৎ মায়াৰ মুখ বিষন্ন আৰু উদাস।

গোবিন্দই তাৰ লগত বিশেষ একো কথা নাপাতিলে। কাৰণ আজি এমাহমানৰ আগতে আহোঁতে ভালেখিনি কথা পাতিলে তাৰ লগত। তাৰ জীৱনৰ প্ৰায় কথা জানে সি। মাত্ৰ নাজানে সিয়েই তাৰ ভাবী জোঁৱাই হ'ব পাৰে বুলি। যি কি নহওক এই মুহূৰ্তত তাৰ কিবা লাজ এটা লাগি গ'ল।

ঘৰলৈ যাবলৈ ওলোৱা মাক-দেউতাকক আগবঢ়াই ধুমুহাৰ গতিৰে ঘৰ সোমাল মায়া। আলহীৰ কোঠাতে বহি উচুপি উঠিল তাই।

উচুপি থকা মায়াৰ মুখত হাঁহি কান্দোনৰ অনুপম ছবি চাবলৈ সি ক'লে —

'আই ঐ দেহি! বিয়া নহওতেই বাহি বিয়া। বাহি বিয়াত মাক-বাপেকৰ পৰা বিদায় লোৱা মোৰ গৃহলক্ষ্মীজনী — কান্দা। কান্দা। কান্দিলে তোমাক বৰ ধুনীয়া দেখি।' তাৰ বহুৱা অভিনয়ত এইবাৰ তাক সাবত মাৰি ধৰিয়েই হাও হাওকৈ কান্দি পেলালে তাই।

তাইক শান্ত কৰি আঁতৰি যোৱা অমৃতলৈ পিছফালৰ পৰা চাই তাই মনতে ক'লে — মোৰ কান্দোনৰ অৰ্থ তুমিতো বুজি নাপাবা। নালাগে পাব, থক দিয়া।

সেইদিনা সন্ধিয়া ধূপকাঠিদাল হাততলৈ অমৃতে ভাবিলে দিনৰ ভাত আঞ্জা আছে যেতিয়া আজি সি বজাৰৰ কথা চিন্তা কৰিব নালাগে। আঞ্জাকণ অলপ গৰম কৰি ললেই চলি যাব। — এইবুলি ভাবি সি টেবুলখন বিচনাৰ ওচৰলৈ টান মাৰি আনিলে আৰু কাগজ কলম উলিয়াই ললে। উদ্দেশ্য, সি আজি এটা কবিতা লিখিব। তাৰ জীৱনৰ দ্বিতীয়টো কবিতা। কবিতাটোৰ নাম কি হ'ব — সেইটো পাছৰ কথা। কিন্তু ইয়াৰ বিষয়বস্তু হ'ব নাৰীৰ চকুপানীৰ শক্তি আৰু সৌন্দৰ্য। নাৰীৰ চকুপানীয়ে হেনো বুৰঞ্জী সলাব পাৰে, তাজমহল সাজিব পাৰে, শত্ৰুৰ উদ্যত খৰ্গ স্থিৰ কৰিব পাৰে। তেনে চকুপানীক লৈ সি এটা কবিতা লিখিব নোৱাৰিব নে?

যথেষ্ট সময় শব্দৰ লগত যুঁজি যুঁজি, খুচৰি খুচৰি কেইবাবাৰো-কাট-কুটৰ অন্তত সি সঁচাকৈয়ে এটা কবিতা জন্ম দিব পাৰিলে।

কাট-কুট হৈ থকা অৱস্থাতে সি কবিতাটো তিনিবাৰমান নিজকে আবৃত্তি কৰি শুনালে। কবিতাটোত ব্যৱহাৰ কৰা বাছকবণীয়া শব্দৰ ঝংকাৰে তাৰ মন পুলকিত কৰি পেলালে। মনৰ আবেগত সি ভাবি পেলালে সি এজন সফল কবি। অন্ততঃ এই কবিতাটো পঢ়ি যিকোনো মানুহেই তাক ভাল কবি বুলি নকৈ নোৱাৰিব। (সন্দেহ নাই আধুনিক দৃষ্টিত সেইটো নিতান্ত ভুল)

যি কি নহওঁক বৰ্তমানৰ কবিতাটোৰ গাত আঁউজি উঠি আহিল তাৰ জীৱনৰ প্ৰথম কবিতাটি। প্ৰেমৰ কবিতাটি। কবিতাটিৰ নায়িকা প্ৰেয়সী পাপৰি।

তাৰ বয়স তেতিয়া খুউব বেছি যোল্ল বছৰ। দশম মানৰ ছাত্ৰ সি। হঠাৎ সি একে স্কুলতে নৱম মানৰ ছাত্ৰী পাপৰিৰ প্ৰেমত পৰি গ'ল। সমাজ অধ্যয়নৰ কিতাপখনৰ বুকুত তাৰ বুকুৰ খবৰ গ'ল পাপৰিলৈ। যথানিয়মে সমাজ অধ্যয়ন কিতাপখন ঘূৰি আহিল। তাৰ বুকুত সোমাই আহিল পাপৰিৰ বুকুৰ খবৰ। আৰম্ভ হৈ গ'ল সিহঁতৰ আত্মসমৰ্পণ। পৰস্পৰে পৰস্পৰৰ ওচৰত আত্মসমৰ্পণ।

তাৰ পাছত চলিল প্ৰেমৰ অবিৰত যাত্ৰা।

স্বাভাৱিকভাৱেই অমৃতৰ তাৰ পাছৰ কাৰ্যসূচী হ'ল — প্ৰেমিকাৰ দেহৰ প্ৰতি টোপাল তেজ, প্ৰতিডাল শিৰা-উপশিৰা স্পৰ্শ কৰিব পৰাকৈ "মানিক মুকুতা গঁথা, নাই গঁথা গলপতা, হিয়াৰ আঙুঠি মোৰ নাই দিবলৈ; অন্তৰৰ ভালপোৱা, এখানি অৰণ্য মাথো, মহাৰ্ঘ ৰতন মোৰ সেয়ে তোমালৈ।" অথবা "ভালপাওঁ বুলি কৈ, তেজ যদি দিব পাৰে,

তেনেকুৱা ভালপোৱা কেইজনে পায়” — জাতীয় প্ৰেমৰ অমৃতবাণীময় কবিতাৰ সন্ধান কৰা। যথাস্থানত প্ৰয়োগ কৰা। তাৰ পাছত ঘনাই ঘনাই কিতাপ দিয়া নিয়া; ছবিত, কবিতাত আদিতাভ প্ৰেম যুগনীয়া কৰা ইত্যাদি।

প্ৰেমৰ উত্তাল সাগৰত অবিৰত যাত্ৰাৰে জাহাজ চলাই যোৱা নাৱিকে গমকে নাপালে পৰীক্ষাৰূপী প্ৰচণ্ড ধুমুহা কেনি আহিল? কেতিয়া আহিল?

·যি কি নহওক যথাসৰ্বস্ব প্ৰয়োগ কৰি নাৱিকে যুঁজিলে, অবাঞ্ছিত ধুমুহাৰ লগত। তিনিমাহৰ পাছতে যুঁজৰ ফলাফল আহিল — ফেল। সেউতাকৰ ওচৰত সি হৈ গ'ল পৃথিৱীৰ অলগদ্ধ আৰু মূৰ্খক।

লাজে-বীজে এক প্ৰকাৰ মৃত ল'ৰাটোৰ হাহাকাৰৰ খবৰ ৰাখে কোনে? তাৰ প্ৰেয়সীৰ কথা মনলৈ আহিল সেই মুহূৰ্তত। 'কমচেকম তাইতো সান্ত্বনা এটা দিব লাগিছিল এই দুখত।' হায়। তাৰ প্ৰেয়সীয়ে ছাগে ভাবিছে ইমান ভাবী ভাবী কবিতাৰ মালিকজন দেখোন চুচৰি বাগৰি.... নাই। নাই। সি আৰু ভাবিব নোৱাৰে।

ঘটনাক্ৰমে সি এদিন বাস্তাত তাৰ প্ৰেয়সীক দেখিছিল। তাইৰ ওচৰ পোৱাৰ লগে লগে সি ভাবিলে — প্ৰথম তায়েই তাক মাতক। অন্ততঃ সান্ত্বনা হিচাপে কিবা এটা কওক।

ইতিমধ্যে দশম শ্ৰেণীলৈ প্ৰথম হৈ উত্তীৰ্ণ হোৱা তাৰ প্ৰেয়সীয়ে মাত এষাৰ দিয়া দূৰৰে কথা, কেৰাহিকৈয়ো চোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে।

তাৰ পাছত? তাৰ পাছত অচল জাহাজৰ নাৱিক সি। স্বাভাৱিকভাৱেই কবিকণ্ঠ বোধ হৈ গ'ল, চিত্ৰকৰৰ হাতৰ তুলিকা খহি গ'ল — ক্লান্ত-শ্ৰান্ত নাৱিকৰ।

'অলগদ্ধ ক'ৰবাৰ। যা যা হালবাগে। পঢ়িব নোৱাৰিলি যেতিয়া নাঙলৰ মুঠিত ধৰ। নহলে খাবি কেনেকৈ' — বাপেকৰ নিৰ্দেশত আৰম্ভ হ'ল তাৰ আন এক জীৱন। গৰু, এচাৰি, হোঃ-হোঃ, যা-যা, ঘূৰ-ঘূৰ, নাঙল-আচিৰ-জীৱন।

পৰীক্ষাৰ বতৰ আকৌ আহিল। পৰীক্ষাত বহিবলৈ সি কথম্ পুৰোৱা নহ'ল। ইতিমধ্যে প্ৰাক্তন হৈ যোৱা প্ৰেয়সীয়ে পৰীক্ষা দিলে। ফলাফল প্ৰথম বিভাগ।

প্ৰাক্তন প্ৰেমিকৰ সংবাদটোত তাৰ বুকু ভমকৈ জ্বলি উঠিল। বিৰহত নহয়। ঈৰ্ষাত। চৰম ঈৰ্ষাত।

মুহূৰ্ততে সি নিজক আই দিলে তাৰ জীৱনৰ নতুন টিকা-ভাষ্যঃ— তই পূৰ্বৰ পাপৰ প্ৰায়চিত্ত কৰিবই লাগিব। প্ৰেম-পাশাখেলাত তিল্ তিলকৈ শেষ হৈ যোৱা জীৱনটোক তই নতুন ৰূপত গঢ় দিবই লাগিব...... তই। তই পাৰিবই লাগিব.... পাৰিবই লাগিব।

নতুন টিকা-ভাষ্য অনুসৰি তিল্ তিলকৈ আৰম্ভ হ'ল তাৰ প্ৰায়চিত্ত। নাৱিকৰ জগতত ল'ৰাটো কোনেও নেদেখা হ'ল।

পৰীক্ষাৰ বতৰ আকৌ আহিল। সি পৰীক্ষাত বহিল। ফলাফল — দ্বিতীয় বিভাগ।

যি কি নহওক সেইযে প্ৰেয়সীলৈ চিঠি লিখিবলৈ বিখ্যাত কবিৰ প্ৰেমৰ কবিতা সন্ধান কৰিছিল, প্ৰেমৰ প্ৰশস্তিৰে ধাৰ কৰা শব্দই কবিতা লিখি প্ৰেয়সীক উপহাৰ দিছিল, প্ৰেয়সীৰ ছবি আঁকিছিল, ফুল-চৰাইৰ আদিৰ প্ৰাকৃতিক দৃশ্যৰ ছবি আঁকি প্ৰেয়সীক উপহাৰ দিছিল — এইবোৰ কাৰ্যত সোমাই থাকোতেই সি ক'ৰ নোবাবাকৈ প্ৰেমত পৰিছিল — কবিতাৰ, ছবিৰ। অৱশ্যে সি কবি নহ'ল। নহ'ল চিত্ৰকৰ। হ'ল মাথো কবিতাপ্ৰেমী চমজদাৰ পাঠক আৰু নিজৰ বাবে আঁকা ছবিৰ চিত্ৰকৰ। আজিলৈকে তাৰ ছবি ক'তো প্ৰদৰ্শন হোৱা নাই। তথাপি সি ছবি আঁকে। ছবিয়ে তাক আনন্দ দিয়ে। তাৰ নিজৰ বাবে সি এজন সফল চিত্ৰকৰ।

জীৱন যুদ্ধত আকৌ এবাৰ হাৰি ঘৰ এৰা মাউৰা ল'ৰাটোৱে এইবাৰ তাৰ জীৱনৰ পৰা নিৰ্বাসন দিছিল — মানুহৰ প্ৰেমক, মানুহৰ ভালপোৱাক। নাই, নাই পৃথিৱীত প্ৰেম নাই। পৃথিৱীত প্ৰেম থকা হ'লে দেউতাকে তাক ইমান অত্যাচাৰ নকৰিলেহেঁতেন। পৰীক্ষাত ফেল কৰিলে বুলিয়েই প্ৰেয়সীয়ে তাক উপেক্ষা নকৰিলেহেঁতেন। প্ৰেম, ভালপোৱা এইবোৰ মাত্ৰ দুদিনীয়া চখ.... ঠিকেই.... মাত্ৰ দুদিনীয়া চখ। মাক জীয়াই থাকোতে সি বাপেকৰ ধনটো, সোপটো, জানটো আছিল। মাকৰ শৰীৰ সমাধিস্থৰ লগে লগেই — সমাধিস্থ হ'ল দেউতাকৰ মৰমৰ শব্দ-বিলাকৰ শৰীৰ। একেদৰে পৰীক্ষাৰ ফলাফলে তাক অযোগ্য ঘোষণা নকৰালৈকে সি আছিল প্ৰেয়সীৰ — প্ৰাণৰো প্ৰাণৰ, অন্তৰো অন্তৰৰ একমাত্ৰ পূজ্য দেৱতা। পৰীক্ষাৰ ফলাফলে যেন তাৰ হৃদয়ৰহে অযোগ্যতা ঘোষণা কৰিলে। হঠাৎ স্বৰ্গৰ দেৱতা মিলি গ'ল ধৰণীৰ ধূলিৰ লগত।

জীৱনৰ পৰা প্ৰেমক বিসৰ্জন দিয়া ল'ৰাটো ক'ৰ নোবাবাকৈয়ে আকৌ প্ৰেমত পৰিল? প্ৰথমে পৰিল সি মাতৃপ্ৰেমত। হয় হয়। নীলিমা বাইদেউ তাৰ কোনোবা জনমত মাতৃ আছিল। তাৰ পাছত (ভট্টাচাৰ্য) পিতৃপ্ৰেমত পৰি গ'ল সি। একেবাৰে শেষত সি পৰি গ'ল মায়াৰ প্ৰেমত। মায়াৰ হৃদয়ৰ প্ৰেমত। বাঁদে-পৰবুণে অদহে কদহে ঘূৰি ফুৰা পিয়াহত কণ্ঠ শুকাই যোৱা ল'ৰাটোৱে যেন গভীৰ 'পুখুৰীত পানী খাবলৈ নামিল। স্থিৰ পানীৰ কাষত থিয় হৈ ল'ৰাটোৱে পানীলৈ চালে'। পুখুৰীৰ পানীত নিজক দেখাৰ লগতে সি দেখা পালে তাৰ মূৰৰ ওপৰৰ আকাশ। নীলা আকাশ। সীমাহীন প্ৰেমময় আকাশ। ওকাল কঠিন কথা পাহৰি সি চিঞৰি দিলে — আছে! আছে! প্ৰেম আছে...... প্ৰেমৰ নীলা আকাশ আছে!

সি কেভিয়াৰা ক'ৰবাত পঢ়া মনত এটা দেখ-মেদেখকৈ তাৰ স্মৃতিলৈ আহিল। ভূমধ্য সাগৰৰ পানীৰ বং সূৰ্যৰ পোহৰৰ অৱস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি সলনি হৈ থাকে। কেভিয়াৰা বগা হয়, কেভিয়াৰা সেউজীয়া আৰু কেভিয়াৰা গাঢ় নীলা।

এই মুহূৰ্তত ভূমধ্যসাগৰৰ পানীৰ লগত নিজকে বিজাই চাবলৈ মন গ'ল তাৰ।

কিন্তু সূৰ্যৰ কি অৱস্থিতিৰ বাবে পানী নীলা হয় সেই কথা সি পাহৰিলে। যি কি নহওক তাৰ বৰ্তমান জীৱনৰ ৰং নীলা। আকাশখনৰ দৰে নীলা।

অলপ আগতে লিখা কবিতাটো সি আকৌ এবাৰ পঢ়ি চালে। এইটো কবিতাৰ গাত ভেজা দি তাৰ পুৰণা কবিতাটো উঠি আহিলেও সেইটোৰ দৰে এইটো প্ৰেমৰ কবিতা নহয় অথবা মায়াৰ প্ৰেমত অন্ধ হৈ লিখা কবিতাও নহয়। কবিতাটো লিখিবলৈ মায়াই প্ৰেৰণা যোগোৱা নাছিল, প্ৰেৰণা যোগাইছিল তাইৰ চকুৰ পানীয়েহে।

সঁচা কথা কবলৈ গ'লে বৰ্তমান মায়াৰ সৈতে তাৰ গঢ়ি উঠা প্ৰেম 'তোমাক নাপালে চিৰকুমাৰ হম' জাতীয় নহয়। প্ৰথমে মায়াৰ প্ৰতি তাৰ কোনো দুৰ্বলতা নাছিল। আছিল সাধাৰণ হলি গলি, মুখৰ চুপতি।

আজি এবছৰ মানৰ পৰা মেঘালী বাইদেউ, পবিত্ৰ দাদাইঁতে তাক মায়াৰ লগত জোকাই জোকাই স্ফুৰ্তি কৰি থাকে। এদিন সঁচাসচিকৈ মেঘালী বাইদেৱে সুধি পেলালে — 'মায়াক বিয়া পতাত তোমাৰ কিবা আপত্তি আছে নেকি? তোমাৰ যদি আপত্তি নাই তেনেহ'লে মায়াৰ বিয়াখন তোমাৰ লগতে পাতিবলৈ বাইদেৱে বিচাৰে।'

তাৰ পাছতহে তাৰ হৃদয়ত দুৱাখন খোল খাই গ'ল। বচ ইমানেই। সেই ঘটনাটো ঘটিছে সৌ সিদিনা। কথাবোৰ ভাবি ভাবি নোটবুক (টোকাবহী)খন উলিয়াই সি কবিতাটো লিখি পেলালে। তাৰ পাছত সি ঘড়ীটোলৈ চালে দহ বাজিছে।

কলেজৰ ঘৰসজা কাম পূৰ্ণগতিত। শিল, বালি, ইটা, লোহা অনা ট্ৰাকবোৰ গোগোৱাই আহে, থন্ থন্, হৰ হৰ বস্তু নমাই আকৌ গোগোৱাই গুচি যায়। দমকল দুটা অনুক্ষণে ঘটং ঘটং বাজিয়েই থাকে। মচলা মিলোৱা মেচিনৰ ঘৰঘৰ শব্দ হৈয়ে থাকে। মিস্ত্ৰিৰ যোগালিৰ চিঞৰ-বাখৰ, হাঁহি-খিকিন্দালিৰে মুকলি পথাৰ বজনজনাই থাকে। মুঠতে মানুহ, যন্ত্ৰ, ট্ৰাক, হাঠিয়াৰ আদিৰ ভিন্ন ভিন্ন অলেখ শব্দৰ সমলয়ে থৌকি-বাথৌ কৰিছে সৌ সিদিনালৈকে শুকান নৰাণিত নীৰৱে শুই থকা এখন পথাৰে।

দপদপাই থকা শব্দবোৰৰ কিছু দূৰৈত এটা সৰু অথচ আটোমটোকাৰি ভাবে চোৱা খেৰি ঘৰ। অস্থায়ী অফিচ হিচাপে সজা পকা মজিয়াৰে এটা কোঠাৰ ঘৰ। আচবাব বুলিবলৈ এটা ষ্টীলৰ আলমাৰি, কেইখনমান চকী আৰু এখন আহল-বহল

টেবুল, চুকটো নুবিয়াই খোৱা কাপোৰৰ দ'ম এটা। দুৱণিৰটীয়া মিস্ত্ৰি দুটা নিশা নুবিয়াই খোৱা কাপোৰৰ দমটো যোকোলাই শোৱে, পুৱা হ'লে আকৌ নুবিয়াই চুকটো থৈ দিয়ে।

কোঠাটোৰ টেবুলখনৰ গাতে লাগি থকা নিৰ্দিষ্ট চকীখনত বহি খিৰিকিৰে ভট্টাচাৰ্যই মানুহবোৰ, শব্দবোৰ নিৰিক্ষণ কৰি আছে। মিস্ত্ৰি-যোগালিয়ে হাঁহি-খিকিন্দালিৰে ইমান ব্যস্ততাৰে কাম কৰি আছে যে সিহঁতৰ মূৰৰ ওপৰত যে বহাগৰ দুপৰীয়াৰ সূৰ্য্যটো আছে সেইয়া সিহঁতে পাহৰি পেলাইছে। তেওঁ হাতৰ ঘড়ীটোলৈ চালে বাৰ বাজিছে আৰু এঘণ্টাৰ পাছতহে সিহঁতে ভাত খাব। ত্ৰিছ মিনিট সময় জিৰাব।

এই দপদপাই থকা মানুহবোৰ, ৰজনজনাই থকা শব্দবোৰ ভেদ পেলাই ভট্টাচাৰ্যৰ কাণত অনুক্ষণে বাজি আছে সেই শব্দকেইটা .... মোৰ সৰ্বনাশ হ'ল ছাৰ। মই এতিয়া কি কৰোঁ। তয়েতো কৈছিলি .... এই নিশাৰ দুৰ্ঘটনা এই নিশাতেই শেষ হক। .... হ'লনে শেষ? হ'লনে শেষ সেই নিশাতেই? নহ'ল। নিশাই দুৰ্ঘটনা আৰম্ভহে কৰে। শেষ নকৰে। তই। তই এতিয়া কি কৰিবি? এতিয়া তোৰ কৰণীয় কি? কাৰণ তোৰ বিয়ালৈ দহদিন বাকী .... মাথো দহদিন। এই দহদিনত তোৰ দেহৰ 'সৰ্বনাশ' খণ্ডাবলৈ মই তোক কি পৰামৰ্শ দিওঁ? .... নিলোৱেই যেনিবা প্ৰসুতি বিভাগৰ ডাক্তৰৰ ওচৰলৈ? তাৰ পাছত? তাৰ পাছত ঘটিবলৈ থকা ঘটনাটো যদি আৰু ভয়ঙ্কৰ হয় .... আৰু সৰ্বনাশ হয়।

ভট্টাচাৰ্যই একমাত্ৰ শ্ৰোতা যিজনে সেই সৰ্বনশীয়া শব্দকেইটা শ্ৰৱণ কৰিছিল। শ্ৰৱণ কৰিছিল আজি তিনিদিনৰ আগত নীলি স্কুললৈ যোৱাৰ সুকণ্ডাত। সেই মুহূৰ্ত ধৰি তেওঁৰে মগজুত ৰাতিপুৱা নাই, আবেলি নাই। মথো দুপৰীয়া। হাঁহি-খিকিন্দালিৰে কাম কৰি থকা সৌ মানুহবোৰৰ গাত ৰ'দে ভাপৰ কোনো চিন নাই। খেৰেৰে ডাঠকৈ সজা অফিচ ঘৰত বহি থকা মানুহটোৰ মুখত ৰ'দে পোৰা দাগ। টিক্‌টিক্‌কৈ ৰঙা হৈ পৰিছে মানুহটো। ঘামি টেপ্‌টেপীয়া হৈছে ভিতৰৰ বনিয়নটো। চুকত নুবাখাই থকা বিচনাখনৰ দৰে যাবে বাৰে শব্দকেইটা নুবিয়াই থবলৈ চেষ্টা কৰিছে তেওঁ। কিন্তু যিমানেই চেষ্টা কৰিছে সিমানেই দুৰাৰোগ্য বেমাৰৰ বীজাণু বৃদ্ধিৰ দৰে শব্দকেইটা ক্ৰমশ বৃদ্ধি হৈছে।

'ছাৰ চাহ একাপ খাই লওক' — মহৰী বণ্ডায়ে অফিচটোত বহি থকা ভট্টাচাৰ্যক চাহ একাপ দিলেহি।

'দিয়া। চাহ একাপ খাওঁ খাওঁ লাগিছিলেই।'

মহৰী বণ্ডায়ে ঘৰতে ভাত খাই আহে। মিস্ত্ৰি-যোগালিয়ে যি সময়ত ভাত খায়, সেই সময়ত তেওঁ গাখীৰ সৰহকৈ দি একাপ কৰা চাহ খায়।

আচলতে এই চাহ কাপৰ তেওঁৰ মূঠেও প্ৰয়োজন নাই। বহুত কাপ চাহ খোৱাৰ ভজৰজীয়া, উত্তেজিত দেহ তেওঁৰ। কিন্তু নিজেই নিজক সহজ কৰিবৰ বাবে এনেয়ে

কম্বাবাব কঁইছে তেওঁ।

যথেষ্ট পৰমাইকে চাহৰ কাপত হাত দিলে তেওঁ।

ইতিমধ্যে ঠাণ্ডা হৈ ওপৰত ভাঁচ চালিবৰ চাহকাপ দুটা পোহাতে দিলি অভ্যাসবশতঃ 'ইণ্ডিয়ান এক্সপ্ৰেছ' বাতৰি কাকতখন লুকিয়াইলে। কৰৰ ৰুকন আখৰ বেইটাত এনেয়ে চকু ফুৰাই সোনাই গ'ল জীৱন বাঁকবত, বিগত জীৱন বাঁকত।

চাৰ্টিফিকেট অনুসৰি তেওঁৰ বয়স এতিয়া সাতচল্লিছ। অৰ্থ [illegible] [illegible] উনপঞ্চাছ। এই উনপঞ্চাছ বছৰীয়া জীৱনত সোতৰ বছৰ যাবন গৰাকী [illegible] [illegible]। যৌবনৰ বহু ফাগুন, বহু শাওন নিৰাপদে পাৰ হৈছে। কেতিয়াবা আতো [illegible]-[illegible] একাকাৰ হৈছে। অথচ কাৰো জীৱন তেওঁৰ বাবে সৰ্বনাশ হোৱা নাছিল।

উপযুক্ত বয়সতে বৈবাহিক জীৱনত প্ৰৱেশ কৰিছে তেওঁ। তেওঁৰ জীৱনত প্ৰেমো সফল। তেওঁৰ মতে প্ৰেম মানে কেৱল শাৰীৰিক সৌন্দৰ্য নহয়, যদিহে নাথাকে মানসিক সৌন্দৰ্যৰ পোহৰ।

গুৱাহাটী বিশ্ববিদ্যালয়ত এম-এছ-চি পঢ়ি থাকোতেই তেওঁতকৈ এক বেচ্ পাছৰ কণ্ঠশিল্পী নিভা বুঢ়াগোহাঁইক ভাল পাই পেলাইছিল তেওঁ। নিভাৰ কণ্ঠ তেওঁৰ বাবে অদ্বিতীয়। বিশ্ববিদ্যালয় ক্ৰিড়া সপ্তাহত শ্ৰেষ্ঠ কণ্ঠশিল্পী বঁটা পাইছিল তাই। কণ্ঠ তাইৰ সাধনা। ওঁঠ লিপ্‌ষ্টিকেৰে ধন্য নহয়, খলী-বমা প্ৰদৰ্শনেৰে দেহ ধন্য নহয়। স্বাভাৱিক সৌন্দৰ্যৰে তাই ধন্যা, অনন্যা। কণ্ঠৰ লগত মিল আছে তাইৰ মন, শৰীৰ, সাজ-সজ্জা। সেই অনন্যাকে বিয়া পাতিম বুলি সিদ্ধান্ত কৰি পেলাইছিল তেওঁ। আনকি দুবাৰমান তেওঁৰ সৈতে ঘৰলৈকো আহিছিল তাই।

শিক্ষা তাকৰ হ'লেও তেওঁৰ দেউতাক বুদ্ধিদীপ্ত পুৰুষ। দেউতাকে কিবা এটা গোন্ধ পাইছিল হবলা। সীমান্ত বজাৰ কৰিবলৈ যোৱাৰ চেগতে নিভাক ওচৰতে বহুৱাই মৰমেৰে কৈছিল তেওঁ — 'হে'বা আমাৰ সীমান্তৰ কাৰণে ছোৱালী এজনী চাবাহে। মনটো তোমাৰ লেখীয়া হলেই হ'ব। শিক্ষা তোমাতকৈ তাকৰ হ'লেও আপত্তি নাই। কিন্তু বৰ্ণটো আমাৰ হ'ব লাগিব।' এইখিনিতে তেওঁ পাতল হাঁহি এটা মাৰি তাৰ পাছত ক'লে — 'মই অৱশ্যে জাত-পাত নামানো। গুণহে মানো। বুইছা গান্ধীক মই ভাল পাওঁ। কিন্তু আমাৰ সমাজৰ মানুহে গান্ধীৰ খোলাটোহে ভাল পায়। খোলাটোৰ মাজত থকা বস্তুবিলাকৰ মোলো নুবুজে। বুজিলেও সেইবোৰৰ নাম মুখত নলয়। যি কি নহওক ভাল হওক বেয়া হওক মানুহক এখন সমাজ লাগে, হাঁহিবলৈ, বিহুৰে সংক্ৰান্তিয়ে আনন্দ কৰিবলৈ। মানুহে অকলে কান্দিব পাৰে, হাঁহিব নোৱাৰে। মোৰ একমাত্ৰ পুত্ৰ সন্তানটোৰ মই হাঁহি বিচাৰোঁ। বিহুৰে-সংক্ৰান্তিয়ে ঘৰ বুলি সি এই সমাজলৈকে আহিব লাগিব। ইহঁতৰ লগতে হাঁহি-মাতি বিহু বুলি এসাজ খাব লাগিব। সেই গুণেহে মোক বৰ্ণটো দৰকাৰ। ধৰি ললো সি ইয়ালৈ নাহিলেও চলি যাব। [illegible] [illegible] মোৰ কি গতি

হ'ব' — এইখিনিতে তেওঁৰ চকুহাল সেমেক ভাঙল। — 'এই বুঢ়া বয়সত মোৰ এখনীয়া হ'বলৈ অথবা উদ্ধাবণী দিবলৈ মন নাইহে। তাক তুমি বুজাবাচোন। মোৰ কথা সি নুশুনে।'

কথাবোৰ শুনি তাইবো চকু সেমেকি উঠিল। অতদিন গানৰ লগত, ইংৰাজী বিষয়ত, শ্যেলী, কীট্‌চৰ মাজত ডুবি থাকোতে সমাজৰ এই কথাবোৰ পাহৰি পেলাইছিল তাই। তাই সিদ্ধান্ত ললে এই সকল মানুহজনক কষ্ট দি তাই সীমান্তৰ লগত বিয়া নহয়।

এই কথাখিনি তাই সীমান্তক কৈছিল — যেতিয়া সি কৰ্ট মেৰেজৰ বাবে তাইক জোৰ কৰিছিল। তাই স্পষ্ট ভাষাৰে উত্তৰ দিছিল — 'মই কোনোমতে তোমাৰ লগত বিয়া হ'ব নোৱাৰো। অবশ্যে দেউতাই আশা কৰা মতে তোমাৰ বাবে ছোৱালী এজনী চাব পাৰোঁ।'

প্ৰথমে তেওঁ নাৰাজ হৈছিল যদিও পাচলৈ সহজ হৈছিল। শীতল মগজুৰে তেওঁ চিন্তা কৰি পাৰেঁ — এবছৰৰ আগতে মাত্ৰ মাৰ মৃত্যু হৈছে। সেই শোকেই দেউতাৰ হৃদয়ৰ পৰা আতৰা নাই। এতিয়া আকৌ আন এটা শোক দিয়াটো উচিত হ'বনে?

যি কি নহওক নিভাই সীমান্তৰ বাবে সঁচাকৈয়ে উপযুক্ত ছোৱালী এজনী বিচাৰি পালে। নাম নীলিমা। নীলিমা শৰ্মা। নিভাৰ জুনীয়েকৰ ক্লাচফ্ৰেণ্ড। বি. এচ. চি পাছ কৰি বৰ্তমান ঘৰত। বিজ্ঞানৰ ছোৱালীজনীৰ কলাত্মক মন এটা আছে।

সীমান্তক ছোৱালীজনীৰ লগত চিনাকি কৰি দিয়াৰ পাছত আৰম্ভ হৈ গ'ল বন্দনা — বেচ স্মাৰ্ট ছোৱালী, তৰ্ক; ৰচনা আদি প্ৰতিযোগিতাত প্ৰায়ে ফাষ্ট, নতুনকৈ ওলোৱা উচ্চমানদণ্ডৰ উপন্যাস, কবিতা সংকলনৰ নাম খপহ্‌কৈ কৈ দিব পাৰে, তাইৰ পঢ়ি কিয় ভাল লাগিল কৈ দিব পাৰে।

নীলি আৰু নিভাৰ ঘৰৰ দূৰত্ব প্ৰায় তিনি কিলোমিটাৰ। অৱলীলাক্ৰমে সীমান্ত নীলিৰ ঘৰত সোমাইহে নিভাৰ ঘৰলৈ যোৱা হ'ল। অৱশ্যে সীমান্তৰ কন্দৰ্প কুমাৰ হেন চেহেৰাই, নীলিৰ সহজ আচৰণে নীলিকেই নহয় দেউতাককো মুগ্ধ কৰিলে। তেওঁলোকৰ ভালপোৱা বাঢ়ি গৈছিল ঠিক এই বহাগৰ দুপৰীয়াটোৰ দৰেই ক্ৰমে কুহমীয়া, দঁহেজিয়া আৰু শেষত দগ্‌মগীয়া।

এম. এচ. চি পাছ কৰি লক্ষীমপুৰ কলেজত সোমোৱাৰ চাৰি বছৰৰ পাছতে তেওঁ বিয়া পাতিলে। বৰ উলহ-মালহেৰে হৈছিল সেই বিয়া।

বিয়াৰ পাছত ইন্‌পেক্টৰ জীৱনৰ আগলৈকে তেওঁ নিভাক দেখা নাছিল। পৰীক্ষাৰ দায়িত্বত থকা-বাবে তাইৰ বিয়ালৈকো যাব নোৱাৰিলে।

নীলি অৱশ্যে গ'ল। তাই ইমান অকৃতজ্ঞ হ'ব নোৱাৰে। কাৰণ নিভা বাইদেউৰ কাৰণেইতো সুখলো হৈছে। বিয়াৰ পৰা আহি নীলিয়ে তেওঁক কলেহি, নিভা বাইদেউৰ স্বামীদেউ ধুবুৰী চিভিল হস্পিতেলৰ ডাক্তৰ। দেখাই-শুনাই আপোনাৰ সৈতে ফকাই-

ভাই বুলি ক'ব।-

কতেকৰ কাৰণে হ'লেও তেওঁ বুকুখন বিবোৱ যেন লাগিছিল।

এবাৰ নীলিক লগত লৈয়ে শহুৰৰ ঘৰলৈ গৈছিল তেওঁ। নিভাহীন ঘৰখনলৈ যাব ইচ্ছা নকৰি নীলিক পঠালে তেওঁ। নীলিয়ে আহি কলেহি, জানা। নিভা বাইদেউৰ ভিন্‌দেউ খুউব বেয়া হেনো। ধুবুৰী কলেজত নিভা বাইদেৱে চাকৰি এটা পাইছিল। কিন্তু কৰিবলৈ নিদিলে। কোনো সঙ্গীত-সন্ধিয়ালৈ এতিয়া তাই যাব নোৱাৰে। একেবাৰে হাউচ-ওৱাইফ। কিমান যে প্ৰতিভা আছিল বাইদেউৰ।

তেতিয়া তেওঁ নিশব্দে গুজৰিছিল — তালৈকে এম. এ. হ'ব লাগে। কি প্ৰয়োজন আছে সেই শিক্ষাৰ? নিজেই নিজক সুৰক্ষা দিব নোৱাৰা ডিগ্ৰী ডাল দলিয়াই দিলেই হ'ল।

আকৌ দুবছৰ মানৰ পাছত নীলিয়ে ঘৰৰ পৰা আহি তেওঁক কলে — 'জানা! নিভা বাইদেৱে ডিভোৰ্চ কৰিলে। এতিয়া তেজপুৰ ষ্টেট বেংকত সৰু চাকৰি এটাও পাইছে। তাতে থাকে।'

মুহূৰ্ততে তেওঁৰ মূৰৰ ওপৰৰ বোজা এটা কোনোবাই লৈ যোৱা যেন লাগি গ'ল। হওঁক তেওঁ। সুন্দৰ মনৰ ছোৱালীজনীয়ে নিজকে অসুন্দৰৰ পৰা বচাব পাৰিলে।

তেজপুৰৰ ইন্‌পেক্টৰ জীৱনত তেওঁ আকৌ নিভাক লগ পালে। ক'ব নোৱাৰাকৈয়ে মনটো আকৌ গুছি গল বিশ্ববিদ্যালয়ৰ প্ৰথম নিভাজনীৰ ওচৰলৈ। আকৌ আকৰ্ষণ, আকৌ ভাল লগা। ভিতৰৰ বিবেকী মানুহটোৱে ক'লে — অসম্ভৱ! অসম্ভৱ! তোমাৰ পত্নী আছে, পত্নীৰ প্ৰতি পূৰ্ণ প্ৰেম আছে, কৰ্তব্য আছে।

নিজস্ব সত্তাৰে মহিমামণ্ডিত নীলি স্বামী পদমৰ্যাদাৰে গৰ্বিত হৈ পাছে পাছে নগ'ল। ঘৰতে থাকি গ'ল শহুৰৰ লগত, সমন্ধীয় দেওৰৰ লগত। পাছলৈ মায়া আৰু অমৃতৰ লগত। ব্যস্ততা বিচাৰি ললে। নিজৰ যোগ্যতা প্ৰয়োগ কৰাৰ ব্যস্ততা। শহুৰৰ উদ্যোগত নীলি কমলপুৰ হাইস্কুলৰ 'মাষ্টৰণী' হ'ল। 'মাষ্টৰণী' হ'ল অংকৰ। তেওঁৰ প্ৰিয় বিষয় অংক।

সৰুৰে পৰা চহৰৰ কোলাহলত ডাঙৰ হোৱা নীলিৰ গাওঁহে পচন্দ। প্ৰদুষণ নাই, মানুহৰ ভীৰ নাই, অযথা চিএৰ-বাখৰ নাই, অনুক্ষণে গাড়ীৰ হোহোৱনি নাই।

'মাষ্টৰণী' হোৱাৰ আগতেই নীলি এক কন্যা সন্তানৰ মাতৃ। তেতিয়া দ্বিতীয়টো সন্তান জন্ম দিবলৈ আগবাঢ়িছে তেওঁ।

বোৱাৰীক লৈ শহুৰৰ গৰ্বৰ, প্ৰশংসাৰ অন্ত নাই। মোৰ লেখীয়া বোৱাৰী কেইজনে পাইছে? বোৱাৰীয়ে মেট্ৰিক দিয়া ল'ৰা-ছোৱালীক অংক পঢ়ায়। বোৱাৰী অমুকটো .... বোৱাৰী তমুকটো ....।

আনকি আজি এবাৰ মাহৰ আগতে অতীত হোৱা দেউতাই অন্তিম সময়তো তাইৰ

হাতৰ গাখীৰ চামোচ খায়েই 'ঘটক' কৰিলে।

এইযে তেওঁৰ দ্বিতীয় সন্তানটো যিটো জন্ম দিবৰ বাবে নীলি তেজপুৰলৈ গৈছিল, নাৰ্চিংহ'মত আছিল, জন্মৰ আগতেই সেইটো মৃত বুলি ঘোষণা কৰাত নীলিৰ সমানেই কান্দিছিল নিভাই। তদুপৰি তাই হাত মেলিলেই পোৱা নিভা বাইদেৱে নিতৌ খবৰ লৈছিল তাইৰ। তেওঁৰ আকৌ খেলি-মেলি লাগি গ'ল — নিভাই নীলি নে নীলিয়েই নিভা? দুয়োজনী একেজনী মানুহেই নে দুয়োজনী বেলেগ বেলেগ মানুহ। এই ভাবটোৱে এটা অসম্ভৱক সম্ভৱ কৰি পেলালে — তেওঁ পত্নীব্ৰতা হৈয়ো 'প্ৰেমিক' হ'ল।

তেতিয়া? তেতিয়া তেওঁৰ মনলৈ কিভাব আহিছিল বাৰু?

প্ৰশ্নটোত উত্তৰ পাবলৈ তেওঁ চকুহাল মুদি দিলে। বাওঁ হাতেৰে নাকৰ পাহি দুটা মোহাৰি দিলে। পাই গ'ল। ভাবটো তেওঁ পাই গ'ল।

লগে লগে চকুহাল খোল খালে।

তেতিয়া তেওঁৰ মনলৈ আহিছিল সেইকেইটা বাক্য বিশ্ববিদ্যালয় এবা মুহূৰ্তৰ বাক্য। যি মুহূৰ্তত তেওঁ নিভাক কৰ্ট মেৰেজৰ বাবে জোৰ কৰিছিল সেই মুহূৰ্তত তাই তেওঁক পৰাস্ত কৰা বাক্য — প্ৰেম মানে দুটা প্ৰাণী একেখন চালিৰ তলত থকা নহয়, প্ৰেম মানে এজনৰ ইচ্ছা-আকাংক্ষাক আনজনে হাতৰ মুঠিত ৰখা নহয়, প্ৰেম মানে কাৰোবাক নিসঙ্গ কৰা নহয়, অন্ততঃ এতিয়া মই কেৱল তোমাকেই ভাল পোৱা নাই। ভাল পাইছো তোমাৰ দেউতাৰাক। তোমাৰ দেউতা কি মোৰ দেউতা নহয়? তুমি বা মই দেউতাই (বেয়া পোৱা) নিবিচৰা কামটো কৰিব পাৰিম? ক্ষমা কৰিবা। তুমি যদি মানুহ, তোমাৰ হৃদয় যদি প্ৰেমৰ পথাৰ, তুমি পত্নীব্ৰতা হৈয়ো প্ৰেমিক হব পাৰা...........

নিভাৰ কাৰণে নীলি যিমান উচ্ছাসিত সিমান উচ্ছাসিত আনৰ বাবে হোৱা তেওঁ দেখা নাই। অমুকটো নিভা, তমুকটো নিভা.......... এইবাৰ অকলে নাহিবা, নিভা বাইদেউকো লৈ আহিবা............ ইত্যাদি।

অৱশেষত নীলি আৰু তেওঁৰ উদ্যোগত নিভাৰ বিয়াল্লিছ বছৰ বয়সত তাইৰো এখন ঘৰ হ'ল। তেজপুৰত। পুলিচ অফিচাৰ বকুল গগৈৰ লগত। নিভাৰ কণ্ঠ আৰু বকুলৰ সুবাসেৰে ধন্য হ'ল তেজপুৰ চহৰৰ তিনি নম্বৰ বাৰ্ডত এটা ঘৰ।

'হৰ, হৰ' শব্দত ভট্টাচাৰ্যই পুনৰ ব্যস্ত পথাৰখনলৈ চালে লেবাৰে ট্ৰাকৰ পৰা শিল বগৰাইছে। ট্ৰাকৰ আগৰ চিটৰ পৰা মানুহ এজন নামিছে। মানুহজন তেওঁৰ ফালে আহিছে। ওচৰ পাই মানুহজনে সৰু বহী এখন তেওঁলৈ আগবঢ়াই দিছে। বহীখন চাই তেওঁ তাত চহী কৰি দিছে। পুনৰ বহীখন লৈ মানুহজন গুচি গৈছে। কোনো শব্দৰ প্ৰয়োজন নোহোৱাকৈ কামখিনি হৈ গৈছে।

আচলতে এইবোৰ তেওঁৰ কাম নহয় — বিকাশৰ। তেওঁ এনেদৰে ঘণ্টাৰ পাছত ঘণ্টা বহি থকা বা কাম চোৱাৰ কোনো দৰকাৰ নাই। দুদিন এদিনৰ মূৰে মূৰে আহি

কাম কিমান আগবাঢ়িছে চালেই হ'ল, কি ক'ত খৰচ হৈছে বহীখন চালেহ হ'ল। কিন্তু আজি তিনিদিন ধৰি দিনটোৰ সবহখিনি সময় ইয়াতেই পাৰ কৰি দিছে তেওঁ। তেওঁ যেন বাতিটোও ইয়াতেই থাকিব। (কিন্তু বেয়া আঁখি বাবে বাতি থকাটো কৰা নাই) 'ছাৰ আছে যেতিয়া মই নাথাকিলেও হ'ব' বুলি বিকাশ আঁতৰি গৈছে। যি কি নহওক এই ব্যস্ততাই তেওঁক যেন কিছু স্বস্তি দিছে।

সমুখৰ বাতৰি কাকতখনৰ পৃষ্ঠাটো এনেয়ে লুটিয়াই তেওঁ আকৌ সোমাই গ'ল জীৱন বীক্ষাত, আত্মবিশ্লেষণত।

এই উনপঞ্চাছ বছৰীয়া মানুহটোৰ এনে সৰ্বনশীয়া নৈতিক স্খলন ক্ষমাৰ যোগ্যনে? অৱশ্যে তেওঁৰ মন প্ৰাচীন নৈতিকতাত বন্দী নহয়। বন্দী বিবেকত, জ্ঞানত। তেওঁৰ তেজপুৰীয়া জীৱনত নিঃসঙ্গ নিভাই মাত্ৰ দুটা দিন তেওঁৰ সংগ আশা কৰিছিল। সেই সংগদানত তেওঁৰ বিবেক আছিল, প্ৰয়োজনীয় যৌন জ্ঞান আছিল। তাত নাছিল সৰ্বনাশৰ কথা। আছিল চন্দনৰ কথা, হৃদয়ৰ কথা।

সেই কেইটা বছৰত চাকৰিৰ আশাৰে কিমান যে ৰাজকন্যাই, সাধু কথাৰ পৰীয়ে তেওঁৰ ওচৰত উকমুকাইছিল, নিঃসংকোচে দেহৰ খলাবমা প্ৰদৰ্শন কৰিছিল তাত লেখ তেওঁ কৰা নাই। লেখ কৰা নাই সিহঁতৰ মুখত ফুটি উঠা ভাব 'মই তোমাৰ প্ৰেমত পুৰাপুৰি মজি গৈছোঁ। তোমাৰ ইচ্ছা হ'লে............?' সেইবোৰ দশা তেওঁৰ বাবে আছিল এখন ট্ৰেজেদী নাটকৰ নায়িকাৰ দৃশ্য। এনে দৃশ্যই তেওঁৰ দেহত শিহৰণ তুলিব নোৱাৰে। তুলিব পাৰে কৰুণা। অপাৰ কৰুণা।

পৰিশীলিত ভাষাৰ মানুহ তেওঁ। কৰুণা উদ্ৰেক হৃদয়েৰে চাকৰি দিব নোৱাৰাৰ অসমৰ্থতা জনাই দি সোনকালে বিদায় দিয়ে এই ট্ৰেজেদীৰ নায়িকাক।

কিন্তু? কিন্তু আজি অতদিনৰ গজদন্ত মিনাৰ হে সততাক! নীলিৰ অটল বিশ্বাসযোগ্যতাক এটা নিশাতে ভূ-লুণ্ঠিত কৰি পেলালে তেওঁ। পাৰিবনে? পাৰিবনে তেওঁ জীয়াই থাকিব এইখিনি কথা পত্নীয়ে জনাৰ পাছত। তেওঁ জানে তেওঁৰ পত্নীৰ মন প্ৰাচীন সংস্কাৰেৰে আচন্ন নহয়। মায়া নহৈ আন কোনোবা হোৱা হলে হয়তো .... কিন্তু জী তুল্য ছোৱালীৰ লগত .... ছিঃ ছিঃ ছিঃ নিজলৈকে নিজৰ চৰম ঘৃণা উপজিল তেওঁৰ।

উস্ তেওঁ যেন নিজেই শুই থাকিবৰ বাবে এইয়া ক্ৰমশ গাত এটা খান্দি খান্দি গৈ আছে। দীঘলীয়া দ গাঁত।

'উস্' নিশব্দ চিৎকাৰেৰে তেওঁ বহাৰ পৰা উঠিল। হাত দুখন পাছফালে কৰি, বাওঁহাতখনেৰে সোঁহাতৰ আঙুলিবোৰ খামুচি ধৰি লাহে লাহে গৈ থাকিল আৰু কাম কৰি থকা মানুহখিনিৰ ওচৰ পালেগৈ তেওঁ। তেওঁৰ নিচেই কাষতে থকা মচলা মিহলোৱা মেচিনটো তেতিয়া নিজস্ব গতিৰে ঘৰ্ঘৰকৈ ঘুৰি আছে।

অৱশেষত অমৃতৰ সকলো যুক্তি তল পেলাই মায়াৰ মাক ফুলেশ্বৰীৰ চকুপানীৰ জয়জয়কাৰ ঘোষিত হ'ল।

চাকৰিত জইন কৰিয়েই সি মায়াৰ মাক বাপেকৰ অৰ্থাৎ তাৰ শহুৰেকৰ ওচৰলৈ গৈছিল — সেই সু-সংবাদটো দিবলৈ।

অমোঘ সংবাদটো পাই আনন্দত গোবিন্দৰ, ফুলেশ্বৰীৰ চৌ চৌ কৈ চকুৰ পানী বৈ আহিছিল। আনন্দৰ চকুপানী।

ভাবী জোঁৱাইক হেপাহেৰে খুৱাই বুৱাই গোবিন্দই আচল কথাষাৰ উলিয়ালে। ওচৰতে পিৰা এখন পাৰি বহিল ফুলেশ্বৰী।

বিয়াৰ সম্পৰ্কত অমৃতে শেষ কথাখিনি কৈ পেলালে। — 'মই মায়াক বিয়া পাতিম বুলি কথা দিব পাৰোঁ। কিন্তু এই বহাগতেই পাতিম বুলি কোনো মতেই ক'ব নোৱাৰোঁ।'

ওচৰতে বহি থকা ফুলেশ্বৰীৰ চকু হঠাৎ চলচলীয়া। চলচলীয়া চকুৰে তাই ক'লে 'তুমি তেনেকৈ ক'লে বৰ দুখ পাম। আমাৰ গাঁৱৰ তাইতকৈ সৰু ছোৱালী দুই-তিনিটাৰ মাক হ'ল। গাঁৱৰ মানুহে আমাক কি বুলি কয় জানা .... চাদৰৰ আচলেৰে চকুহাল মুচি ললে তাই .... নীলি বাইদেৱে হেনো তাইৰ বনকৰা খাবলৈ পাই বিয়াৰ কথা নভবা হ'ল। ছোৱালী বুলিলে কুৰিতে বুৰী। এতিয়া তাইৰ একুৰি পাৰ হ'ল। গতিকে বহাগতে ....। আমাক একো নালাগে সেন্দুৰৰ টেমা এটা আৰু কাপোৰ এযোৰেই জোৰোণ হ'ব।'

'মই বিয়া............ তেনেহ'লে বহাগতেই পাতিব লাগিব। হ'ব। কিন্তু বিয়া মানে বিয়া আৰু —। মাত্ৰ হোমৰ অনুষ্ঠানটোহে হ'ব।'

অমৃতৰ ইচ্ছা অনুসৰি বিয়া একেবাৰে অনুষ্টুপীয়াকৈ হ'ল। কথা হ'ল — সি চাকৰিটো পোৱা মাত্ৰ ডেৰমাহ হৈছে। তাৰ ধাৰণা চাকৰিত নিশ্চয় ছাৰে টকা খৰচ কৰিছে। নহ'লে............? সেইবোৰ সি একো নাজানিলেও অনুমান কৰি পেলাইছে। গতিকে এতিয়া আকৌ অনাহুতভাবে পাতিব লগা বিয়াখনত তেওঁলোকে খৰচ কৰিলে অন্ততঃ সি সাংঘাটিক অসুখী হ'ব। তাৰ মনৰ অৱস্থাটো সি নীলি বাইদেউক বুজাই দিলে।

বিয়াৰ নামত কেৱল হোমৰ জুই জ্বলিল।

ৰতাহে ঘিউৰ গোন্ধ বহু দূৰলৈকে বিয়পাই দিলে। বিয়া বুলিলে ইয়াতকৈনো আৰু লাগে কি? জ্বলি থকা জুইত ঘিউ ঢালি ঢালি অমৃতে উচ্চাৰণ কৰিলে — 'তব হৃদয়ং মম মম হৃদয়ং তব'........... ইত্যাদি।

আগৰ কথাও বেলেগ এতিয়াৰ কথাও বেলেগ, বিয়াৰ পাছত সি থাকিবৰ বাবে লক্ষীমপুৰ মিলন নগৰৰ তিনিটা কোঠাৰ এটা সৰু ঘৰ বন্দবস্ত কৰি ললে।

মালিকেই মানুহ লগাই ঘৰটোৰ মকৰাজাল গুচাই চাফা কৰি চুণ-কাম কৰি দিছিল। ঘৰটোৰ বাহিৰ ভিতৰত নতুন হৈ পৰিছিল।

মায়াই লগত অনা চক্‌চকীয়া কাঠৰ বস্তুৰে তুলি ধৰিলে প্ৰতিটো কোঠা। নতুন ঘৰত, নতুন সংসাৰত ভৰি থৈ অমৃতে অনুভৱ কৰে........... নাই নাই। তাৰ বিগত দিনৰ পুতৌজনক কোনো স্মৃতি এই ঘৰত প্ৰবেশ নকৰে। যাওক। স্মৃতিবোৰ পাহৰণিৰ পলসত পোট খাই যাওক।

সেই পুতিথোৱা স্মৃতিবোৰ উজাৰ খাই আহিছিল সেইদিনা যিদিনা তাৰ দেউতাক তাৰ ঘৰত প্ৰবেশ কৰিছিল।

তাৰ বিয়াৰ পোন্ধৰ দিনমানৰ পাছতেই তাৰ দেউতাক আহি ওলাইছিল। আত্মধিক্কাৰত জৰ্জৰিত মানুহজনে হুক্ হুক্‌কৈ কান্দি পেলাইছিল তাৰ ঘৰৰ মজিয়াত।

অৱশেষত দেউতাকৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি সিহঁত দেউতাকৰ লগতে ঘৰলৈ গ'ল। যথানিয়মে শাহুৱে বোৱাৰীক আদৰিলে, বোৱাৰীয়েও শাহুক মান ধৰিলে।

চাকৰীৰ দাবীত মাত্ৰ এটা ৰাতি থাকিয়েই সিহঁত ঘূৰিল।

যি কি নহওক এই যাত্ৰাই তাৰ জীৱনতো আৰু এক পূৰ্ণতা কঢ়িয়াই আনিলে। পিতৃ প্ৰাপ্তিৰ পূৰ্ণতা। মায়াই আদৰ পোৱাৰ পূৰ্ণতা। শাহু-শহুৰ পোৱাৰ পূৰ্ণতা।

এতিয়া সি সুখী। খুচী হৈ যাব পৰাকৈ সুখী। ঘৰত থকা সময়কণত তাৰ চকুৱে মুখে অনৱৰত এটা হাঁহি লাগি থাকে। সি ক'ৰ নোৱাৰাকৈয়ে গুণগুণাই থাকে "পৰদেশী-পৰদেশী..........." তাৰ ভাল লগা গানৰ কলিটো।

সেই গানৰ কলিটো মায়াৰ কানত পৰিলে তাইৰ বুকুখন চিৰিং কৰি উঠে। এই গানটো সি আগতেও মাজে মাজে টানি থাকে। কেতিয়াবা দিনটোত কেইবাবাৰো। সঘনে এই গানৰ কলিটো টানি থকা বাবে নীলি বাইদেৱে তাক "পৰদেশী" বুলি নামেই দি পেলালে। — এতিয়া এইখন ঘৰতো সেই গানৰ কলি —।

এইখন ঘৰ সিহঁতৰ নতুন ঘৰ, সিহঁতৰ প্ৰেমৰ ঘৰ। এইখনত ঘৰত থকা অসুবিধাবোৰ সি যথাসম্ভৱ সুবিধা কৰি পেলাইছে। লেট্ৰিন-বাথৰুম ঘৰৰ গাতে লগা নহয়। পাছফালৰ দুৱাৰ মুখৰ পৰা দহখোজমান দূৰৈত। বৰষুণ দিলে থিজিৰ লগা হয়।

অমৃতে দহাই দহাই কয় — 'বৰষুণ দিলে চাটটোকে লৈ যাবাচোন। বৰষুণত নিতিতিবা।'

'এইকণৰ কাৰণেই ছাটিটো মেলিমনে' বুলি বাওঁহাতৰ ঠাৰিত গা ধুই পিন্ধিব লগা কাপোৰ সাজ লৈ তাই খৰখোজে যায় বাথৰুমলৈ। গা ধুই মুৰত গামোচাখনকে চাটি কৰি পুনৰ খৰখোজে তাই পাকঘৰত সোমায়। এই কথাটো লক্ষ্য কৰি সি পাছফালৰ দুৱাৰমুখৰ পৰা বাথৰুমলৈ দীঘলকৈ বাঁহ দুচটা বান্ধি ওপৰত পলিথিন এখন পাৰি দিছে, তাই যাতে বৰষুণত তিতিব লগা নহয়। 'দৰমহা পোৱালৈকে এইকেইদিন এনেকৈয়ে চলি থাওঁক। দৰমহা পালেই টিংপাত তিনিচলা আনি দীঘলীয়াকৈ বান্দি দিলেই হ'ব।'

পানীৰ ব্যৱস্থাটোও অলপ আহুকলীয়া। তাৰ বাবে নহয়, মায়াৰ বাবেহে। অতদিন ভট্টাচাৰ্যৰ ঘৰত টেপ খুলিয়েই পানী পোৱা ছোৱালী। এতিয়া ঘটং ঘটংকৈ দমকল মাৰিবলৈ দিবলৈ বেয়া লাগে তাৰ। তাতে পুৰাভাগত তাৰ কামনো কিটো? বন্ধা-বঢ়া, ঘৰ চাফা কৰা এইবোৰ সকলো মায়াই কৰে। সি পুৱা ভাগতে দিনটোৰ প্ৰয়োজনীয় পানীখিনি গা ধোৱা ঘৰে, পাকঘৰে জমা কৰি যায়। নিৰ্মল ফট্‌ফটীয়া পানী।

টিউবৱেলৰ পাৰৰ ঠাইকণো সুবিধাজনক নহয়। পানীবোৰ এফালে বাগৰি যাবৰ বাবে লোৰ নাই বাবে যেনি-তেনে বাগৰি যোৱা পানীয়ে পাৰটো বোকা কৰি পেলাইছে। সি মালিকৰ ঘৰৰ পৰাই বালি-মিহলি শিল চাৰি বাল্টি আনি টিউবৱেলৰ পাৰত দি দিছে। তাৰ পাছত পানীখিনি বাগৰি যাবলৈ এটা দিশত লোৰ এটা কাটি দিছে। কাপোৰ কানি ধুবৰ বাবে মালিকৰ ঘৰৰ পৰাই পকা পাট এচলা মালিকৰ ঘৰৰ কাম্‌লাটোৰ সৈতে হেপো-টোপোকৈ ধৰি আনি টিউবৱেলৰ ওচৰতে বহুৱাই দিছে। সেই চলাতে মায়াই বাচন ধোৱে, কাপোৰ ধোৱে, গেওৰা ঘঁহে।

ভাৰাঘৰ হ'লেও এতিয়া এইটো তাৰ নিজৰ ঘৰ।

বাতি দিয়া হৰ হৰ বৰষুণ জাক তাৰ বৰ ভাল লাগে। বৰষুণৰ কোমল কোমল ধ্বনিবোৰত সি নুপুৰ নিক্কনৰ ধ্বনি শুনে। নুপুৰ নিক্কনৰ ধ্বনিবোৰ থুপুক থাপাক শিশুৰ ভৰিত বান্ধ খাই পৰে। নিৰ্দিষ্ট বিন্যাসত ধ্বনি তুলি তুলি শিশুটো ইফালৰ পৰা সিফাললৈ দৌৰি ফুৰে।

মায়াজনীলৈ তাৰ অধিক মায়া উপজি যায় তেতিয়া। তাৰ অজানিতে বেজচুইচটোলৈ হাত যায়। তাৰ আঙুলিৰ টিপাত কোঠাটো পোহৰ হয়। পোহৰত তিৰ্‌বিৰ কৰে শুই থকা মায়াৰ চুলিৰ ভাজ।

তাৰ হাত বুলাই দিবলৈ মন যায় চুলিখিনিত। তাইৰ কাণ কাষ ভাঁজ লোৱা চুলি পাছফাললৈ ফণীয়াই থোৱা। খোপা বান্ধিবলৈ সুবিধা বাবে তেনেকৈ আঁচোৰে তাই। সি চুলিখিনি আউল নলগাকৈ লাহেকৈ ভাঁজে ভাঁজে তাই মূৰৰ ওপৰেৰে হাত বুলায়। চকুৰ ওপৰত পৰি থকা চুটি চুটি কেঁকোৰাকেঁকুৰি চুলিবোৰ লাহেকৈ আঁতৰাই দিয়ে।

আকৌ ৰাতিপুৱায়। তাইৰ মূৰত হাত বুলাই আকৌ অফিচলৈ যায়।

অমৃত যেতিয়া অফিচলৈ যায়, মায়া তেতিয়া অতীতলৈ যায়। এটা অৰ্বাচীন

অতীত। সেই অতীতে ধাৰণ কৰিছে এক দুখ সহ স্মৃতি, এক দুখ সহ অভিশাপ।

তাইৰ বিয়াৰ বয়স তিনিমাহ। ভিতৰৰ অভিশাপটোৰ বয়স পাঁচমাহ। অনুক্ষণে এটা উত্তেজনা বহন কৰিয়েই তাই খাইছে, হাঁহিছে, ফুৰিছে। সকলোতে ৰক্ষা কৰি চলিছে স্বাভাৱিকতা।

আনদিনা দুপৰীয়া ঘৰৰ কৰিবলগাখিনি কৰি আজৰি হৈ দুৱাৰ মাৰি তাই বিচনাত বাগৰ দিয়ে। টোপনি নগ'লেও ইলুটি সিলুটি কৰি বিচনাতে পৰি থাকে। আলোচনী, বাতৰি হাতত ললেও তাইৰ চিন্তাই ঘনে ঘনে কৰবালৈ দৌৰ মাৰে।

আজি তাই কেৱল দুৱাৰেই নহয় খিৰিকিও বন্ধ কৰি লৈ বিচনাত বাগৰ দিলে।

নাই, নাই তাই আজি ইমান অলসভাৱে পৰি থাকিব নোৱাৰে। বিচনাৰ ৰেলিঙত পখিলাটো দি তাই বহি ললে।

তাইৰ ঘৰৰ কাষেৰে পাৰ হৈ যোৱা ৰাস্তাটোত কিছুসময় আগলৈকে স্কুটাৰ, গাড়ী, ল'ৰা-ছোৱালীৰ হাঁহি আদি অনেক শব্দই ভীৰ কৰিছিল। এতিয়া ল'ৰা-ছোৱালীৰ খিল-খিলনি নাই। সেৰেঙা-সেৰেঙাকৈ আছে স্কুটাৰৰ শব্দ, ৰিক্সাৰ শব্দ, গাড়ীৰ শব্দ।

সেৰেঙা শব্দবোৰ ক্ৰমশ নোহোৱা হৈ পৰিছে। ঘৰটোলৈ নীৰৱতা নামি অহাত ৰাস্তাটোৱেও যেন সহায় কৰিছে।

নীৰৱতা যিমানেই বাঢ়িছে সিমানেই তাই অমৃতৰ অনুভূতিৰ জগতখনলৈ সোমাই গৈছে।

মাহে মাহে ঘটিব লগা এটা প্ৰক্ৰিয়া, মাইকী মানুহৰ এটা সাধাৰণ প্ৰক্ৰিয়া এইখন ঘৰত আজি তিনিমাহে ঘটা নাই। সি এবাৰো ভাবি চোৱা নাই সেই চিৰন্তন মাহেকীয়া প্ৰক্ৰিয়াটো অন্ততঃ এইখন ঘৰত এবাৰ ঘটাটো বাঞ্ছনীয় আছিল। অনুক্ষণে এক অসুভ চিন্তাত ডুবি থকা তাইহে এক অভিনয়ৰ ভঙ্গিত ক'লে — হে'ৰা মোৰ দেখোন এম্ চি হোৱা নাই! আজি পুৱা চাহ খাই থাকোতেই তাই কৈ দিলে কথাটো।

সি হাঁহি মাৰি উত্তৰ দিলে — ভালেই হৈছে দিয়া। চিধাই দেউতা বনিছোঁ চাগে। হুক দিয়া। তোমাৰে লাভ এটা হ'ব। মই নথকা সময়কণত মোৰ প্ৰতিনিধিৰ লগত তুমি খেলি থাকিব পাৰিবা। তাই অনুমান কৰিলে, তেতিয়া তাৰ মনত ছাগে এটা নোদোকা শিশুৰে হাঁহি-খিকিন্দালিৰে ইফালৰ পৰা সিফালে দৌৰি আছিল।

আজি ৰাতিপুৱা তাৰ হাঁহি থকা ওঁঠৰ ফাঁকেৰে সৰকি অহা শব্দ কেইটাই তাইক পাগল কৰি পেলাইছে। চিন্তাবোৰ বিক্ষিপ্ত হৈছে।

বিক্ষিপ্ত চিন্তাৰ মগজুৰে এইবাৰ তাই সমুখত থিয় কৰালে বৈ পৰা সেন্দুৰেৰে একাকী সদ্য বধু। কাণ কাণ ভাঁজ লোৱা চুলি পাইছে বন্ধা। চকুত আত্মধিক্কাৰ! অনেক চিৎকাৰ। নাই নাই, মানুহজনীৰ চকুত আত্মধিক্কাৰ নাই। আছে নিনাদ। আছে অনুনাদ।

মানুহজনীয়ে তাইলৈ চাই দপ্‌দপাই উঠিল —

তুমি কি যুক্তিত এইটো কোঠাত আছা? লাজ লগা নাই.......... লোকৰ ঘৰত ....? লোকৰ কোঠাত?

কোনে ক'লে? কোনে ক'লে আপোনাক? অমৃতে মোক অগ্নিক সাক্ষী কৰি, চন্দ্ৰসূৰ্য্যক সাক্ষী কৰি বিয়া পাতিছে।

হেঃ হেঃ হেঃ। 'অগ্নি' হৈ যোৱা এটা সত্যক অগ্নিয়ে ঢাকিব পাৰেনে? অগ্নি! অগ্নি! তুমি মাত্ৰ অগ্নি হৈ নিষ্পাপ জীৱন এটাক তলে তলে পুৰি গৈছা? তোমাৰ এই বিভৎসতাত মই অতিষ্ঠ। মই অতিষ্ঠ।

ক্ষমা কৰক। কথাবোৰ সৰু সৰু কৈ কওঁক। মোক যি মন যায় আপুনি তাকেই কওঁক। কিন্তু সৰুকৈ কওঁক। কথাবোৰ যাতে আনে নুশুনে।

সত্য সত্যই। ডাঙৰকৈ অথবা সৰুকৈ ক'লে — সত্যৰ বং সলনি নহয়। নিজস্ব স্থিতি আছে। নিজস্ব গতি আছে।

তাৰ নিজস্ব স্থিতি আৰু গতি থাকিলেও মই তাক আয়ত্তত ৰাখিব খোজো।

হেঃ হেঃ হেঃ। কিমান দিনলৈ? কিমান দিনলৈ তুমি তাক আয়ত্তত ৰাখিবা।

তেতিয়ালৈকে, যেতিয়ালৈকে অমৃতৰ ফালৰ পৰা কোনো প্ৰশ্ন মোৰ ফালে নাহে। তেতিয়ালৈকে মই তেওঁ বিচৰা মানুহজনীহে থাকিম। মানে অভিনয়। অনুক্ষণে চলি যাব মোৰ অভিনয়। তেওঁ অফিচৰ পৰা অহাৰ লগে লগে হাঁহিমুখে তেওঁৰ আতিথ্যত ব্যস্ত হ'ম। তেওঁ খাই ভাল-পোৱাকৈ জুটি লগাই ৰান্ধি খুৱাম। মূৰত হাত বুলাই বুলাই যি যি ক'লে তেওঁ মোক ভাল পায় সেই ধৰণে ক'ম।

তাই আঠু দুটাৰ ওপৰত হাত দুখন জাপি তাতে মূৰটো গুজি দিলে।

খন্তেক পাছতেই আকৌ চিৎকাৰ কৰি উঠিল — অসম্ভৱ। অসম্ভৱ। এইটো মানুহৰ ওচৰত অভিনয় কৰি কৰি তাই ইতিমধ্যে পাগল হৈছেই। আৰু অভিনয় কৰা মানে পূৰ্ণ পাগলী হৈ যোৱাৰ আখৰা মাত্ৰ।

নাই, নাই, আজি তাই সমস্ত অভিনয় উৰাই দিব। পাওঁক। ভিতৰৰ ভূতুনীজনীয়ে মজাপালি পাওক। ঘটি যাওঁক এটি আজব কাণ্ড। পলকতে হেৰাই যাওক তাঁইৰ ঘৰ, তাইৰ সংসাৰ। হেৰাই যাওঁক জীৱনৰ য'ত সুৰক্ষা। য'ত নিৰাপত্তা। তাই আজি গধূলিৰ আগে আগে কৈ পেলাব — মোৰ এই গৰ্ভ তোমাৰ নহয়। কাৰ? এই প্ৰশ্নৰ উত্তৰ মোৰ সৌহাতখন দুটুকুৰা কৰি পেলালেও মই ক'ব নোৱাৰিম। তাৰ পাছত যদি বেনেদৰে লিখিব লাগে লিখি জনাই থৈ যাব তাই। কি কালিলৈ এই সময়ত তাই আৰু তাই হৈ নাথাকিবও পাৰে? কালিলৈ এই সময়ত তাই পাছফালৰ বাথৰুমটোত ওলমিও থাকিব পাৰে। নালাগে থাকিব। থকাৰ অধিকাৰ নাই এই প্ৰাণীটোৰ।

পিছে অমৃতে নাথাকোতেই এখন চিঠি লিখি থোৱা যাওক। প্ৰথম চিঠিখন লিখিব

তাই ছাৰ বাইদেউলৈ।

ভবাৰ লগে লগে তাই জাপ মাৰি বিচনাৰ পৰা নামিল। অমৃতৰ কলম থোৱা ড্ৰয়াৰটো খুচৰি তাই কলম এটা উলিয়ালে। তাৰ পাছত কাগজ খিলা লৈ তাই লিখিলে

শ্ৰদ্ধেয় ছাৰ আৰু বাইদেউ,

পত্ৰে মোৰ অন্তিম সেৱা লব। মোৰ মৃত্যুৰ বাবে দায়ী কোনো নহয়। মই নিজে। আপোনালোকক আৰু অমৃতক মই ফাঁকি দিছোঁ। মোৰ গৰ্ভৰ পাঁচমহীয়া সন্তানৰ মই মা। কিন্তু ইয়াৰ বাপেক অমৃত নহয়। আপোনালোককো তাৰ পিতাক কোন ক'ব নোৱাৰিম। ক্ষমা কৰিব। ইতি—

আপোনালোকৰ অভাগিনী মায়া

চিঠিখন লিখাৰ পাছত তাইৰ মনটো হঠাতে মুক্তি মুক্তি লাগিল।

নাই নাই, তাই অমৃতক আগতীয়াকৈ একো নকয়। যি য'ত ক'ব লগা আছে লিখি কালিলৈ দুপৰীয়া গাৰুৰ তলত থৈ তাই নিৰ্বিঘ্নে সিপাৰলৈ যাব পাৰিব। তাইৰ মৃত্যুৱে যাতে অমৃতৰ ব্যক্তিত্বত বিষ ঢালিব নোৱাৰে, সেই ব্যৱস্থা কৰি যাব তাই। তাই শেষ মুহূৰ্ততো অমৃতৰ হাঁহিমুখ চাইয়েই যাব। সিয়ো শেষ মুহূৰ্তলৈকে তাইৰ হাঁহিমুখ দেখি থাকক।

ভাৰটো মনলৈ অহাৰ লগে লগে স্বাভাৱিক হাঁহি এটা ওলাই আহিল তাইৰ।

ইতিমধ্যে লিখা চিঠিখন জাপি তৰপি পঠানৰ বেৰৰ ফালে তুলিখন দাঙি থৈ তাই বাহিৰলৈ ওলাই গ'ল। আগফালে নহয় পাছফালে। মুখখন ধুই গামোচাখনেৰে মুখখন মচি তাৰ পাছত গামোচাখন কোঠাৰ ৰচীডালতে মেলি খিৰিকি দুখন খুলি দিলে তাই।

সিহঁতৰ কোঠাৰ দক্ষিণ দিশে থকা খিৰিকিখনেদি ৰাস্তাটো দেখি থাকি।

খিৰিকিৰ ৰদত ধৰি ৰাস্তালৈ চাই থাকোতেই তাই দেখিলে ভিক্ষাৰী এজনীয়ে পিঠিত কেচুৱাটো বান্ধি, মুৰত এটা টোপোলা লৈ খৰ গতিৰে ৰাস্তাটোৰে পাৰ হৈ গৈছে।

ইতিমধ্যে তাইৰ হাতেদি গালৈ বগাই অহা সুৰসুৰণিটোত হাতটোলৈ চালে। মকৰা। পেটত টোপোলা থকা মকৰা। আগতে তাই মকৰা দেখিলেই মাৰে। তাৰ দোষ, অযথা জাল পাতি পাতি ঘৰখন লেতেৰা কৰে। এতিয়া অৱশ্যে মকৰা মৰা দূৰৰে কথা হাতখনো এচাৰ মাৰি দিয়া নাই তাই। মকৰাটো নিজে নিজেই তললৈ নামি আঁতৰি গ'ল — বিদ্যুত গতিৰে। প্ৰাণৰ ভয়েৰে।

তাৰ পাছত ড্ৰেচিং আইনাখনৰ ওচৰত বহি ল'লে তাই। মুৰটো ফণীয়াই হেঁপাহেৰে কপালত ফোঁটটো লৈ বহুত সময় আইনাৰ প্ৰতিবিম্বটোলৈ চাই চাই আনমনা হৈ পৰিল।

"মায়া" শব্দটোৰ লগতে দুৱাৰত টোকৰ।

সেইয়া কোন তাই বুজা হৈ গৈছে।

তাই দুৱাৰ খুলি দিলে। তাই খুলি দিয়া দুৱাৰেৰে অমৃতে ভিতৰ সোমাল।

স্বাভাৱিক হাঁহিটিৰে তাই সুধিলে — কি হ'ল? আজিচোন সোনকালে আহিলা?

তাই লক্ষ্য কৰিলে তাৰ মুখত হাঁহি নাই। সি গহীন হৈ ক'লে — বিমলদা পিচল খাই পৰি গ'ল। পৰিল মানে এটা চাইদ পেৰেলাইচিচেই হৈ গ'ল হেনো ? বলা খবৰ এটা কৰি আহো। বৰ্তমান তেখেত হস্পিতেলত। অচেতন অৱস্থাত। চাৰি-পাঁচদিন মানেই হ'ল বোলে।

ৰবা। তুমি চাহ একাপ নোখোৱা জানো?

চাহ মই·কৰিম। তুমি ওলোৱা।

চাহ কাপ হাতত লৈ অমৃত আগফালে বহিল। উদ্দেশ্য খালি ৰিক্সা আহিলে ৰখাই দিব। চাহ খোৱাও হওক, ৰিক্সা চোৱাও হওক।

সি আশা কৰা মতেই ৰিক্সাখন আহিল। সিহঁত দুটা উঠাৰ লগে লগে ৰিক্সাৱলাই লাফ্ মাৰি উঠি বহিল। লগে লগে ৰিক্সাৰ চকা ঘূৰিল।

ৰিক্সাৰ পৰা নামি হস্পিটেলৰ বাৰান্দাত গৈ থাকোতে তাৰ বুকুখন কিবা উদাস উদাস লাগিছিল। বাৰান্দাখনেৰে কেইখোজমান গৈয়েই অমৃতে ফুকন বংশৰ কেইবাজনো যুৱকৰ সৈতে ভেটা-ভেটি হ'ল। তেওঁলোকৰ লগত তাৰ বিশেষ হলি-গলি নাথাকিলেও চিনাকি আছে। তেওঁলোকৰ পৰাই বিমল ফুকনৰ কোঠা নং জানি ললে।

অৱশেষত সিহঁত ৰোগীৰ বিশেষ কোঠাটো পালেগৈ। নিদ্ৰিত ৰোগীৰ নাকত গেছ পাইপ। কাষৰ সৰু টুলখনত বহি আছে মেঘালী। তেওঁৰ চকুৰ গুৰিত অনিদ্ৰা আৰু বেদনাৰ কোৰ্হাল।

সিহঁত দুটাক দেখাৰ লগে লগে মেঘালীৰ বেদনাসিক্ত চকুহাল পানীৰে চপ্‌চপীয়া হ'ল। কাৰো মুখত কোনো ধৰণৰ শব্দ নাই।

কিছুসময় নীৰৱতাৰ মাজত থাকি তেওঁলোক ৰোগীৰ কোঠাৰ পৰা বাৰান্দালৈ ওলাই আহিল। বাৰান্দাৰ খুটাটোত ভেঁজা দি মেঘালীয়ে ৰোগীৰ আদ্যোপান্ত বিবৰি

ক'লে একেবাৰে শেষত ক'লে — ডাক্তৰে কৈছে চেঞ্জ আহিলেই ঘৰলৈ লৈ যাব পাৰিব।

এই চাৰিদিনতে হঠাৎ দহ বছৰ বাঢ়ি যোৱা মেঘালীৰ মুখখন দেখিয়েই সি বুজিলে, তেওঁ অবিৰাম টোপনি খতি কৰিছে। সি ক'লে — আজি আৰু কালিলৈ ৰোগীৰ কাষত নিশা মই থাকিম। আপুনি নিশ্চিন্ত হৈ শুব পাৰিব। ৰোগীৰ শুশ্রূষাৰ বাবেই আপোনাক টোপনিৰ প্ৰয়োজন।

হ'ব দিয়া! মোৰ টোপনিৰ কথা চিন্তা কৰা মানুহ অন্ততঃ এইখন পৃথিৱীত আছে। অৱশ্যে অকল তোমাকে কোৱা নাই। পবিত্ৰয়ো কৈছে সেইষাৰ। নীলি বাইদেউ আহিছিল। বাইদেউৰ আকৌ নিজৰ দেহাই ঠিক নহয়। ৰাতি থাকি দিব নোৱাৰি বাইদেৱে দুখ কৰিছে। ভট্টাচাৰ্যও ঘৰত নাই। কলেজৰ কামত আজি সাতদিন ধৰি গুৱাহাটীত।

কথা পাতি থাকোতেই পবিত্ৰ আহি ওলালহি। সৰু মৰুকৈ পবিত্ৰই অমৃতৰ নতুন খা-খবৰ ললে।

ইতিমধ্যে ৰোগীৰ ওচৰলৈ ডাক্তৰ আহিলে। পাছে পাছে হাতত ট্ৰেখন লৈ নাৰ্চ।

ডাক্তৰ আৰু নাৰ্চৰ পাছে পাছে মেঘালীও ৰোগীৰ ওচৰ পালেহি।

যন্ত্ৰলৈ ডাক্তৰে ৰোগীৰ সৰ্বদেহৰ স্পন্দন পৰীক্ষা-নিৰীক্ষা কৰিছে।

হঠাৎ ৰোগীয়ে পতাৰ ভিতৰতে চকু লৰচৰ কৰিছে।

এখন মুখত কেন্দ্ৰীভূত হৈছে ডাক্তৰ, নাৰ্চ আৰু মেঘালীৰ চকু।

ক্ৰমশঃ ৰোগীয়ে চকু মেলিছে।

ডাক্তৰে সন্তোষত হাঁহি এটা মাৰি মেঘালীলৈ চাই ক'লে — আপোনাৰ স্বামী উভতি আহিছে। এতিয়া আৰু গেছ নালাগে। কালিলৈ এখেতক ঘৰলৈ নি শুশ্ৰূষা কৰিব পাৰিব। ঘৰতেই চিকিৎসা কৰা বেছি ভাল হ'ব।

মেঘালীৰ বেদনা জৰ্জৰিত চকুত কিঞ্চিত হাঁহিৰ ৰেখা।

কৰিবলগাখিনি কৰি নাৰ্চ, ডাক্তৰ গ'লগৈ।

লগে লগে কোঠালৈ সোমাই আহিল পবিত্ৰ, অমৃত আৰু মায়া।

কোঠাত ভৰি দিয়েই পবিত্ৰই ক'লে — মই আজি ৰাতিপুৱাহে খবৰ পাইছোঁ।

লগে লগে অমৃতে ক'লে — ময়ো আজিহে অফিচত গম পাইছোঁ।

অমৃত আৰু পবিত্ৰৰ আক্ষেপৰ প্ৰলেপ থকা বাক্য দুটা শ্ৰৱণ কৰি মেঘালীয়ে মনতে ক'লে — এৰা! মাখি-মৰা-কেৰেনিৰ খবৰ ইমান সোনকালে কিয় বৈ যাব? অৱশ্যে তেওঁৰ নহৈ তেওঁৰ ককায়েকৰ হোৱা হলে............ এই কথাষাৰ গিলি থৈ বাহিৰত ক'লে— হ'ব দিয়া। এইয়া আৰম্ভণিহে। আৰম্ভণিতেই তোমালোকক পাইছো বাবেই মই অন্ততঃ অলপ সকাহ পাইছোঁ।

ৰোগীয়ে অলপ আগতে মেলা চকুহাল আকৌ জপাই দিছিল। ৰোগীলৈ চাই থাকি মেঘালীয়ে ক'লে — যি কি নহওক তোমালোক বাহিৰত থাকোতেই ৰোগীয়ে চকুৰ

পতা লৰাইছে। বোধহয় চেতনা আহিছে। যদি আজি ভালকৈ চেন্স আহে তেনেহ'লে কালিলৈ ঘৰলৈ নিব পাৰিম বুলি ডাক্তৰে কৈছে। তাৰ পাছত তেওঁ অমৃতলৈ চাই ক'লে,

'আজি পবিত্ৰ থাকিব। থাকিব লগা হলে তুমি কালিলৈ থাকিবা।'

'ঠিক আছে। কালিলৈ চেকেণ্ড চেটাৰ দে। মই অফিচ টাইমতে আহিব পাৰিম।'

তাৰ পাছত সৰু-সুৰা কিবা-কিবি কথা পাতি অমৃত আৰু মায়া গ'লগৈ।

বাটত ৰিক্সাত আহি থাকোতেওঁ সিহঁত দুটা নীৰব।

সিহঁত যেতিয়া ঘৰ পালেহি তেতিয়া সন্ধিয়া লাগি ভাগিল।

নিশা ভাতৰ পাতত অমৃতক কিছু চিন্তাযুক্ত দেখা গ'ল।

মায়াই সুধি পেলালে — কি চিন্তা কৰিছা?

'এৰা! মেঘালী বাইদেউৰ বংশটোৰ কথা চিন্তা কৰিছোঁ। ফুকন বংশত অতবোৰ মানুহ। ৰোগীৰ কোঠালৈ যাওঁতে তেওঁলোকৰ বংশৰ মানুহবোৰ মন কৰিলানে নাই? ড্ৰেচে পোচাকে যেন হস্পিতেললৈ অহা নাই চিনেমা চাবলৈহে আহিছে। আনহাতে ইমান ডবল বংশটোত, বংশটোৰ মানুহজনৰ বাবে টোপনি খতি কৰিবলৈ এজনো মানুহ নাই। দেখিছা! বংশৰ অহংকাৰ!'

'এৰা! এইবোৰ মাত্ৰ মানুহক জহাবলৈহে। সেইবোৰতকৈ আমাৰবোৰ বহুত ভাল। আমাৰ দেউতাৰ নিউমোনিয়া হৈ শয্যাগত হওঁতে ৰাতি প্ৰায়ে বৰদেউতাহে থাকে। 'মাতকৈ বৰদেউতাৰ কষ্টহে বেছি হ'ল।' মায়াই ক'লে।

যি কি নহওক কথাবিলাক তাই অমৃতকে কৈছে নে নিজক কিমান দূৰ নৰ্মেল কৰি ৰাখিব পাৰিছে তাৰে পৰীক্ষা কৰিছে — তাই নিজৰে অলপ সন্দেহ হ'ল। কাৰণ হস্পিতেলত প্ৰকৃতাৰ্থত তাই একো নেদেখিলে, একো নুশুনিলে। অৱশ্যে এটা অৰ্দ্ধমৃত শৰীৰ তাই প্ৰত্যক্ষ কৰিলে।

গৰম। অসহ্য গৰম।

শোৱাৰ আধঘণ্টা মানৰ পাছত অমৃত পুনৰ উঠিল গাৰ অৱশেষ গেঞ্জীটো খুলি আকৌ শুলে। কিছু সময়ৰ পাছত তাৰ টোপনি। নিৰ্দিষ্ট বিন্যাসত অহা-যোৱা কৰা দীঘল-দীঘল শ্বাস-প্ৰশ্বাসত তাই বুজিলে — তাৰ এতিয়া গভীৰ টোপনি।

নাই নাই তাইৰ টোপনি নাই। সমগ্ৰ দেহৰ কোষে কোষে তাই অনুভৱ কৰিছে এক উত্তেজনা। জীৱন মৃত্যুৰ মাজৰ অৱশেষ উত্তেজনা। অমৃতে গেঞ্জিটো খুলি থৈ দিয়াৰ দৰে তাই মগজুৰ চিন্তাবোৰ খুলি আঁতৰাই থব বিচৰা নাই। বৰং তাই তাৰ গভীৰৰ পৰা গভীৰতম প্ৰদেশলৈ গাত অব্যাহত ৰাখিলে তাই। .... এই ৰাতিয়েই তাইৰ জীৱনত শেষ ৰাতি। এই ৰাতি যেনিবা তাইৰ টোপনি নগ'ল — তাইৰনো কি ক্ষয়-ক্ষতি ডাল হ'ব? আজি অমৃতে এক অৰ্ধমৃত শৰীৰ প্ৰত্যক্ষ কৰিছে। সাধ্য-সাধনাৰে ডাক্তৰে সেই শৰীৰটোলৈ জীৱ ঘূৰাই আনিবলৈ প্ৰয়াস কৰিছে। কালিলৈ সি এটা ওলমি থকা পূৰ্ণমৃত

শৰীৰ দেখিব। তালে জীৱ ঘূৰাই আনিবৰ বাবে অৱশেষ একো নাথাকিব।

নিশা বহুত হৈ গ'ল। লাহে লাহে তাইৰ ভাগৰুৱা চকুৰ পতা জাপ খোৱাৰ উপক্রম হৈছে। চিল্‌মিল্‌কৈ তাইৰ টোপনি গৈছে নেকি বাৰু?

মূহুৰ্ততে তাই ওপঙি গ'ল সম্ভাব্য এটা ঘটনাত।

......তাইৰ হাত দুখন ক্রমশ কঠিন হৈছে। নিমিষতে কঠিন হাত দুখনে সমগ্ৰ দেহা কঠিন কৰি পেলাইছে। কঠিন হাত দুখনে সমাপন কৰি পেলাইছে এটা জীৱন নিৰ্মাণ দুঃস্বপ্ন, এটা ঘটিব লগা পৰিকল্পিত কাণ্ড।

হঠাৎ তাই শেষ নিঃশব্দ চিৎকাৰেৰে বাথৰুমত ওলমি থকা দেহটোৰ পৰা মুক্ত হৈছে। বতাহত ওপঙি ওপঙি সকলোৰে অলক্ষিতে তাই দৃশ্যটো উপভোগ কৰিছে।

আহাৰ মাহৰ এটা ৰৌদ্ৰতপ্ত দুপৰ। সময় স্থিৰ হৈছে এই দুপৰটোত।

সৰু ঘৰটোৰ বাহিৰে-ভিতৰে অলেখ মানুহৰ ভিৰ। ভিৰৰ মাজত বু-বু বা-বা। হঠাৎ তাইৰ কাণত পৰিল ভিৰ ফালি তাইৰ দেহটোৰ ওচৰলৈ দৌৰি গৈছে এটা আৰ্তনাদ। কান্দোন নহয় আৰ্তনাদ। অমৃতৰ আৰ্তনাদ। পুলিচ আহিছে। মৃতদেহটো ৰচীদাল কাটি পিছফালৰ ৰ'দত শুৱাই দিছে। চাদৰৰ আচল খুলিছে। চিঠিবোৰ পঢ়িছে। তাৰ পাছত অমৃতক পঢ়িবলৈ দিছে। তাৰ হাতৰ পৰা পুনৰ পুলিচে চিঠি হস্তগত কৰিলে। হঠাৎ বন্ধ হৈ গ'ল অমৃতৰ আৰ্তনাদ, কান্দোন। সি হঠাৎ গহীন হৈ পৰিছে। সি যেন ভাবিছে ঘটিব লগা এটা ঘটনাই ঘটিছে। ইয়াত দুখ বেজাৰৰ স্থান নাই। তাৰ উখহি ৰঙা পৰা চকু শান্ত হৈছে। ....।

ঘৰৰ ওপৰেৰে উৰি যোৱা কাউৰীটোৰ ৰেক ৰেকনিত তাই সাৰ পাই উঠি গ'ল। কাউৰিটো বোধহয় ঘৰৰ মূধৰ নাৰিকল জোপাতে পৰিছে। কাৰণ তাইৰ ৰেক্‌ৰেকণিটো এতিয়া একেঠাইতে বৈ আছে।

হঠাৎ কাউৰীজনীৰ অহংকাৰটো তাইৰ ভাল লাগি গ'ল। এই পুৱাতে তাইৰ ৰেক্‌ৰেকনিত কোনোবা অতিষ্ঠ হৈছে নেকি — সেইবোৰলৈ তাই কেৰেপ কৰা নাই। তাই নিজস্ব বৈশিষ্টৰে আৰম্ভ কৰিছে নিজস্ব সংগ্ৰাম।

শোৱাৰ পৰা উঠি গতানুগতিক কাৰ্যসূচীত তাই পুনৰ বন্দী। সময়বোৰ পাৰ হৈছে গতানুগতিকতাৰে।

সময়মতে তেতিয়া চাৰে ন হৈছে। দুয়োটাই ভাত খাইছে। ভাত খাই উঠি অফিচলৈ যোৱাৰ সময়তে অমৃত হস্পিতেললৈ গৈছে। নিত্যনৈমিত্তিকভাৱে আগফালৰ দুৱাৰ বন্ধ হৈছে।

বন্ধ ঘৰৰ বন্ধ কোঠাত বহি তাই অমৃতলৈ এখন চিঠি লিখিলে। হয়তো তাইৰ জীৱনৰ সেইখনেই প্ৰথম আৰু শেষ চিঠি, যিখন তাই এই মুহূৰ্তত অমৃতলৈ লিখি আছে।

চিঠিখন লিখি থোৱাৰ পাছত দুৱাৰ মান পঢ়িলে। ঠিকেই আছে।

তাৰ পাছত তুলিৰ তলত থকাখনো উলিয়ালে। তুলিৰ তলত থোৱা চিঠিখন কালিয়েই ভাঁজ কৰি হিচাব মতে থৈ দিয়া আছে। দুয়োখন চিঠি চাদৰৰ আচলত এক বিশেষ কায়দাৰে বান্ধিলে আৰু কিছুসময় ঘৰটোৰ ভিতৰৰ আলহী বহা কোঠা, ৰান্ধনী কোঠা আদিত অহা-যোৱা কৰি কৰি এপাকত আকৌ শোৱা কোঠাত সোমাল।

হঠাৎ তাইৰ মনত পৰিল। আজি তাই মূৰ ফণীওৱা নাই। অলপ পাছতে যিটো ঘটনা ঘটিবলৈ তাইলৈ অপেক্ষা কৰিছে সেই ঘটনাটো ঘটি যোৱাৰ পাছত এইখন ঘৰত অলেখ মানুহৰ ভিৰ হ'ব। অলেখ মানুহৰ দৃষ্টিৰ কেন্দ্ৰবিন্দু হ'ব তাইৰ দেহটো। তাত থাকিব লগা বস্তুটো থাকক নাথাকক সেইটো পাছৰ কথা। আচল কথা সেইটো তাইৰ দেহ। তাইৰ দেহৰ সৌন্দৰ্যখিনি শেষ মূহুৰ্ততো প্ৰদৰ্শন কৰিব। — আগগুৰি নোহোৱা কথাবোৰ ভাবি ভাবি তাই ড্ৰেচিং আইনাখনৰ কাষৰ সৰু টুলখনত বহিলগৈ। হাতত ফণীখন লৈ তাই আইনাখনলৈ চলে। লাইফ্ চাইজৰ আইনা সেইখন।

বহু সময়। বহু সময় ধৰি তাইৰ বিপৰীত বিন্দুত উত্তোলন হোৱা প্ৰাণীটোলৈ চাই থাকিল। ভেবা লাগি প্ৰাণীটোলৈ চাই থাকোতে তাইৰ হাত ঢিলা হৈ ফণীখন টুলক্‌কৈ হাতৰ পৰা খহি পৰিল।

তাই বাৰু সেই প্ৰাণীটোৰ প্ৰেমত পৰি গৈছে নেকি? সেই নিঃস্ব প্ৰাণীটোৱে কাতৰ কণ্ঠে ঘোষণা কৰিলে এক সত্য — প্ৰেম, প্ৰেম। প্ৰেমৰ এক অনন্য ৰূপ আত্মপ্ৰেম। আত্মপ্ৰেমেই পৃথিবীৰ আদিম আৰু শেষ প্ৰেম। এই পৃথিবীত কোনো কাৰো বাবে জীয়াই নাথাকে। জীয়াই থাকে নিজৰ বাবে। পৃথিবীৰ সবাতোকৈ যাক ভাল পায় তাৰ বাবে। ক্ৰমশঃ তাই যেন প্ৰাণীটোৰ হৃদয়ত গভীৰৰ পৰা গভীৰত্বলৈ গতি কৰিলে।

হঠাৎ তাইৰ ৰক্তপ্ৰবাহ ৰূপান্তৰিত হ'ল প্ৰেমৰ অন্য এক ৰূপলৈ। এক চিৰন্তন ৰূপলৈ।

এই মূহুৰ্তত তাই মৃত্যু যন্ত্ৰণা কল্পনা কৰি কাতৰ হোৱা নাই। কাতৰ হৈছে এই চিৰন্তন প্ৰক্ৰিয়াটোকলৈ। তাইৰ চিন্তা-চৰ্চ্চাক তল পেলাই প্ৰাণীটোৱে এইবাৰ বিনয়ী কণ্ঠে ক'লে — 'প্ৰতিটো ঘটনাৰ এক নিজস্ব সময় আছে। ঘটনাবোৰক নিজস্ব ধৰণে, নিজে আশা কৰা সময়ত ঘটিবলৈ স্বাধীনতা প্ৰদান কৰা উচিত হব।

.............তাই সাউতকৈ বহাৰ পৰা উঠি পাছফাললৈ গ'ল। চাদৰৰ আচল খুলি চিঠি দুখন উলিয়ালে। চিঠি দুখন দীঘলে দীঘলে মিহি মিহিকৈ ফালিলে। তাৰ পাছত হাতেৰে মুঠিয়াই মুঠিয়াই লাৰু কৰি পেলালে। টিউবেলৰ কাষৰ জাবৰ দমটোলৈ মুঠিয়াই থকা লাৰুটো দলিয়াই দিলে। লগে লগে খাদ্যৰ সন্ধানত উৰি ফুৰা কাউৰীজনীয়ে তাইৰ ইপ্সিত খাদ্যবস্তু বুলি সেই লাৰুটো লৈ উৰা মাৰিলে। তাৰ পাছত তাই হাতমুখ চাবোন দি ধুই ভিতৰ সোমাল। ড্ৰেচিং আইনাখনৰ ওচৰত বহি মূৰটো ফণীয়াই মহাতীৰ্থ সেন্দুৰৰ টেমাটো হাতত লওঁতেই তাইৰ কাণত বাজিল —

'মায়া! মায়া!'—

সেন্দুৰৰ টেমাটো থৈ তাই দুৱাৰ খুলি দিলেগৈ। 'এতিয়া বিমলখুৰাৰ কেনে?' দুৱাৰ খুলিয়েই মায়াৰ প্ৰশ্ন।

ভালেই। কথা ক'ব পাৰিছে। আজি ঘৰলৈ নিব।

তাই অমৃতৰ আতিথ্যত ব্যস্ত হৈ পৰিল।

..........সময়মতে নগলে কাম নহ'ব। মিস্ত্ৰিয়ে চাধা মলি মলি, যোগালিয়ে চুপতি মাৰি মাৰি বহি থাকিব। তাক দেখা মাত্ৰকে সকলো চিঞিল। মিস্ত্ৰিয়ে, যোগালিয়ে তাক গুৰু মনাদি মানে। কাৰণ সিহঁতৰ প্ৰাপ্য পইচা কেইটা ৰঙাইৰ হাতেদি সিহঁতে পায়। সিহঁতৰ ওজৰ আপত্তি শুনে, ভট্টাচাৰ্যৰ লগত যোগসূত্ৰ স্থাপনৰ মাধ্যম ৰঙাই। মিস্ত্ৰি যোগালিৰ ক'ব লগা কথা প্ৰথমে ৰঙাইক ক'ব লাগিব — ৰঙায়ে সেইয়া সমিতিক জনাব। সমিতিৰ পৰা অহা নিৰ্দেশো ৰঙাইৰ মাধ্যমত মিস্ত্ৰি, যোগালিৰ কৰ্ণ স্পৰ্শ ঘটিব।

খাওঁতে শোওতে উঠোতে বহোতে ৰঙাইৰ কেৱল কলেজৰ সাজ থকা ঘৰটোৰ চিন্তা। ঘৰত ৰ'বলৈ বহিবলৈ তাৰ আজৰি নাই। ঘৰৰ খা-খবৰ কৰিবলৈ সময় নাই।

অৱশ্যে মহৰী বাবটো পোৱাৰ আগতেও ৰঙাইৰ ঘৰৰ প্ৰতি কানসাৰ নাই। সাতজোৰা মাৰি ঘৰ চলোৱাৰ দায়িত্ব কেতেকীৰ।

যি কি নহওক এতিয়া অৱশ্যে তাই সাতজোৰা মাৰি ঘৰ চলোৱাৰ চিন্তা কৰিব লগা হোৱা নাই। ৰঙায়ে পাওনা পইচাকেইটা আনি তাইৰ হাততে থ'বলৈ দিয়ে। ঘৰৰ লাগতীয়াল বস্তু তাই দিয়া লিষ্টমতেই ঘৰ সোমায়। গতিকে ঘৰৰ চিন্তাৰ পৰা মুক্ত মানুহটোৱে সমস্ত চিন্তা-চৰ্চা কলেজৰ ঘৰত খটুৱায়।

ঘড়ীৰ কাটাই কাটাই চলিবলৈ আজি-কালি ৰঙায়ে হাতত ঘড়ী এটাও পিন্ধি ফুৰে। কাটাই কাটাই পুৱা আঠ বজাত সি ঘৰৰ পৰা ওলাবই। চাইকেলত লাফ মাৰি উঠি পদূলিৰ মুখে গতি কৰা ৰঙায়ে দৈবাসন তল গলেও ঘৰলৈ ঘূৰি নাচায়।

সেইদিনা সিজোৱা মুঠি খাই ৰঙায়ে চাইকেলখন হেণ্ডেলত ধৰি বাৰান্দাৰ পৰা চোতাললৈ নমাওতেই কেতেকীয়ে পাছফালৰ পৰা তাক সিহঁতৰ ঘৰৰ অভিনৱ সংবাদটো দি দিলে —

'হেৰি শুনিছেনে আইজনী শান্তি হ'ল। ঘড়ীটো চক্‌চোন কেইটা বাজিছে?'

'আঠ বাজিবলৈ পাঁচমিনিট বাকী।'

কেতেকীয়ে মানুহটোৰ আলেখ লেখ চাই ভাবিলে — বাকীবোৰ কথা নোকোৱাই ভাল হ'ব তেওঁক। এইভাবি তাই সোনটিক চিএৰিলে।

'ক ক! কি কৰি দিব লাগে ক।' — চাইকেলখন চোতালত থিয় কৰি থৈ ৰঙাই ভিতৰলৈ সোমাই আহিল। আচলতে খবৰটো শুনাৰ লগে লগে তাৰো বুকুখন কিবা খন্তেকতে উগুল থুগুল লাগি গ'ল।

হওঁক তেওঁ। মানুহটোৱে উপযাচিয়েই কি কৰোঁ সুধিছে। এই ভাবটোৰে তাই ক'লে — 'যক্ মানুহ তিনিগৰাকী মাতি আনক। ফুলেশ্বৰীকো ৰিং মাৰি কৈ থৈ যক্।

মানুহ তিনিগৰাকী মাতি আহি সি আকৌ ক'লে — ক চোন আৰু কি কৰিব লাগে।

ঠানিৰে সৈতে তামোল তিনিটা আনি-দিলেই হ'ব। বাকী একো নালাগে এতিয়া। পাছতহে লাগিব। — থপ্‌থপাই ইফালে-সিফালে ঘূৰি কেতেকীয়ে ক'লে।

ৰঙায়ে ভাবিছিল হঠাৎ বহু কিবাকিবি দৰকাৰ হৈ যাব পাৰে। আজি তাৰ কাম পৰ্য্যন্ত খতি হ'ব পাৰে। হওক! কলেজৰ ঘৰটো তাৰ যিমান আদৰৰ সিমানেই আদৰৰ তাৰ আইজনী। এটা দিন কিয়, প্ৰয়োজন হ'লে দহটা দিন খতি হ'ব পাৰে আইজনীৰ কাৰণে। যি কি নহওঁক ঘৰৰ কোনো কথাই গাত নলগা মানুহটোৰ এই কথাটো কিন্তু গাত লাগি গ'ল বাৰুকৈয়ে।

সি পলকতে ওচৰৰ কণটিলৌৰ হতুৱাই তামোল এথোকা পাৰি পেলালে। থোকটোৰ আধাখিনি পকা, আধাখিনি কেঁচা।

তামোলৰ থোকটো ঘৰৰ মজিয়াত থৈ ৰঙাই গ'লগৈ।

ইতিমধ্যে আইজনীৰ খুৰীয়েক ফুলেশ্বৰী পালেহি।

তাই পোৱালমণি, মুকুতামণি বিচাৰি-খোচাৰি বনিয়াই বনিয়াই মণি এধাৰ গুঠিলে। সৰু মণি। তাৰ পাছত তামোলৰ থোকটোৰ পৰা বৰ সাৱধানে তিনিটা তামোল ঠাৰিৰে সৈতে চিঙি উৰুলি দি তাতে সৰু মণিধাৰ পিন্ধাই দিলে।

কেতেকীয়ে কাঠৰ পুৰণি পেড়াটো খুচৰিলে। ঘৰখনৰ সমস্ত দলিল-দস্তাবেজ সোমাই থকা পেড়া সেইটো। পেড়াটো খুচৰি খুচৰি শানেকটা গামোচা, চেলেং মুগাৰ ৰিহা-মেখেলা আদি উলিয়ালে। বস্ত্ৰকেইপদ ফুলেশ্বৰীৰ হাতত দি পেড়াটো বন্ধ কৰিলে।

বস্ত্ৰকেইপদ বিচনাখনত থৈ ফুলেশ্বৰীয়ে প্ৰথমে গামোচাখন ল'লে। মণিধাৰ পিন্ধাই থোৱা তামোল তিনিটাত ঠাৰিত চুলি আৰু এৰীসূতা দুডালমান মেৰিয়াই মেৰিয়াই লগতে খৰিকা পাঁচদাল দি আটাইকেইটা বস্ত্ৰ নতুন গামোচাখনেৰে বান্ধি পেলালে।

ইতিমধ্যে ৰিংটোৰ বাটৰ জুনুৰ মাক ওলালহি। তেওঁ আহোতে দুনৰিটো লৈয়েই আহিলে। তেওঁৰ পিতলৰ দুনৰিটো খকণবড়ী গাঁৱত বিখ্যাত।

আহিয়েই তেওঁ ক'ত চাউল আছে বিচাৰি দুনৰিটো চাউলেৰে সজাই পেলালে।

ফুলেশ্বৰীয়ে দুনৰিৰ চাউলৰ ওপৰত আটোম-টোকাৰিকৈ গামোচাখনেৰে বন্ধা 'কনাই'টো থলে।

কেতেকীৰ কেৱল উথপ্থপ। আনে কৈ দিয়াতহে কথাবোৰ তাইৰ মনলৈ আহিছে। অৱশ্যে লোকৰ ঘৰত তাইহে ইটো আন, সিটো কৰ বুলি দিহা-পোহা দি থাকে। নিজৰ ঘৰৰ নিজৰ ছোৱালীজনীৰ ক্ষেত্ৰত তাই একেবাৰে একো নজনা অজলা হৈ পৰিছে।

'মিঠাতেলৰ চাকি এগছ।'

— ফুলেশ্বৰীৰ নিৰ্দেশত কেতেকী একেকোবে গোঁসাই ঘৰ পালেগৈ আৰু চাকিগছ ঠিক কৰি আনি শোৱনি কোঠা পোৱালেহি।

'আইজনী এই মুগাৰ কাপোৰজোৰ পিন্ধ। ফ্ৰকটো গুচা।'

আইজনীয়ে ফ্ৰকটো নুগুচালে। তাৰ ওপৰতে মুগাৰ ৰিহা-মেখেলাজোৰ মেৰিয়াই ললে। অৱশ্যে তাইৰ সপক্ষেও এগৰাকীয়ে মাত মাতিলে — হ'ব! হ'ব! একো নহয়। ফ্ৰকটো থাকক।

তিনিজনী মানুহে ইটো-সিটো গোটাই থাকোতেই যদুৰ মাক ওলালহি। তেওঁহে আকৌ লগা বস্তু এপদ মনত পেলাই দিলে — কাহৰ বা পিতলৰ লোটা এটা লাগিব নহয়। আছে নে?

আছে আছে — কেতেকীৰ উত্তৰ।

কেতেকীয়ে উলিয়াই দিয়া লোটাত ফুলেশ্বৰীয়ে এঁৰা সূতা মেৰিয়ালে। তাৰ পাছত কুৱাৰ পৰা অনা পানীৰে (ভিতৰৰ পানী নহয়) লোটাটো ভৰালে আৰু সোনটিৰ হতুৱাই আমডালি এটা আনি লোটাটো সজালে।

সকলোবোৰ যোগাৰ হৈ গৈছে। বাকী আছে বিচনাখন। মাটিত খেৰৰ বিচনাখন।

বিচনাখন পাতিবৰ বাবে জুনৰ মাকে চাৰিফালে চাৰিটা খুটি মাৰিলে। হয় হয়, বিচনাখন আকৌ পূৱমুৱা হব লাগিব। শিতানত দুনৰি, মাটিত চাকি, ঘট থবৰ বাবে ঠাই ৰাখিব লাগিব।

দিয়া দিয়া উৰুলি দিয়া উৰুলি দিয়াত ওস্তাদ ফুলেশ্বৰীয়ে উৰুলি দিয়াৰ লগে লগে বিচনাৰ বাবে মৰাখুটি চাৰিটাৰ মাজৰ ঠাইখনত জুণুৰ মাকে চাউল এমুঠি চটিয়ালে। তাৰ পাছত ওচৰতে খেৰৰ মুঠি লৈ থকা কেতেকীক ক'লে — এতিয়া খুটি কেইটাৰ মাজতে বিচনাখন পাৰা।

খেৰখিনি মেলি দি কেতেকীয়ে খেৰৰ ওপৰত নতুন সতৰঞ্চি এখন পাৰি দিলে।

তাৰ ওপৰত আকৌ চেলেং। সৰব নতুন চেলেং।

মেৰিয়াই মেৰিয়াই ৰঙা আচুৰ মুগাৰ ৰিহা, মেখেলা পিন্ধা আইজনীক সেই বিচনাত বহিবলৈ নিৰ্দেশ দিয়া হ'ল।

তাৰ পাছত ঘন ঘন উৰুলি।

উৰুলিৰ মাজে মাজে কেতেকীয়ে আইজনীৰ শিতানৰ ফালে থকা চাকিৰ পৰা, ঘটৰ আমপাতৰ পৰা আম সাৰ, চাকি সাৰ দিলে।

দৃশ্যটোত আইজনীয়ে আমোদ পালে।

মাকে চাকিৰ ওচৰত হাত দুখন — সেবাৰ দৰে কৰি সেই হাত দুখন তাইৰ ফালে দি দিয়ে। আকৌ আমৰ ঠালটো লোটাৰ (ঘট) পানীত ডুবাই এচাতি নিজৰ ফালে আৰু এচাতি আইজনীৰ ফালে মাৰিছে। এইয়াই আইজনীয়ে চাই আমোদ পোৱা দৃশ্য আমসাৰ, চাকি সাৰ। তিনিবাৰ তিনিবাৰ।

'পিছে দেউৰ ওৰ্চৰত চোৱাই আহিছে কি যোগ পালে ছোৱালীক কৈ খাবলৈ দিবা। তাৰ আগতে একো খাবলৈ নিদিবা। নাপায়।' — যদুৰ মাকে কেতেকীক সকিয়ালে।

'যা ফুলেশ্বৰী চাহ অকণ কৰগে —'

ফুলেশ্বৰীক ভিতৰলৈ পঠাই কেতেকীয়ে বিভিন্ন 'নাপায়'বোৰ এবাৰ আয়তী দুগৰাকীৰ সৈতে আওৰালে — চাবোন চুব নাপায়, চন্দ্ৰ-সূৰ্য চাব নাপায়, গৰু গাই, মতা মানুহ চাব নাপায়। বাহিৰলৈ যাওঁতে ইফালে-সিফালে চাবলৈ নিদিবা। কেৱল ভূমিলৈ চাই লাহে লাহে যাবলৈ দিবা।

ফুলেশ্বৰীয়ে চাহ আনিলে। মাহিলা কেইগৰাকীয়ে চাহ খায় মানে কেতেকী ততা-ভুকুতাকৈ কাপোৰ সাজ সলাই নতুন এযোৰ পিন্ধিলে। তাৰ পাছত তামোলপান এজোৰ, টকা পাঁচটা লৈ ফুলেশ্বৰীক ক'লে — মই নহালৈকে তই ইয়াতে থাকিবি। মই যাম আৰু আহিম। দেৰী কৰিলে দেউক লগ নাপাবও পাৰোঁ। গতিকে এতিয়াই যাওঁ।

তাৰ পাছত মহিলা কেইগৰাকীৰ লগত কেতেকীয়ে ৰাজআলিত খোজ দিলে, উগুল থুগুল ভাবেৰে, থৌকিবাথৌ হিয়াৰে।

ফুলেশ্বৰী আইজনীৰ ওচৰতে বহি থাকিল।

অলপ সময়ৰ আগলৈকে আইজনীয়ে ফ্ৰকটো হাতেৰে কোঁচাই বাৰীৰপৰা কলা বৰজামু এসোপা আনিছিল। ফ্ৰকটো কাৰা নীলা বাবে ধৰা পৰা নাছিল জামুৰ বেঙুনীয়া ৰং। নীলা, বেঙুনীয়া গোট খাই কলা ৰং এটা হৈ পৰিছিল জামু টোপোলা কৰি অনা ফ্ৰক। ঢেকীশালৰ চুকত খৰাহি এটাত জামুসোপা পেলাই আকৌ ডেওদি ডেও দি পথিলাৰ দৰে তাই বাৰীলৈ গৈছিল। গৈছিল কঠালৰ তললৈ। কিজানি পকা কঠালৰ

গোন্ধ নাকত লাগেই।

পিছে মাকক 'এইবোৰ কি হৈছে অ' বুলি সুধিহে লেঠাটো লগাই পেলালে। অলপ আগলৈকে ল'ৰি ঢাপৰি ফুৰা ছোৱালীজনী হঠাৎ এটা সাথৰ হৈ গ'ল। সোমাই গ'ল এলানি 'নাপায়' মাজত। হঠাৎ নিলাজী বনৰ দৰে জাপ খাই গ'ল এটা উৰো উৰো মন, ৰৈ গ'ল বোবা হৈ এটি পখিলাহি পখিলা।

এঘন্টা মানৰ পাছতেই কেতেকী ঘূৰিল।

লগে লগে ফুলেশ্বৰী ঘৰলৈ গ'ল। কি যোগ পালে সেইটো জানিহে গ'ল।

বাহিৰৰ পৰা আহি আক' চিধাই ছোৱালীজনীৰ ওচৰলৈ যাব নাপায়।

কেতেকীয়ে কাপোৰ সলাই, হাত-ভৰি ধুই জীয়েকক হাঁহি হাঁহি ক'লেগৈ, বুইচ একেবাৰে ভাল যোগ পাইচ; ৰাণীৰ যোগ। সুভগা।

আইজনীৰ মনটো ভাল লাগি গ'ল।

সেইটো যোগ কিয় ভাল? ভাল মানেনো। কি? উত্তৰটো তাই জানে। তাই লগৰ ছোৱালীবোৰৰ মুখত শুনিছে, সুভগা যোগ পালে ভাল। একেবাৰে ৰাণীৰ দৰে সুখত থাকিবলৈ পায়।

কেতেকীয়ে জীয়েকক কেৱল দেউৰে কোৱা যোগটোহে ক'লে, বাকী নিষেধাজ্ঞাবোৰ নক'লে।

দেউৰে দহাই দহাই ক'লে — দিনটো ঠাণ্ডা পানী এটোপাও গিলিবলৈ নিদিবা। ৰাতি জোন তৰা ওলালেহে ফলাহাৰ দিবা।

সময় ক্ৰমশ আগবাঢ়িছে। সময়ৰ লগে লগে বাঢ়ি গৈছে বুকুৰ ধৰফৰনিটো। তাইৰ ভিতৰৰ ভোকটোৱেও কৰ্কৰাইছে। পিছে ছোৱালীজনী খাবলৈ নিদিয়াকৈ তাইনো কোনসতে ভাত গিলে। বেচেৰীজনীয়ে পঢ়া সামৰি বাৰীত পিতৃপিতাই থাকোতেই পুৱাৰ জলপান খোৱা দেৰী হৈ গ'ল। দেৰী হোৱাত ভাবিলে একেবাৰে ভাত খাই স্কুললৈ যাব। দেৰীকৈ জলপান খালে তাই আকৌ ভাত নাখায়। সেয়েহে জলপান খাবলৈ তাই জীয়েকক জোৰ নকৰে।

ৰেডিঅ'টো শিতানত লৈ কেতেকী আইজনীৰ কোঠাতে থকা বিচনাখনত দীঘল দিলে। তেতিয়া ৰেডিঅ'ত গীতি-মঞ্জুৰী চলি আছে। পৰাপক্ষত কেতেকীয়ে ৰেডিঅ' নেৰেই। হওক তেওঁ, বহুদিনৰ পৰা লম লম বুলি আলচী থকা ৰেডিঅ'টো বঙায়ে মহৰী কৰি পোৱা প্ৰথম মাহৰ টকাৰে কিনি পেলালে।

ৰেডিঅ'টো হোৱাৰ পৰা কেতেকীয়ে আজি-কালি বহুত নতুন নতুন কথা শিকি পেলাইছে। তাহানিতে এম্ ভি পাছ কেতেকীয়ে আজি-কালি ৰেডিঅ'ৰ আলোক ঘৰজেউতি আদি অনুষ্ঠানৰ যোগেদি নতুন কথা শিকি শিকি এতিয়া ৰেডিঅ'টো তাই

শিক্ষাগুৰু যেন দেখে।

হঠাৎ কেতেকীৰ নাভূত-নাশ্ৰুত কথা এষাৰ মনলৈ আহিল। এই যে সেই দেউজন যিজনে আইজনীৰ কথাবোৰ লেখি-পঢ়ি তাইক দিছে, সেইজনে বাৰু ৰেডিঅ'ত অহা নতুন কথাবোৰ শুনেনে? শুনেনে অনানুষ্ঠানিক শিক্ষানুষ্ঠান আলোক?

দেউজনৰ কথা ভাবি ভাবি তাই চকু জপাই দিছিল — যদিও সেই চিন্তা তল পেলাই স্মৃতিৰ অটলৰ পৰা এটা পুৱা উঠি আহিল। উৰুলি বিঢৌত এটা বহাগৰ পুৱা। ঢোলৰ চাপৰ মাৰ নোযোৱা এটা পুৱা।

বিহুৰ ঢোলে দগৰে উৰি যাওঁ, উৰি যাওঁ বতাহত, 'গচকি ভাঙি যাওঁ যঁতৰ' বতৰত তাই আইজনীৰ দৰে চুকত নিতাল মাৰিব লগা হৈছিল। মুখত খুদ্‌কণ এটা দিবলৈ নাপাওতেই তাই শাস্তি হৈছিল। মাকে তাইক কৈছিল — 'কেতেকী অ'! সহ্ যেনেতেনে। জোন-তৰা ওলালেহে খাব পায়।' আবেলিলৈ ভোকত মৰি যাম যেন হৈছিল কেতেকী।

যি কি নহওক আবেলি কিবা কাৰণত মাক ঘৰৰ পৰা কেনিবা ওলাই গৈছিল। সেইছেগতে ভনীয়েকে মনে মনে ঘিলাপিঠা আৰু ঠাগুাপানী নি কেতেকীক দিছিল। আন্ধাৰত সোমাই লৈ নিগনিৰ দৰে ভয়ে ভয়ে কুটি কুটি খাইছিল বহাগৰ সেই ঘিলাপিঠা। সেইদিনা খোৱা ঘিলাপিঠা কেইটাৰ সোৱাদ তাই গোটেই জীৱনত খোৱা ঘিলাপিঠাত পোৱা নাই। সেই গোটেই পৰিবেশটো মনলৈ অহাত তাইৰ হাঁহি উঠি গ'ল।

গীতিমঞ্জুৰী সামৰি ৰেডিঅত আৰম্ভ হ'ল দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে প্ৰচাৰিত সমাজ অধ্যয়নৰ পাঠ। বিষয় — সামাজিক পৰিৱৰ্তন আৰু প্ৰগতি।

হঠাৎ কেতেকীৰ ৰেডিঅ'ৰ লগত গভীৰ মনঃসংযোগ ঘটিল। তাইৰ কাণেদি সোঁ সোঁকৈ সোমাল কথাবোৰ। 'অন্ধবিশ্বাস সামাজিক প্ৰগতিৰ অন্তৰায়। অন্ধবিশ্বাসী লোকে নিজ শক্তি আৰু বিবেক-বুদ্ধিৰ ওপৰত আস্থা স্থাপন কৰিব নোৱাৰে। পৰম্পৰাগতভাবে চলি অহা যুক্তিহীন কাম বা নিয়মবোৰ ত্যাগ কৰিবৰ জোখাৰে মানসিক শক্তি তেওঁলোকৰ অভাব। নতুন কাম বা নিয়মে অমঙ্গল ঘটাব পাৰে বুলি তেওঁলোকে মিছাকৈয়ে ভয় কৰে। সেয়েহে আমাৰ সমাজত দেখা যায় অন্ধবিশ্বাসী লোক সৰহভাগ নিৰক্ষৰ আৰু অশিক্ষিত।

'মা বৰ ভোক লাগিছে অ'। মৰি যাম এতিয়া।' — ভোকত পীতপানী উজাৰ খাই অহা আইজনীয়ে চিঞৰি দিলে।

হঠাৎ কেতেকীৰ ৰেডিঅ'ৰ সৈতে মনঃসংযোগ বিচ্ছিন্ন হ'ল। তাই জীয়েকলৈ চালে — ভোকত কোঁচ-মোচ খাই ধেলপোণ্ডা দি থকা আইজনীৰ চকু ভোটা তৰাৰ দৰে জ্বলমলাইছিল। জ্বলমলাইছিল দুটা ভোকৰ চকু।

আয়েম কৰি থকা কেতেকী ঘপহ্‌কৈ উঠিল আৰু পাকঘৰ পালেগৈ।

কোনোদিন কেৰাচিন ঢালি জুই নজলোৱা কেতেকীয়ে আজি জুইকুৰা ফট্‌কৰে জ্বলক বুলিয়েই জুহালৰ ফুটছাইত অকণমান কেৰাচিন তেল ঢালি দিলে। তাৰ পাচত তাৰ ওপৰত পাতল পাতল বাঁহখৰি কেইদাল জাপি লৈ জুইশলাটো খচক্‌কৈ মাৰি তিতা ফুটচাই ওচৰত লাহেকৈ ধৰিলে। দপ্‌দপ্‌কৈ জ্বলি উঠিল তাই বিচৰা জুই।

ৰাতিপুৱাই গৰম কৰি থোৱা গাখীৰৰ চচ্‌টো জুইৰ ওপৰত তুলি দিলে তাই। তাৰ পাছত গিলাচটোত এগিলাচ কুহমীয়া গাখীৰ লৈ, তাতে অকণমান চেনী মিহলাই আইজনীক খাবলৈ দিলেগৈ।

ভোকত কলমলাই থকা আইজনীয়ে একেলহমাতে গিলি পেলালে এগিলাচ গাখীৰ।

কেতেকীৰো ভাত খাবলৈ মত নগ'ল। পিঠাগুৰি কেইটামানত গাখীৰ অকণ পেলাই তাৰেই পেটৰ কৰ্কৰনিটো শান্ত কৰিলে।

সেই মুহূৰ্ত্ততে ৰঙাই আহি পালেহি। হাতত একাশী জাহাজী কল। কল আসি হাতত লৈ সি পোনে পোনে ভিতৰ পালেগৈ।

'হক্ তেওঁ। আপোনাৰ যে গাত কথা লাগিছে। নোকোৱাকৈয়ে হাতত কল আসি আহিছে।' হাঁহি হাঁহি কেতেকীয়ে ক'লে।

ৰঙায়ে মুখটিপা হাঁহি এটাৰে কল আসি কেতেকীৰ হাতত দি ক'লে — 'যা তাইক এটা খাবলৈ দে।'

'আন আন। ভাত চাত খাবলৈ নিদিয়ই। কলকে দে' — কলৰ শব্দ শুনি ভিতৰৰ পৰা কলৰ পোকে চিঞৰি কলে।

'ডাঙৰকৈ নামাতিবি নাপায়' — বুলি কব খুজিও কেতেকী বৈ গ'ল। তাৰ পাছত খৰখোজে শোৱনি কোঠালৈ সোমাই গ'ল — যৰ পৰা 'ক'ল দে' বুলি চিঞৰটো আহিছিল।

কেতেকীয়ে শোৱনি কোঠাৰ ছয় ইঞ্চি দীঘল বহল খিৰিকিৰে বাহিৰলৈ ভুমুকিয়ালে — কোনোবা আহিছেই বা আইজনীৰ ওচৰলৈ। তাৰ পাছত লৰালৰিকৈ জাহাজী কল দুটা আইজনীৰ কোচত দি কোঠাৰ পৰা ওলাই আহিল। আহোতে অৱশ্যে দুৱাৰখন জপাই আহিল।

'হেৰি আপুনি আৰু' এইটো কোঠালৈ নোসোমাব। সোণটিকো কব লাগিব কথাবাৰ। ৰঙাইক সকিয়াই থলে কেতেকীয়ে।

ৰঙাইৰ কিবা কথাবোৰ অখজা অখজা লাগি গ'ল। যোৱা ৰাতিলৈকে দেউতাকৰ গাত ভৰি তুলাই শুই থকা ছোৱালীজনীয়ে এতিয়া দেউতাকৰ মুখ দেখিব নাপায়।

যি কি নহওক চাবোন চুব নাপায় বুলি দহাই দহাই শিকাই যোৱা আইজনীক পিছদিনা ৰাতিপুৱা চাবোন দৰকাৰ হলেই। ব্যৱহাৰ নকৰা অ কে কোম্পানীৰ চাবোন

এটুকুৰা নিজাববীয়াকৈ কেতেকীয়ে আইজনীক দি দিলে।

দুদিনতে কেতেকী ঘৰৰ অমোঘ সংবাদটো গোটেই গাঁও ভেদি গ'ল। মাহী, পেহী, গাঁৱৰ ছোৱালী, মহিলা যেয়ে যি পাৰে কল, বুট, মুগ, গাখীৰ আদি আইজনীয়ে খাবৰ বাবে বৰতীয়া দি গ'ল।

সেইদিনা আইজনীৰ চাৰিদিন।

আকৌ কেতেকীৰ ঘৰত ঘন ঘন উৰুলি। আকৌ আয়তীৰ, ছোৱালীৰ উদুলি মুদুলি।

'ইকৰা তিনিডাল আনক, হালধী অকণ খান্দি আনক, পাছফালে নতুনকৈ তামোল পুলি এটা ৰোৱক' — ৰঙাই শুই উঠিয়েই কেতেকীৰ আদেশবোৰ পালন কৰি গৈছে একান্ত বাধ্য ছাত্ৰৰ দৰে।

ৰঙায়ে আনি দিয়া ইকৰাৰে ফুলেশ্বৰীয়ে বেই সাজি তাৰ তলতে তামুলী পিৰাখন পাৰি দিলে। তাৰ পাছত তাৰ ওচৰত বৈ গ'ল — মাহ, হালধী, তেল ফণী ইত্যাদি।

আকৌ উৰুলি। উৰুলিয়ে আইজনীক ধুই ধুই মুখখন যেন অধীক কোমল কৰি পেলাইছে।

উৰুলিৰ জোকাৰৰ মাজতে মনী, জুনুৱে আইজনীৰ ৰিহাৰ আঁচলত ধৰি বাহিৰলৈ উলিয়াইছে। আগফালে নহয় পাছফালে। ইকৰাৰ বেইখনৰ ফালে।

তিনিদাল ইকৰাৰে সজা এখন বেই।

'হেৰৌ ঘোঁৰা যোৱাদি ঘট্‌ঘট্‌কৈ নাযাবি। লাহে লাহে।' আয়তীৰ শাসনত খিল্‌খিল্‌কৈ হাঁহি দিলে কইনাই, সখীয়ে।

'আও! হাঁহিব নাপায়! নাহাঁহিবি। নাহাঁহিবি!'

আকৌ শাসন।

পিছে সিহঁতৰ খিল্‌খিলনীটো বেচিহে হ'ল। সিহঁতে মঞ্চত দৰ্শকৰ আগত অভিনয় কৰি পাইছে। কিন্তু এনেকৈ ঘৰৰ মজিয়াত, বিশেষ দৰ্শকক লৈ জীৱনত প্ৰথম অভিনয় কৰিছে। প্ৰথম পদুমফুলীয়া খোজ দি পাইছে নাহাহিব কিয়?

"হাঁহি বন্ধ কৰ বুলিছো নহয়। এস্ হাঁহিবলৈ আহিছে" — কোনে জানো ভেকাহিটো মাৰিলে খহতা কণ্ঠে।

সিহঁতৰ হাঁহি বন্ধ হৈ ওফন্দি পৰিল মুখ। যেন পানীৰ তলৰ পৰা জাকি মাৰি ওলোৱা ভেটফুলৰ কলিটো আকৌ পানীৰ তললৈ সোমাই গ'ল। ওফন্দি পৰিল পানী।

ওফোন্দা মুখেৰে আইজনী বেইৰ তলত বহিল। মূৰত উৰুলিৰ জোকাৰেৰে তেল পৰিল। সখীয়ে গাত মাহ হালধী সানি আইজনী সোণবৰণীয়া কৰি পেলালে।

পিছে আয়তী কেইগৰাকীৰ আইজনীৰ ওফোন্দা মুখ ভাল নালাগিল। তেওঁলোকে নানা তৰহৰ ফুচুৱালিৰে তাইৰ মুখত হাঁহি বিৰিঙাবলৈ চেষ্টা কৰিলে।

হঠাৎ আইজনীৰ মুখত বৈ পৰিল এটা মুখ টিপা হাঁহি।

তাৰ পাছত যদুৰ মাকে নামটো লগাই দিলে —

মাটিৰে বুকুলে ন পানী আহিলে ঐ ৰাম
আঁহতে সলালে পাত,
আমাৰ আইজনীয়ে বৰণটি সলালে ঐ ৰাম
ল'লে ৰঙা বিহা গাত।

জ্বলি থকা চাকিৰে সৈতে দুনৰিটো সখীৰ ভনীয়েকে ওপৰলৈ তুলি ধৰিলে। লগে লগে লোটাৰ মুখেৰে হৰ হৰকৈ আইজনীয়ে গাত পানী ঢালিলে।

তিতা কাপোৰ সাজ সলায়েই আইজনী এখোজ দুখোজকৈ আগবাঢ়ি গ'ল — পীৰ খান্দি আজি পুৱা ৰোৱা তামোল পুলিটোৰ ওচৰলৈ।

আয়তীৰ নিৰ্দেশত পৰম্পৰা অনুসৰি আইজনীয়ে তামোল পুলিটো নোৱালে, ধুৱালে। তাৰ পাছত আঠুকাঢ়ি দুহাতে দুটা খোলত দুভাগ পিঠাগুড়ি লৈ দৰা ৰূপী তামোল পুলিটোৰ গুৰিত দি সেৱা কৰিলে।

আইতাই আশীৰ্বাদ বৰষিলে — 'অ' হৰি অ' ৰাম। দেৱৰো দেৱতা পতি দেৱতাৰ শ্ৰীচৰণত কন্যাটিয়ে সেৱা ভাগি আগবঢ়াইছে, পতিদেৱতাই 'কন্যাটি মোৰ' বুলি গ্ৰহণ কৰিব লাগে, হৰগৌৰি বসতি হ'ব লাগে — অ'..... হৰি অ..... ৰাম।

খম্‌খমীয়া মুগাৰ মেখেলাৰে, ৰঙা শেলৰ মুগাৰ বিহাৰে সোণবৰণীয়া আইজনীয়ে একো নজনাকৈয়ে, একো নুবুজাকৈয়ে পতিক নোৱালে, ধুৱালে, সেৱা কৰিলে।

'এতিয়া ভৰণ কলথোকালৈ চা।' আঙুলি টোৱাই জুনুৰ মাকে ক'লে।

আইজনীয়ে চালে।

ফুলেশ্বৰীয়ে চাউল এচাতি মাৰি, তাতে পাতি এটা পাৰি বেইৰ তলৰ পৰা আইজনীক নি তাতে বহুৱালে। মাহীয়েকে মূৰটো আঁচুৰি সেন্দুৰৰ ফোঁটটো দি গাটো ধুই পেলালেগৈ। কাৰণ কইনা এতিয়াও অশুচি।

জ্বলি থকা চাকিৰে সৈতে দুনৰিটো কইনাৰ ওচৰত থলেহি। ঘটৰ পুৰণা আৰু

আমপাতা সলাই ন পাণী ন আমপাতৰে ঘট সঁজালে। তাৰ পাছত ফুলেশ্বৰীয়ে মাহ-প্ৰসাদৰ শৰাই এখন ধূপধনা, বন্তি এগছ ঠাইখন বাঁওহাতে হাত ফুৰাই থলেহি। পূবলৈ মুখ কৰি বহা আইজনীক মাকে আমসাৰ, চাকিসাৰ দিলে তাৰ পাছত শৰাইখনৰ পিনে আঁঠুকাঢ়ি মাক-জীয়েকে দৈবদোষ, গ্ৰহদোষ খণ্ডনৰ নিমিত্তে আইতাক, আয়তীক সাক্ষী কৰি ভগৱানৰ ওচৰত মূৰ দোঁৱালে।

যি কি নহওক আইজনী কিছু ৰক্ষা পৰিল। কাৰণ এতিয়া তাই দিনত ফলমূল খাই গধূলিকৈ তেল-হালধী নোহোৱাকৈ বৰতীয়া ভাত খাব পাৰিব।

আইজনীৰ চাৰিদিনীয়া কাৰ্যসূচী সমাপন হ'ল। আয়তীসকল কেহেলি-কেন্দেলি কৰি যায়গৈ মানে দুপৰ হ'ল।

"মা এইফালে আহচোন।"

'কি? কি হ'ল?'

'মই বোলে সাদিনৰ দিনা পৰাচিত হবলৈ গোবৰ পানী খাব লাগিব হয়নে?'

'খাবলগীয়া হ'লে খাবি আকৌ। এদিনহে খাবি কিবা সদায় খাবিনে?'

'ও..... ক'.....

মাকে কথাষাৰ কওঁতে তাইৰ ওকালি আহিলেই, পেটটো আঙোৰ-পাঙোৰ কৰিলেই। পেটটো হেচা মাৰি ধৰি তাই ক'লে — 'যি হয় হ'ব! মই মৰি গলেও গোবৰ নাখাওঁ।'

আইজনীৰ ওকালিয়ে, কথাই কেতেকীৰ মগজুৰ কোষবোৰ আকৌ এবাৰ সক্ৰিয় কৰি পেলালে। লগে লগে মগজুৱে জন্ম দিলে এটা প্ৰশ্ন। এটা আজব প্ৰশ্ন হয়তো তই আকৌ কিয় গোবৰ পানী খাবি? কি পাপৰ বাবে তই পৰাচিত হ'বি?

প্ৰশ্নটোৰ শব্দবোৰৰ ফাঁকে ফাঁকে কেতেকীৰ মনলৈ আহিল এখন মুখ। আগবাঢ়ি আহিল এক আকাঙ্খিত মুখ। সঠিক পথৰ নিৰ্দেশনা থকা মুখ।

তাই মনতে ক'লে — 'কালিলৈ দেওবাৰ নহলেও স্কুল বন্ধ। ঘৰৰ পৰা অলপ সোনকালে ওলাই যাব লাগিব — মনৰ খুকুৰি মৰাও হব বিয়ালৈ মতাও হ'ব।

কথা-বাৰ্তাৰ কলা জনা মহিলাৰ অন্য এক নাম কেতেকী। ঘণ্টাৰ পাছত ঘণ্টা কথাপাতি থাকিলেও আমনি নলগা এগৰাকী মহিলা কেতেকী।

নীলিমা ভট্টাচাৰ্যই কেতেকীৰ লগত পৰম্পৰাগত কথাবোৰ পাতি পাতি এইবাৰ পৰম্পৰা ৰহিত কথাত ধৰিলেগৈ।

'মই তোলনী বিয়া খোৱাৰ পক্ষপাতি নহয়। সংস্কৃতি বুলি সকলো পুৰণি কথা মানিবলৈ মই ৰাজি নহওঁ।'

নীলিৰ কথাবাৰ লগে লগে শলাগি কেতেকীয়ে ক'লে, 'হয় হয়। আমাৰ দিনত ছোৱালী তোলনি হোৱা মানে দৰা বিচৰাৰ সময় হোৱা। সেইগুণে বিয়াৰ ধুম-ধুপালৰ মাজেদিয়েই দৰা-কৈদৰ কানত পেলায় আমাৰো ছোৱালী পাট গাভৰু। মন কৰিলে খোজা-বঢ়া কৰিব পাৰা।

'ঠিক ঠিক। ঠিকেই কৈছা। আজি-কালিৰ ভাষাত এড্‌ভাৰটাইজমেণ্ট। আজি-কালি তোলনি হোৱাৰ পাছতো আত্মনিৰ্ভৰশীল হ'বলৈ বাৰ-তেৰবছৰমান সময় লাগে। গতিকে ইমান আগৰ এড্‌ভাৰটাইজ মানুহে পাহৰি পেলাব।'

ইতিমধ্যে বাহিৰত এজাক বৰষুণ আহিছিল। কেতেকীৰ ওচৰৰ পৰা পাছফালে উঠি গ'ল নীলি। কিছুসময় কেতেকী বৈ থাকিল।

পিছমুহূৰ্ততে নীলি আহি আকৌ কেতেকীৰ ওচৰ পালে।

বাইদেউ মই যাওঁ। পিছে কথা এটা আৰু শুধিব লগা আছিল।

সোধা। সোধা আগৰ ঠাইতে বহি নীলিয়ে ক'লে —

"পুৰোহিতে বিধান দিছে সাদিনীয়া গা ধুউওৱা পাছত তাইক পৰাচিত কৰিব লাগিব। হওঁতে আমিয়ো শাস্তি হওঁতে, কেচুৱাৰ মাক হওঁতে পৰাচিত হৈছোঁ। পিছে পৰাচিত নহ'লে নহয়নে? আমাৰ লেখীয়া পঢ়া মানুহ নথকা গাঁৱত আকৌ পৰাচিতেই পৰাচিত।"

নীলিৰ ওঁঠৰ কোণত বেঁকা হাঁহি এটা বৈ গ'ল —। তাৰ পাছত ক'লে — 'অৱশ্যে পৰাচিতৰ দৰকাৰ আছে, সমাজৰ নিৰ্দ্ধাৰিত নীতিবোৰৰ কিছুমান মানুহৰ সাধাৰণ সুবিধাৰ বাবে। গতিকে গৰু মৰা, ডাঙৰক অপঘাট কৰা আদি বিষয়ত কিমান পৰাচিত কৰে কৰি থাকক। কিন্তু শাস্তি হোৱাৰ অপৰাধত, কেচুৱাৰ মাক হোৱাৰ অপৰাধত পৰাচিত কৰাটো বৰ্বৰতা মাথোন। বুজিছে এইবোৰ আঁতৰাবৰ বাবে আন একো নালাগে, লাগে মাথোঁ সাহস। মোৰ মানুহজন কিন্তু বেঁচ সাহসী। তেওঁ মোক কেচুৱাৰ মাক হোৱাৰ বাবে বা জীয়েক তোলনি হোৱা বাবে পৰাচিত কৰোৱা নাই।'

কেতেকীৰ খপহঁকে আন এটা কথা মনলৈ আহিল —

'বাৰু! এই যে কলগুলি বা তামোল গুলি দৰা সজা কথাটো — সেইটো একা?'

"সেইটো আগৰ দিনৰ সংস্কৃতি। এতিয়াৰ দুষ্কৃতি। আগতে তোলনি হোৱা মানেই স্বামীৰ একান্ত দাসীৰ প্ৰশিক্ষণ আৰম্ভ হোৱা। গতিকে তোলনিৰ চাৰিদিনৰ দিনাই আৰম্ভ হয় গুৰু ভক্তিৰ প্ৰশিক্ষণ। যিহেতু আগৰ দিনত স্বামী-স্ত্ৰীৰ সম্বন্ধ গুৰু-শিষ্যৰ সম্বন্ধ

লেখীয়া। এতিয়া সি বহু হ্বানলৈ উঠিছে। এতিয়া সেইবোৰ অবান্তৰ, ল'ৰা খেয়ালি।"

তেতিয়া বাহিৰৰ ৰবমুণ ডাক এৰিছিল।

কেতেকীয়ে বেডিঅ'ত গএগ মহিলা অনুষ্ঠান লখিমী শুনাৰ দৰে ৰৰ মনোযোগেৰে নীলিৰ কথাবোৰ শুনিলে।

নীলিৰ কথাই অভিভূত কৰে কেতেকীক। এইখন ঘৰলৈ আহিলেই তাইৰ মনটো ভৰপুৰ হৈ যায়, নতুন কথাই, নতুন ভাবনাই।

কেতেকী নীলিৰ ঘৰৰ পৰা আহিবৰ সময়ত আকৌ এবাৰ দহাই কলে — তেওঁ যিকোনো প্ৰকাৰে যেন সাদিনীয়া ধুউৱা দিনা উপস্থিত থাকে। তাৰ পাছত কেতেকী খৰখোজে আহি ৰাস্তাত ভৰি দিলে। ৰবমুণে ধুই নিকা কৰি থোৱা এটা ৰাস্তা।

পদূলিৰ লোহাৰ গেটখনত ধৰি নীলিয়ে কেতেকী যোৱালৈ চাই চাই মনতে কলে — সৰু মানুহ, সৰু কথা। অথচ এই সৰু মানুহজনীৰ মনটো এই ৰাস্তাৰ ঘাই পথটোৰ দৰেই বহল, দীঘল। প্ৰতিখন সমাজত অন্ততঃ (গাঁৱত) পাছজনী মান কেতেকী থকা হ'লে।

আইজনীক লৈ কেতেকী এইকেইদিন ব্যস্ত হ'ব লগা হোৱা নাই। কাৰণ মাহীয়েক আছে। শান্তি হোৱা ছোৱালীৰ সংবিধান জনা মাহী। গতিকে কেতেকীয়ে নিচিন্তমনে বাহিৰৰ জেওৰাবোৰ মাৰিব পাৰিছে।

ভট্টাচাৰ্যৰ ঘৰৰ পৰা আহি কেতেকীয়ে পদূলিলৈ চাই উৰ্চ্ছপচাই আছে। নতুন কথাবোৰ ৰঙাইক কেতিয়া কও কেতিয়া কও লাগি আছে তাইৰ। আনহাতে কামলৈ যাবৰ সময়ত 'আজি অকণমান সোনকালে আহিবচোন' বুলি তাই কৈ পঠাইছিল।

তাই আশা কৰা মতেই ৰঙাই ৰঙা-চিঙা পৰি ভোকে-ভাগৰে ওলালহি। ভোকে-ভাগৰে আহিলেও মানুহটোৰ মুখত অনুক্ষণে এক পোহৰ পোহৰ ভাব। সন্তোষ সন্তোষ ভাব।

ৰঙায়ে মুখ-হাত ধুই, জা-জলপান খাই চ'ৰাঘৰৰ বিচনাখনত কাতি হওতেই কেতেকীয়ে নতুন কথাকেইটা ক'লে।

ৰঙায়েও 'তই যি ভাল দেখ তাকে কৰ' বুলি কেতেকীক সাৰ্বভৌম ক্ষমতা প্ৰদান কৰিলে আগন্তুক কাৰ্যক্ৰমনিকাৰ বাবে।

আইজনীৰ তোলনি বিয়া নাপাতে। কেৱল গাৱঁত জীয়ৰী থোৱাৰী গোট খুৱাই সাদিনীয়া ধুৱাই থব। — এই কথাষাৰ খকনবড়ী গাৱঁত প্ৰচাৰ হোৱাৰ লগে লগে ছোৱালী, বোৱাৰী নিৰ্বিশেষে মানুহবোৰ টিঙিৰি তুলা হৈ উঠিল।

আওঁ চৰে তোলনি বিয়া পাতে। হাতত পা-পইচা নাথাকিলেও পকাধানৰ পথাৰ বন্ধকত থৈয়ো তোলনি বিয়া পাতেই, তামাচা কৰেই। ইহঁতে নাপাতিব কেলেই। বুইছো, বুইছো — সিহঁত এতিয়া ধনী হৈছেতো, ব্ৰহ্মপেৰেত হ'লেই। আগলৈ নাই

পাচলৈ নাই এজনী মাত্র ছোৱালী। তাইৰ বিয়াতে যদি খৰচ কৰিবলৈ নহয় তেনেকুৱা ধন কিহলৈ লাগিছে? তেনেকুৱা ধনত আমাৰ লেখিয়া মাইকীয়ে মুতিহে দিব.....' কেতেকীৰ ঘৰৰ কাষৰ বাস্তাইদি পাৰ হৈ যোৱা মোলনীয়ে সমস্ত গাওঁখনৰ হৈ হেপাহেৰে গুৱাল গালি এসোপা বাকি দিলে। শুনক। শুনক। কেতেকীয়ে শুনক।

সেইমূহুৰ্ত্তত ব'দত শুকাবলৈ দিয়া কাপোৰবোৰ সামৰি আছিল কেতেকীয়ে। তাই খৰখোজে ভিতৰলৈ আহি নিজক ৰক্ষা কৰি মনতে কলে — হওঁক ভেওঁ! এই সোপা শুনিবলৈযে ঘৰত মানুহটো নাই। ঈশ্বৰে ভাল ৰক্ষা কৰিছে। নহ'লে সেই উৰহৰ খং ভগা ঢাৰীত। মানুহটোৰে এইসোপা কেনেবাকৈ শুনা হ'লে মোকে দকচি দকচি সেইমখাই শুনাকৈ বকি থাকিলেহেঁতেন।

কোনে কি ক'লে, কি নক'লে সেইবোৰ খুচৰি-খাচৰি থকা স্বভাৱ কেতেকীৰ নাই। তাই মনতে ক'লে — সাদিনীয়া ধুউৱালৈ গাৱঁৰ জীয়াৰী, বোৱাৰী, বুঢ়ী সকলোকে মাতিম। আহিলে আহিবিহঁক, নাহিলে নাই। তহঁত নাহিলে কিবা মোৰ ছোৱালীয়ে গা ধুব নোৱাৰিবনে?

সময়ত সাদিন আহিল। সাদিনৰ দিনা কেতেকীৰ ঘৰত আক জাক জাক উৰুলি। আকৌ উদুলি মুদুলি। থোঁকিবাথোঁ উৰুলিৰ মাজত বেইতলৰ তামুলী পীৰাত আকৌ আইজনী, আকৌ ফুলকটা লোটাৰ কল কল পানী। পানী আইজনীৰ শিৰত, বাহুত। তাৰ পাছত গাৰে বাগৰি আকৌ এটি লোৰ। আকৌ তামোল পুলি দৰা, সেৰা, আমসাৰ, চাকিসাৰ।

বটো টো বিয়া নহ'ল বুলি নীতি-নিয়ম পালন নকৰিবনে? ছোৱালীয়ে, বোৱাৰীয়ে বং তামচা নকৰিবনে?

আইজনীয়ে গা-ধুই থাকোতেই মাহীয়েকে আগকালৰ কলপাতৰ বভাৰ চোতালত কইনাৰ বাবে পাটী অন্যান্য সকলৰ বাবে ঢাৰী পাৰিলে। পিঠাগুড়ি সেন্দুৰ মিহলাই পাটীটোৰ আগত পূৰমুৱাকৈ সকলৈ মৰল এটা সাজি কাষত কুৰুৱা কটো এখন থলে।

খুৰীয়েকে কোলা কৰি কইনা পাটীত বহুৱালেহি। লগে লগে ঘট, দুনৰি, চাকি আদি কইনাৰ পাৰিষদ কইনাৰ সমুখত থ'লহি।

পিছে কইনাৰ মুৰ মেলা গৰাকী বা কোন? কোন হব আক? কইনাৰ মাহীয়েক থাকোতে আনে কিবা কইনা সজাবলৈ পাবনে? আৰম্ভ হৈ গ'ল জাত জাত বোৰা নাম। কইনাক লৈ নহয়, কইনা সজোৱা গৰাকীক লৈ —

অ' মন তৰা,
কইনা সজাবলৈ আহে ক'ৰ পৰা,
আহোতে আহিছে গহপুৰৰ পৰা,
গহপুৰ বাচষ্টেণ্ডত ঝাড়ুদাৰ কৰা।
চকু কিনো চাবা পোতা পুখুৰী,
মুখ কিনো চাবা বোন্দা মেকুৰী।
হাতলৈ কি চাবা বাঁহৰে জেং,
ভৰিলৈ কি চাবা বগলীৰ ঠেং।
নাক কিনো চাফা শেগুনৰ থোপা,
পিঠি কিনো চাবা নামঘৰৰ দবা।

— হাঁহি-খিল্‌খিলনিত উৰি যাঁও, উৰি যাঁও বগাই ঘৰৰ চোতাল, কল পাতেৰে ছাঁ কৰা চোতাল।

পিছে কইনা সজোৱাজনীৰ খং উঠিছে বা? নাই নাই। মুখ টিপি টিপি হাঁহি আছে বোন্দামেকুৰী মুখৰ, শেগুনৰ থোপাৰে নাকৰ কইনা সজোৱা গৰাকীয়ে।

নতুন পাটৰ কাপোৰেৰে, তেল-সেন্দুৰৰ বেৰ্ঘাৰে, স্নো-পাউদাৰেৰে তমস্কাৰ হৈ পৰিল কইনা। কইনাক ফোঁট দিয়া সেন্দুৰৰ টেমাটো লৈ মাহীয়েকে চকুৰ পচাৰতে তিনিগৰাকী বৃদ্ধা বাছনি কৰি পেলালে — যাৰ কপালত এই বুঢ়া বয়সতো কলপাতৰ সিপাৰে থকা বেলিটোৰদৰেই ৰঙা ফোঁটটো এতিয়াও সৌশৰীৰে দণ্ডায়মান। তাৰ পাছত দুনৰিত বহি থকা 'কনাই'টো চাউল' এবাতিৰ ওপৰত লৈ বাতিটো কইনাৰ কোঁচত দি মাহীয়েক আঁতৰি আহিল।

ইয়াৰ পাছৰ কাৰ্যসূচী হ'ল — কনাই কোলা লোৱা। পিছে প্ৰথমে আকৌ মাকে লোৱাৰহে নিয়ম।

কেতেকীয়ে সোণৰ মণি এটা কনাইক দি জীয়েকৰ কোঁচৰ পৰা নিজৰ কোঁচলৈ, নিজৰ কোঁচৰ পৰা জীয়েকৰ কোঁচলৈ তিনিবাৰ অনা-নিয়া কৰিলে।

'নাপায়, নাপায়। তেনেকৈ কনাই লব নাপায়। পাউদা চাউদা সানিহে কনাই লব লাগে' — বুলি পিছফালৰ পৰা বকুলীয়ে কেতেকীৰ মুখত পিঠাগুৰি এসোপা সানি একেবাৰে ভূতুংপহু সাজি পেলালে।

কেৱল কেতেকীয়েই নে? তাৰ পাছত মাহী, খুৰী, পেহী, গাৱঁৰ যি যি মহিলাই কনাই ললে — সকলোৰে মুখে-মুখে পাউদাৰ সানিলে। তাৰ পাছত এসোপা ভূতু ংপহৰ

উখল-মাখলত, ভুচুংপহ চাই থকা সকলৰ হাঁহি খিকিন্দালিত উবো উবো হ'ল মুৰৰ ওপৰৰ কলপাত।

ভিতৰত সোমাই থকা ৰঙাৱেও অকলে অকলে হাঁহিলে। অকণমান খিবিকিখনেদি মাজে মাজে ভুচুংপহবোৰ চালে।

হাঁহি-খিৰিকালিৰ ফাঁকে ফাঁকে ফুলেশ্বৰীয়ে আঠ-দহ গৰাকীকৈ ভিতৰলৈ নি জা-জলপান খুৱালে।

কণাই লোৱা কাৰ্যসূচীৰ শেষত আইজনীয়ে নোদোকা-নোদোক ল'ৰা-ছোৱালী এহাল কোঁচত ললে, চুমা খালে। আৰু দুয়োখন হাতত লাৰু গুজি দিলে।

'হে'ৰ ফুলেশ্বৰী কলৈ গ'লি। আহ - আহ। কণাই তইহে বান্ধিছিলি এতিয়া তইহে খুলিব লাগিব।' — জুণুৰ মাকে চিঞৰৰ বাখৰ কৰি থাকোতেই বদুৰ মাকে তাইৰ হাতখনত ধৰি টানিয়েই লৈ আহিল।

কণাই খোলাৰ মুহূৰ্তে মুহূৰ্তে হাঁহি, মুহূৰ্তে মুহূৰ্তে খিকিন্দালি —। অ' আই এইকেইদিন গাখীৰ চাখীৰ নুখুৱালি নেকি? আই ঐ দেহি — গোটেইটো পয়ালাগি আছে। হে'ৰ বকুলী — ভাং ভাং। পয়া লগা ভাং।

বকুলীয়ে কণাই বাওঁহাতে লৈ খোপা খুলি চুলিত আগেৰে বিচিত্ৰ মন্ত্ৰ মাতি কণাইৰ পয়ালগা ভাঙিলে। বকুলীৰ কিম্ভুত-কিমাকাৰ ৰূপ আৰু নাশ্ৰুত-নাভূত শব্দৰ ঝংকাৰত আকৌ হাঁহি-খিকিন্দালি বৈ গ'ল দৰ্শক-শ্ৰোতাৰ মাজত।

সেই অনুষ্ঠান সৰ্বতো প্ৰকাৰে মহিলাৰ অনুষ্ঠান। পুৰুষ প্ৰাণীয়ে গা আঁৰ দি ভিতৰৰ পৰা মহিলাৰ খিকিন্দালি জুমি চোৱা অনুষ্ঠান।

অবাৰিত স্বাধীনতা লাভেৰে তেওঁলোকে একেবাৰে শেষৰ কাৰ্যসূচীলৈ আগবাঢ়িল।

বকুলী, পদুমী, ৰহিমলা — যেয়ে যি পালে ঢাকী ঢকুৰা, টেমা আদিয়ে বাদ্য-যন্ত্ৰ আৰম্ভ কৰিলে। এই দেৱবাদ্যসমূহ বাজি উঠাৰ লগে লগে আইতাইঁতে নাচিবলৈ ধৰিলে। বহুত সময় বোকাৰ মাজত সোমাই থকা ভবিৰ দৰে সোতোৰা সোতোৰ আৰু নিস্তেজ ভৰিৰে ৰাঠি বহুবীয়াই গা হালি হালি নাচিলে। কঁকালৰ বিৰ বুলি ওবেটো দিন বিচনাত লিপিট খাই থকা কলটিয়াৰ বুঢ়ীমাকৰ কিম্ভুত-কিমাকাৰ নাচোনত ছোৱালীহঁতৰ মাজত আকৌ হাঁহিৰ বোল। জাত জাত বিহুনামত বিয়া গুছি হৈ পৰিল বিহুতলী। কলপাতৰ ফাঁকে ফাঁকে সৰকি অহা চকলা-চকল ৰ'দে কাপ কাপ কৰিলে বিহুতলীৰ নাচনীৰ মুখ।

তাৰ পাছত শেষৰ তামোলখন মুখত ভৰাই সকলো ঘৰা-ঘৰি গ'ল। নিজান পৰিল — বিয়াঘৰ, বিহুতলী।

'আইজনী পৰাচিত হ'লনে?' এই কথাষাৰ কোনেও নুসুধিলে নহয়নে? — কানি মুনি বেলিকা কলপাতৰ বভাতলত বহি থকা ৰাঙাইৰ প্ৰশ্ন। ওচৰত বহি থকা কেতেকীলে।

'ওহোঁ। হক্ তেওঁ। ভালে-কুশলে কামকলা পাৰ হ'ল' — ঢকুৱাৰ বিচনীখনেৰে মু'হ খেদাই খেদাই কেতেকীয়ে উত্তৰ দিলে।

'পিছে এইয়া সাদিনীয়া ধুউৰা হ'লনে বিয়া হ'ল? নে মাইকী বিহুতলী?' বড়াইৰ প্ৰশ্ন?

সাদিনীয়া ধুউৰা হ'ল বুলি গোপীনীয়া হাঁহি-খিকিন্দালি নকৰিবনে? বিয়াৰ প্ৰয়োজন নাই, হাঁহি-খিকিন্দালিৰ প্ৰয়োজন আছে। — কেতেকীৰ উত্তৰ।

'হওক তেওঁ! মাইকীখনৰ তেলচাট দেখিলোঁ আজি। পিছে মই ৰেয়া পাইছোঁ বুলি নাভাবিবি। ইমানবোৰ ফুৰ্টিয়ে মাইকীখনে হেচো মাৰি থাকে, তাকেহে ভাবিছোঁ।'

বিয়া গ'ল। আইজনীয়ে দুকালে দুদাল বেণী গাঁঠি স্কুললৈ যোৱাৰ আৰম্ভ কৰিলে। পিছে 'আইজনী পৰাচিত হলনে?' কেতেকীয়ে কথাটো গাপতে থাকিল বুলি ভাবিছিল যদিও সেই আশা নাকচ হৈ গাওঁখনত এটা হুলস্থূল হ'ল — কেতেকীহঁতে চুৰা-বিয়া খুৱালে — গাঁৱত বোৱাৰী, জীয়াৰী আনকি বুঢ়ীকেইজনীকো।

পিছে কোনেনো পোটা জাৰৰ খুচৰি গোন্ধ ল'লে? কোন হব আৰু ডেউকা গঁজা দেৱদূত তুলসী শৰ্মাই মনে মনে বহি থাকিবনে? দেৱদূত তুলসীয়ে দুখন পাখিৰে গাঁৱত এপাক ঘূৰিলেই — খেলা খতম। তেওঁ আকৌ কথাবোৰ সেই খকনবড়ী গাঁৱৰ ধদুৰা কেইটাক কবনে? ক'লে — সেই টিথমুখমীয়া কেইটাকহে ক'ব। যিকেইটাই বড়াই ঘৰৰ ওচৰত সন্ধিয়া চৈধ্য পুৰুষ উধাৰি গালি পাৰি থৈ যাব পাৰিব, সিহঁতৰ মুখৰ পৰা ওলোৱা অগ্নিয়ে বড়াই ঘৰ চেলেকি যাব পাৰিব।

অৱশ্যে তুলসী শৰ্মাৰ ঘৰ অৱশ্যে খকনবড়ী গাঁৱত নহয়। খকনবড়ী পাৰহে পোৱা গাঁওখনতহে তেওঁৰ ঘৰ। যি কি নহওক তেওঁৰ গাঁৱত ওচৰে-পাজৰে থকা প্ৰায় চাৰিখন গাঁও তেওঁৰ চৰণীয়া পথাৰ। তেওঁ থাকোতে সেই চাৰিখন গাঁৱত কোনেও পদাৰ্পণ কৰিব নোৱাৰে। সেই চাৰিখন গাঁৱৰ বাবে তেওঁ নৰমনিষ নহয় সাক্ষাত দেৱদূত। অৰ্থাৎ এই সাধাৰণ পথালি চকুৰা নৰমনিষক দেৱতাৰ লগত অদৃশ্য যোগাযোগ স্থাপন কৰাই দিয়া ব্যক্তিজনেই হল তুলসী শৰ্মা। এই চাৰিখন গাঁৱত কাৰ ঘৰত কোন মৰিছে, কেইপাত পুহুকৰ লাগিছে, কেইজনী ছোৱালী শান্তি হৈছে, কেইজনীৰ অশৌচ লাগিছে — এইবোৰৰ বাৰ, তাৰিখ তুলসী শৰ্মাই অনবৰত লৈ ফুৰা গেৰুৱা বস্তৰ মোনাত থকা থিথিবোৰৰ মাজত নাই। অথবা বেলেগ কাগজত লিখি সেইবোৰ বিধিৰ মাজতো ভৰাই থোৱা নাই। সেইবোৰ ফট্‌ফটীয়াকৈ লেখা থাকে তেওঁৰ মগজুৰ মোনাটোত। মগজুৰ হাজাৰ হাজাৰ খোটালিত এইকেইটা কথা মনত ৰখাতো কথাৰ কথানে?

যি কি নহওক, এই চাৰিখন গাঁৱত তেওঁ স্বয়ম্ভু নেতা হোৱাৰ সবাতোকৈ সুবিধাটো হ'ল সেই কেইখন গাঁৱত কক, ম-ম জনাতকৈ নজনা মানুহৰ সংখ্যাই সৰহ। যি দুই-চাৰিজন ডেকাই পঢ়াশুনা কৰি ভাল ভাল চাকৰি বাকৰি কৰিছিল তেওঁলোকো গাওঁ

এবি চহকমুখী হৈছে। জিলাখনব ভিতৰতে শিক্ষা-দীক্ষাই পিছপৰা এই কেইখন গাঁৱৰ বাবে তুলসী শৰ্মাৰ মুখ নিঃসৃত কথাই — ভগৱানৰ কথা, বেদ-বেদান্তৰ কথা। গতিকে কাৰোবাক গাঁৱৰ কোনৰ পৰা বাজ কৰিবলৈ অথবা শকত মাননীৰে উজাবলি দিবলৈ বাধ্য কৰাবলৈ তুলসী শৰ্মাৰ তিলমাত্ৰও সময় নালাগে। মাত্ৰ সেই সেই গাঁৱৰ টিথ্‌থৰীয়া পুৰুষকেইজনক প্ৰথমে অলপ ওপৰলৈ উঠাই দি তেওঁ ক'ব লগা প্ৰয়োজনীয় বাক্য কেইটা তেওঁলোকৰ কৰ্ণ স্পৰ্শ ঘটালেই শৰ্মাৰ আজৰি।

'বঙাৰে জীয়েকক পৰাচিত নকৰোৱাকৈ বাইজক বিয়া খুৱালে —। এই সংবাদটো তুলসীয়ে খকনবড়ী গাঁৱৰ মুখপত্ৰ স্বৰূপ মাধৱক কোৱাৰ আগতে তেওঁ এবাৰ তাৰ মনৰ ওপৰত কেৰেলুৱাৰ দৰে বগাই চালে। বঙাই ঘৰৰ কাষতে নবা-ইকবাৰ ঘৰটোৱেই মাধৱৰ ঘৰ। অশ্লীল আৰু ক্ষুৰধাৰ বাক্যবাণতো খকনবড়ী গাঁৱত অদ্বিতীয়। বচ্‌। তাৰ পাছত তেওঁ নিৰাপদ দূৰত্বত।

দুদিনতে গোটেই গাঁও তল-ওপৰ হ'ল।

দুদিনৰ আগৰ বঙাই ঘৰৰ হাঁহি-খিকিন্দালি এই দুদিনতে ফুটছাই হ'ল। এনেয়েও বঙাই ঘৰৰ দংদংকৈ বাঢ়ি অহা ছিৰী দেখি সিহঁত ডেই-পুৰি মৰাৰ লেখিয়া হৈ আছিল। সৌ সিদিনালৈকে তাৰ ঘৰ নবাৰ আছিল। পিছে মহৰীটো সোমায়েই সি টিঙেৰে চক্‌চকীয়া কৰিলেই। তাৰ ব'দ পৰি চিক্‌চিকাই থকা টিংপাতে সিহঁতৰ কলিজাবোৰ মাছপোৱা দিয়ে। এতিয়া সুবিধাটো পাওঁতেই সিহঁতৰ বুকুৰ জুইকুৰা বঙাইৰ ঘৰত নজলাবলৈ সিহঁত ইমান অধামুৰ্খনে? অৱশ্যে যত কূটবঘাই হ'ল বঙাইৰ ভতিজা মায়া। সেইজনীক ভট্টাচাৰ্য ঘৰত বান্ধী কৰি সিহঁতে চুপচুপায় ভট্টাচাৰ্যৰ ঠেঙত পৰিলগে। ককাই ভাই দুয়োখন ঘৰতে টিং হ'ল। এতিয়া আকৌ লেমটো হবলৈ মহৰীবাবটো পালে। সিহঁত নবাৰ মানুহ নবাৰ তলতে থাকিল।

সেইদিনা সন্ধিয়া বঙাই কামৰ পৰা আহি আগফালৰ বাৰান্দাৰ চকীখনতে অলপ জিৰাইছিল। কেতেকী গোঁসাই ঘৰত, ল'বা-ছোৱালী হালেও প্ৰাৰ্থনা কৰিবলৈ আহি গোঁসাই ঘৰৰ দুৱাৰমুখতে বৈ মাকে চাকি জ্বলাই আজৰি হোৱালৈ বাট চাইছিল।

মুহূৰ্ততে আকাশ-বতাহ একাকাৰ কৰি আকণ্ঠ গৰম পানীটুপি পি আহি মাধৱে চিএৰিলে — 'চাল্লা ভতিজাবক বেশ্যা দি ভট্টাচাৰ্যৰ সতে মিতিৰ পাতি দেখুৱাইছ! টিংপাত লৈ দেখুৱাইছ (অশ্লীল), ধন পাই ক'ব নোৱাৰা হলি, চাল্লা তিৰোতা সেৱকা, গোট গাঁওখনৰ মাইকীমখাক চুৱা খুৱালি (অশ্লীল), নিজে নৰকত থাকি আনকো নৰকলৈ টানিচ (অশ্লীল)................।

গোঁসাই চাকি দি হাতত চাকিগছ লৈ ভিতৰ সোমোৱা কেতেকীয়ে বঙাইৰ মুখৰ ফালে চাব পৰা নাছিল।

মাধৱৰ গালি ক্ৰমশ বেচি অশ্লীললৈ গৈ আছে।

অসহ্য হৈ কেতেকী সাউতৰ্কে ৰাস্তা পালেগৈ। দাঁত কৰচি কৰচি তায়ো সমান জোৰেৰে ক'লে — "ঐ পাগল, এনেকে চিঞৰিছ কিয়? যা পুলিচ, চিপাহী কওঁ কি আছে লৈ আন। আমাক থানাত সুমাই থ।..................'

ৰঙাই খঙত কঁপি কঁপি ইফালে-সিফালে উদেশ্যহীন ভাবেই খৰখোজে ঘূৰি ফুৰিলে। যত-কূটৰ ঘাই কেতেকীক ভালকৈ এচাবুৰী দিবলৈ পোৱা হ'লে সি উশাহ ল'ব পাৰিলেহেঁতেন। পিছে আজি ছয়মাহ মানৰ আগতে সি শপত খাইছে — তাইক' নামাবে। অৱশ্যে তাৰ বাবে শপত ডাঙৰ কথা নহয় — ডাঙৰ কথা তাই আজিকালি খং উঠিলে গুৰু-গোঁসাই নমনা হয়।

অকল সেয়েনে? পিছদিনা দুপৰীয়া এজাক মহিলা আহি কেতেকীৰ ঘৰতে নেওচা-কেওচা দি গ'ল। দি গ'ল বৃহস্পতিবাৰে ভাগৱত পাঠৰ আগে আগে সিহঁতৰ হৈ মেল চপোৱা খবৰটো।

পিছে মানুহটোৰেবা আকৌ কথাৰ মূৰত কথাবাৰ টপাটপ ক'ব পাৰে বা নোৱাৰে! — কথাবাৰ মনলৈ অহাৰ লগে লগে সম্বন্ধীয় ভতিজাক বিকাশক খাটনি ধৰি মেললৈ মাতি আহিল।

মেললৈ মাইকী যোৱাৰ নিয়ম নাই।

সাঁজ লগাৰ লগে লগেই ৰঙাই আৰু বিকাশ মেললৈ গ'ল। খেলত গতানুগতিক এটা হুলস্থূল। প্ৰথমিক বিচাৰৰ শেষত ৰায় হল — চুৰা-বিয়া খুউওৱাৰ বাবে ৰঙায়ে উদ্ধাৰণি দিব লাগে। নহ'লে খেলৰ পৰা বাজ কৰি দিয়া হ'ব। মুহূৰ্ততে গুৰি ধৰিলে বিকাশে।

বিকাশ এই গাঁৱৰ নতুন নহয়। আগতে সিঁহঁতো এইখন গাঁৱতে আছিল। তাৰ পাছত পঢ়া-শুনা কৰি উঠি এই ঘোকোট গাঁওখনৰ পৰা মুকলিলৈ গৈ বেলেগ গাঁৱত নিবাসী হ'ল।

সি কোমল সুৰ এটাৰে গঞাক কলে —

'আপোনালোকে ক্ষাহ্‌কৰে এনে সিদ্ধান্ত নলবচোন। পুষ্পিতা কন্যাক পুৰোহিতে কিহৰ জগবত পৰাচিত কৰে সেইটো জানি লওক। কথা হ'ল দোষতহে দণ্ড। আমাক বিনাদোষত কোনোবাই দণ্ড বিহিব, সেইটো আমি চকু মুদি মানি লমনে? কেৱল এয়েনে? নৱজাতকৰ মাতৃকো এওঁলোকে পৰাচিত কৰে — এই পৰাচিতবোৰ কাৰ প্ৰয়োজনত কৰা হয়? কোনখন শাস্ত্ৰত এইবোৰ লেখা আছে? কেনেকৈ লেখা আছে প্ৰথমে ব্ৰহ্মসমাজৰ সভালৈ গৈ এইবোৰ জানি লওক। খুৰাতো ইয়াৰ পৰা হেৰাই পলাই নাযায়। তাৰ পাছত তেখেতৰ কেইধেনু পৰাচিত হয় কৰিব।..............

হয় হয়।

বিকাশৰ লাখৰ-বাখৰ মুখৰ কথাবোৰ মাধৱবো কিবা ভাল-লাগি গ'ল।

তাৰ কথাবোৰ শেষ হোৱাৰ লগে লগে সকলোৱে একেমুখে 'হয় হয়' বুলি শলাগিলে। নামঘৰৰ ঢিমিক ঢামাক চাকিৰ বিচ্ছুৰিত পোহৰত বিকাশে মানুহবোৰৰ মুখলৈ চালে — একাল পোহৰ, একাল ছাঁ এই সৰল মুখবোৰ কৰুণভাৱে সৰল হৈ পৰিছে।

সভাৰ শেষত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল — কমলপুৰ ব্ৰাহ্মসমাজৰ সভাপতি হৰকান্ত শৰ্মালৈ এখন চিঠি দিয়া হওক — এই পৰাচিতবোৰৰ কৈফিয়ৎ বিচাৰি। তাৰ পাছত বৰুৱাইৰ ওপৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

'বেয়া নাপাব। মই কোনো ব্ৰাহ্মণৰ সভালৈ যোৱাৰ পক্ষপাতী নহওঁ। মই মানুহ। মই মাত্ৰ যাব পাৰোঁ মানুহৰ সভালৈ। সেই মানুহ বামুন নে শূদিৰ, হিন্দু নে মুছলমান এইবোৰ জনাৰ মোৰ প্ৰয়োজন নাই।'

'আপুনি তেনেহলে নিজকে ব্ৰাহ্মণ পুৰুষ বুলি পৰিচয় দিব নোখোজে?'

'মই মানুহ। মানুহ হিচাপে মোৰ সাধ্যৰ ভিতৰৰা কাম মই কৰি গৈছো। সেয়াই মোৰ চিনাকি।'

'ঠিক আছে। আপুনি ব্ৰাহ্মণ বুলি যাব নালাগে। মানুহৰ সমাজ বুলি গণ্য কৰিয়েই যেনেতেনে সভাত উপস্থিত থাকে যেন।'

'উপস্থিত থাকিম নে নাথাকিম মই এতিয়াই কৈ দিব নোৱাৰিম। থাকিব নোৱাৰিলে মই আপোনাক জনাম।'

'নাই নাই তেনেকৈ নক'ব। আপুনি মোতকৈ বয়সত সৰু। মই আপোনাক সবিনয়ে অনুৰোধ জনাইছোঁ — আপুনি আমাৰ মাজত নাথাকিলে একেবাৰে সৰ্বনাশ হ'ব। আপুনি সভালৈ যাবই লাগিব। আপোনাৰ যিদিনাই সুবিধা হয় সেই দিনাই আমি সভাৰ তাৰিখ নিৰ্ধাৰণ কৰিম।'

'আচলতে যুক্তিনিষ্ঠ কথাহ'লে এটা সৰু ল'ৰাৰ অনুৰোধো মই উপেক্ষা কৰিব নোৱাৰো। যি কোনো দেওবাৰত মই সভালৈ যাব পাৰো। কিন্তু.........'

আপোনাৰ কোনো 'কিন্তু' মই নুশুনো। অহা সভাখন বেছ উত্তপ্ত হ'ব। ইতিমধ্যে

কেইবাটাও কেচ আমাৰ মাজতে আছিছে। সেইবোৰ সমাধান কৰিবলৈ আপোনাৰ দৰে উচ্চশিক্ষিত মানুহ আমাক লাগে।

'বাৰু কওকচোন কেচবোৰ বেছোৰকণৰ শুনো।'

'নকৰ বুইছেনে? বামুনক এইবাৰ কলঙ্ক নিম বুলি লাগিল শূদ্ৰৰ মথা। খকনবস্তী গাঁৱৰ বস্তাই বৰাৰ জীয়েক পুষ্পিতা হ'ল। পৰাচিত নকৰাকৈয়ে বাইজক বিয়া খুৱালে। আদাক দেখি উঠিল গা. নিচিনা কথা। তাকে দেখি শুনি মাধৱ শইকীয়ায়ো ঘৈনীয়েকৰ অশৌচীয়া পৰাচিত নকৰাকৈয়ে তাইৰ হাতে ঘৰৰ সকলোকে ভাত খুৱালে। গতিকে আপোনালোকৰ দৰে উচ্চশিক্ষিত ব্ৰাহ্মণে এইবোৰত মাত নামাতিলে গাঁওবোৰ ভ্ৰষ্ট হ'ব, জিলাখন বসাতলে..........'

কমলপুৰ ব্ৰাহ্মণ সমাজৰ সভাপতি হৰকান্ত শৰ্মা আৰু সীমান্ত ভট্টাচাৰ্য কথোপকথনৰ মাজতেই বিকাশ ওলালহি। বিকাশ বৰা। পঢ়া-শুনা থাকিলে কি হ'ব? হাজাৰ হ'লেও শূদ্ৰৰ ল'ৰা। এইবোৰে শুনাকৈ হৰকান্তই বামুনৰ কথাবোৰ কৈ নেপেলায়। সেয়েহে বাক্যটো আধাতে এৰি আন দুটা বাক্য হৰকান্তই প্ৰয়োগ কৰিলে

'বাৰু মই উঠো। পাছে পৰে কেইজনমান গোট খাই আহিম।'

'ঠিক আছে।' সহজ গাম্ভীৰ্যৰে ভট্টাচাৰ্যই উত্তৰ দিলে।

পিছফালৰ পৰা বিকাশে হৰকান্তলৈ চাই এক তাৎচিল্যৰ হাঁহি মাৰিলে। তাৰ পাছত সি ভট্টাচাৰ্যলৈ চাই ক'লে —

'ছাৰ খুউব সম্ভৱ সোনকালেই এম্ পি ফাণ্ডৰ টকাটো বিলিজ হ'ব। সেইখিনি টকা পালে আৰু চিন্তা নাই।'

অ' সেইখিনি পালে কিছু সকাহ পোৱা যায়। সহজ উত্তৰ ভট্টাচাৰ্যৰ।

বিকাশৰ লগত কলেজ কনষ্ট্ৰাকশনৰ দুই এবাৰ কথা পাতি আৰু কমলপুৰ কেন্দ্ৰীয় কলেজৰ নামত ছপা কৰা বছিদ বহী দুখন বিকাশৰ হাতত দি তেওঁ ক'লে,

'বুইচা মই এইকেইদিনত মোৰ পুৰণা বন্ধু-বান্ধবীৰ পৰা যথেষ্টখিনি সংগ্ৰহ কৰিলোঁ। গুৱাহাটীত এসপ্তাহ থাকোতে চাৰিখন বহি শেষ কৰিলোঁ। লগত থাকেই দিয়াচোন। দুই এবাৰ কথা পতাৰ পাছত মন বুজি বহীখন উলিয়াই দিও।' অৱশ্যে মিছা কথা এবাৰ কবলগীয়া হ'লে তেওঁ হৃদয়ত মৃদু কম্পন এটা অনুভৱ নকৰাকৈ নাথাকে।

বছিদ বহী চাৰিখন লৈ বিকাশ গ'লগৈ।

ভট্টাচাৰ্য সোমাই গ'ল নিজৰ লেখা-পঢ়া কৰা কোঠাটো। কোঠাৰ নিৰ্দিষ্ট চকীখনত বহি তেওঁ বচিদ বহীবোৰ উলিয়াই এটাৰ পাছত এটাকে লিখি গ'ল — ঘন শইকীয়া

পাঁচশ টকা, নিভা গগৈ এহেজাৰ, বকুল গগৈ এহেজাৰ ইত্যাদি। ইতিমধ্যে দহখন মুখ মনত পেলাই পেলাই তেওঁ দহটামান বহিৰ কাটি শেষ কৰিলে।

হাতত কলমটো টেবুলত থৈ ভট্টাচাৰ্য অলপ ৰ'ল। যাৰ যাৰ নামত ইতিমধ্যে তেওঁৱে টিকট কাটি পেলাইছে সেই নামৰ মানুহবোৰ কেতিয়াবা এইখন সমাজত আবিৰ্ভাব হ'ব পাৰে নেকি? সেই মানুহবোৰ পৰিচয়-বিকাশহঁতৰ চিনাকি নেকি? সিহঁতে আকৌ তেওঁলোকে আগবঢ়োৱা দান-বৰঙণিৰ বাবে ধন্যবাদ দি পেলাব নেকি? তেতিয়া? তেতিয়া সিহঁতে চক খাই নুঠিবনে?

এইবাবে তেওঁ এনে কিছুমান নাম ঠিকনা মনলৈ আনিলে যিবোৰ ব্যক্তিক বাস্তৱিকতে কোনেও কেতিয়াও লগ নাপাব। তাৰ পাছত তেওঁৰ সমুখলৈ উঠি আহিল কিছুমান সংখ্যা। সংখ্যাবিলাকে তেওঁ সমুখত ঠেলা-হেঁচা কৰিলে। ক'লা হাতেৰে অহা, ক'লা হাতেৰে সামৰা কিছুমান টকাৰ সংখ্যা। সিহঁতে যেন মুক্তি বিচাৰিছে। ক'লাৰ পৰা মুক্তি। এন্ধাৰৰ পৰা মুক্তি।

ভট্টাচাৰ্যই হাতত কলম তুলি ল'লে। বগা কাগজৰ ৰচিদ বহীত লিখি গ'ল নীলা চিয়াহীৰ কিছুমান বাস্তৱিক, কাল্পনিক নাম, ঠিকনা। লিখি গ'ল কাল্পনিক বৰঙণি — এশ, দুশ, পাঁচশ, এহেজাৰ ইত্যাদি। গুৱাহাটীত কেইদিনমান কটাই অহাৰ পাছত এই কামটো কৰিবলৈ যথেষ্ট সুবিধা।

তেওঁ কলমৰ পিছটো থুতৰিত ঘহাঁই ঘহাঁই ভাবিলে — কলেজ কনষ্ট্ৰাকশ্যন কমিটিৰ সদস্যসকলে আকৌ এবাৰ চমক খাব। চমক খুবাব তেওঁৰ ব্যক্তিত্বৰ পৰিধিয়ে, চিনাকি পৃথিৱীৰ হাজাৰ-বিজাৰ দান-বৰঙণিয়ে।

নীলিমা ভট্টাচাৰ্য ঘৰত নথকা সময়কণত তেও এইবোৰ কাম মুকলি-মূৰীয়াকৈ কৰিব পাৰে। তেওঁ ঘড়ীটোলৈ চালে — এক বাজিছে। তাৰ পাছত এবাৰ নীলিমাৰ কথা ভাবিলে — তেওঁ মেঘালীৰ ঘৰৰ পৰা নিশ্চয় সন্ধিয়াৰ আগে আগে পাবহি। কাৰণ বিমল ফুকন মানে মেঘালীৰ স্বামীৰ পেৰেলাইচিচ হোৱাৰে পৰা দুই এদিনৰ মূৰে মূৰে তেওঁ মেঘালীৰ ওচৰ পায়গৈ। স্কুল থাকোতেও স্কুলৰ পৰা আহি হ'লেও এপাক মাৰিহে এৰে। সেইবোৰ যিয়েই নহওক -- নীলি ক'লৈ গৈছে? কিয় গৈছে — সেইবোৰ আচল কথা নহয়। আচল কথা হ'ল — পত্নী ঘৰত নথকা সময়কণ তেওঁৰ অভিলাষিত সময়। সেইখিনি সময়ত তেওঁ যিটো ফাইল মন যায় সেইটোকে অনায়াসে খুলিব পাৰে।

কলেজ কনষ্ট্ৰাকশ্যনৰ ডাঙৰ ফাইলটোত ৰখা বহীবোৰ ভৰাই কটা ৰচিদৰ টুকুৰাবোৰ তেওঁ হাতেৰে মোহাৰি মোহাৰি একেবাৰে গোল কৰি পেলালে। তাৰ পাছত সেইবোৰ

খিৰিকিতে নাচপতি জোপাৰ গুৰিলৈ দলিয়াই দিলে। চিনাকি অচিনাকি নামৰ বিপৰীতে থকা এই ব্যক্তিবোৰ পৰি থাকিল নাতি-দূৰৰ নাচপতি জোপাৰ তলত।

কিছুসময় চকীখনত এনেয়ে থেলেন দি দি তেওঁ বহাৰ পৰা উঠিল। তাৰ পাছত কাষত থকা সৰু বিচনাখনত এনেয়ে গাতো এৰি দি তেওঁ নিজৰ মনৰ পৃথিৱীত এবাৰ প্ৰদক্ষিণ কৰি চালে। নাই তেওঁৰ মনৰ পৃথিৱীত এতিয়া আৰু কোনো অশুভ অনুভৱ নাই। পিছ মূহূৰ্ততে তেওঁৰ মনলৈ আহিল পুৰাৰ কথোপকথন। নীলিৰ সৈতে চাহৰ মৌজত হোৱা কথোপকথন।

'মায়াৰ হেনো পাঁচ মাহ। পঞ্চামৃত খুৱাবলৈ এইকেইদিনতে আনিব লাগিব।'

'তোমাক কোনে ক'লে?'

'ফুলেশ্বৰী আহিছিল কালি।'

'মাকে কি খুৱায় খুৱাই থাকক। সেইবোৰ চিন্তাও তুমি কৰিলেহে হয়নে?'

'হওকচোন দিয়া। তাই অতদিন থাকি গৈছে। অতদিন নিজৰ ঘৰৰ দৰেই দায়িত্ব বহন কৰি গৈছে। গতিকে উলিয়াই দিয়া জীয়াৰীয়ে মাকৰ ঘৰৰ পৰা পাব লগা মৰম স্নেহখিনি পাওক। তোমাৰনো কি ক্ষতি হ'ব?'

'নাই, কথাষাৰহে কৈছোঁ।' — আচলতে তেওঁ ক'ব লাগিছিল — মোৰ কি ক্ষতি হয় সেইয়া খোলা-খুলিভাবে তোমাৰ ক'ব পৰা হ'লে, মই কেতিয়াবাই বাচি যাওঁ। অথবা হয় হয় মোৰণো কি ক্ষতি হ'ব? মোৰনো কি এনে ক্ষতি কৰি গৈছে যাৰ বাবে মই তাইৰ উপস্থিতি সহ্য নকৰিম। কম কথাৰ মানুহ ভট্টাচাৰ্য এইবোৰ একোকে নকৈ চমুকৈ কৈ থলে — নাই কথাষাৰহে কৈছোঁ।

আচলতে নীলিৰ মুখত মায়া নিজৰ ছোৱালীৰ দৰে, অন্ততঃ এতিয়া নিজৰ জোঁৱাই — এই 'নিজৰ নিজৰ' শব্দবোৰ প্ৰয়োগ কৰি নীলিয়ে কথা কৈ থাকিলে ভিতৰি ভিতৰি ভট্টাচাৰ্য অসম্ভৱ উত্তেজিত হয়। তেওঁ মনে-প্ৰাণে 'মায়া' শব্দটো উচ্চাৰণ নোহোৱাটোৱেই বিচাৰে।

বাগৰটো সলাই তেওঁ আকৌ ভাবিলে এই যে অৰূপ আগৰৱালাতেওঁ কিছুমান ক'লা টকা কৌশলেৰে বগা কৰি পেলাইছে সেইদৰে ক'লা স্মৃতিবোৰ পূৰ্ণিমাৰ দৰে বগা কৰিব পাৰিবনে? আচলতে? আচলতে সঁচাকৈয়ে পাঁচমাহনে? পাঁচ নে সাত? সাত নে পাঁচ? — সংসাৰ অভিজ্ঞতাৰে পুষ্ট ভট্টাচাৰ্যৰ অনভিজ্ঞ প্ৰশ্ন।

মুহূৰ্ততে মানুহটো আকৌ সচেতন হ'ল। অৱচেতন মনত লুকাই থকা-বিয়াত স্মৃতিবোৰ তেওঁ একেবাৰে নিৰ্বাসন দিবলৈ চেষ্টা কৰিলে। নাই নাই তেওঁৰ মগজুত

ফুটা ফুটা কৰা কোনো চোতাল পোক নাই। অতীতৰ অবাঞ্ছিত স্মৃতি অতীতভেই সাকৰ খাই থাকক। তেওঁ এতিয়া বৰ্তমানৰ মানুহ। বৰ্তমান এই সমাজৰ এক অপৰিহাৰ্য মানুহ। তেওঁ সম্পৰ্ক বৰ্তমানৰ লগত, ভবিষ্যতৰ লগত। কোনো অশুভ অতীতত তেওঁ জড়িত নহয়।......... ভাবোন্মাদ মানুহটো খপহকৈ বিচনাৰ পৰা উঠিল। যেন মগজুৰ অপাংক্তেয় চিন্তাবোৰ গাৰ জোৰে দূৰলৈ দলিয়াইছে পঠাব তেওঁ।

খৰখোজে ভট্টাচাৰ্য আগফাল পালেহি। তাৰ পাছত বাৰান্দাৰ মূৰলৈ চকীখন টানি নি তাতে বহি পৰিল।

ইতিমধ্যে বাঈজনীয়ে তেওঁৰ সমুখত চাহ কাপ থলেহি।

চাহৰ কাপটোত মাত্ৰ এটা শোহা পৰোতেই তেওঁ আকৌ থৰ হৈ গ'ল। তেওঁ অনিমেষ নেত্ৰে চাই ৰ'ল — পদূলিলৈ — জেতুলীপকা ৰ'দটো মূৰত লৈ জেতুলীপকা ৰঙৰ মানুহজনীলৈ। মানুহজনীৰ দগ্‌মগ জুই যেন মুখ। অথচ তীব্ৰভাৱে বিবৰ্ণ।

কি ক'ব? কি ক'ব? এই বিবৰ্ণ অথচ ৰঙা মানুহজনীয়ে? — কেনেবাকৈ মায়া আৰু মোৰ মাজৰ দুৰন্ত নিশাটো ফাঁচ হৈ গ'ল নেকি? নিমিষতে তেওঁৰ শৰীৰৰ ৰক্ত প্ৰবাহ খৰ হৈ গ'ল।

জেতুলীপকা মানুহজনী তেওঁৰ গাৰ কাষেদি পাৰ হৈ গ'ল। বাৰান্দাৰ এমূৰে বহি থকা মানুহ এটালৈ তেওঁ লক্ষ্যই নকৰিলে।

বাৰান্দাৰ ৰক্তপ্ৰবাহ খৰ গতিত চলি থকা মানুহটোৱে ভিতৰি ভিতৰি নিজকে প্ৰস্তুত কৰিলে আসন্ন এক বিভীষিকাৰ বাবে।

ঘৰৰ ভিতৰৰ প্ৰতিটো কোঠা ভুমুকি মাৰি-মাৰি হয়তো মানুহজনীয়ে ভট্টাচাৰ্যকেই বিচাৰি ফুৰিছে।

এপাকত তেওঁ আগফাল পালেহি আৰু ভট্টাচাৰ্যৰ ফালে আগবাঢ়ি গ'ল।

ৰক্ত প্ৰবাহ উৰ্দ্ধৰ পৰা উৰ্দ্ধলৈ গতি কৰিছে বাৰান্দাৰ এমূৰে বহি থকা মানুহটোৰ।

শুনিছোনে বিমল ফুকন মৰিল। মই যাওঁতে তেওঁক বাহিৰলৈ উলিয়াইছে। বাহিৰত দহমিনিটমান থকাৰ পাছতে সকলো শেষ। বিমল অনুনিয়াৰ এটা মাৰি নীলিয়ে কলে।

হঠাৎ গোটেই দেহ অসাৰ অসাৰ লাগি গ'ল ভট্টাচাৰ্য্যৰ। এই পাৰুৰ তেওঁৰ একমাত্র সহপাঠীজন হঠাৎ চিৰদিনৰ বাবে নোহোৱা হৈ গ'ল। কিছুসময় স্তব্ধ হৈ থকাৰ পাছত তেওঁ কলে, 'হেৰা বাইজনীক ফুল কেইপাহমান আনিবলৈ কোৱাচোন।'

হাতত ফুলৰ থোপা লৈ ভট্টাচাৰ্য কঁপা কঁপা খোজেৰে আগবাঢ়িল ফুকনৰ ঘৰৰ ফালে।

ভট্টাচাৰ্য উঠি যোৱা চকীখনতে নীলি বহিল। অলপ আগলৈকে নীলিৰ মনটো দুখত ভাগি গৈছিল যদিও এতিয়া শান্ত হৈছে। তেওঁ ঘূৰাই পকাই মেঘালীৰ অতীতটো, বৰ্তমানটো চাইছে। মেঘালীৰ ছোৱালী জীৱনৰ, বোৱাৰী জীৱনৰ সৰহখিনি দিনৰ ডায়েৰী নীলিৰ জনা আছে।

যবলৈ প্ৰতিদিনে ডাক্তৰ অহা যোৱা কৰি বিমলৰ চিকিৎসা চলি আছিল আজি দুটা মাহে। এই দুটা মাহত অনুক্ষণে বিমলৰ ওচৰত থকা মেঘালীৰ মুখৰ চাল কোঁচ-মোচ খাই হঠাৎ দহ বছৰ বয়স বাঢ়ি গ'ল তাইৰ। এই দুটা মাহত তাইৰ বংশৰ বৰ বৰ মানুহবিলাকৰ উপদেশ, আদেশ শুনি শুনি, পালন কৰি কৰি অতিষ্ঠ হৈ পৰিছিল তাই। .... হেৰা দিনটোত তিনিবাৰমান মালিচ কৰিবা, মালিচ এক নম্বৰ ঔষধ, এখোজ দুখোজ কঢ়াবলৈ চেষ্টা কৰিবা, ঘড়ীৰ কাটাই কাটাই ঔষধ খুৱাবা, এইবোৰ কাম তুমি নিজ হাতে কৰিবা, বুজিছা এতিয়া তোমাৰ পতি সেৱাই ঈশ্বৰ সেৱা ইত্যাদি .... এইবোৰ ডাক্তৰৰ উপদেশ নহয়, ফুকন বংশৰ জেঠসকলৰ উপদেশ।

পতিক খুউৱা, গা-ধুউওৱা, প্ৰেচাব-পাইখানা কৰোৱা এইয়াই তাইৰ জীৱন। তাই পাহৰি পেলালে তাইৰো যে এটা তেজ মঙহৰ শৰীৰ আছে। নিয়মিতভাবে চলিবলৈ সেই যন্ত্ৰটোকো খাদ্য লাগে। টোপনি লাগে। আচলতে বিমলে অনুক্ষণে মেঘালীক কাষত বিচাৰেনে নিবিচাৰে সেইটো আচল কথা নহয় — আচল কথা পৰিয়ালৰ জেঠসকলে বিচাৰে। তেওঁলোকে অৱশ্যে স্বামীৰ দুখত কাতৰ হোৱা চকুৰ পানীৰে সিক্ত এখন মুখো বিচাৰে।

নীলিয়ে যোৱা শুক্ৰবাৰে দেখি অহা মেঘালীৰ ঘৰৰ পৰিৱেশটো আকৌ এবাৰ লুটিয়াই চালে—

সেইদিনা নাৰ্চ এজনী বিমলৰ পৰিচৰ্যাৰ বাবে নিয়োগ কৰি তাই আনটো কোঠাত নিচিন্তমনে শুই আছিল। বহু নিশাৰ টোপনিয়ে হেচা মাৰি ধৰিছিল মেঘালীক।

তেনেতে আহিছিল খুবীশাহ। বোগীৰ কাষত প্ৰায় আধাঘণ্টা কটোৱা খুবীয়ে তেতিয়াও মেঘালীৰ শ্ৰীমুখ দৰ্শন পোৱা নাই, সন্দেহৰশতঃ তেওঁ ভিতৰলৈ সোমাই আহিল। ভিতৰৰ কোঠাত ধোবাং দি পৰি থকা মেঘালীক তেওঁ কেইবাবাৰো মাতিলে।

নাই নাই। তাইৰ কোনো সাৰ সুৰ নাই।

তেতিয়া তেওঁ দাঁত-কৰচি গৰজি উঠিল — আও! সেইটো মানুহ লোকৰ হাতত গতাই ভাল-ঢোপনি মাৰিছে এই কাঠিয়ে। হৰি হৰি ক'ত দেখিছা এনে-তিৰি। এবা! মানুহটো এনেয়ে শয্যাগত হোৱা নাই। এই খাইমুৰিজনীৰ ভাগ্যৰ ফেৰতে এনে নাজল-নাথল হৈছে।

মেঘালীয়ে সাৰ পোৱা নাই সপোন দেখিছে। সপোনৰে তাই কৈছে — ক'তা মই দেখোন মানুহটোৰ গা পিতিকিয়েই আছোঁ। আপুনি মোক দেখা নাই। আপুনি তেনেহলে কণা। বাগৰ সলাই আকৌ শুলে মেঘালী।

তাৰ পাছতো আকৌ এহালিছা বলকি বলকি খুবীশাহ গ'লগৈ। ঘৰলৈ নহয় — বিমলৰ ককায়েকৰ ঘৰলৈ।

যেতিয়া তাই সাৰ পাইছিল তেতিয়া আবেলি চাৰিমান বাজিছিল। লৰালৰিকৈ হাত-মুখ ধুই বিমলৰ খোৱাৰ যোগাৰ কৰিছিল তাই।

বোগীৰ খুউৱা-বুউৱা শেষ কৰাৰ পাছত নাৰ্চজনী গ'লগৈ।

তাই হাতত বিচনিখন লৈ বিমলৰ ওচৰত বহি থাকোতে বংশৰ দুগৰাকী জেঠাসহ খুবীশাহ পুনৰ উপস্থিত। 'আহক বহক' তাইৰ শব্দলৈ আওকাণ কৰি সপোনত শুনা-ভৎসনাকৈ কঠোৰ ভৎসনা খুবীশাহুৱে বৰ্ষণ কৰি থাকোতেই নীলি পালেগৈ।

নাই, মেঘালীৰ কোনো উত্তৰ নাই। শব্দৰ প্ৰহাৰ নহে এতিয়া অস্ত্ৰৰ প্ৰহাৰ হলেও তাই টু শব্দ উচ্চাৰণ নকৰিব।

তাই কেৱল চকুপানী টুকিলে। বুকুৰ দুখবোৰ নীলিক ক'লে।

মৃতদেহত ফুল দি ভট্টাচাৰ্য ঘূৰিল। তেওঁ ভিতৰৰ পৰা চকী এখন আনি নীলিৰ কাষতে বহি পৰিল।

ভট্টাচাৰ্যই দীঘল হুমুনিয়াহ এটা পেলাই ক'লে — এবা! ল'ৰা-ছোৱালীহাল বৰ সৰু হৈ থাকিল। বিমলৰ চাকৰিটো অৱশ্যে পাব লাগে তাই।

লাগি ভাগি চাকৰিটো পোৱাবই লাগিব। নহ'লে চলিব কেনেকৈ। বেচেৰীয়ে বহুত ভুগিলে।

বহুত ভুগিলে মানে? প্ৰশ্নবোধক চাৱনিৰে ভট্টাচাৰ্যই নীলিলৈ চালে।

ওঁ। তুমি সেইবোৰ নাজানা বুলিছে। মন্ত্ৰো কোৱা নাই। এই দুমাহতে তাইক পৰিয়ালৰ মানুহে নাকনি কাননি কৰিলে। পৰিয়ালৰ জেঠা মহিলাসকলৰ এনে ধাৰণা যেন বিমল নিজৰ ভাগ্যৰ বাবে অথৰ্ব হোৱা নাই — মেঘালীৰ খাইমুৱা কপালৰ কেৰাতহে সি শয্যাগত হৈছিল। আনকি মাকহঁতৰ-পৰা আসে পাই ভতিজাকহঁতেও তাইক কটু কথা কবলৈ কেৰেপ নকৰিছিল। আবেলিৰ পোতা ৰ'দলৈ চাই-চাই নীলিয়ে কথাখিনি কৈ গৈছিল।

ভট্টাচাৰ্যৰ ওচৰৰ পৰা নীলি ভিতৰ সোমাল। শোৱনি কোঠাৰ বিচনাত দীঘল দি আকৌ সোমাই পৰিল মেঘালীৰ মাজত।

নীলি উভতি গ'ল কলেজৰ দিনবোৰলৈ। যিবোৰ দিনে তাইতকৈ এক ক্লাছ তলৰ মেঘালীৰ গুপ্ত প্ৰতিভা জাগ্ৰত কৰিছিল। যিবোৰ দিনত হৈ পৰিছিল মেঘালী কলেজৰ গৌৰব, মান-মৰ্যদা বৃদ্ধিকাৰক। সদৌ অসমভিত্তিত গল্প, কবিতা, তৰ্ক আদি বিভিন্ন প্ৰতিযোগিতাত পুৰস্কৃত হৈছিল মেঘালী। তাইক সম্বৰ্দ্ধনা জনাবৰ বাবে অনুষ্ঠিত হৈছিল সভা। সভাত তাইক উৎসাহিত কৰি বক্তৃতা দিছিল ছাত্ৰসকলে। ছাত্ৰ সংস্থাৰ সভাপতি, সম্পাদকে।

বি. এ. ফাইনেল দিয়েই তাই ভেকোভাওনাত বহিল। বিয়া নামৰ ভেকোভাওনা। সমাজে জোৰ-জুলুমকৈ নাৰীক জাপি দিয়া যন্ত্ৰনা — সন্তানৰ মাক হ'বই লাগিব, পাকঘৰৰ নিমখ-হালধীৰ জোখ জানিবই লাগিব, দিনৰ দিনটো হকে-বিহকে আহি থকা আলহীৰ অত্যাচাৰ সহ্য কৰিবই লাগিব, বংশ পৰিয়ালৰ দায়িত্ব পালন কৰিবই লাগিব। উস্! বিয়া নামৰ অনুষ্ঠানে কৰিব নোৱাৰে কি?

দুৱাৰ মুখৰ পৰা ভট্টাচাৰ্যই শোৱনি কোঠালৈ ভুমুকিয়াই চালে। বিচনাত পৰি আছে নীলি। তেওঁ ইতিমধ্যে বুজি পাইছে এতিয়া নীলি— নীলি হৈ থকা নাই। এতিয়া সম্পূৰ্ণ মেঘালী হৈ আছে।

কেৱল আজিয়েই নহয় আজি কেইবাদিনো ধৰি নীলি মেঘালী হৈ আছে।

ও'পাৰত ঘূৰি থকা যেনখনলৈ চাই চাই তেওঁ ভাবিলে — বেচেৰীজনী বৰ ক্লান্ত। এতিয়া আৰু বা কিমান ক্লান্ত হ'বলৈ বাকী আছে তাইৰ।

অনেক ঋতুয়ে, অনেক ফাগুনে সজাইছিল তাইৰ জীৱন। কলেজৰ সম্বৰ্দ্ধনা অনুষ্ঠানত কিহৰ সপোন দেখিছিল তাই? ক'লৈ গ'ল? ক'লৈ গ'ল সেই অগ্নিস্ফুলিঙ্গ কবিতাৰ পংক্তি? ক'লৈ গ'ল সেই গল্পৰ চমক?

সাধাৰণ পৰিয়ালৰ ছোৱালী তাই। দৰিদ্ৰ হলেও উচ্চমনৰ দেউতাকে টানি-টুনি দুবেলা দুসাজ ভাতৰ যোগাৰ কৰাৰ লগতে ধাৰে-খণে ল'ৰা-ছোৱালীহঁতকো পঢ়ুৱাইছিল।

বি. এ. মহলালৈকে পঢ়া মেঘালীক লৈ দেউতাকৰ এক সুকীয়া গৰ্ব আছিল।

যি কি নহওক তাই ধুনীয়া আছিল। তাইৰ ধুনীয়া চেহেৰাটো ফুকন বংশৰ সদস্য সদস্যাসকলে পচন্দ কৰিছিল। সদস্যাসকলে অৱশ্যে দৰিদ্ৰতাটো অলপ পচন্দ কৰিছিল। যিহেতু দৰিদ্ৰৰ কন্যা কামে কাজে যোগ্যতনীয়া আৰু আত্মাভিমান শূন্য হয়।

ফুকন বংশৰ বোৱাৰী হৈ হঠাৎ তাইৰ গুৰুত্ব বাঢ়ি গ'ল। আজি আমাৰ অমুকৰ বাৰ্থ ডে — তুমি কিন্তু ৰাতিপুৱাই যাব লাগিব, আমাৰ অমুকৰ গ্ৰহগতি ভাল নহয় — নৱগ্ৰহৰ পূজা পাতিছোঁ তুমি সোনকালে যাবা, — ইত্যাদিত প্ৰথমে তাইৰ খুউব ভাল লাগিছিল।

পাছলৈ তাইৰ ভুল ভাগিল। নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ গৈ দম দম বাচনৰ মাজত, গেছৰ জুই কাষত, তামোল-পানৰ বটাত সোমাই থকা মেঘালীয়ে বুজি পালে তাইৰ গুৰুত্ব কোনখিনিত? ঘৰৰ সদস্য-সদস্যায়ো যদি সেইবোৰ কাম কৰিলেহেঁতেন তেতিয়াহলে কোনো কথা নাছিল। সকাম পাতিও যেতিয়া ঘৰৰ গৃহিণী বাবু হৈয়ো থাকিব পাৰে, গৃহস্থ ঠেঙৰ ওপৰত ঠেঙ তুলি বহি থাকিব পাৰে তাইনো তেনেহলে সেইবোৰ কাম কৰিবলৈ যাব কিয়? পাছলৈ তাই নিমন্ত্ৰণ ৰক্ষা নকৰাৰ সিদ্ধান্ত ললে।

অৱশ্যে দূৰদৰ্শী শহুৰেকে তাইক কিছু ৰক্ষা কৰি গ'ল। শহুৰেকে আটাইকেইটা পুতেকক ভাগ ভাগ কৰি গ'ল।

শিক্ষিত ছোৱালী মেঘালী। নিজৰ ভাল লগা, ভাল নলগা এটা সুনিশ্চিত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা ছোৱালী। তাই ক্ৰমশ ভাল নলগাবিলাকৰ পৰা দূৰৈত থাকিবলৈ চেষ্টা কৰিলে।

তাতনো তাই কেইদিন শান্তিৰে থাকিল? তাইৰ প্ৰতিভাৰ উকমুকনিত আকৌ জ্যাহঁতৰ মূৰত একুৰা জুই। ঈৰ্ষাৰ জুই। আৰম্ভ হৈ গ'ল ফুকন বংশৰ পৰা তাইক নিৰ্বাসন দিয়াৰ কাৰচাজি। আকৌ এঘড়ী যুঁজ পৰিয়ালৰ সদস্যাৰ লগত। .... আৰু এতিয়াতো তাই বিধবা! এতিয়া বা কিমান ভয়াবহ ভয়াবহ কাৰচাজি তাইৰ বাবে অপেক্ষা কৰি আছে!

পাৰিবনে? পাৰিবনে নিজাকৈ এটা ৰাস্তা সৃষ্টি কৰিব? যিটো ৰাস্তাত জীয়াই থাকিব তাইৰ চিন্তা-চৰ্চা, জীয়াই থাকিব তাইৰ কবিতা। নে সন্তানৰ দায়বদ্ধতাত তাই ফুকন পৰিয়ালে বিচৰাৰ দৰে পূৰ্ণ দাসত্ব স্বীকাৰ কৰিব। আৰু হেৰাই যাব নেকি সেই ক্ষুৰধাৰ লেখনিৰ মেঘালীজনী।

আকৌ উত্তেজিত হৈ পৰিল নীৰ্লি।

টোপনি নাহিলেও এই দোভাগ নিশা তাই বিছনাত ইলুটি-সিলুটি কৰিয়ে থাকিব লাগিছিল, উচুপি উচুপি চকুৰ পানীৰে গাৰু ধুই দিব লাগিছিল, মমডাল জ্বলাই পুৰণি এলবামটো লুটিয়াই লুটিয়াই স্মৃতিত মজি থাকিব লাগিছিল। মুঠতে বিয়েই নকৰক কিয় তাই ঘৰৰ ভিতৰতে থাকিব লাগিছিল। ইয়াৰ পৰিবৰ্তে অকলে অকলে মাজ নিশাৰ আন্ধাৰত টুলখনত থম্‌থমকৈ কিয় বহি আছে জনা নগ'ল। অৱশ্যে দিনৰ ভাগত তাই ওখ আসনত নবহে।

কন্তেক পাছতেই হুৰহুৰাই মেডিনী কঁপাই এই সময়ত আহিব লগা ৰেলখন আহিল। তাই প্ৰাণৰ হেপাহেৰে, সমস্ত মনোযোগেৰে ৰেলৰ শব্দ অনুধাৱন কৰিলে।

তাই এইখন ঘৰত ভৰি দিয়াৰে পৰা এদিন এৰি এদিন এই সময়ত ৰেলখন আহে। অথচ আজি ইমান দিনে তাই যেন ৰেলখনৰ শব্দ শুনাই নাছিল, অনুমান কৰা নাছিল তাৰ অমিতাভ গতি।

একান্ত মনোযোগেৰে ৰেলগাড়ীখন অনুধাৱন কৰি থাকোতে তাই ক'ব নোৱাৰাকৈয়ে দেহৰ মাজেদি সৰকি গ'ল — ৰেলৰ অনুপম শব্দস্পন্দন আৰু তাৰ অমিতাভ গতি। আপোনা আপুনি উচ্চাৰিত হ'ল — মুমূৰ্ষুজনৰ বাবে ইয়াতকৈয়ো শ্ৰেষ্ঠ পাঠ্যক্ৰম-থাকিব পাৰেনে?

কোন টলকত যে তাই তাৰ উদং দবাটোত জাপ মাৰি উঠিল — গমকে নাপালে।

উদং দবাটোৰ একমাত্ৰ প্ৰাণীটো গৈয়ে থাকিল গৈয়ে থাকিল, সমতলেৰে নহয় — থিয়কৈ পোনে পোনে। য'ত তাই অৱতীৰ্ণ হ'ল সেইয়া ষ্টেটস্ফিয়েৰ নে আয়নস্ফিয়েৰ ধৰিব নোৱাৰিলে। মাত্ৰ ধৰিব পাৰিলে প্ৰচণ্ড আন্ধাৰতো তাত আছে গতি। গতি আৰু গতি। মহানন্দে সেই গতিৰ লগত আপোন গতি একাকাৰ কৰি থাকোতেই হঠাৎ তাইৰ কানত বাজিল —

"বাৰে শস্য-সুতং হন্তি তিথৌ গোধনমেৱ চ।
নক্ষত্ৰে গোত্ৰহানিঃস্যাৎ সৰ্ব্বং হন্তি ত্ৰিপুষ্কৰে।।"

লগে লগে তিনি দৈত্যই তাইক লৌহ শৃঙ্খলাৰে ছোঁ ছোঁকৈ তললৈ লৈ আহিল। তাৰ পাছত এচটা কাঠত তাইক ঠেকেচা মাৰি বহুৱাই দিলে। গভীৰ আন্ধাৰত তাই সিহঁতৰ শৰীৰ নেদেখিলেও প্ৰমাণ পালে সিহঁতৰ প্ৰচণ্ড শক্তি।

আতংকত তাই থৰে থৰে কঁপিবলৈ ধৰিলে। কঁপি কঁপি এপাকত তাই বাগৰি

পৰিল। মুহূৰ্ততে তাই নিজৰ অস্তিত্ব উমান পালে তাইৰ ঘৰৰ চোতালৰ মাজ মজিয়াত, গভীৰ আন্ধাৰত।

শৰীৰৰ সমস্ত বল প্ৰয়োগ কৰি তাই বহুাৰ পৰা উঠিল আৰু দুৱাৰ মুখখন অনুমান কৰি থকক বককে খোজ দিলে।

খেপিয়াই খেপিয়াই এপাকত তাই দুৱাৰ মুখৰ চ'কাঠত খামুচি ধৰিলে। লাহেকৈ ভৰিহান দুৱাৰ দলি পাৰ কৰি তাই ওচৰৰ টেবুলখনত টৰ্চটো খেপিয়ালে। টৰ্চটোৱে যেন নিজেই আহি তাইৰ হাতত ধৰা দিলে। তাৰ পাছত গাৰজোৰে দুৱাৰখন বন্ধ কৰি শোৱনি কোঠালৈ সোমাই গ'ল।

আজি দহদিন ধৰি শোৱনি কোঠাৰ গোটেই মজিয়াখনেই বিচনা হৈ আছে। শোৱা কোঠাত প্ৰবেশ কৰিয়েই তাই মজিয়াত শুই থকা প্ৰাণী কেইটালৈ টৰ্চটো মাৰি পঠিয়ালে। টৰ্চৰ পোহৰত তাই দেখিলে ঘৰৰ দুটি সৰু প্ৰাণী, পৰৰ দুটি পৌঢ় প্ৰাণী টোপনিত লালকাল।

বেবৰ ফালে ইটোৰ গাত সিটোৱে ভৰি তুলি শুই থকা সৰু প্ৰাণী দুটাৰ কাষৰ খালি অংশত তাইৰ দুৰ্বল দেহাটো দীঘে দীঘে এৰি দিলে।

তাইৰ টোপনী নোহোৱাকৈয়ে ৰাতি পুৱাল। ইতিমধ্যে আঁতৰি যোৱা ৰাতিটোৱে সাবধান বাণী শুনাই গ'ল — যি কোনো ত্যাগৰ বিনিময়ত তিনি দৈত্য নেখেদিলে তোৰ ঘৰৰ তিনিটি প্ৰাণী কম দিনৰ ভিতৰতে তিনি দৈত্যই গিলি পেলাব, ভেটিত তিতালাও গজিব, ভূত-ভূতুনীৰ বাঁহ হব, বাৰীৰ বৃক্ষ থিয়ে থিয়ে ছাঁই হৈ যাব।

শুই উঠি মুখখন ধুই তাই চিধা গোহালি ঘৰ পালেগে আৰু বৰ সহৃদয়তাৰে গাইজনী পিতিকি-মোহাৰি থাকিল।

তাই অতদিন ইমান সহৃদয়তাৰে গাইজনী চোৱা নাছিল। কথা হ'ল ঘৰৰ প্ৰাণী, ঘৰতে থাকিব। তাতে গাইজনী প্ৰতিপাল কৰিবলৈ গৰখীয়া ল'ৰাটো আছেই। আনহাতে স্বামী শয্যাগত হোৱাৰে পৰা তাই গাইজনীৰ আৱশ্যকীয় চোৱা-চিতা কৰিবলৈকো পাহৰি পেলাইছিল। কেৱল সেয়েনে? তাই ল'ৰা-ছোৱালীহালৰো দুবেলা দুমুঠি খোৱাৰ খবৰ বখাৰ বাহিৰে বাকী চিন্তা কৰিবলৈ প্ৰায় এৰিয়েই দিছিল।

কিন্তু কালি ৰাতিপুৱা হৰকান্তই কোৱা — বুইচা তিনিপাত পুহৰুৰ লাগিছে যেতিয়া গো দান কৰা মঙ্গল। গো দান মহাদান। দানতহে দুৰ্গতি খণ্ডে। বাক্য শাৰীৰ আঁতধৰি আজি যেন তাই হঠাৎ গাইজনীৰ সতে গভীৰ অন্তৰঙ্গতা অনুভৱ কৰি পেলাইছে। তাইৰ অৱচেতন মনত গাইজনীয়েও যে অতদিন সঙ্গদান কৰি আহিছে সেইয়া আজিহে যেন গভীৰভাৱে উপলব্ধি কৰিছে। তাই বৰ আন্তৰিকতাৰে গাইজনীক সাৱত মাৰি ধৰোতে সৰ্ সৰ্ কৈ ওলাই আহিল চকুৰ পানী।

হঠাৎ তাই নিজক নিয়ন্ত্ৰণ কৰি সাউতকৈ গাইজনীৰ কাষৰ পৰা আঁতৰি পাছফালৰ কুঁৱাৰ পাৰ পালেগে।

কুঁৰাৰ পৰা পানী এটিঙ টুলি ভৰিহালত ঢালি ভিতৰ সোমাল। ইখন সিখন কৰি গা ধুই ভিতৰ সোমাওতেই পুৰোহিত আহি পালেহি।

ইতিমধ্যে পুৰোহিতৰ নির্দেশক্রমে তিতা গাৰে নাৰী-পুৰুষ নির্বিশেষে ফুকন বংশৰ লোকসকল বভাৰ তলত কোঁচ-মোচ খাই বহিল।

পুৰোহিতে নিজৰ কাম আৰম্ভ কৰি দিলে।

বভাৰ তলত এইমাত্র উপস্থিত হোৱা সীমান্ত ভট্টাচাৰ্যই এই দৃশ্য হজম কৰিব নোৱাৰি পোনে পোনে ভিতৰলৈ গ'ল। তেওঁ যেন্ নিজকে লুকুৱাব খুজিছে — এখন মধ্যযুগৰ সমাজৰ পৰা। তেওঁৰ দেউতাকৰ কাজৰ দিনা এনেকৈ প্ৰবাহিত হ'ব ল'গা হোৱাত তেওঁ খঙত ভিতৰি ভিতৰি টিক্‌চি-বিক্‌চি উঠিছিল। বৰ যত্নতে সেইদিনা নিজে নিজক নিয়ন্ত্রণত ৰাখিব লগা হৈছিল। আজি তেওঁ মনে মনে এটা সিদ্ধান্ত ললে— হয়, তেওঁ ব্ৰহ্মসমাজৰ সভালৈ নিশ্চয় যাব। নোৱাৰিব নে? নোৱাৰিব নে ব্ৰহ্মসমাজৰ কিছু বর্বৰ প্ৰথা উচ্ছেদ কৰিব? অন্ততঃ নতুন প্ৰজন্মৰ সহায়ত, নতুন প্ৰজন্মৰ বাবে।

ইতিমধ্যে পৰাচিত কাৰ্যসূচী শেষ হৈছে। বাকীসকল ব্ৰাহ্মণো উপস্থিত হৈছে। ভাগে ভাগে লাগি গৈছে নিজ নিজ কামত। যেন এইয়া গৃহস্থৰ কাম নহয় তেওঁলোকৰহে কাম।

ভাগে ভাগে কামত লাগি যোৱা ব্ৰাহ্মণবৃন্দলৈ চাই চাই মেঘালীৰ হৃদয় ভক্তিত গদ্ গদ্ হৈ পৰিছে। তাইক নৰকৰ পৰা উদ্ধাৰৰ বাবে তেওঁলোকৰ তৎপৰতা, অভিভাৱকতা, সহযোগিতা, সহৃদয়তা দেখি উপলব্ধি কৰি তাই এবাৰ ভাবিলে — সকলো হেৰায়ো মোৰ সকলো আছে।

ইতিমধ্যে আদ্যশ্ৰাদ্ধৰ মূল-কৰ্মভাগি আৰম্ভ হৈছে। তদুপৰি স্বামীৰ মৃত্যুৰে দি যোৱা তিথি, বাৰ, নক্ষত্ৰ পূহকৰ খণ্ডনৰ নিমিত্তে পৃথকে চণ্ডীপাঠ, তুলসী দিয়া, বিষ্ণুপূজা আদিৰ আয়োজন হৈছে — ঘৰৰ বাহিৰে ভিতৰে 'জিতং তে পুণ্ডৰীকাক্ষ নমস্তে বিশ্ব ভাৱণ' উচ্চাৰণ হৈছে; মাজে মাজে তাইৰ হাততো ফুল দি তাইৰ হতুৱাই গোৱাইছে —

এতে গন্ধেপুষ্পে বৃষভ্যায় নমঃ,
এতে গন্ধেপুষ্পে বিষ্ণৱে নমঃ
এতে গন্ধেপুষ্পে গণেভ্যো নমঃ

তাৰ পাছত তাই সাষ্টাঙ্গে প্ৰণিপাত জনাইছে।

সন্ধিয়াৰ আগে আগে সেইদিনাৰ কাৰ্যসূচী শেষ হ'ল। তাইৰ সুন্দৰ টোপনি গ'ল। তাইৰ মগজুৰ এতিয়া আৰু যোৱা নিশাৰ আতংক নাই, দুচিন্তা নাই।

এটা এটাকৈ কাৰ্যসূচী সমাপন কৰি কৰি ইতিমধ্যে পুৰোহিতবৃন্দ অন্তিম দিনৰ অন্তিম কাৰ্যসূচীত পদাৰ্পন কৰিছে। এই কাৰ্যসূচীয়েই আদ্যশ্ৰাদ্ধৰ শেষ কাৰ্যসূচী। এই কাৰ্যসূচীৰ সমাপ্ত হলেই মেঘালীয়ে শেষবাৰৰ বাবে পতিত পাৱন সকলক সাধ্যানুসাৰে দক্ষিণোৎসৰ্গ কৰিব, শেষবাৰৰ বাবে তেওঁলোকৰ পাদপদ্ম স্পৰ্শ কৰি সাষ্টাঙ্গে প্ৰণিপাত কৰিব।

এই কাৰ্যসূচী পালনৰ নিমিত্তে ব্ৰাহ্মণবৃন্দ অখণ্ড মণ্ডলাকাৰ হৈ বহিছে।

ব্ৰাহ্মণবৃন্দ এই কাৰ্যসূচীত বহাৰ লগে লগে ভট্টাচাৰ্য আৰু পত্নী গ'লগৈ।

অখণ্ডমণ্ডলাকাৰ হৈ শেষ কাৰ্যসূচীত মগ্ন হৈ থকা পতিতপাৱনবৃন্দৰ মাজত ইতিমধ্যে শয্যা, বস্ত্ৰ, পাত্ৰ, ছত্ৰ আদি ষোড়শপদ বস্তু ভাগ বতৰা হৈ গৈছে। বাকী আছে বৰোৎসৰ্গৰ অমূল্য ৰতন গাইজনী। অৰ্ধজাৰ্চি গাইজনী।

জীৱন যুঁজত সম্পূৰ্ণ বিধ্বস্ত অকলশৰীয়া মেঘালীয়ে প্ৰথমে গাইজনী নিদিওঁ বুলি ভাবিছিল যদিও অৱশেষত দিয়াতো খাটাং কৰিলে। স্বামীৰ মৃত্যুদিন ধৰি পুহ্কৰ শব্দটো শুনোতে শুনোতেই তাইৰ মনত এক ত্ৰাসৰ সৃষ্টি কৰিলে। তাই সিদ্ধান্ত কৰি পেলালে যে পুহ্কৰ মানে এক অদৃশ্য প্ৰকাণ্ড দৈত্য। গতিকে তিনি পুহ্কৰ মানে তেনেকুৱা তিনিটা। পতিত-পাৱন বৃন্দই সৰ্বদেৱতাৰ আহ্বানেৰে এই তিনি দৈত্যক সবংশে ধ্বংস কৰিছে। তেনেস্থলত গাইজনীনো কি? তেওঁলোকৰ দিহা-পৰামৰ্শমতেই যত-যেনেকৈ দু-পইচা আছিল সকলো খুচুৰি-মুচুৰি উলিয়াই মৃত স্বামীৰ উপলক্ষে ষোড়শপদ দান গোটাইছে। মুঠতে তিনি দৈত্যক খেদোৱাৰ বিনিময়ত তাই লাগ্ বুলিলে গাৰ এটি অঙ্গ এৰুৱাই দিবলৈকো প্ৰস্তুত।

ইতিমধ্যে অখণ্ডমণ্ডলাকাৰৰ কেইবাজনেও মহাৰ্ঘ ৰতনটি-হেপাহ পলুৱাই তালাচী চলাইছে — বাহ্ কি ৰং, ওহ্যাৰৰ বাহাদুৰী কি নাচাৰা।

হৰকান্তই অৱশ্যে এই মহাৰ্ঘ ৰতনটি পোনাপোনিকৈ চোৱা নাই। আনদিনাৰ দৰে তেওঁ আজিয়ো শিৰৰ বিশেষ দীৰ্ঘ কেশ কেইডালত অপৰাজিতা ফুলপাহ আটোমটোকাৰিকৈ সুমুৱাই ৰাখিছে। পূৱমুৱা হৈ বহি থকা হৰকান্তই এবাৰ উত্তৰলৈ এবাৰ দক্ষিণলৈ মুখ ঘূৰাইছে। সক সৰকৈ কিৰা-কিৰি পাতিছে। লগে লগে বিশেষকেশৰ অপৰাজিতা পাহো সোঁকাণত গুঁই থকা শিতৰ দৰে দুলিছে। তেওঁৰ সন্মুখত যে এজনী কামধেনু দং দংকৈ থিয় দি আছে অথবা মাতব্বৰ পুৰুষ হিচাবে পলকতে তেৱেঁই তাইৰ

গৰাকী হৈ যাব পাৰে — এইবোৰলৈ তেওঁৰ যেন ভ্ৰূক্ষেপ নাই। মাত্ৰ কথাৰ মাজে মাজে তেওঁ সোঁহাতে বাঁওকান্ধৰ গামোচাখন টানমাৰি আনিছে। তাৰ পাছত ভৰি দুটাৰ পানীয়ে খোৱা আঙুলিৰ ফাঁকত উৰি ফুৰা কুন্‌কুনী মাখি কেইটা খেদিছে।

হৰকান্তৰ কাষতে বহি থকা কপালত পথালিকৈ চন্দনৰ ৰেখা টনা বৰপুজাৰীয়ে ক'লে —

শ্মশানশালীৰ পৰা দশপিণ্ডলৈকে মূলকৰ্মখিনি পীতাম্বৰে সম্পাদনা কৰিছে। এতেকে গাইজনী তেখেতৰ প্ৰাপ্য।

বৰপুজাৰীৰ যুক্তিটো হৰকান্তই লগে লগে ওফৰালে — "সেইটো কেনেকৈ হব? তেওঁ মূলবস্ত শয্যাখন পাইছে। আনহাতে দশপিণ্ডৰ দক্ষিণোৎসৰ্গ গ্ৰহণ কৰিছে। গতিকে তেওঁ গাইজনী পাব নোৱাৰে।

টেংটেঙীয়া মাতটোৰ শব্দকেইটাই পীতাম্বৰৰ কাণৰ পৰ্দাত খুন্দা দিয়াৰ লগে লগে তেওঁ চেলাউৰি ক্ৰোঁচ খাইছে, চকু দুটা কম দেখা মানুহে কিতাপ পঢ়াৰ দৰে হৈছে। অৱশ্যে তেওঁ এতিয়াও নীৰৱ।

মোৰ মতে গাইজনী জীৱন ককাইদেৱে পাওক। কাৰণ এই সমাজৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ব্ৰাহ্মণ একমাত্ৰ তেখেতেই। দানৰ যোগেদি আমাৰ সমাজত এটি আদৰ্শও প্ৰতিষ্ঠা হওক। — পবিত্ৰৰ ভায়েক দিবাকৰৰ প্ৰস্তাবটো শুনি তেওঁলোকে হাঁহি দিলে। নিজ নিজ বৈশিষ্ট্যৰ একোটা খোলা হাঁহি। এটি অনভিজ্ঞ শিশুৱে যেন তেওঁলোকক ক্ষন্তেকৰ বাবে হাঁহিৰ খোৰাক যোগালে। হাঁহিটো সামৰি পথালি চন্দনৰ ফোঁটে অৰ্পইতা দিবাকৰক বুজাই দিলে —

বৰোৎসৰ্গৰ লগত ধনী-নিৰ্ধনী নাই। আছে প্ৰেতকৰ্মত কোনে কি কৰ্ম সম্পাদন কৰিলে। জীৱন যোগালিহে।

হৰকান্তই চকুহাল মুদি বাওঁহাতখনে কপালখন মোহাৰি মোহাৰি শ্লোক এটা মাতিলে। যিটো শ্লোক যোৱা কেইবাদিনো ধৰি ইজন সিজন ব্ৰহ্মাই মেঘালীক শুনাই আহিছে —

"বাৰে শস্য সুতং হন্তি তিথৌ গোধনমেৱ চ।
নক্ষত্ৰে গোত্ৰহানিঃস্যাৎ সৰ্ব্বং হন্তি ত্ৰিপুষ্কৰে।।"

নক্ষত্ৰ পুষ্কৰৰ ময়েই খণ্ডাইছো। গতিকে গাইজনী মোৰ প্ৰাপ্য।

মুৰটো দুপিয়াই তুলসী শৰ্মাই হৰকান্তৰ ফালে বায় দি কলে —

হয় হয়। পুষ্কৰ ত্ৰয়দোষেণ বান্তবৃক্ষো ন জীৱতি। গতিকে গাইজনী তেখেতৰেই প্ৰাপ্য।

কথা হল হৰকান্তৰ পুতেকলৈ তুলসীয়ে ছোৱালীজনী দিব বিচাৰে। সেয়েহে সুবিধাটো পাই হৰকান্ত নামৰ কঠিন ইঞ্জিনটোত অকলমান মবিল দি কোমল কৰি থৈছে।

ইমান পৰে শব্দবোৰ চেমাৰাৰি থকা পীতাম্বৰ এইবাৰ চিক্‌চি বিক্‌চি উঠিল —

নহব নহব। তিথিৰ পুহকৰ সবাতোকৈ ডাঙৰ পুহকৰ। কাৰণ ইয়াত একেলগে দুপদৰ দোষ লাগে। গতিকে পুহকৰ খণ্ডনৰ ফালৰ পৰা চাবলৈ গ'লে খাটাং ৰৰপুজাৰীৰে গাইজনী পায়।

হয় হয় এই কথাই শেষকথা হওঁক। হয় গাইজনী পুৰোহিতে পাওক, নহয় তিথিৰ পুষ্কৰ খণ্ডনৰ নিমিত্তে আমাক (মোক) দিয়ক। এইয়াই হ'ল সমাজৰ পৰম্পৰাগত ৰীতি। — ৰৰপুজাৰীয়ে ক'লে।

চকু হাল হঠাৎ ডাঙৰ ডাঙৰ কৰি মাতৰ্ধৰে কলে — "ক'ত পালে আপুনি নক্ষত্ৰ পুহকৰতকৈ তিথিৰ পুহকৰ ডাঙৰ বুলি। পৰম্পৰা অনুসৰি নক্ষত্ৰ পুহকৰ খণ্ডন কৰা ব্ৰহ্মাইহে গো দান গ্ৰহণ কৰিব লাগে।

মৃত বিমলৰ বন্ধু ৰজনী শৰ্মাৰ চকুত অসহায় আৰু কৰুণতাৰ ভিৰ। কৰুণ চকুহালেৰে তেওঁ দিবাকৰলৈ চালে। সি তৎক্ষণাত পঢ়ি পেলালে তেওঁৰ চকু।

অখণ্ডমণ্ডলাকাৰৰ শাৰীতো.ভঙ্গ কৰি সি ৰজনী শৰ্মাৰ ওচৰলৈ উঠি আহিল আৰু উচ্চস্বৰে ক'লে — "বলক দাদা, ইয়াত আমাৰ স্থান নাই। এইখন এশ বছৰৰ আগৰ সমাজ।"

দিবাকৰ আৰু ৰজনী শৰ্মা যাবলৈ ওলালত তুলসী শৰ্মাই কলে —

'হেৰি শৰ্মা। আধাতে তেনেকৈ যাব নাপায়। গাইজনীৰ ফয়চলাটো কৰি যাওঁক।' তাৰ পাছত তেওঁ দিবাকৰলৈ চাই ক'লে —

'তুমিয়ো যাব নোৱাৰা। ককায়েৰাই স্কুল-কলেজত লাগি থাকোতে থাকোতে ব্ৰাহ্মণৰ আচাৰ-বিচাৰ নীতি-নিয়ম শিকাই ন'হল। তুমিয়ে শিকাচোন। আগলৈ উঠি অহা ব্ৰাহ্মণৰ ল'ৰা। এইবোৰ শিকি-বুজি লব লাগে।'

'হয় হয় শিকিব লাগে। শিকিম লাহে লাহে। আগতে আপোনালোকৰ সমান বেদজ্ঞ হৈ লওঁ। আজিলৈ আপোনালোকেই গাইজনী কাটি-কুটি সমানে ভগাই লওক।'

ওঁঠ দুখন বেঁকা কৰি হাঁহি এটা সৰকাই সি চাইকেলৰ পেডেলত ভৰি দিলে।

হঠাৎ যেন পেট্ৰোলবাহী গাড়ীখনত কোনোবাই ভুল কৰি জ্বলা জুইশলা কাঠিটো দলিয়াই দিলে। ভমকৈ জ্বলি উঠিল একুৰা জুই। অবিশ্বাস্য জুই। দগ্‌দগ্ হৈ হৰকান্ত, তুলসী, ৰৰপুজাৰী আদি একেলগে জ্বলি উঠিল। জ্বলি উঠা পতিতপাৱনবৃন্দৰ মাজত হৰকান্তৰ মাতে সকলো তল পেলাই দিলে —

চাণ্ডাল নিধক। কুলাঙ্গাৰ। ব্ৰাহ্মণৰ পোৱালী হৈ যৱনৰ শৰ্দ। জাতীদ্ৰোহী। জাতীদ্ৰোহীক এঘৰীয়া কৰিহে এৰিম বছু। বাপেৰ মৰিলে তইঁতক কোনে উদ্ধাৰ কৰে চাম বছু। তইঁতক। তইঁতক ....'

দাও কবচি কবচি কঁপি কঁপি মানুহটোৱে দিবাকৰৰ চৈধ্যপুৰুষ উজাৰি আছে। তুলসী, ৰৰপুজাৰী, পুৰোহিত আদি খণ্ডত কম নোৱাৰা হৈ যোৱা নাই অথবা

মুখখন হৰকান্তৰ দৰে জুইৰ অঙঠা হৈ যোৱা নাই।

শান্ত সমাহিত চন্দনৰ পহালি ফোঁটে কলে — 'বাদ দিয়ক ডাঙৰীয়া। সন্ধ্যা, গায়ত্ৰী নজনা আবুদুৱা ল'ৰাৰ কথাত লাগেনে?'

তুলসীয়েও সুৰ মিলাই ক'লে — 'হয় হয় দেখিলেই নহয়। ভয়তে সি টোপাগুলিটো যোৱাদি গ'লগৈ। সেইবোৰ বাদ দিয়ক। এতিয়া মূল কথালৈ আহক।'

মুখৰ ৰং সলনি নহ'লেও হৰকান্ত কিছু ঠাণ্ডা হ'ল।

পতিতপাৱনবৃন্দৰ কাষতে থকা কোঠাটোত মহাশ্বেতা মেঘালী বহি আছে। হঠাৎ বাহিৰৰ বিকট বিকট শব্দ কিছুমানে তাইক অস্থিৰ কৰি তুলিলে। ভিতৰৰ পৰাই তাই বুজিলে — সেইয়া হৰকান্তৰ মাত। শাস্ত্ৰজ্ঞ হৰকান্তৰ মাত।

চৰম অস্বস্তিৰে তাই বহাৰ পৰা উঠিল আৰু ধীৰে ধীৰে আগবাঢ়ি গ'ল — পতিতপাৱনবৃন্দৰ অভিমুখে, থৰক-বৰক খোজেৰে।

তাই পতিতপাৱন সকলৰ পিছত ৰহিলগৈ। তেওঁলোকে তাইৰ উপস্থিতি গ্ৰাহ্য কৰা নাই। তাই কৰুণভাৱে গাইজনীলৈ চালে — সমস্ত দেহৰভাৰ পৃথিৱীক দি আৰামেৰে ঘাঁহ পাগুলি আছে।

পতিতপাৱনবৃন্দৰ মাজত তেতিয়া শ্লোক, পৰম্পৰাৰ দৃষ্টান্ত তৰ্কাতৰ্কি ইত্যাদি। হয়, অকণমান পৰম্পৰাৰ পৰা আঁতৰি আহিলেই দৈবাসন তল যাব, পুৰোহিত দৰ্পন অশুদ্ধ হ'ব, কৰ্মকাণ্ড অধঃপাতে যাব।

'আস্ ভট্টাচাৰ্য অথবা পবিত্ৰ এই অনুষ্ঠানত থকা হ'লে' — তাই স্বৰ্গতোক্তি কৰি ক'লে।

তেতিয়া সন্ধিয়া লাগিছিল। পতিতপাৱনবৃন্দৰ বাহিৰে সকলো ঘৰাঘৰি গ'লগৈ।

যুক্তি, তৰ্কৰ মাজৰ পৰা হঠাৎ ফৰ্মাহি মাৰি পীতাম্বৰ যাবলৈ উদ্যত হ'ল আৰু পলকতে পদূলিৰ মূৰ পালেগৈ।

পতিতপাৱনবৃন্দৰ মাজত 'হয় হয়, নহয় নহয়। ছেঃ ছেঃ ভালকথা হোৱা নাই, চৰাই নুৰে কনিহে উৰে ইত্যাদি শব্দবোৰ উৰি ফুৰিলে। তাৰ পাছত পথানি ফোঁটে কটকীক ক'লে —'আঁকৰা মৈত উঠিল। যাওঁক ডাঙৰীয়া। আপুনিহে নমাব পাৰিব।'

কটকীয়ে বুজাই বঢ়াই পীতাম্বৰক ঘূৰাই আনিলে। তেওঁ পুনৰ আসনত উপবেশন কৰাৰ লগে লগে ব্ৰহ্মসমাজৰ সভাপতি হৰকান্তই টেংটেঙীয়া মাতটোৰে শাসনৰ সুৰে ক'লে, খং উঠিল বুলিয়েই এনেদৰে সমাজৰ পৰা ডাংকোৰ মাৰি উঠি যোৱাটো ব্ৰাহ্মণৰ লক্ষণ নহয়। ভবিষ্যতে এনে কৰিলে যজমানি ইতি পেলোৱা হ'ব।

আকৌ আৰম্ভ হ'ল ঘূৰ্ণি বতাহ — যুক্তিৰ, শ্লোকৰ, তৰ্কৰ।

মেঘালীয়ে পুলিচ বিষয়াৰ দৃষ্টিৰে এজন এজনকে পতিতপাৱন সকললৈ দৃষ্টিপাত কৰিলে — আচৰিত! আচৰিত ধৰণে তেওঁলোক শ্লোকৰ, পৰম্পৰাৰ পিটনিত, গোট

খাই পৰিছে, স্বৰতন্ত্ৰী কঠিন হৈছে, শব্দবোৰ উচ্চগ্ৰামলৈ উঠিছে, চকুবোৰ আন্ধাৰত মেকুৰীৰ চকুৰ দৰে জ্বলিছে।...... ইয়াৰ পাছত হুতাহুতি, দৰবা-দৰবি.....। আস্ এই দৃশ্য চাবলৈ আইৰ বাহিৰে ফুকন বংশৰ এটাও প্ৰাণী নাই। ....তাই অসম্ভৱ উত্তেজিত হৈ পৰিল।

.......লাহে লাহে যেন তাইৰ সমুখৰ ৰহস্যৰ লৌহ কপাট এখন এখনকৈ খোল খাই গ'ল। চব মিছা? পুহকৰ মিছা। বৰোৎসৰ্গ মিছা। যদিহে পুহকৰ সঁচা সেই পুহকৰ তাই নিয়ন্ত্ৰণ কৰিব পাৰিব। তাইৰ আত্মনিয়ন্ত্ৰণৰ অশ্ৰুপাত এতিয়াও ভোটা হৈ যোৱা নাই। দুয়োখন হাত গাৰজোৰে মুঠি মাৰি তাই যেন এবাৰ আত্মশক্তিৰ পৰীক্ষা ললে।

নিমিষতে তাইৰ হৃদয় চপ্‌চপীয়া হ'ল — বিতৃষ্ণাৰে, ঘৃণাৰে। হাতুৰিৰ কোবত ইকবাৰ বেৰৰ পৰা টুকুৰা টুকুৰে মাটিৰ লেপন জহি-খহি যোৱাৰ দৰে তাইৰ চেতনাৰ পৰাও শ্ৰদ্ধা-ভক্তি নোহোৱা হ'ল।

তাই পাৰেমানে নিজকে ভৰ্ৎসনা কৰিলে — অতদিনে গলেবস্ত্ৰে নতজানু হৈ এইসকলৰ পৰাই জোলোকা জোলোকে আশীৰ্বাদ লৈছিল নে? পিঠা-পৰমান্নৰে এই সকলকে অৰ্চনা-বন্দনা কৰিছিল নে? কি লৈ? এওঁলোকে সমাজৰ বাবে দলিল দস্তাবেজ ৰচনা কৰে?

প্ৰচণ্ড উত্তেজনাৰে তাই বহাৰ পৰা উঠিল। আপোনা আপুনি খহি পৰিল শিৰৰ আঁচল। আঁচলৰ আগটো বাওঁহাতে কঁকালত খোচ মাৰি আকৌ এবাৰ পতিতপাৱন সকলকে চালে, ধক্‌ধক্ বগা ধুতি পাঞ্জাবী, কপালত চন্দনৰ তিলক। বাহিৰৰ শুদ্ধবগা সাজযোৰে ভিতৰৰ ফাঁকিক ঢাকিব পৰা নাই। মিছা। চব্ মিছা। একমাত্ৰ সঁচা হৰকান্তৰ টেংটেঙীয়া মাতটো আৰু তেওঁ ভৰিৰ পানীয়ে খোৱা খাঁ-লৈ উৰি অহা কুণকুণী মাখিবোৰ।

সবাতোকৈ মিছা হ'ল আত্মা। মৃত্যু মানেই সকলো শেষ। আত্মা শাশ্বতঃ হোৱা হ'লে ধৰ্মৰ নামত, পৰম্পৰাৰ নামত এনে ঘৃণনীয় দৃশ্য তাই মৃত শহুৰে, মৃত স্বামীয়ে সহ্য কৰিলেহেঁতেননে? বিকেইজনে ব্ৰহ্মসমাজৰ অন্ধ বিশ্বাসৰ প্ৰতি হুংকাৰ দিছিল।

উত্তেজনাৰ বোৱা চাবণিৰে, কিঞ্চিত কঁপা শৰীৰে তাই পতিতপাৱনবৃন্দলৈ চাই থাকোতেই টেংটেঙীয়া কণ্ঠই কালৰীক কোৱাদি কৈ পেলালে —

'হে'ৰা বোৱাৰী। তোমাৰ কাম বাঢ়িল। পৰহিলৈ দেওবাৰ। গৰখীয়া লৰাটোৰ হতুৱাই দ'লহাট বজাৰত গাইজনী বেচাবা। সোমবাৰে পাছবেলা ব্ৰহ্মসকল আকৌ আহিব। টকাখিনি ভাগ বতৰা হ'ব।'

তাই দাত দুপাৰী জোৰে কামোৰ মাৰি ধৰি নিজকে প্ৰস্তুত কৰিলে।

এইখন তাইৰ ঘৰ, এইয়া তাইৰ মধুৰ চোতাল, ইয়াত? ইয়াত আৰু সহ্য কৰা উচিত নে? — মই পুহকৰ চিনি পাইছোঁ। বাওঁক বুলিছো নহয়, মোৰ চোতালত আৰু

এক মিনিটো পুহ্কৰ থাকিবলৈ নিদিও। — মধ্যবিত্তীয় শালীনতা ভেদি শব্দকেইটা বাহিৰলৈ ওলাই নাহিল্। দীঘল উশাহ এটা লৈ তাই ক'লে —

'মই অনুৰোধ কৰিছোঁ। আপোনালোক যাওঁক। মই আৰু আপোনালোকৰ উপস্থিতি সহ্য কৰিব নোৱাৰিম। আপোনালোক কোনোদিনেই মোৰ ঘৰলৈ অহাটো মই নিবিচাৰোঁ।'

তাই উচাত মাৰি গাইজনী একেকোবে নি গোহালিত বান্ধি থলেগৈ।

তেতিয়া সন্ধিয়া লাগি ভাগিছিল।

পতিতপাৱনবৃন্দ নিৰ্বিবাদে এজন এজনকৈ উঠি আন্ধাৰত মিলি গ'ল।

কাম-বন কৰি আজৰি হৈ বিচনাত বাগৰ দিওঁতে তাইৰ কানত অনুৰণন হ'ল বেলৰ থকথক্ শব্দ আৰু তাৰ অমিতাভ গতি।

পিছদিনা ৰাতিপুৱাই তাই সাচতীয়া চিঠিৰ টোপোলাটো খুচৰিলে। য'ত লিখা আছিল জীয়াই থকাৰ সংজ্ঞা আৰু বাণী। চিঠিখন বান্ধৱী কল্পিতাৰ। বাণীকেইটা তাই গোট গোট আখৰেৰে লিখি শোৱনি কোঠাৰ বেৰত এঠা লগাই দিলে।

জাতিৰ অপমান। ঘোৰ অপমান। ঘোৰ অপমান। জাতিৰ অপমানৰ সমান ঘোৰ অপমান আন একো হব নোৱাৰে। এইয়া কেৱল কমলপুৰ ব্ৰাহ্মণ সমাজৰ অপমান নহয় সমগ্ৰ অসমৰ ব্ৰাহ্মণ সমাজৰ অপমান। আওঁ। এজনী বাঁৰীৰ ইমান সাহ! ওঁঠ চেপিলে গাখীৰ ওলোৱা ল'ৰা এটাৰ ইমান সাহ! — শোভাযাত্ৰাটোৰ মাজৰ গলগলীয়া কণ্ঠস্বৰে ভৰ্ৎসনা কৰি উঠিল।

পথালি ডাঠ চন্দনৰ ফোঁট, দীঘল সেন্দুৰ ফোঁট, ডিঙিয়ে কাণে লোৱা গোল-চন্দনৰ ফোঁট, বিনম্ৰতাৰে তললৈ দোঁ-খাই থকা বিশেষ কেশৰ অপৰাজিতা, কৰবী আদি পুষ্পচন্দন শোভিত শোভাযাত্ৰাৰ দলটো তেতিয়া কমলপুৰ শিৱমন্দিৰৰ প্ৰাঙ্গনৰ ফালে — আগবাঢ়িছিল। শোভাযাত্ৰাটো আঁতৰৰ পৰা চালে এনে লাগে যেন এই সকল সৌশৰীৰে স্বৰ্গৰ পৰা নামি আহিছে এই পৃথিৱীলৈ, কাঢ় বাস্তৱৰ হাতুৰীৰ কোবত কৰ্মকাণ্ড, ঈশ্বৰ, স্বৰ্গ আদিৰ কথা পাহৰি পেলোৱা এপাল নৰমানিচক সচেতন কৰিবলৈ, ঈশ্বৰৰ, স্বৰ্গৰ সন্ধান দিবলৈ।

ইতিমধ্যে কমলপুৰৰ শিৱ-মন্দিৰৰ প্ৰাঙ্গণ লোকে লোকাৰণ্য হৈছে। এক অপাৰ্থিৱ পৰিৱেশত মঙ্গলাচৰণেৰে সভাৰ কাৰ্য্যসূচী আৰম্ভ হৈছে —

সৰ্বে সুখিনঃ সন্তু সৰ্বে সন্তু নিৰাময়াঃ
সৰ্বে ভদ্ৰানি পশ্যন্তু মা কশ্চিদ্দুঃখ ভাগ্‌ভবেৎ।

এই ব্ৰাহ্মণ সভাৰ বিশেষত্ব এয়ে যে ইয়াত কেৱল পুষ্প-চন্দন শোভিত ব্ৰাহ্মণবৃন্দই নাই। আছে মানুহ। সীমান্ত ভট্টাচাৰ্য, নীলিমা ভট্টাচাৰ্য, মেঘালী (শৰ্মা) ফুকন, পবিত্ৰ বৰঠাকুৰ, দিবাকৰ বৰঠাকুৰৰ দৰে মানুহ। ব্ৰাহ্মণ হৈয়ো এওঁলোক মানুহ। তদুপৰি ইয়াত আছে ৰঙাই, বিকাশ, কেতেকী, মাধৱ আদিৰ দৰে সুদিৰ মখা।

ব্ৰাহ্মণবৃন্দৰ দুই একে মাজে মাজে মেঘালী আৰু দিবাকৰৰ দৰে জাতীদ্ৰোহীলৈ অগ্নিদৃষ্টি নিক্ষেপ কৰিছে। তেওঁলোকৰ দৃষ্টিয়ে যেন দাঁত কৰচি কৈছে — নোৱাৰিবি! নোৱাৰিবি! পৰম্পৰাৰ নিপুণ হাতৰ সৃষ্টি, কৰ্মকাণ্ডৰ আকাশলঙঘা চূড়া তহঁতে ভূপতিত কৰিব নোৱাৰিবি।

ব্ৰাহ্মণবৃন্দৰ দুই এজনে অতি বিনয়ীভাবে আজিৰ সভাৰ মূল আকৰ্ষণ সীমান্ত ভট্টচাৰ্যলৈ চালে। হৰকান্তই মনে মনে ক'লে, হওক তেওঁ! অৱশেষত তেওঁলোকে সীমান্ত ভট্টচাৰ্যৰ দৰে উচ্চশিক্ষিত এজন ব্ৰাহ্মণ তেওঁলোকৰ মজিয়ালৈ আনিব পাৰিলে।

যি কি নহওক আজিৰ এই ব্ৰাহ্মণ সভাৰ সভা নুবুলি বাইজৰ আদালত বুলিব পাৰি। আজিৰ এই মন্দিৰৰ মজিয়াত এপাল কৰ্মকাণ্ডজ্ঞানহীন মানুহ নামৰ প্ৰাণীৰ বিচাৰ চলোৱা হ'ব।

কাৰ্যসূচী অনুযায়ী আচামীৰ কাঠগড়াত প্ৰথম থিয় হোৱাৰ পাল আছিল দিবাকৰৰ। পবিত্ৰ বঁৰঠাকুৰৰ ভায়েক দিবাকৰ বৰঠাকুৰৰ। কিন্তু তাৰ আগতে সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে বৈদিক সংস্কৃতিৰ বিষয়ে দুআষাৰ কবলৈ সভাপতি ভট্টাচাৰ্যই অনুৰোধ কৰিলে পবিত্ৰ বৰঠাকুৰক।

বিনম্ৰ কণ্ঠে পবিত্ৰই বক্তব্য আৰম্ভ কৰিলে .... আমি ভবাৰ দৰে বেদ মানে কেৱল কৰ্মকাণ্ড নহয়। বেদ বুলিলে আমি চাৰি প্ৰকাৰ ধৰ্মগ্ৰন্থৰ কথা বুজো। সেই চাৰি প্ৰকাৰৰ গ্ৰন্থ বা শাস্ত্ৰ গ্ৰন্থ হ'ল — মন্ত্ৰ বা সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। ইয়াৰে 'ব্ৰাহ্মণ' গ্ৰন্থৰ প্ৰতিপাদ্য বিষয় হ'ল যাগ-যজ্ঞাদি ক্ৰিয়াকাণ্ড। আনহাতে আৰণ্যক আৰু উপনিষদৰ প্ৰতিপাদ্য বিষয় হ'ল আধ্যাত্মবিদ্যা, আত্মতত্ত্ব, ব্ৰহ্মতত্ত্ব, সৃষ্টি ৰহস্য আদি বিভিন্ন জ্ঞানকাণ্ড।

আনহাতে 'ব্ৰাহ্মণ' গ্ৰন্থত ক্ৰিয়াকাণ্ডৰ বাহ্যিক যাগযজ্ঞই অতি প্ৰাধান্য লাভ কৰা বাবে ইয়াত বেদত্ব আছে নে নাই সেই লৈ বৈদিক পণ্ডিতসকলৰ মাজত বাদানুবাদ পৰিলক্ষিত হয়। দয়ানন্দ সৰস্বতীৰ দৰে বেদজ্ঞ পণ্ডিতে ব্ৰাহ্মণ গ্ৰন্থৰ বেদত্ব অস্বীকাৰ

কৰি গৈছে। আনহাতে উপনিষদত ক্ৰিয়াবহুল যাগ-যজ্ঞৰ নিন্দা আৰু জ্ঞানৰ প্ৰশংসা ঘোষিত হৈছে। মুণ্ডক উপনিষদত কৈছে —

"প্লবা হ্যেতে অদৃঢ়া যজ্ঞৰূপাঃ"

অৰ্থাৎ যজ্ঞৰূপ নৌকা দৃঢ় নহয়; ই ভৱসাগৰ পাৰ কৰিবলৈ সক্ষম নহয়। কেৱল জ্ঞানৰূপী নৌকাৰ অৱলম্বনতহে ভৱসাগৰ পাৰ হ'ব পাৰে।

এইটো স্বীকাৰ্য যে বেদৰ জ্ঞান কাণ্ডহে সৰ্বজন গ্ৰাহ্য, সৰ্বজন সমাদৃত। বিশ্বত খলক লগোৱা বেদৰ মহিমাময়, গৰিমাময় ৰূপ আৰোপিত হৈছে এই মহাৰ্ঘ অমৃতভাণ্ড জ্ঞানকাণ্ডৰ ওপৰতহে।

কিন্তু আমাৰ সমাজৰ বাবে দুখৰ বিষয়, পৰিতাপৰ বিষয় যজমানী পুৰোহিত শ্ৰেণীটোৱে আমাক জ্ঞানামৃতৰ পৰা দূৰৈত ৰাখি একমাত্ৰ বেদৰ কৰ্মকাণ্ডকে বেদ বুলি ভাবিবলৈ বাধ্য কৰিছে। তাম, তুলসী, চন্দন, গঙ্গাজল আদি লৈ কৰ্মকাণ্ডৰ বৃত্তত ঘূৰি ঘূৰি এই পুৰোহিত শ্ৰেণীটো ইমানেই অভ্যস্ত যে প্ৰাচীন ঋষিসকলে যি যি ক্ৰিয়াকাণ্ড কৰিছিল সেই সমুদায় আজিৰ একবিংশ শতিকাত তাৰ প্ৰাসংগিকতা আছে নে নাই তাক বিচাৰ কৰি চাবৰ বাবে তেওঁলোক অক্ষম, অপাৰগ।

যি কি নহওক আমি আশাবাদী। এতিয়াও সময় আছে। তেখেত সকললৈ আমাৰ বিনম্ৰ অনুৰোধ আজিৰ একবিংশ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ছাঁত বৈদিক কৰ্মকাণ্ডৰ সংস্কাৰ সাধন কৰক। বেদৰ জ্ঞানমাৰ্গৰ প্ৰচাৰ চলক। চাৰিওফালে সৰ্বমঙ্গলময় পৰিবেশ গঢ়ি উঠক।...............

বক্তৃতা দি শেষ কৰোঁতে পবিত্ৰৰ মনটো খুউব পাতল লাগিল।

দিবাকৰ খঙাল যুৱক বুলি এটা নাম আছে। সি চোকা চোকা শব্দ ক্ৰিজমান ইতিমধ্যে মনৰ মাজত আঁওৰাই আছিল যদিও ককায়েকৰ ভাষণ শুনি সি লাহে লাহে সেপ গিলাৰ দৰে শব্দবোৰ গিলিবলৈ আৰম্ভ কৰিছে।

দিবাকৰে যত্ন কৰি ক্ষুৰধাৰ শব্দবোৰ গিলি থাকোতেই সভাপতি আসনৰে পৰা ভট্টাচাৰ্যই গহীন কণ্ঠে ঘোষণা কৰিলে — এতিয়া দিবাকৰে কি পৰিস্থিতিত পৰি যৱণৰ শব্দ প্ৰয়োগ কৰিব লগা হ'ল তাৰ কৈফিয়ৎ দিব লাগে।

দিবাকৰে যথাসম্ভৱ চমুকৈ তাৰ ক'বলগাখিনি কৈ গ'ল। সি এতিয়া খঙাল যুৱক নহয়। ধীৰ-স্থিৰ আৰু যুক্তিবাদী এক যুৱক। আধুনিক মনৰ যুৱক।

তাৰ বক্তব্যৰ সামৰণিৰ ফালে সি ক'লে — আচলতে মই যিটো শব্দ কৈছিলোঁ — কাৰ্যতঃ আপোনালোকে সেইটোকে কৰা নাইনে? গাইজনী বিক্ৰি কৰি তাৰ টকা ভাগ কৰা আৰু মঙহ ভাগ কৰাৰ মাজত পাৰ্থক্য কি? ক্ষমা কৰিব। আপোনালোকে নতুন

প্ৰজন্মৰ মুখবোৰ লা দি টিল মাৰি থব নোৱাৰিব। ....

'আও! কালিৰ ছোৱাল হৈ পৰহিৰ গীত গায়। আকৌ তোৰ মুখত বিধৰ্মী শব্দ। বিধৰ্মী শব্দৰে আকৌ মন্দিৰৰ প্ৰাঙ্গন অপবিত্ৰ কৰে...............' যুক্তি নাই, বুদ্ধি নাই দপদপাব লাগে কাৰণেই যেন দপ্‌দপাইছে ব্ৰহ্ম সমাজৰ স্থায়ী সভাপতি হৰকান্ত শৰ্মাই।

সভাপতি আসনৰ পৰা গহীন কণ্ঠে ভট্টচাৰ্যই ঘোষণা কৰিলে — 'পৰম শ্ৰদ্ধাভাজন ৰাইজ। এই সভা, বিচাৰ সভা। মানুহৰ বিচাৰ সভা। ইয়াত ধৰ্ম-অধৰ্ম কথা নাই, আছে যুক্তি-অযুক্তিৰ কথা। অযুক্তিকৰ তাল-কাল ইয়াত নচলিব।'

হৰকান্ত কঁপি কঁপি বহি থাকিল। দপদপীয়া জুইৰ অঙঠাৰ দৰে মুখখন গামোচাখনেৰে এবাৰ মচি ললে।

বৰপুজাৰীৰ বুকুখন টিবাল ফটাৰ দৰে ফাটিছিল যদিও তেওঁৰ চকুৰে মুখে এতিয়াও ক্ষোভ বিৰিঙি উঠা নাই। ক্ষোভৰ পৰিবৰ্তে তেওঁৰ দৃষ্টিত ফুটি উঠিছে নিৰ্লিপ্ততা। নিৰ্লিপ্ত কণ্ঠে তেওঁ ক'লে — এৰা ধৰাৰ মাজেৰে সভাৰ কাম আগবাঢ়িব লাগে। এতিয়া ইয়াৰ পাছৰ কাৰ্যসূচীলৈ যোৱা যাওক।

তাৰ মানে ইয়াত ধৰ্ম-কৰ্ম বুলি কোনো কথা নাই নেকি? শুনিলে পৰাচিত হ'বলগীয়া শব্দ ব্যৱহাৰ কৰাৰ পাছতো দিবাকৰৰ কোনো শাস্তি নহব নেকি? যদিহে দিবাকৰৰ কোনো বিচাৰ নহয় তেনেহলে মই এই মুহূৰ্ত্ততে ব্ৰহ্মসমাজৰ সভাপতি পদ ইস্তফা দিছোঁ। আৰু কোনো কথা নকও বুলি ভাবি থাকিও পবিত্ৰ আকৌ উঠিব লগা হ'ল।

...........কথা হ'ল দোষত দণ্ড, পাপত পৰাচিত্ত। আপোনালোকে বিনা দোষে, বিনা পাপে আনক পৰাচিত্ত কৰোঁতে কৰোঁতে আত্মপাপৰ পলসত আপোনালোক নিজে ইতিমধ্যে পোট যোৱাৰ উপক্ৰম হৈছে। আপোনালোকক সেই পলসৰ পৰা উঠি আহিবলৈ সময়ে সুযোগ প্ৰদান কৰিছে। সেই সুযোগ গ্ৰহণ কৰা বুদ্ধিমানৰ কাম হব।

ইতিমধ্যে ব্ৰহ্মসমাজৰ সভাপতিৰ পদ ইস্তফা দিয়া হৰখুৰালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম। অতদিন ব্ৰাহ্মসমাজৰ সভাপতিৰ দৰে গুৰুভাৰ গ্ৰহণ কৰি কৰ্মকাণ্ডৰ বৃত্তত ঘূৰি ঘূৰি তেখেত সঁচাকৈয়ে ভাগৰুৱা। এতিয়া অন্ততঃ জ্ঞানমাৰ্গত বিচৰণ কৰিবলৈ তেখেতে অফুৰন্ত সময় পাব...........।

পবিত্ৰই কথা কৈ থাকোতেই প্ৰচণ্ড ক্ৰোধেৰে হৰকান্ত সভাৰ পৰা ফৰমাহি মাৰি ওলাই গ'ল।

কেঁচামাটিৰে লিপা বেৰখন ৰ'দৰ তাপত চিৰাচিত হৈ একাবেকা বিভিন্ন নক্সাৰ সৃষ্টি হোৱাৰ দৰে সমহ সংখ্যক ব্ৰাহ্মবৃন্দৰ মুখতো তেনেধৰণৰ বহু নক্সাৰ সৃষ্টি হ'ল। পীতাম্বৰৰ

মুখখন অৱশ্যে স্বাভাৱিকভাবেই কঠোৰ হৈ উঠিল। তেওঁ কঠোৰ কণ্ঠে গৰজি উঠিল — সভাপতি মহোদয় প্ৰমুখ্যে শ্ৰদ্ধাভাজন ৰাইজ। আজি কমলপুৰ ব্ৰাহ্মণ সমাজৰ সভাপতিয়ে কেৱল কেইজনমান গণ্যমান্য লোকক অপমান কৰা নাই। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে কমলপুৰবাসী ৰাইজক অপমান কৰিছে। এনে ব্যক্তিৰ বিৰুদ্ধে সভাই গভীৰ অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰাটো যুগুত হব।

ব্ৰাহ্মণবৃন্দৰ ক্ৰোধৰ চকু অবিশ্বাসী পীতাম্বৰৰ অঙ্গে অঙ্গে বাগৰি ফুৰিলে। বহুজনে নিশব্দে চিৎকাৰ কৰিলে — আস, নিমিষতে যেন খহি পৰিল এক গগনচুম্বী বৃক্ষ। আৰু এতিয়া সেই বৃক্ষত চুটি চাপৰ মানুহজনে একেবাৰে ওখ আগটোত অনায়াসে কুঠাৰ কোব দিব পাৰিছে। হঠাৎ তেওঁলোকৰ চকুবোৰ ক্ৰোধৰ পৰা কাৰুণ্যলৈ পৰ্যবসিত হ'ল।

কথা হ'ল ব্ৰাহ্মণবৃন্দৰ একেবাৰে এলাগীজনৰ নামেই হ'ল পীতাম্বৰ শৰ্মা। তেওঁ নিজ ইচ্ছাৰে কাকো ক'তো বিধান দি পোৱা নাই। কাৰোবাক কিবা বিধান দিব লগা হলে সেইয়া হৰকান্তৰ অনুমোদন সাপেক্ষেহে সম্ভব। যি কি নহওক এই বম্‌ভোলা বামুনটোক লৈ ব্ৰহ্মবৃন্দৰ মুখৰ কামোৰণিৰ অন্ত নাই। গৰু চোৰ, ম'হ চোৰ এটাকো মাত্ৰ এধেনুতে পৰাচিত কৰি গুছি আহে তেওঁ। তেওঁ যযমানী কৰিব লাগে কৰে। দক্ষিণোৎসৰ্গৰ জোখ মাখ তেওঁ নাজানে। কোনোবাই আধলিটো, কোনোবাই টকাটো দিলেই কৰণীয়খিনি কৰি থৈ গুছি আহে। আৰু এই সুবিধাবাদী সুদিৰ মখা। এইমখা জানো কম? এওঁলোকে আকৌ বম্‌ভোলা পুৰোহিতটোকহে বিচাৰি পায়গৈ। আস্ বিধিৰ কি বিধান — যি হৰকান্তৰ এটা ধম্‌কিত পীতাম্বৰ কেচুৰ দৰে লেতু-সেতু হৈ যায় সেই পীতাম্বৰে আজি হৰকান্তৰ বিশাল বৃক্ষৰ চূড়ান্ত অনায়াসে কুঠাৰ-আঘাট কৰিব পাৰিছে।

ইয়াৰ পাছৰ কাৰ্যসূচী ৰঙাই ঘৰৰ পুষ্পিতা কন্যা পৰাচিত নকৰোৱাৰ বিচাৰ।

সভাপতিয়ে সেই কাৰ্যসূচী ঘোষণা কৰাৰ আগতেই ৰৱপুজাৰীক মূঢ়মতি ৰাইজক বুজাই দিবলৈ অনুৰোধ কৰিলে — পুষ্পিতা কন্যাক, নৱজাতকৰ মাতৃক আৰু সমাধিৰ বাবে সাজুকৰা মৃতদেহক কি কি পাপৰ বাবে পৰাচিত কৰা হয়? কোনখন বেদৰ কোন শাখাত ইয়াৰ তাৎপৰ্য লেখা আছে? আজি একবিংশ শতিকাৰ সমাজত ইয়াৰ প্ৰয়োজন কিমান?

ৰৱপুজাৰীয়ে মানে কমলপুৰৰ দ্বিতীয় শ্ৰেষ্ঠ বেদজ্ঞ ব্ৰাহ্মণ গিৰিধৰ ৰৱপুজাৰীয়ে কৰযোৰে তেওঁৰ বক্তব্য নিবেদিলে — সভাপতি প্ৰমুখ্যে ৰাইজ এই সম্পৰ্কে জনাবলৈ আমি অপাৰগ, বেদ-বেদাঙ্গত আমি পটু নহয়। যি কি নহওক ইয়াৰ যদি সংস্কাৰ বিচাৰিছে তেনেহলে সদৌ অসম মঞ্চলৈ বিষয়টি আমি নিব পাৰোঁ।..........।

ৰৱপুজাৰীয়ে কথা কৈ থাকোতেই পাছত বহা যুৱ দলটোৰ মাজৰ পৰা তপত

খোলাৰ পৰা আঁখে ফুটি ফুটি উফৰি অহাৰ দৰে শব্দবোৰ উফৰি আহিল — হয় হয়। এই বিষয়ত আমাক নিশ্চিত সিদ্ধান্ত লাগিবই। এয়ে নহয় আৰু অলেখ আছে। .... ৰ চোন ৰ এটাৰ পাছত এটা। এস্ এওঁলোকে কুঁহিয়াৰ শালৰ চকুবন্ধা ম'হটোৰ দৰে আজিৰ প্ৰজন্মৰ চকু বান্ধিব খোজে। ....কোনোবাই এসোপামান কাঁকি ফুকাৰে জোলোঙা ভৰাব, কোনোবাই মৰঘাম মাটিত পেলায়ো প্ৰসাদ খাবলৈ নাপাব।

ব্ৰহ্মবৃন্দৰ কানত শব্দবোৰে ঠহৰ ঠহৰ বিন্ধিছিল .... এপাত এপাত লৌহঅগ্ৰ জোঙা কাঁড় হৈ, শিলগুটি হৈ.......................

সভাত সৰ্বসম্মতিক্ৰমে কেইটামান প্ৰস্তাৱ গ্ৰহণ কৰা হল — (১) হৰকান্তৰ বিৰুদ্ধে গভীৰ আনস্থা প্ৰস্তাৱ (২) যি পৰ্যন্ত ব্ৰহ্মসমাজে পুষ্পিতা কন্যা, নৱজাতকৰ মাতৃ, মৃতদেহ ইত্যাদি পৰচিত কৰাৰ তাৎপৰ্য, বৈজ্ঞানিক ভিত্তি সমাজক দিব নোৱাৰিব সেই পৰ্যন্ত এইবোৰ পৰাচিত বন্ধ থাকিব। শুচিবায়ুগ্ৰস্তজনে কৰালেও তেওঁ আনক বাধ্য কৰাব নোৱাৰিব।

ব্ৰাহ্মণবৃন্দই ইজনে সিজনৰ চকুলৈ চাই চাই নিঃশব্দে অনেক হিয়াৰ কথা দিয়া নিয়া কৰিলে।

তেতিয়া সভাপতিৰ মন্তব্যৰ শেষ ভাষণে বজাজনাই আছে সভাঘৰ।

মেঘালীয়ে ভাষণত কানখন থৈ চকু হাল প্ৰসাৰিত কৰি দিলে তাই পূৰ্বৰ চিনাকি পতিতপাৱনবৃন্দৰ ফালে। হঠাৎ তাইৰ চকুৱে চকুৱে পৰিল কেইটামান অসম্ভৱভাবে কৰুণ চকু। তাই নিঃশব্দে কৈ উঠিল — আস্ ইমান কৰুণ হব পাৰেনে মানুহৰ চকু। নহয় নহয় — এইয়া সমাজৰ বাবে দলিল-দস্তাবেজ ৰচনা কৰা চকু নহয়! এইয়া। এইয়া পলসত পোতযোৱা অসহায় বৃদ্ধৰ চকু। জীৰ্ণ-শীৰ্ণ চকুৱে তেওঁলোকে দুয়োহাত আগবঢ়াই দিছে সহায়ৰ বাবে। পলসৰ পৰা মানুহৰ মাটিলৈ ঘূৰি অহাৰ সহায়ৰ বাবে। নাই নাই ইমান কৰুণ চকু তাই চাই থাকিব নোৱাৰে।

তাই চকুহাল মুদি দিলে। কানখন অৱশ্যে খোলা।

ৰাশি ৰাশি অন্ধ সংস্কাৰে আমাৰ সমাজখনক ঢেটুলকে গ্ৰাস কৰিছে। ইয়াৰ পৰা মুক্ত কৰিবৰ বাবে পুৰুষ-নাৰী নিৰ্বিশেষে আজিৰ মানুহে বিপ্লৱ কৰিব লাগিব। ....

সভাপতিৰ উদ্দীপ্ত কণ্ঠই তাইৰ বুকুখন পুনৰ ফুলাই দিলে।

— আহ্ মোৰ বুকুত কেনেকৈ যে তই সোমাই পৰিলি? আচলতে কি জান, এনেকৈ পৌনঃপৌনিকভাবে নতুন নতুন স্থান দখল কৰাই হৃদয়ৰ কাম। হৃদয়ে আকৌ কেতিয়াবা ঘৰ আজল-মঠালিখন কৰে। কেতিয়াবা চুৰান্ত পক্ষপাতিত্ব কৰে। বাৰু থক্ দে সেইবোৰ, অমৃতে তুলিকাৰ লগত কথা পাতিছে। হৃদয়ৰ আজে বাজে কথা।

তাৰ পাছত সি এখন নদীৰ স্কেছ টানিলে। আজিলৈ তোক এৰিছোঁ। — তুলিকাডাল থৈ এইবাৰ সি কলমটো হাতত ললে। হিৰ' কোম্পানীৰ কলম।

সঁচাকৈয়ে এইবাৰ সি তাৰ নোটবুকত লিখি গ'ল —

ধীৰোদ্ধত তুলিকাৰ জীৱন অন্বেষণ
(মানুহেইতো অন্বেষণ কৰে জীৱনক)
পৰৰ মজিয়া গৰকি গৰকি
পৰৰ ছবি আঁকি আঁকি
হৃদয় হংকোৰত জগাও
এক অননুভূতপূৰ্ব পাৰ্থিৱ শিহৰণ।
তই? তই কাৰ ছবি আঁক জাননে?
এতিয়াও স্বৰ্গৰ বাতৰি থকা
দুচকুত জোনাক উবুৰি খোৱা
এটি মানৱ শিশুৰ —

হঠাৎ তাৰ মনত পৰি গ'ল বিজয়লৈ। বৈ গ'ল কলম।

বিজয়ে এবাৰ তাৰ নোটবুকখনৰ পৰা কবিতা এটা পঢ়ি কৈছিল — এইবোৰ স্থূলভাবৰ কবিতা। আজিৰ বিচাৰত এইবোৰ অকবিতা। ভাষাৰ জটিলতা নাথাকিলে কিহৰ কবিতা।

মই আনৰ বাবে কবিতা নিলিখো। মোৰ বাবেই মোৰ কবিতা, মোৰ ছবি। কোনোবাই বিচাৰিলে ছবি মই আনৰ বাবে আঁকো — কিন্তু কবিতা মোৰ একান্ত নিজৰ। কি প্ৰয়োজন নিজক নিজে ইমান জটিল কৰি চোৱাৰ?

আকৌ সি কলমটো হাতত ল'লে। লিখি পেলালে পাচৰ শাৰী কেইটা —

আহ্ সি দৌৰি ফুৰিছে—
গুথ গড়াৰ পাৰে পাৰে—

হায়! গড়া খহি পৰে যদি নৈতে!— আকৌ বৈ গ'ল তাৰ হি'ৰ কলম।

আচলতে সি কেৱল কবিতাই লিখিছেনে? ওঁহো নহয়। সি ভ্ৰমি ফুৰিছে অতীতত। চাৰি বছৰৰ আগৰ এটা নিশাত। - - - - প্ৰথম জানুৱাৰী মাহৰ এটা ৰাতি। শীতৰ অবাধ দখলৰ ৰাতি। কাপোৰ পিন্ধিয়ো উলঙ্গ যেন লগা এটা ৰাতি। সময় নিশা এঘাৰ বাজি বিশ মিনিট। চৰকাৰী প্ৰসূতি গৃহৰ দুৱাৰমুখত থৰ্কথৰ্ককৈ কঁপি তাৰ অনন্ত প্ৰতিক্ষা।

হঠাৎ প্ৰচণ্ড শীতক আওকান কৰি সগৰ্বে ভাহি আহিল এটি কান্দোন। কণমানি শিশুৰ কান্দোন। পৃথিৱী প্ৰথম স্পৰ্শৰ কান্দোন।

দুৱাৰমুখত থিয় দি থকা অমৃতৰ বুকু উগুল থুগুল। তাৰ শৰীৰৰ সকলো অঙ্গপ্ৰত্যঙ্গ ব্যাকুল হৈ পৰিছে — সেই শ্ৰীমুখ দৰ্শনৰ বাবে।

দুদিনৰ পাছত সেই শ্ৰীমুখ মাতৃসহ তাৰ ঘৰ সোমাল। পিছে অনেক খোঁচমৰা শব্দ, খোঁচমৰা প্ৰশ্ন — তাৰ চিনাকি অচিনাকি ঘৰবোৰৰ পৰা ওলাল। ওলাই চৌদিশ বিয়পি গ'ল — পাৰেনে? পাৰেনে? সাতমহীয়া শিশুৱে ইমান সুন্দৰভাবে কান্দিব? ট ট কৈ চকু মেলিব পাৰেনে? ইয়াৰ বাপেক অমৃত হয়নে?

শব্দবোৰে অমৃতক বিন্ধিলে। তাইক বিন্ধা নাই, পুৰিলে। তাই যেন পুৰি পুৰি ইতিমধ্যেই শেষ হৈ গৈছে।

অসহ্য! অসহ্য এই পোৰা বুকু বহন কৰাটো।

সেইদিনা কনমানিটোৰ দহদিন আছিল ছাগে।

পোৰা বেঙেনাৰ পৰা বস নিজৰাৰ দৰে তাই পোৰা হৃদয়ৰ পৰা বৈ পৰিছিল বস। নহয় নহয় বস নহয় ছাই। আগ্নেয়গিৰি বিস্ফোৰণৰ ছাই। হৰ্ হৰ্ কৈ ওলাই পৰিছিল — ধোৱা আৰু ছাই — মই বিশ্বাসঘাটকী। এই সন্তান তোমাৰ নহয়। কিন্তু মোৰ জিভা কাটি দিলেও কব নোৱাৰিম কাৰ? মই। মই যিকোনো শাস্তিৰ বাবে সাজু। তোমাৰ অনুমতি পালে মই নিজহাতে জ্বলাই দিব পাৰিম এই শৰীৰ। মই। মই বহুদিন ধৰি ভিতৰি ভিতৰি জ্বলিছোঁ। — তাই কান্দিছিল। জীৱন আৰু মৃত্যুৰ মাজৰ ওঁঠ দুখন কঁপিছিল। হিমচেঁচা, অথচ দগ্‌মগ্ ওঁঠ। দগ্‌মগ্ ওঁঠৰ মাজেদি শিলগুটিৰ দৰেই শব্দবোৰ টান হৈ পৰিছিল।

মই। মই। কি বুলি কৈছিলোঁ সেইদিনা? অঁ। মনত পৰিছে। মই কৈছিলোঁ — আচলতে মই কোৱা নাছিলোঁ। কৈছিল মোৰ সমাজ সচেতন মনটোৱে। বাহিৰৰ পৃথিৱীৰ পৰা পুতৌ নিবিচৰা মনটোৱে — মানুহৰ সকলো বস্তু কোনেও চুৰ কৰি নিব নোৱাৰে। এইযে থাকি গ'ল — সেইখিনিয়েই মোৰ। বাহিৰত মই এইকথা প্ৰতিজ্ঞা কৰিয় বাজহুৱা হোমজুইৰ আগতেই জ্বলিছিল আমাৰ বুকুৰ জুই। দুখন বুকুত দুকুৰা জুই। স্থায়ীভাবে থাকি যোৱা জুই। বচ্। যিকোনো ত্যাগৰ বিনিময়ত মই মানুহৰ দৰে বাচি থাকিব খোজো। পৃথিৱীত কোনো পুৰুষে নিবিচৰা বস্তুটো কি জানা — পুতৌ। তোমাৰ ওপৰত আৰোপ কৰা কোনো শাস্তিয়েই মোক পুতৌৰ পৰা মুক্তি নিদিয়ে।..........

অমৃতৰ হাতৰ পৰা কলমটো সৰি পৰিল। কবিতাৰ শেষৰ পংক্তিটোত ফুট ফুটকৈ চিএগহিবোৰ পৰিল। হঠাৎ সময় সচেতন হৈ পৰিল সি।

সি খোলামুখৰ কলমটো নোটবুকৰ পৰা তুলিলে। তাৰ পাছত পিচকালে খাপ খাই থকা সাকবটো খুলি নিবটো বন্ধ কৰিলে।

কলম থৈ আকৌ সি হাতত তুলিকা ল'লে।

হঠাৎ সি অনুভৱ কৰিলে — সি এটা চাৰি বছৰীয়া শিশু। সি দৌৰিছে — নদীৰ বালিয়ে বালিয়ে, পানীহীন নদীৰ বালিয়ে বালিয়ে। এপাকত সি জাপমাৰি গড়াঁত উঠিছে। ওখ গড়া। আহ গড়াঁ খহি সি টুলুপকৈ তললৈ পৰি যাব নেকি? সি জাপ মাৰি দিলে তললৈ। শুকান নদীৰ বুকুলৈ। ধূ ধূ বগা বালিলৈ।

স্বপ্ন বিভোৰ তুলিকা তেতিয়া নদীত। অলপ আগতে আঁকা নদীত। এইবাৰ তুলিকাই ভৰাই পেলালে পানী। নদীখন পানীৰে চপ্‌চপীয়া হ'ল। নিমিষতে শাওন ফাগুন একাকাৰ হ'ল তাৰ নদীত।

'ক'ৰ পৰা? ক'ৰ পৰা আহিল মোৰ সেই দায়িত্ব চেতন মন? সমাজৰ পৰা সম্মান বিচৰা মন? — নিজৰ মাজতে সি উত্তৰটো খেপিয়ালে। — সি যুক্তিনিষ্ঠ বাস্তৱৰ পৰা পলাই নোযোবাকৈ অৰ্থাৎ পলাই যাব নলগাকৈ কিছুমান যুক্তি বিচাৰি পালে।

তাৰ কঠোৰ বাস্তৱৰ যুক্তি হৃদয়ে শুনিলেনে? সি নাজানিলে। অৱশ্যে এটা কথা সি জানিলে তাৰ হৃদয়খন কৈশোৰলৈ গুছি গৈছে। তাত কিবা এটা বিচাৰিছে। কিনো হব আৰু ৰস। বিভিন্ন ৰঙৰ ৰস, গোজোৰাবন খুন্দি উলিওৱা সেউজীয়া পাতৰ ৰস। বীট খুন্দি উলিওৱা বেঙুনীয়া ৰস, কেহুঁৰাজ খুন্দি উলিওৱা ক'লা ৰস — এই ৰসেই আছিল তাৰ জীৱনৰ প্ৰথম প্ৰেম। সেই ৰস এতিয়া ৰং হল। বিচিত্ৰ ৰং। বিচিত্ৰ ৰঙৰ মাজত হেৰাই যোৱাৰ কি যে আনন্দ।

তাৰ দুৱাৰত টোকৰ। লগে লগে এক কণ্ঠ — অমৃত আছা নে?

'আছোঁ। মেঘালী বাইদেউ নেকি? আহক। সোমাই আহক।'

মুখত এক শিশুৰ হাঁহিৰে সি মেঘালীক বহিবলৈ দিলে।

'তুমি অফিচলৈ যোৱা নাই।'

'আজি চেকেণ্ড চেটাৰ দে।'

'অ' পাহৰিছিলোৱেই। আমি স্কুলৰ মানুহ যে অফিচৰ কথা পাহৰিয়েই আছিলোঁ।'

'আপুনি বৰ ভাগ্যবান। আপোনাৰ চাকৰি অফিচত নহৈ যে স্কুলত হ'ল।'

'তাৰ বাবে মই চিৰ কৃতজ্ঞ ভট্টাচাৰ্যৰ ওচৰত।

'এই পৃথিৱীত যদি মোৰ বাবে কোনোবা ভগৱান আছে তেনেহলে সেইয়া ভট্টাচাৰ্য ছাৰ। দেখিলেনে বাইদেউ, তেখেতে এইকেইটা বছৰতে কমলাপুৰৰ ভাগ্যই সলনি কৰি পেলালে।' গদ্‌গদ্ কণ্ঠে অমৃতে ক'লে।

'অৱশ্যে।' তাৰ পাছত প্ৰসঙ্গ সলাই কলে, বাৰু! মই তোমাৰ ওচৰলৈ কিয়

আহিলো জানা মোক এখন ছবি লাগে। য'ত জীৱনৰ সংজ্ঞা থাকে। য'ত থাকে জীয়াই থকাৰ সংজ্ঞা। আনন্দ আৰু বেদনাৰ সমন্বয়ৰ সংজ্ঞা। আচলতে ছবিখন মোৰ বাবে নহয়। মোৰ বান্ধৱী কল্পিতাৰ বাবে। আচলতে তাই মোক জীৱনটো চুই চাবলৈ শিকালে। শিকালে অৰ্থপূৰ্ণভাবে জীয়াই থাকিবলৈ।

এক অনন্য প্ৰসন্নভাবে টো খেলি গ'ল অমৃতৰ মুখ। পৰম উচ্ছ্বাসেৰে সি ক'লে, বাইদেউ আজিলৈকে কোনেও মোক এনে এখন ছবিৰ কথা কোৱা নাই। মই। মই পাৰিমনে আপোনাৰ মনৰ জোখাৰে এখন ছবি আঁকিব?

'কিয় নোৱাৰিবা। চাওঁচোন তোমাৰ ছবিবোৰ।'

তৎক্ষণাৎ মেঘালীৰ সমুখৰ টেবুলখনত হাজিৰ হ'ল কেইবাখনো পেইচিং আৰু স্কেছ। এখন এখন কৈ চাই গ'ল। নহয়, উপভোগ কৰি গ'ল। এটা গান উপভোগ কৰাৰ দৰে, তালে তালে সোমাই গ'ল। এতিয়া তাই সুন্দৰৰ জগতত। অন্য এক অপাৰ্থিব ভূমিত।

হঠাৎ ছবি এখন হাতত লৈ মেঘালীয়ে প্ৰাণোচ্ছল কণ্ঠে ক'লে, মই এনে এখন ছবিকেই বিচাৰিছোঁ।

'সেইখন মই ভট্টাচাৰ্য ছাৰক উপহাৰ দিবৰ বাবে আঁকিছোঁ। ছাৰে মোৰ ছবি বৰ ভালপায়।' অমৃতৰ উত্তৰ।

'মোৰ বাবেও এনে এখন ছবিকে আঁকিবা।' তাৰ পাছত প্ৰসঙ্গটো সলাই মেঘালীয়ে ক'লে— 'অথনিৰে পৰা মই ছবিৰ কথা পাতিছোঁ, তোমাৰ সংসাৰত কথা পতাই নাই। মায়া ক'লৈ গ'ল।'

'নিশিক স্কুলৰ পৰা আনিবলৈ গৈছে। তাক এইবাৰ শিশু নিকেতনৰ অংকুৰত এড্‌মিছন দিছোঁ।'

অমৃতৰ হাতৰ একাপ চাহ খাই মেঘালী গ'লগৈ।

অলপ সময়ৰ পাছতে পুত্ৰসহ মায়া ঘৰত সোমাল। লগে লগে চাইকেলখন লৈ অমৃত ওলাল। হয়তো তুলিকা বিচাৰি। অথবা বিশেষ এটা ৰং বিচাৰি।

নিশিক খুৱাই-বুৱাই আজৰি হৈ তাই অমৃতৰ কৰুত সোমাল। ৰং আৰু তুলিকাৰ কক্ষ।

তাই থিয় দি আছে অমৃতৰ স্কেছ আৰু পেইচিংবোৰৰ কাষত। চাওনে নাচাও এনে এটা ভাবেৰে তাই এখনকে এখনকে পেইচিংবোৰ, স্কেছবোৰ চালে। ছবিবোৰ লুটিয়াই থাকোতে তাই ভাবি গ'ল — 'মাত্ৰ চাৰিটা বছৰ। এই চাৰিটা বছৰৰ এই লোপাহ মানুহটোক অবিশ্বাস্যভাবে সলনি কৰি পেলালে। কেনেকৈ? কেনেকৈ বাতি বাৰ বজালৈকে একাকাৰ হৈ থাকে এই সোপাৰ লগত। তাইৰ সমুখৰ ছবিবোৰ সতিনী সতিনী যেন লাগি গ'ল হঠাৎ। সেইবোৰ যেনেদৰে আছিল আকৌ তেনেদৰে থৈ তাই কোঠাৰ পৰা ওলাই আহিল।

'নিশি। ক'লৈ গ'লা? ক'লৈ গ'লা তুমি?'

'মই আগফালে আছোঁ মা।'

তাই একোকেৰে গৈ নিশিৰ ওচৰ পালেগৈ। অকলে অকলে আগফালে মাৰ্বল খেলিছে সি।

'তাই তাৰ খেলৰ সংগী হ'ল।'

অলপ সময়ৰ পাছতে বগা এম্বাচাদৰ গাড়ী এখন সিহঁতৰ ঘৰৰ কাষত ৰৈ গ'ল। গাড়ীৰ পৰা নামি অহা মানুহজনে ইতিমধ্যে তাইৰ চোতাল চুলে। ভাবাতীয়া সৰু চোতাল। তাই থৰ লাগি চালে অতিথিলৈ।

অতিথি। অনাহুত অতিথি।

তাইৰ টোপ্ টোপ্ চকুৰপানী বৈ আহিল। আনন্দত নে বেদনাত সেই কথা তাই ধৰিব নোৱাৰিলে।

নিশিক কোলাত লৈ অতিথিয়ে সুধিলে —

'তোমাৰ নাম?'

'নমস্কাৰ। মোৰ নাম নিশিৰাজ বৰা। মায়ে জানটো বুলি মাতে। দেউতাই ধনটো বোলে।'

'বাঃ তোমাৰ তেনেহলে বহুত নাম। কিন্তু দেউতাৰাক কবা, তুমি মোৰ নামটো সলাই দিয়া। মোৰ নাম নিশিৰাজ নহয়। ঋতুৰাজ। বুজিছা ঋতুৰাজ।'

এইবাৰ তেওঁ টিখমখমীয়া লোদোৰ-পোদোৰ, ৰঙামুখৰ লৰাটো কোলাত তুলি ললে। কবিতা এটা গোৱাচোন বুলি কোৱাৰ লগে লগেই সি গাই দিলে এটা কবিতা — হলৌ উঠিল গছত ....।

অৱশ্যে সেই কবিতা তাৰ পাঠ্যপুথিত নাই।

মায়াৰ সমুখত দুখন মুখ। এখন অতিথিৰ। আনখন তাইৰ গৰ্ভজাত সন্তানটোৰ। মনে মনে বিজাই চালে দুয়োখন মুখ। ....আহ্ ইমান একে হ'ব পাৰেনে দুয়োখন মুখ? হে হৰি। গুই থকা এটা সত্যক তুমি চিৰদিন গুৱলৈ দিবানে?

সৰ্বশৰীৰ কঁপি উঠিল তাইৰ।

নাই নাই, এই দৃশ্য চাই থকা তাইৰ বাবে কষ্টকৰ, অতিথিৰ কোলাৰ পৰা নিশিক ঠাপ মাৰি নিজৰ কোলালৈ আনিলে।

অতিথিয়ে বুজিলেনে কি বাৰু মায়াৰ মনৰ ভাবা?

অমৃতে মোক ৰবকৈ মাতিছিল। সি নাই যদি মই যাওঁ। সাধাৰণ গহীনতাৰে ক'লে অতিথিয়ে। কৈয়ে তেওঁ বহাৰ পৰা উঠিল।

আকৌ আন এক যন্ত্ৰণা। যন্ত্ৰণাটো ছৰ্মূৰকৈ মায়াৰ মগজুলৈ সোমাই গ'ল — কিয়? কিয় মাতিলে অমৃতে? কি কথা থাকিব পাৰে অমৃতৰ আপোনাৰ লগত। যন্ত্ৰণাকাতৰ মগজুৰ নিঃশব্দ চিৎকাৰ।

'বহক ছাৰ। বহক। কিমান দিন অহা নাই আপুনি,' অতিথিক কথাষাৰ কৈ তাই আকৌ ভাবিলে — আচলতে তাই 'যাওঁক ছাৰ' বুলিহে ক'ব লাগিছিল নেকি?

ইতিমধ্যে মগজুলৈ প্ৰবেশ কৰা যন্ত্ৰণাটো যেনি-তেনি ফাটি ফুটি ওলাব বিচাৰিছে।

নিশিক চোতালত খেলিবলৈ এৰি দি তাই অতিথিৰ কাষত থিয় হ'ল। তাৰ পাছত ঘপহ্‌কৈ কৈ পেলালে তাই। ছাৰ। ছাৰ আপুনি নিশিক যেন কোঁচত নলয়। আপোনাৰ চেহেৰাৰ লগত তাৰ চেহেৰাৰ অসম্ভৱ মিল আছে। অমৃতে এই কথা জানে নিশি তেওঁৰ নহয়। কিন্তু কাৰ সেইকথা তেওঁ নাজানে। বাধ্যত পৰি মই ক'ব লগা হ'ল এই সন্তান তোমাৰ নহয়। কিন্তু কাৰ? সেই কথা জিভা কাটি দিলেও মই ক'ব নোৱাৰিম। ....কেনেকৈ জানিম তেওঁৰ মনৰ কথা। গোপনে গোপনে তেওঁ কিজানি এতিয়াও নিশিৰ দেউতাকক বিচাৰি ফুৰিছে।' ....মোৰ মোৰ বৰ ভয় লাগে। আপুনি। আপুনি যাওঁকগৈ ছাৰ। সৰ্ সৰ্‌কৈ চকুপানীবোৰ বৈ আহিল তাইৰ।

অসম্ভৱ গহীন হৈ গ'ল ভট্টাচাৰ্য।

হঠাৎ গহীন কণ্ঠে কৈ পেলালে তেওঁ — ঠিক আছে। মই মোৰ ল'ৰাক কেতিয়াও কোঁচত নলওঁ। মোৰ অধিকাৰ নাই। হয়তো মই ইয়ালৈ কোনোদিন নাহিম। কিন্তু মোৰ ল'ৰাৰ এখন ফটো মোক লাগে। মোৰ সমাজৰ মানুহটোৰ বাবে নহয় — ব্যক্তিগত মানুহটোৰ বাবে।

মায়া ফট্‌কৈ ভিতৰলৈ সোমাই গ'ল। নিমিষতে ভট্টাচাৰ্যৰ হাত তুলি দিলে এখন ফটো। এটি চাৰি বছৰীয়া শিশুৰ হাঁহিমুখৰ ফটো।

তেওঁ আৰু কোনো শব্দ নকৰিলে। মাথো গহীন গহীন খোজ দিলে মাটিৰ পৃথিৱীত। কঁপা কঁপা যেন লাগিল তেওঁ ভৰিৰ তলৰ পৃথিৱী।

এখন মুখ। হলৌ উঠিল টকৌ গছত সল্‌সল্‌কৈ গাই দিব পৰা এখন মুখ। অকলে অকলে মাৰ্বল খেলা এখন মুখ। মুখখনে জাগৃত কৰিলে হৃদয় বীক্ষা। মাটিৰ মানুহৰ হৃদয় বীক্ষা।

নিৰ্দিষ্ট ফাইলটোত ফটোখন থোৱাৰে পৰা শিশুটিয়ে তেওঁৰ লগ এৰা দিয়া নাই। অৱশ্যে গতানুগতিক জীৱনত শিশুটোৰে আমনি দিয়া নাই।

এইয়া তেওঁ নিশাৰ এবাৰ বজাৰ বিচনাত। কাষত নীলি। তাইৰ নাক বজা টোপনি। মদনৰ কামশৰৰ পাছৰ টোপনি।

তেওঁবো আচলতে টোপনি যাব লাগিছিল। কিন্তু সেই মুখখন সাৰে আছে। সেয়ে সাৰে আছে তেওঁ। বাঃ সেই মুখখন? স্বৰ্গৰ কাজল পিন্ধি অহা অমল-বিমল মুখখন। তেওঁ সন্মুখত দেও দি ফুৰিছে সেই মুখ সম্বলিত ছবি দুখনে।

উস্। কিয় তই পৰিপূৰ্ণভাবে মোৰ চেহেৰা ললি? তেনেহলে তই এইজনী মানুহৰ গৰ্ভলৈ নাহিলি কিয়? নাই, নাই তই জন্ম হোৱা নাই। উদয় হলি। উদয় হৈছে সূৰ্যৰ দৰে, চন্দ্ৰৰ দৰে। তোৰ সৰুগীয় চকুত তিৰবিৰাইছে সেই চন্দ্ৰ। মোৰ চকুত তই কোনোদিন একোকে বিচাৰি নাপাবি। অথচ তোৰ চকুত মই পাম আকাশ। মোৰ ৰ'দ-বৰষুণ একেলগে হোৱা আকাশ। নোৱাৰে। মোৰ পৰা কোনেও ঠপিয়াই নিব নোৱাৰে এই আকাশ।

উস্ মায়া মোৰ তেজত তোৰ প্ৰেম নাই। সুগন্ধ নাই। মুহূৰ্তৰ বাবেও লালায়িত হোৱা নাই তোৰ দেহৰ প্ৰতি। অথচ তোৰ সন্তানটো মোৰ। মই নিভাক ভাল পাওঁ। হয়তো মোৰ সমগ্ৰ জীৱন জুৰি থাকিব তাইৰ ভালপোৱা। অথচ নিভাৰ সন্তানটো মোৰ নহয়। আহ্ কি আহুকলীয়া এই কথাবোৰ।

নীলিয়ে বাগৰ সলাই বেৰৰফালে মুখ কৰিছিল তেতিয়া। এইবাৰ পত্নীলৈ চাই নিঃশব্দে ক'লে, আৰু তুমি! তুমিতো কেৱল মোৰ প্ৰেমিকাই নোহোৱা, তুমি মোৰ জীৱন, তুমি সম্মান। মোৰ সামাজিক জীৱনটো পূৰ্ণমাত্ৰা দখল কৰাজনীয়েই তুমি। তুমি মোৰ ৰ'দৰ-বৰষুণৰ। অথচ, মোৰ ভিতৰৰ এই ধুমুহা বৰষুণৰ খবৰ তোমাক মই দিব নোৱাৰো। উস্ সমগ্ৰ নিশাটো টোপনি খতি কৰি, এৰভা মানুহৰ আগত শপত খালোঁ — তব হৃদয়ং মম, মম হৃদয়ং তব। মিছা মিছা প্ৰবোধ এটাৰে দুটা প্ৰাণীক এক কৰি ৰখাৰ প্ৰচেষ্টাত বৈদিক ঋষিৰ সৃষ্টি এইয়া। আচলতে কি জানা — স্বামী-স্ত্ৰী মানে কেতিয়াবা প্ৰেমৰ, কেতিয়াবা অপ্ৰেমৰ, কেতিয়াবা বিশ্বাসৰ, কেতিয়াবা অবিশ্বাসৰ, স্বপ্ন-দুঃস্বপ্নৰ, দুখন ডায়েৰী। নীলিলৈ চাই থাকোতে আহিল নিশি। নিশি। এই মুহূৰ্তত তেওঁৰ বাবে সকলো অসত্য। সত্য কেৱল নিশি। ....অঁ। তোৰ নাম কেতিয়াও নিশি হ'ব নোৱাৰে। তোৰ নাম হ'ব লাগিব ঋতুৰাজ। ঋতু। হ'লে হক ফাগুন নামৰ এটা বলীয়া ঋতু।

আহ্ কিয় তই পৰিপূৰ্ণভাবে মোৰ চেহেৰা ললি? অসীমাওতো মোৰ ছোৱালী। তাই কিয় মোৰ চেহেৰা নল'লে। মাকৰ চালে তাইক চাব নালাগে।

হ'ব তই এতিয়া শো। তই ছাগে এনেকৈয়ে কেতিয়াবা গুন্গুনাবি। কেতিয়াবা মোৰ বুকু খাব্দিবি। কেতিয়াবা বুকুত দেওদি দেওদি ফুৰিবি।

উস্ জাৰ পৰিছে। লেপখন মূৰলৈকে টানি ল'লে তেওঁ। ক্ৰমশঃ তেওঁ টোপনিত।

সেইদিনা সোনকালেই তেওঁ সাৰ পালে। কানত বাজিল — এজাক চৰাইৰ গান। অলেখ কনবীয়া জুৰি একেলগে যে যোৱাৰ দৰে গান।

তেওঁ দুৱাৰ খুলি বাহিৰ পালেহি।

ওখ ওখ নাহৰ দুজোপাৰ সিপাৰে কুঁৱলী। এইকেইদিন নাহৰৰ পাতবোৰ বৰকৈ সৰিছে। শীতত তেওঁৰ গাৰ চাল শুকোৱাদি নাহৰ জোপাও শুকাইছে। মেঘালীয়ে দেখিলে হয়তো ক'ব — কি হ'ল দাদা? নাহৰ দুজোপাৰ পাতবোৰ কিয় ইমান সৰিবলৈ দিছে? তাই ঘৰৰ গৃহস্থৰ সমানেই ভাল পায় এই নাহৰ দুজোপা।

'অ' সেই কথাটো? মেঘালীৰ কথাটো? নীলিক সুধিব লাগিব। আচল ৰহস্যবোৰ তেওঁহে জানিব। এস্ ৰাতিপুৱাই সেইবোৰ কথা তেওঁক নোসোধাই ভাল। তেওঁ বা কি ভাবে।

সব্যসাচী দুজন প্ৰহৰীৰ দৰে থিয় দি থকা নাহৰ দুজোপালৈ চাই তেওঁ আকৌ ভাবিলে — ইয়াৰ গুৰিবোৰ চাফা কৰি নিতৌ পানী দিব লাগিব।

মুখ হাত ধুই গতানুগতিকভাবে তেওঁ পুৱাৰ চাহৰ মেজত বহিল। এতিয়া নোসোধো বুলি ভাবিয়ো তেওঁ ফট্‌কৈ কথাষাৰ সুধি পেলালে — "হে'ৰা মেঘালী আৰু পবিত্ৰৰ কথাবোৰ শুনিছানে?"

(পবিত্ৰলৈ মোৰ পেতে পেতে ঈৰ্ষা হোৱা নাই তো।)

'কেৱল পবিত্ৰৰ কথাইনে? তিনি বছৰৰ আগত তোমাৰ কথাও শুনিছোঁ।'

'মোৰ কথা?'

'অঁ।'

'পিছে তুমি দেখোন মোক কোৱাই নাই?'

'কোৱাৰ প্ৰয়োজনবোধ কৰা নাই। কাৰণ মই তোমাক জানো। মেঘালীকো মোৰ জনা আছে। তুমি যে মেঘালীৰ চাকৰিটো হোৱাত সহায় কৰিছিলা সেই সুবিধা লৈ ঘুনুক-ঘানাক কথাবোৰ ওলাইছিল। পিছে পাছত আৰু সেইবোৰ কৰলৈ সুবিধা নাপালে। এতিয়া তাই পবিত্ৰৰ পৰা লাগ্ বুলিলেই ইটো সিটো সহায় পায়। বহু বদনাম ৰতিবলৈ ইমানেই যথেষ্ট।'

'আচলতে পবিত্ৰৰো যে বিয়া পতাৰ বয়স পাৰ হৈ গৈছে।'

'তাতে কি হ'ল? সেইবুলি তাই পবিত্ৰক বিয়া কৰাবনে?'

No Never। মই মানুহৰ ধাৰণাটোহে কৈছোঁ।

বুইচা। মেঘালীয়ে সেইবোৰলৈ মুঠেও কেৰেপ নকৰে। চকোৱাৰ ফাঁকেৰে তাইৰ ঘৰলৈ চোৱা চুবুৰীয়াৰ কৌতুহলী চকুবোৰ তাই পুতৌ কৰে। এতিয়া তাই আকাশৰ দৰে বহল। পবিত্ৰৰ লগত সৰল বন্ধুত্বৰে তাই সমাজক ক'ব খোজে — বন্ধুৰ কোনো লিঙ্গ নাই। বন্ধু মানে ফুল আৰু ভোমোৰাৰ সম্পৰ্ক নহয়। সিদিনা ওচৰৰ এঘৰত দহ

গৰাকীমান মহিলাৰ আগত তাই কি ক'লে জানা পবিত্ৰৰ লগত কথাপাতি থাকিলে এজোপা বকুলৰ তলত বৈ থকা যেন লাগে মোৰ। মই তপৰাই ক'লো —

'পবিত্ৰ সঁচাকৈয়ে পবিত্ৰ। বকুল ফুলৰ দৰে পবিত্ৰ। সি কেৱল তোমাৰেই বন্ধু নহয়। মোৰো বন্ধু।'

'তুমি আৰু' মানুহজনী অতিমাত্ৰ সৰল। ইমান সৰল হলে জীৱনটো বৰ আমনিদায়ক হ'ব।'

তেওঁ মনতে এবাৰ প্ৰশ্ন কৰিলে — বৈধব্যই, ব্যক্তিত্বই অনুচিত অথচ স্বাভাৱিক আগ্ৰহবোৰ মষিমূৰ কৰিব পাৰেনে?

তা না না, তা না না — জুনুকা পিন্ধা ঘোঁৰাৰ দৰে ফোনটো বাজি উঠিল।

নীলি খৰখোজে ফোনটোৰ ওচৰলৈ গ'ল। সিফালৰ পৰা ভাহি আহিল এক পুৰুষ কণ্ঠ — লক্ষীমপুৰ জিলা সচেতন নাগৰিক মঞ্চই ভট্টাচাৰ্যৰ উদ্দেশ্যে এক জনসভাৰ আহ্বান কৰিছে। কুৰ্মশ্ৰী উপাধি প্ৰদানেৰে সীমান্ত ভট্টাচাৰ্যক ৰাজহুৱা সন্মান জনাবলৈ এই সভাৰ মুখ্য উদ্দেশ্য। মই সেই মঞ্চৰ সভাপতি। অলপ পাছতে আমি আপোনাৰ ঘৰ পামগৈ। তেখেত আছে চাগৈ।

নীলি কেৱল অঁ অঁ কৰি গ'ল।

ফোনটো থৈয়ে তাই উধাতু খাই স্বামীৰ কাষ পালেগৈ। হিয়াৰ সমস্ত আবেগেৰে সাবতি ধৰিলে স্বামীক — পালা পালা। তুমি তোমাৰ কামৰ স্বীকৃতি পালা।

ভট্টাচাৰ্যৰ চকুৰে মুখে ঢৌ খেলি থাকিল সীমাহীন আনন্দই।

ইয়াৰ পাছত সগৰ্বে ভট্টাচাৰ্যই দুই এটা সফল হিচাব নিকাচ পত্নীক দি গ'ল। পত্নীয়ে অত্যন্ত প্ৰশংসনীয় দৃষ্টিৰে স্বামীলৈ একেথৰে চাই থাকিল।

চৰাই মাতৰ কলিংবেলটো বাজিল। দুয়ো উঠি গ'ল আগফাললৈ। নিমিষতে লক্ষীমপুৰ জিলাৰ ২০/২৫ জন সচেতন নাগৰিকে ভৰি গ'ল ভট্টাচাৰ্যৰ আগফালৰ বাৰান্দা আৰু ড্ৰয়িং ৰুম। সেই দলটোত আছিল কমলপুৰৰ পবিত্ৰ আৰু ৰঙাই।

হঠাৎ ভট্টাচাৰ্যৰ ঘৰ হৈ পৰিল ৰাইজৰ ঘৰ। আনন্দত উৰো উৰো ঘৰৰ কোঠা।

ভট্টাচাৰ্য মধ্যমণি হৈ চলিল অনেক কথা।

আচলতে ছাৰ — আপোনাৰ কলেজখনে আপোনাক বহু ওপৰলৈ নিলে। আজি দুবছৰ মানৰ পৰা সদৌ অসমৰ ছাত্ৰ-ছাত্ৰীৰসকলৰ যিকোনো প্ৰতিযোগিতাত লক্ষীমপুৰে নাম কৰিছে। আৰু সেই নামী ছাত্ৰ-ছাত্ৰীকেইজন প্ৰায় আপোনাৰ কলেজৰে বুলিব পাৰি।

'আচলতে প্ৰতিযোগিতা। প্ৰতিযোগিতাই হল মূলকথা। আপোনাৰ কলেজত এড্‌মিছন পাবলৈকে শতকৰা ষাঠি নম্বৰ পাব লাগে ছাত্ৰই। এড্‌মিছন হৈ যোৱাৰ পাছতো আৰু ছাত্ৰ-ছাত্ৰীৰ ৰক্ষা নাই.............।'

জিলা পৰ্যায়ত এনেকুৱাৰ গুৰুত্ব কি আছে কি নাই সেইয়া আমি নাজানো। কিন্তু আমাৰ কমলপুৰলৈ হ'লে কিঞ্চিত আধুনিকতাৰ পোহৰ আহিল। বিশ্বৰ আধুনিকতাৰ সমৰ্থক দিশবোৰ কমলপুৰ বাসিন্দাই নাজানে। বিশ্বই আজি গ্ৰহ গ্ৰহান্তৰ লৈ খেলা কৰিছে, ইন্টাৰনেট লৈ খেলা কৰিছে অথচ আমাৰ ৰাইজে মাত্ৰ এসপ্তাহৰ আগতে ফোনটো পাই আনন্দত নাচি উঠিছে। যি কি নহওক এওঁলোকৰ সহজ-সৰল বিশ্বাসৰ ঠাইত যুক্তিৰ বিশ্বাস, ভক্তিৰ ঠাইত জ্ঞানৰ বন্দনা — ইত্যাদিৰে বৈজ্ঞানিক দৃষ্টি-ভঙ্গি এটা গঢ়ি তুলিব পাৰিলে আমি কিছু আধুনিক হলো বুলি গৰ্ব কৰিব পাৰিম — সমাজশাস্ত্ৰৰ শিক্ষক পবিত্ৰই এটা সমাজৰ লেকচাৰ দি পেলালে। আগ্ৰহী ছাত্ৰৰ দৰে শুনি গ'ল উপস্থিত সদস্যসকলে।

এইবাৰ ফটংকৈ ৰঙায়ে কৈ পেলালে — হ'ব হ'ব সকলো হ'ব। এইজনাক ঈশ্বৰে আমাৰ পাছপৰা অঞ্চললৈ সেই গুণেই পঠাইছে। এইজনাৰ যহতে বামুন মথাৰ এশ এবুৰি পৰাচিত খণ্ডন হল। চুৰ্তিকাৰে বিধান দিবলৈ চিন্তা কৰিবলৈ ললে। এইজনা দেবতাই উপকাৰ সধা নাই কাৰ? যি কি নহওক অতদিন আপুনি ৰাইজক সেবিলে, এতিয়া ৰাইজে আপোনাক সেবিব।

'আপুনিহে কিন্তু আচল সাৰ কথা কলে। আজিৰ শিক্ষাই জাত-পাত বিভাজন নোহোৱা কৰিছে। সেই সকলে আকৌ আমাৰ পাচৰ প্ৰজন্মক টানি-আজুৰি মধ্যযুগলৈ নিব খুজিছে।' জিলাৰ সভাপতিয়ে কলে।

অবশ্যে। এইলৈ সদৌ অসম ভিত্তিত ব্যাপক আন্দোলনৰ প্ৰয়োজন হৈছে। আন্দোলন কৰিব লাগিব অবশ্যে ভট্টাচাৰ্য, শৰ্মা আদি বামুনেহে। মানে নিজকে মানুহ বুলি ভবা বামুনে। এই প্ৰসঙ্গত মই অবশ্যে সাজু। গহীন কণ্ঠে ভট্টাচাৰ্যই কলে।

'আমাক মানুহ লাগে। আপোনাৰ দৰে আধুনিক মনৰ মানুহ। অন্ততঃ আপোনাৰ মনটোৰ দৰে লক্ষীমপুৰ জিলাৰ প্ৰতিখন গাঁৱৰ পৰা এজন মানুহ ওলালেও আমি সফল হ'ব পাৰিম।'

'যি কি নহওক, আপোনাৰ দৰে মানুহ এজনে ৰাজহুৱা স্বীকৃতি পোৱাটোত, ৰাজহুৱা প্ৰশংসা পোৱাতোত আমি সঁচাকৈয়ে গৌৰবান্বিত।'

বিভিন্ন জনে বিভিন্ন দৃষ্টিকোণৰ পৰা ভট্টাচাৰ্যৰ প্ৰশংসা কৰিলে। কামৰ স্বীকৃতি দিলে।

এইবাৰ দৈব গাম্ভীৰ্যৰে ভট্টাচাৰ্যই ক'লে — 'মনোবিজ্ঞানীৰ মতে স্বীকৃতি পোৱা বাসনাই হ'ল মানৱ চৰিত্ৰৰ সবাতোকৈ ডাঙৰ বৈশিষ্ট্য। ৰাইজৰ এনে উৰ্বৰ চিন্তা সঁচায়ে প্ৰশংসনীয়।'

ভট্টাচাৰ্যৰ ঘৰতে হৈ গ'ল এখন সভা। আগতীয়া সভা। সদৌ শেষত নিৰ্দিষ্ট দিনটোৰ বাবে নিমন্ত্ৰণ দি সদস্যসকল গ'লগৈ।

............আবেলিলে অমৃত আহিল। খালিহাতে নহয়, জীৱনৰ সংজ্ঞা ধৰি এখন ছবিৰে।

অমৃতে দিয়া ছবিখন চাই চাই তেওঁ আকৌ গহ্বৰ দৰে বোবা হৈ গ'ল। ....তেওঁৰ ওঁঠৰ বিন্দুত শূন্যতা নে পূৰ্ণতা? ওঁঠটো আনন্দত কঁপিছেনে বিষাদত কঁপিছে? নাই, মুখখন চাই এই কথা কৈ দিব পৰা নাযায়। অৱশ্যে গহ্বৰ দৰে বোবা হৈ বোৱাৰ পৰা এইটো ধাৰণা কৰিব পাৰি যোৱা কালিৰ নাগৰিক মঞ্চৰ সংবাদটোক পিছুৱাই থৈ সাইলাখ তেওঁৰ গঢ়ৰ শিশুটো আগবাঢ়ি আহিছে। ছবিখনে যেন বহন কৰিছে সেই শিশুৰ মুখ।

এইয়া ছবিখন আগত লৈ বোবা মানুহটো তেওঁৰ পঢ়া কোঠাত। একান্ত নিজস্ব কোঠাত। এপাকত তেওঁ ঘড়ীটোলৈ চালে। দহ বাজিছে। তাৰ মানে নীলি স্কুললৈ আধাঘন্টাৰ আগতেই গ'ল। কাম কৰা বাইজনীও এই সময়ত যায়গে। আকৌ তিনিবজাত আহিব।

তেওঁ আজি কলেজলৈ যাবও পাৰে, নাযাবও পাৰে। তেওঁ আজি হেপাহেৰে কথা পাতিব এই শিশুটোৰ লগত। ভিতৰৰ মানুহটোৱে আজি এক বন্ধ কোঠাৰ দাবী কৰিছে। তেওঁ সেই দাবী উপেক্ষা নকৰে।

তেওঁ আগফালৰ দুৱাৰখন বন্ধ কৰি হুক লগাই দিলে। তাৰ পাছত নিৰ্দিষ্ট কোঠাটোলৈ সোমাই গৈ তেওঁ দুখন শিশুৰ ফটো সমুখত ৰাখিলে। এখন নতুন সীমান্তৰ আনখন পুৰণি সীমান্তৰ। দেউতাকে আটোমটোকাৰীকৈ সজাই থোৱা পুৰণি সীমান্তৰ ফটোখন এতিয়াও সুন্দৰ। পাৰ্থক্য নাই দুযোৰ চকুৰ, দুযোৰ চেলাউৰিৰ, দুখন কপালৰ,.....।

তেওঁৰ সমুখৰ টেবুলখনত দুটি শিশু। ফটো দুখনত কোনো পাৰ্থক্য নাই। পাৰ্থক্য নাই দুযোৰ চকুৰ দুযোৰ চেলাউৰীৰ দুখন কপাল, দুটা ঠুঁটৰিৰ। কেৱল পাৰ্থক্য আছে কাগজৰ। এখন চাকা আনখন কিঞ্চিত ধোৱাবৰণীয়া।

'উস্ এইটো ময়েই।' মোৰ নাম? মোৰ নাম কেতিয়াও নিশি হ'ব নোৱাৰে। হলে ঋতু হ'ব পাৰে। ঋতুটোৰ নাম ফাগুন হ'ব পাৰে। সি বলীয়াও হ'ব পাৰে। হ'লে হওঁক। কোনো কথা নাই। এইবাৰ তেওঁ এখন চিঠিকে লিখি পেলালে —

শ্ৰীমতী মায়া —

মৰম লবি বুলি নকও। কও মোৰ এটা প্ৰবল ইচ্ছাৰ কথা। সেই ইচ্ছা নিষিদ্ধ হলেও স্বাভাৱিক। মোৰ। মোৰ ঔৰসৰ সন্তানৰ নাম কেতিয়াও নিশি হব নোৱাৰে। মই আশা কৰোঁ তাৰ নাম ঋতু দিবি। ঋতুৰাজ। ইতি—হ্যৰ

কিন্তু? কিন্তু কাৰ হাতত দিম এই চিঠি? চিঠিখনে অমৃতৰ অফিচ টাইম মেনেজ কৰিব লাগিব। কোন আছে মোৰ ইমান বিশ্বস্ত? কাম কৰা বাইজনী? আৰু গোপনীয়তাৰ বাবে কিছু ফিজ। নাই, নাই মোৰ নিষিদ্ধ ইচ্ছাৰ চিঠি মই নিজহাতে দিম। মই শব্দৰে

তাইক এইকথা কব নোৱাৰিবও পাৰোঁ। কিন্তু আ-ৰেবে পাৰিম।

চিঠিখন কিঞ্চিত আঁতৰাই থৈ এইবাৰ তেওঁ নতুন কাগজৰ ফটোখন হাতত ললে। তাৰ পাছত পাতি গ'ল কথা। সিদিনা ৰাতি বিমানবোৰ কথা মনে মনে পাতিছিল আজি সেই সকলোবোৰ শব্দ কৰি পাতি গ'ল তেওঁ। শব্দৰ প্ৰাণ আছে। শব্দইটো মানুহক জীৱন্ত বুলি চাৰ্টিফিকেট দিয়ে।

ভট্টাচাৰ্যৰ সিদ্ধান্তৰ দৰে নীলি স্কুলত নহয়। ঘৰত। আজি তাইৰ ঘৰত খুচু খাচু বহুত কাম আছে। সেয়ে চি, এল লৈছে।

পাছফালে পিঠিত ব'দ লৈ তাই কুৰ্টাৰ বুটাম চিলাইছে। পাতৰ কুৰ্টা। কালিলৈ সভালৈ সেই কুৰ্টা পিন্ধিয়েই যাব লাগিব তেওঁ।

তাই কেৱল বুটামেই চিলোৱা নাই। লগতে যেন উপভোগ কৰিছে বেজি আৰু সুতাৰ খেলা। তাই বাওহাতে টিপামাৰি সোণালী ৰঙৰ বুটামটোত বেজিটো হেচোমাৰি দিয়ে। হেঁচা পাই বেজি গৈ সিটো পাৰ পায়। পিছে পিছে সুতাৰ দৌৰ। বেজিক এৰি মুহূৰ্তৰ বাবেও থাকিব নোৱাৰা সুতাৰ দৌৰ। হঠাৎ বেজি আৰু সুতাক এহাল দুৰন্ত প্ৰেমিকৰ লগত বিজাবৰ মন গ'ল তাইৰ।

ঠিক সেই সময়তে নিজৰ পঢ়াকোঠাত আবদ্ধ সীমান্তই কাৰোবাৰ লগত কথা পাতি থকা যেন লাগিল তাইৰ। আনহাতে কালিৰ অমোঘ সংবাদটো পোৱাৰে পৰা যিকোনো মানুহক লগ পাবলৈ ব্যাকুল হৈ আছে তাই।

পাছফালৰ কাপোৰ মেলা টাঁৰডালতে তাই বুটাম চিলাই হোৱা কুৰ্টাটো থলে তাৰ পাছত লাহে লাহে স্বামীৰ পঢ়া কোঠা পালেহি।

কোঠাতচোন আন কোনো মানুহ নাই। চ' কাঠত ধৰি দৰক লাগিল তাইৰ। তাই সীমান্তৰ শব্দ ওলাই থকা মুখখন দেখা নাই, দেখিছে পিঠিখন।

কি হৈছে? কি হৈছে মানুহটোৰ! অকলে অকলে কথাপাতেনে এনেকৈ? — তাই আগবাঢ়ি গৈ সীমান্ত বহি থকা চকীৰ পিঠিত হাত থলে।

তেওঁ তেতিয়াও ব্যস্ত কথাত। ফৰিং ফুটাৰ দৰে উফৰি উফৰি গৈছে কথা।

মানুহটো পাগল হোৱা নাইটো? — এনে ভাব আহোতেই তাইৰ চকু গ'ল টেবুলৰ কাগজখনলৈ। চকুত পৰিল সম্বোধনটো শ্ৰীমতী মায়া। তেওঁৰ হাতত থকা ফটোখন তেতিয়াও গাটোৱে আঁৰ কৰি ৰাখিছে।

তাই লাহেকৈ বাওঁহাতখন প্ৰসাৰিত কৰি দিলে কাগজখনৰ ফালে। বৃদ্ধ আৰু তৰ্জনী আঙুলিৰে টিপামাৰি লৈ আহিল সেই কাগজ।

তেওঁ ভাবিলে কাগজখন কাৰো হাত লৈ যোৱা নাই গৈছে বতাহত। বতাহেইতো উৰুৱাই নিয়ে বহু দৰকাৰী কাগজ। উৰি যোৱা কাগজখন কিমান দূৰ পালেগৈ, এনে এটা ভাবেৰে তেওঁ পাছলৈ ঘূৰি চালে।

তুমি? তুমি? কাণ্ডজ্ঞানৰ মানুহটো চিঞৰি উঠিল। মানুহটো কঁপিছিল! সপোন আৰু দিঠকৰ মাজৰ ওঁঠ দুটাও থক্ থক্‌কৈ কঁপিছিল। কৰকৰীয়ামাৰি শুকাই গৈছিল কঁপি থকা ওঁঠ।

হঠাৎ নীলি বোবা হৈ গ'ল। চকুৰ আগতে হেজাৰ বিজাৰ সৰিয়হ ফুল নিমিষতে ৰঙা হৈ গ'ল। বতাহত এখিলাও পাত নলৰা ভৰ দুপৰৰ এজোপা গছৰ দৰে কিছুসময় ৰৈ থাকিল তাই।

থৰক বৰক খোজেৰে তাই কোঠাটোৰ পৰা ওলাই আহিল।

তাইৰ সমুখত এতিয়া একো নাই — মাত্ৰ ধোঁৱা। ধোঁৱাই চানি পেলাইছে তাইক। অন্ধৰ দৰে খেপিয়াই খেপিয়াই তাই শোৱনিকোঠা পালেগৈ — থৰক বৰক খোজেৰে, এই ফাটো এই ফাটো বুকেৰে, মগজুত এজাক ধুমুহাৰে .... শব্দৰ ধুমুহাৰে।

কিহৰ শব্দ? — ভৎসনাৰ, ঘৃণাৰ, ক্ষোভৰ।

বিচনাত বাগৰ দিয়াৰ লগে লগেই তাইৰ চাৰিওফালে ঘূৰি থাকিল কিছুমান কণ্ঠ। চাৰি বছৰৰ আগৰ কণ্ঠ।

আচলতে প্ৰত্যেক মানুহৰ এনে কিছুমান একান্ত নিজস্ব কথা থাকে, যিবোৰ নেকি যিমানেই আপোন নহওক কিয় দ্বিতীয় ব্যক্তিক ক'ব পৰা নাযায়। তেনে পৰিস্থিতিত ব্যক্তিয়ে নিজাকে সিদ্ধান্ত গ্ৰহণ কৰে। ময়ো তাকেই কৰিলো।

নাই নাই। তোমাৰ নাতি চাবলৈ যাবলৈ মোৰ সময় নাই। লগ এটাহে লাগে। মেঘালীৰ লগতে যোৱা।

আহ্ চিঞৰি চিঞৰি মগজুৰ শব্দবোৰ উলিয়াই দিব পৰা হলে? শব্দৰ ভৰত কেৱল মূৰেই ফাটো ফাটো হোৱা নাই। দেহৰ যেনি তেনি ফাটি ফুটি শব্দবোৰ ওলাবৰ উপক্ৰম কৰিছে।

কাণ্ডজ্ঞানৰ মানুহটোৱে এইবাৰ মনে মনে আৰ্তনাদ কৰিলে, উস্! কি ভুল হৈ গ'ল মোৰ! মই আটাইকেইটা কোঠা ভুমুকি মাৰিছিলোঁ, আগফালৰ দুৱাৰ বন্ধ কৰিছিলোঁ কিন্তু। কিন্তু পাছফালৰ দুৱাৰ? আস্ সমস্ত কথাইতো এতিয়া আন্ধাৰ।

তেওঁৰ মূৰতো ঘূৰোৱা ঘূৰোৱা যেন লাগিল। চকুহাল মুদি দিলে। ঠিক শিলত কটা মূৰ্তি এটাৰ দৰেই।

কিছু সময়ৰ পাছত তেওঁ নীলিৰ শোৱনি কোঠাৰ ফালে আগবাঢ়ি গ'ল।

বিচনাত পৰি থকা নীলিৰ শব্দহীন যন্ত্ৰণা, উন্মাদনা কিমান ভয়ংকৰ হৈ উঠিছে সেইয়া যেন তেওঁ বুজি উঠিছে। আপোনা আপুনি বাওঁহাতৰ আঙুলি তেওঁৰ ওঁঠত লাগিছে। খৰ্খৰীয়া শুকান। শুকান ওঁঠৰ ফাকেদি ফট্‌কৈ সৰকি গ'ল, 'মোক ক্ষমা কৰা বুলি মই নকওঁ। তুমি যি কৰিলা ভালপোৱা.......।'

শব্দই যেন খুলি দিলে শব্দৰ দুৱাৰ।

'জী তুল্য ছোৱালীৰ গৰ্ভত তোমাৰ সন্তান? ছিঃ ছিঃ তুমি ইমান নীচ। তোমাক ভৎসনা কৰিবৰ জোখাৰে ইমান নিকৃষ্ট শব্দ মোৰ মগজুত নাই!.....

'জানো। তুমি মোক ঘিন কৰিবা। কিন্তু?'

'প্লীজ তুমি এতিয়া আঁতৰি যোৱা। মই তোমাৰ কোনো শব্দ শুনিব নোখোজো। নাভাবিবা ঈৰ্ষাত জ্বলিছোঁ। মায়া নহৈ যদি নিভা বাইদেউ হলহেঁতেন মই সহজে গিলি থলোহেঁতেন এই কথা! মই জানো তুমি নিভা বাইদেউক ভাল পোৱা। কিন্তু? কিন্তু মায়া.......... তুমি পশু। পশুৰ বাবে মোৰ মগজুত কোনো শব্দ নাই। কিন্তু মোৰ সাহস আছে, সকলোকে জনাই দিয়াৰ সাহস। সত্যক পোহৰলৈ টানি অনাৰ সাহস....'

বজ্ৰ নিৰ্ঘোষ। শেষৰ বাক্য দুটা বজ্ৰ নিৰ্ঘোষ হৈ ব্ৰহ্মতালুতে পৰিল তেওঁ।

নীলিৰ কাষৰ পৰা তেওঁ আঁতৰি আহিল। ধুমুহা, তেওঁৰ বুকুতো একেই ধুমুহা। ধুমুহাত নষ্ট হৈ গ'ল সমস্ত। যি এখন হাতেৰে, যিটো মগজুৰে, যিহাল চকুৰে তেওঁ জীৱনটো তিল তিলকৈ গঢ় দিছিল — এতিয়া সেই হাতেৰে সেই মগজুৰে জীৱন্ত মানুহটোক কবৰ দিব খুজিছে। অলপ পাছতে মাটি হৈ যাব সমস্ত গৰিমা, তিল তিল সাধনাৰ উপাৰ্জনৰ গৰিমা।

ঘৰটোত বহু সময় ধৰি নীৰৱতা। প্ৰাচীন গুহাৰ নীৰৱতা।

'বাইদেউ! বাইদেউ!' লগে লগে দুৱাৰত শব্দ।

তিনি বাজিলেই ছাগে। বাঈজনী আহিছে। তাই ঘপহকৈ বিচনাৰ পৰা উঠিল। মেঘালীৰ সাহসী মনটো তেতিয়া তাইৰ পাছে পাছে ফুৰিছে।

মুখ-হাত ধুই তাই আগফালৰ দুৱাৰৰ ছক্‌টো খুলি দিলে।

সোমাই আহিল বাঈজনী।

আকৌ শোৱনি কোঠালৈ সোমাই গ'ল তাই। প্ৰকাণ্ড ড্ৰেচিং আইনাখনৰ ওচৰত অলপ তভক্‌মাৰি ৰ'ল। আইনাৰ সিপাৰৰ মানুহজনীৰ ওলমি পৰা চকুত বিশৃংখল চুলিলৈ বৰ পুতৌভাৱে চালে তাই। তাৰ পাছত ড্ৰয়াৰটো খুলি ফনীখন হাতত ললে।

ফনীখনে বিশৃংখল চুলিবোৰ থুপ খুৱালে। তাৰ পাছত সোঁহাতখনেৰে বেক্ কাটাপাত লৈ বাওঁহাতে ধৰি থকা মুঠিটোত কট্‌পকৈ খুৱাই দিলে। সামৰ খাই বৈ গ'ল চুলি।

অভ্যাসবশতঃ টেবুলখনৰ ওপৰতে থকা মহাতীৰ্থ সেন্দুৰৰ টেমাটোলৈ হাতখন আগবাঢ়ি গ'ল। সেন্দুৰেৰে লৈ থকা টেমাটো স্পৰ্শ কৰোঁ নকৰোঁ অৱস্থাতে পুনৰ ঘূৰি আহিল হাত। সেন্দুৰ অভ্যস্ত হাত।

তাৰ পাছত তাই পিন্ধি থকা কাপোৰজোৰ সলালে। বহুদিনৰ মূৰত চানগ্লাচজোৰো দুচকুত বহুৱাই দিলে।

আঁ চাবিকোচা? ঠিকেই আছেনে চাবিকোচা? সদায় স্কুললৈ নিয়া বেগত চাবিকোচা আছে নে নাই পৰীক্ষা কৰিলে।

তেওঁলোকৰ দুকোছা চাবি। একোছা নীলিৰ হাতত। আন কোছা ভট্টাচাৰ্য্যৰ হাতত। তেওঁলোকৰ কোনেও কাকো দুৱাৰ খুলি দিবলৈ বৈ থাকিব নালাগে। এজনৰ বাবে আনজনে সময়ৰ অপচয় কৰিব নালাগে।

নিজৰ নিজৰ প্ৰয়োজনৰ, নিজৰ নিজৰ সময়ৰ, নিজৰ নিজৰ চাবিৰ প্ৰতি তেওঁলোক সচেতন।

চানিখন বাহিৰলৈ উলিয়াই আনোতে বাঈজনীও পাছে পাছে আহিল।

..........সোঁহাতেৰে লাহে লাহে এক্‌চিলাৰেটৰডাল পকাই তাই বাঈজনীক ক'লে — মই যাওঁ। আজি নাহিবও পাৰোঁ।

ভোঁ ভোঁকৈ গুছি গ'ল চানি। ওফোটা বতাহত টৌ খেলি থাকিল কাষত সৰু সৰু চুলি, চাদৰৰ আঁচল।

চানিৰ শব্দত খৰ্‌খেদাকৈ আগফালে ওলাই আহিল ভট্টাচাৰ্য — ক'লৈ গৈছে? ক'লৈ গৈছে তেওঁ? চকুত প্ৰশ্নৰ বৃত্ত। বৃত্তটো ঘূৰি আছে।

নীলিয়ে চোতালৰ শেৱালী জোপাৰ তলতে চানিখন ষ্টেণ্ড কৰিলে। তাৰ পাছত ঘৰখনৰ ফালে চালে। দুৱাৰ খোলা। বেল নিটিপাকৈ সোমাই গ'ল তাই।

ইতিমধ্যে চকুৰ কোনেৰে বাগৰি অহা পানীৰ টোপালটো ঠুটৰিত জিৰাইছেহি। কলা চশ্‌মাই আবৰি ৰাখিলে চলচলীয়া চকু।

লাহে লাহে গৈ তাই একেবাৰে মেঘালীৰ পঢ়া কোঠা পালেগৈ।

'নীলি বাইদেউ আপোনাক শুভেচ্ছা জনাবলৈ'..... বাক্যটো আধা কৰি মেঘালী বৈ গ'ল। সামৰ খাই গ'ল সৌজন্যৰ হাঁহি।

হঠাৎ নীলিয়ে চশমাযোৰ খুলি দিলে। ক'লা গ্লাচৰ চশমা। মেঘালীৰ চকুত বৈ গ'ল তাইৰ চকু। চলচলীয়া চকুৰ শব্দই মেঘালীৰ স্বাভাৱিক চকুত নিমিষতে দুখৰ কাজল লেপি দিলে। তাইৰো চকুহাল সেমেকি গ'ল। পাহৰি পেলালে বহুত বুলি ক'বলৈ।

মেঘালীয়ে সেমেকা চকুৰে আকৌ এবাৰ ওপৰৰ পৰা তললৈ — তলৰ পৰা ওপৰলৈ চালে। তাই লক্ষ্য কৰিলে নীলিৰ দুখৰ ভৰুণ বুকুৰে কিবা এটা অৱজ্ঞাও কৰিছে। যি কি নহওক অৱজ্ঞাটো তাইৰ ভাল লাগিল।

পৰস্পৰে চকুৱে চকুৱে কথাপাতি থাকোতেই বাজি উঠিল — ক্লিং ক্লিং ক্লিং।

'অ' আপোনাক বহিবলৈকে কোৱা নাই। আপুনি বহক। মই কোন আহিছে চাওঁ।'

মেঘালী চকীৰ পৰা উঠিল। সেই চকীত বহিল নীলি।

মেঘালী আগফালে ওলাই আহিল। বিকাশ, বিপুলসহ সচেতন নাগৰিক মঞ্চৰ কেইজনমান সদস্য।

'নীলি বাইদেউ ইয়াতে আছে নেকি? চানিখন দেখিলোঁ।'

'অঁ। মূৰটো কামুৰিছে বোলে? শুইছে।'

'হ'ব বাৰু আমিয়ো বেছি সময় নকৰোঁ। আমি কালিলৈ ন বজাত চাৰুক নিবলৈ আহিম। সকলে এটা শোভাযাত্ৰাও আয়োজন কৰিছোঁ। কাৰ্যসূচী পাইছেই নহয়। আপুনি অলপ আগতীয়াকৈ যাব লাগিব। দলটো এৰেঞ্জ কৰি আগুৰি ধৰিবলৈ।

'হ'ব বাৰু।'

কথাবাৰ কৈয়ে যুৱক কেইজন গ'লগৈ।

মেঘালী লৰালৰিকৈ নীলিৰ ওচৰ পালেগৈ। তাই দেখিছে বালত আঁৰি থোৱা বাণীবোৰ বৰ মনোযোগেৰে পঢ়িছে তাই।

পঢ়ক! টেবুলৰ ওপৰৰ বুক চেল্‌ফ্‌ত থকা কিতাপবোৰো খুচৰি মুচৰি চাওঁক — এনে এটা ভাবেৰে তাই ক'লে — আপুনি বহক। মই চাহ কৰোঁগৈ। মোৰো চাহ একাপ খাবৰ মন গৈছে।

নীলিয়ে মূৰটো জোকাৰিলে। তাৰ অৰ্থ যোৱা। ময়ো তুমি আঁতৰি যোৱাটোকে বিচাৰিছোঁ।

আচলতে মেঘালীৰ নীলিলৈ পেতে পেতে কিছু ভয়ো লাগিছে। জীৱনত প্ৰথমবাৰৰ বাবে তেনে এক মুখ দেখিছে তাই? কি বা কথা আছে সেই মুখৰ আঁৰত? যি কি নহওক নীলিৰ দুঃখ সংবাদৰ লগত মুখা-মুখী হ'বলৈ তাই যেন ভয় কৰিছে। কি ঠিক! তায়োতো জড়িত থাকিব পাৰে?

গেছৰ বাৰ্ণাৰত খটক্‌কৈ লাইটাৰটো মাৰি দিলে। জ্বলি গ'ল নীলা শিখাৰ জুই। পিছে তাইৰ বুকুতো আন একুৰা জুই জ্বলিছে। তাৰ শিখা চাগে নীলা নহয়। বস্তাহে। ভট্টাচাৰ্য মোৰ চাকৰিটোত লাগি দিওতে, মোৰ ওচৰলৈ ঘনাই আহাতে মানুহে যে কিবোৰ চিএজ-বাখৰ কৰিছিল। আকৌ সেই মথাই তেনেকুৱা কিবা এটা সৃষ্টি কৰি পেলোৱা নাইতো? আহ এই মথাৰ বাবেইতো মানুহটো মোৰ ওচৰলৈ আহিবলৈ এৰিলে। আকৌ তেনেকুৱা কিবা এটা। — তাই উত্তেজিত হৈছিল যদিও ইতিমধ্যে আন কিছুমান যুক্তি তাইৰ সমুখলৈ আহিল।

চাহ হ'ল। পাপৰ আৰু ঘিলাপিঠা ভজাও হ'ল। টিনিগুৱাৰৰ চুইছত হাত দি গেছ

নুমুৰা হ'ল। নিমিষতে নোহোৱা হ'ল তাইৰ সন্মুখৰ নীলা শিখা। ইতিমধ্যে ভিতৰৰ ৰঙা শিখাও যেন নুমাল।

নীলিয়ে এইবাৰ কাগজ এটুকুৰাত বালত আঁৰি থোৱা কথাবোৰ লিখি গ'ল —

(১) মানুহ কেবল আবেগ আৰু অনুভূতিৰে জীয়াই নাথাকে। আবেগ অনুভূতিক বিসর্জন দি একমাত্র বিবেকৰ দাবীতো মানুহ জীয়াই থকাৰ প্রয়োজন।

(২) চাৰিখন দেৱালেৰে আগুৰা সংসাৰ নামৰ অভিধানখনৰ পৰা প্রেম-অপ্রেম, সুখ-দুখ, তোমাৰ চকুৰ শেৱালি পাহ — ইত্যাদি শব্দবোৰ আঁতৰাইয়েই থলো যেনিবা — সেইবুলি মই সংসাৰী নহয়নে?

(৩) মোৰ বুকুৰ চঞ্চল বেলিটো কাৰোবাৰ অকণমান স্পর্শত বাহিৰলৈ ওলালেই যেনিবা তাতেই ক্ষতি কি?

(৪) পতি-পত্নী একেলগে থকা আবাসৰ নাম জেলখানা নহয় — যেন তেওঁ মোৰ দখলত থাকক, ময়ো তেওঁৰ দখলত থাকো।

মই তেওঁৰ চকিদাৰ, তেওঁ মোৰ চকিদাৰ। (কল্পিতা)

কোন এই কল্পিতা? এইবোৰ কল্পিতা নামৰ মানুহজনীৰ কথা নেকি?

ইতিমধ্যে মেঘালী আহিল। তাইৰ হাতত চাহৰ ট্রে।

চাহ খাওঁক পাপৰ আৰু ঘিলাপিঠা সহ ৰঙা চাহ কাপ নীলিৰ সমুখত থলে। তাৰ পাছত হাতৰ ট্রেখন টেবুলখনৰ এমূৰে থৈ কোঠাটোত থকা আনখন চকি নীলিৰ ওচৰলৈ লৈ আহিল।

দুয়োজনীয়ে চাহ খাইছে। আন শব্দ নাই। কেবল মুৰুক্ মুৰুক্ ভজা পাপৰৰ শব্দ। শব্দটো নীলিৰ ভাল লাগি গ'ল।

এইবাৰ তাই বালত লগাই থোৱা থকা কাগজকেইখনলৈ চাই চাই আকৌ সুধিলে কোন এই কল্পিতা?

মোৰ সহপাঠী — বান্ধৱী। গান গায়। খুউব স্মার্ট ছোৱালী। একোলৈকে পৰোৱাই নকৰে। মাজে মাজে মোলৈ চিঠি দিয়ে। চিঠি লিখাতো তাইৰ চখ। তাইৰ চিঠি পঢ়ি বৰ ভাল লাগে। কেতিয়াবা তাইৰ সিদ্ধান্তবোৰ একোটা বাণী যেন লাগে। মন যায় বাণীবোৰ অনবৰত দেখি থাকিবলৈ। পঢ়ি থাকিবলৈ।

তাৰ পাছত কল্পিতাৰ সম্পর্কে নীলিয়ে বহু প্রশ্ন কৰি গ'ল। মেঘালীয়ে উত্তৰ দি গ'ল। কেতিয়াবা চমুকৈ, কেতিয়াবা ব্যাখ্যা সহ।

মেঘালীয়ে বুজিলে মূল কথাৰ পৰা নীলি বাইদেউ নিজেই কিছু আঁতৰি আহিছে। নিজৰ প্রসঙ্গটো অপ্রাসঙ্গিক কৰিব খুজিছে।

নীলিয়ে ট্ৰেজেদী ট্ৰেজেদী লগা হাঁহিটো মাৰি ক'লে — 'আনৰ ব্যক্তিগত চিঠি পঢ়িব নালাগে। কিন্তু এই কল্পিতাৰ চিঠিবোৰ পঢ়িবলৈ মোৰ বৰ মন গৈছে।'

'একো নাই, পঢ়িব পাৰিব। ডাঙৰ ডাঙৰ মানুহবোৰৰ ব্যক্তিগত চিঠিবোৰ সমগ্ৰ মানুহৰ বাবে আপুৰুগীয়া সম্পদ। ৰ'ব! মই লৈ আহিছোঁ।' — কৈয়েই মেঘালী উঠি গ'ল — বিশেষ এটা ফাইলৰ ফালে। ফাইলটো খুলি কল্পিতাৰ চিঠি কেইখন আনি নীলিৰ সমুখত থলে। তাৰ পাছত টেবুলৰ বুকচেল্‌ফৰ তলত থকা এল্‌বামটো খুলিলে।

চিঠি পাছত পঢ়িব। আগতে তাইৰ ফটো চাই লওক।

এল্‌বামৰ এটা পৃষ্ঠা খুলি তাই ৰৈ গ'ল। তাতে অৱশ্যে কল্পিতা নাই। তাত পবিত্ৰ আছে। মুকলি আকাশৰ তলত প্ৰকাণ্ড শিল এটাত আউজি পবিত্ৰ। কাষত মেঘালী।

হঠাৎ আন এক ভাব নীলিৰ বুকু সৰকি গ'ল। পিছে, সেইভাবটো ঠেলি প্ৰসন্নভাব দেখুৱাই তাই ক'লে — 'তোমালোকৰ বন্ধুত্ব স্থায়ী হওক। তুলসী তলৰ চাকিগছৰ দৰে পবিত্ৰ হওক এই বন্ধুত্ব।'

'— ব-হু-ত। ধন্যবাদ। সঁচাকৈয়ে পবিত্ৰক লগ নোপোৱা হলে মই প্ৰেতাত্মা হৈ গ'লোহেঁতেন।' তাই লাহেকৈ পৃষ্ঠাটো লুটিয়াই দিলে। পাছৰ পৃষ্ঠাৰ চুলি মেলি হাঁহি থকা মানুহজনী দেখুৱালে। তাই নদীৰ পাৰত। কাষত এজন থুলন্তৰ পুৰুষ।'

কল্পিতাক চাই চাই নীলিয়ে সুধি দিলে, 'এইজন তেওঁৰ স্বামী চাগৈ?'

'নহয়। তেওঁৰ বন্ধু! আদিত্য। সি মোৰো বন্ধু। পিছে এতিয়া সি মোক পাহৰিছে। ময়ো অৱশ্যে তাক পাহৰিছোৱেই।' তাৰ পাছত প্ৰসঙ্গ সলাই — 'আপুনি চিঠিবোৰ পঢ়ক! মই বাহিৰৰ কাপোৰবোৰ সামৰোঁ।'

ৰ'দৰ পৰা সামৰি অনা কাপোৰবোৰ জাপি জাপি আলনাত থওঁতে তাই লক্ষ্য কৰিলে, বাইদেৱে বৰ মনোযোগে পঢ়িছে। যেন সেইবোৰ চিঠি নহয়। অলপ পাছতে হ'ব লগা এটা পৰীক্ষাৰ বিষয়বস্তুহে।

তাই আৰু খুচ্‌খাচ্ দুখনমান কাম কৰি নীলিৰ ওচৰত ৰ'লহি।

— ইহঁত দুটা নাইনে কি? চিঠিতে চকু থৈ নীলিৰ প্ৰশ্ন।'

— নাই, মোমায়েকৰ ঘৰলৈ গৈছে। মই ৰাতিটোৰ বাবে লগ এটাৰ কথা ভাবি আহিছিলোঁ। আপুনি আহিল যেতিয়া ভালেই হ'ল। আজি থাকক। মই তেখেতলৈ ফোন এটা কৰি দিওঁ।'

— থাকিম বাৰু! কিন্তু ফোন কৰিব নালাগে।'

— কিয়? মুখত কিঞ্চিত হাঁহিৰ ৰেখা। প্ৰসঙ্গটো সলাই আকৌ সুধিলে — আপোনালোকৰ এই সুন্দৰ খবৰটো অসীমাই পালেনে?'

'পালে। তেওঁ খবৰটো পায়েই জীয়েকলৈ লগে লগে ফোন কৰিলে। তাই আনন্দত জপিয়াই উঠিল।'

— তাইতো একেবাৰে পৰীক্ষা দিহে আহিব।'

অঁ! আকৌ বেলেগ এখন কিতাপৰ পাত লুটিয়াই লুটিয়াই তাই কলে — 'তুমি মোক একোকে সোধা নাই। মোৰ মুখত তুমি একো নতুন কথা দেখা নাইনে?'

— দেখিছোঁ। ভাল পাইছোঁ। আপুনি আজি ৰঙা ফোঁটটো লোৱা নাই। মই ৰঙা ফোঁটটো সংসাৰ পাঠশালাৰ শপত বুলি নাভাবো। ৰঙা ফোঁটক মই সুবিধাবাদী সকলৰ ইচ্ছা-শুভেচ্ছাৰ হাতিয়াৰ বুলি ভাবো। ৰঙা ফোঁটক লৈয়ে যে কি সতীত্বৰ বেহা। কি সতীত্বৰ সংজ্ঞা!'

— তুমিতো বিমল থাকোতেও মাজে মাজে সেউজীয়া ফোঁট লোৱা!'

— অঁ! সেউজীয়া তেওঁৰো পচন্দ! মোৰো পচন্দ। তথাপি জ্যাইঁতৰ খেচ্‌খেচনিত মাজে মাজে অনিচ্ছা স্বত্তেও ৰঙা ফোঁট লওঁ। বিশেষকৈ কালচাৰেল প্লেচত। এতিয়াতো একেবাৰে ফ্রি হৈ গ'লো। সৰহভাগ ফোঁট নলওঁৱেই। ল'ব লগা হ'লে কলা- সেউজীয়া, হালধীয়া যেতিয়া যিটো ৰং ভাল লাগে।'

— জানা মেঘালী! মই আজি তোমাক বহুত কথাই কম বুলি ভাবিছিলোঁ। বাঙ্গজনীক কৈ আহিছিলোঁ, মই আজি নাহিবও পাৰোঁ। কিন্তু?......'

— কিন্তু কি? খীন হাঁহি এটা মাৰিলে মেঘালীয়ে। 'কিন্তু চিন্তু একো ৰাই আপুনি আজি থাকিবই লাগিব।'

— মোৰ যে এতিয়া তোমাক একো কথাই ক'ব লগা নাই। গতিকে আজি নাথাকো নেকি?'

— ঠিকেই আছে। আপোনাৰ প্রয়োজন নাথাকিলেও মোৰ প্রয়োজনতে থাককচোন।'

— হব দিয়া। তোমাৰ কাষত এঘণ্টা বহিয়েই মোৰ এটা সমস্যা সমাধান হৈ গ'ল। গতিকে এটা ৰাতি তোমাৰ লগত কটোৱাটো মোৰো প্রয়োজন।'

খিল্‌খিলাই হাঁহি দিলে মেঘালীয়ে।

'নাই নাই। মই আপোনাৰ কোনো সমাধান দিয়া নাই। সমাধান দিছে আপোনাৰ অনুভৱৰ ভৰুণ পৃথিৱীয়ে। ছবিৰ প্রদর্শনিত মানুহৰ নিজস্ব নিজস্ব অনুভৱৰ পৃথিৱীয়ে যি যি বিচাৰে সেইয়াই পায়।' কোনোবাই একেখন ছবি ঘণ্টাৰ পাছত ঘণ্টা তন্ময় হৈ চাব পাৰে। অথচ সেইখনত কোনোবাই এক মিনিটো দৃষ্টি নিবদ্ধ কৰিব নোৱাৰে। জীৱনটো আচলতে এটা আর্ট। স্বতন্ত্র কর্মাভিনিবেশ। জীৱনে বাহিৰৰ পৃথিৱীখনত সত্য বিচাৰে, নিজক বিচাৰে। নিজৰ মাজত সেই সততাৰ প্রতিফলন বিচাৰে। এনে মানুহ নিজেই হৈ পৰে এখন সুন্দৰ ছবি। চাই চাই আমনি নলগা ছবি। টলষ্টয় কি কৈছে জানে

— In nature outside himself he seeks for truth, in himself he seeks for goodness. - - - -।

গল্প-গুজব কৰি কৰি এসময়ত দুয়োজনী ৰান্ধনি ঘৰ পালেগৈ। মেঘালীয়ে সিদ্ধান্ত কৰিলে আজি তাই গেছত নাৰান্ধে। জুইত ৰান্ধিব। ভাতো ৰন্ধা হ'ব জুই পুউৱাও হ'ব। দপদপীয়া অঙঠাত বেঙেনা পুৰিবলৈও ভাল।

ইতিমধ্যে ভাত হৈ গ'ল। বেঙেনাৰ পিটিকাকণ কৰিলেই ভাত খাব পৰা যাব।

পোৰা বেঙেনাৰ চকলা চকল বাকলিবোৰ গুচাই গুচাই মেঘালীয়ে ক'লে — জানে নীলি বাইদেউ — মই ভাবো মানুহৰ জীৱনত আবেগৰ প্ৰয়োজন খুবেই আছে। কিন্তু আবেগক নিয়ন্ত্ৰণত ৰাখিব নোৱাৰিলে ই দুখ প্ৰপাত, শোক প্ৰপাতেৰে বৰ্ণহীন কৰি পেলায়। সেয়ে মই জোৰ কৰি কেতিয়াবা হৃদয়খন নাই বুলি ধৰি লওঁ। তাৰ ঠাইত বিবেক আৰু যুক্তিক মাতি মনটো ৰঙীন কৰি লওঁ। এইবিলাক কাৰণতেই কিজানি মোৰ চৌপাশত মানুহে ভাল পোৱাকৈ মই দুখ কৰি থাকিব নোৱাৰো, তেজ মঙহৰ দেহৰ প্ৰতি উদাসীন হ'ব নোৱাৰো। কাৰণ মই মোক ভাল পাওঁ।

বেঙেনা পিটিকা হৈ গ'ল। দুয়োজনীয়ে আজি বৰ তৃপ্তিৰে ভাতমুঠি খালে।

ভাত খাই উঠি নীলি এপাক বাহিৰলৈ গ'ল। ওপৰলৈ চালে কুঁৱলী। শীতৰ কুঁৱলী। শীতৰ কুঁৱলী ফালি বৰ কষ্টেৰে জোনে পৃথিৱী চুইছে।

তাৰ পাছত তাই কাষৰ নেমু জোপালৈ চালে। ওখ হৈ থকা তামোল জোপাই নেমুজোপাত পূৰ্ণভাবে পোহৰ পৰাত বাধা দিছে। যি কি নহওক তামোলৰ চিৰিলা চিৰিল পাতৰ ফাঁকেৰে সৰকি অহা জোনৰ পোহৰত, এই ছাঁ এই পোহৰত — নেমুজোপাই আন এক বৈশিষ্ট্য বহন কৰিছে। তাই মনতে ভাবিলে এই মায়াময় বৈশিষ্ট্যৰাশি তামোল জোপাত আছেনে? — কিছুসময় নেমুজোপা চাই চাই তাই ভিতৰ সোমাই আহিল। তাৰ পাছত দুয়োজনী বিচনাত উঠিল গৈ। ওচৰা-ওচৰিকৈ থকা দুখন বিচনাত দুজনী।

ইতিমধ্যে মেঘালীৰ মৃদু নাক বজাৰ শব্দ ভাহি আহিছে।

নীলিৰ টোপনি অহা নাই। আহিছে চাৰি বছৰৰ আগৰ এটা আবেলি। আহিছে বিবেক আৰু যুক্তি।

— নালাগে। তাই ঘৰলৈকে যাওঁক। এই মাহ ঘৰৰ পৰাই কলেজ কৰক। অলপ কষ্ট হ'ব। হ'ক দিয়া। সেইবুলি মই মুৰৰ কামোৰণী এটা লৈ থাকিব নোৱাৰোঁ। — তুমিও আৰু ! মাক নথকা জীয়েক বিলাক বাপেকৰ মুৰৰ কামোৰণী নেকি?

........মই জোৰ-জবৰ তাইক তেওঁৰেই জীয়েক বুলি বাৰে বাৰে প্ৰত্যয় নিয়াবলৈ চেষ্টা কৰাটো অৰ্থহীন নহয়নে? তাইতো তেওঁৰ ঔৰসৰ নহয়। নাইবা জী বুলি ভাবিব পৰাকৈ নিকট সান্নিধ্যও তেওঁ পোৱা নাই। মই তাইৰ মূৰ আঁচুৰি দিছোঁ, বেণী গাঁঠি

দিছোঁ, চাদৰৰ জাপত পিন মাৰি দিছোঁ। তাই? তাই মোৰ সুখৰ, দুখৰ, হাঁহি-ধেমালীৰ। মই ঘৰত থকা সময়কণত তাই মোৰ পাছে পাছে। কিন্তু তেওঁ? তেওঁতো সদায় দূৰে দূৰে। অসীমাক তেওঁ কোঁচত লৈছে। পথালি কৰি জলপান খুৱাইছে, ফ্ৰক পিন্ধাই দিছে। ....মযেইতো তেওঁক তেনে এক পৰিবেশলৈ ঠেলি দিলোঁ। জীৱনৰ বাবে এটা মূৰৰ কামোৰণি দিলোঁ। ....লাহে লাহে মানুহজনী টোপনিত ঢলি পৰিল।

+ + +

পত্নী নীলিৰ কথা ভাবি ভাবি মানুহটোৰ বুকুখন ক্ৰুচবিদ্ধ যীশুৰ বুকুৰ দৰে হৈছে। এই ক্ৰুচডাল নীলিৰ বুকুভেদ কৰি তেওঁৰ বুকুত সোমাইছে। দুখন বুকুৰ হাহাকাৰ এক হৈছে। সমস্ত ঘৰত বিয়পি পৰিছে এই হাহাকাৰ।

তেওঁৰ নিজৰ ওপৰত অসম্ভৱ খং উঠিছিল। খংটো বাঈজনীলৈকো সোঁচৰিছিল। থ থ বাচন ধুব নালাগে তই ঘৰলৈ যা। কাৰ বাবে? কাৰ বাবে বাচন ধোৱ' তই। নালাগে। মোৰ বাবে বাচন ধুব নালাগে। সোনকালে ওলা। নহলে মই দুৱাৰ বন্ধ কৰিম এতিয়া। বাঈজনী পঠিয়াই সন্ধিয়াতে দুৱাৰ বন্ধ কৰিলে ভট্টাচাৰ্যই।

ঘৰৰ সমস্ত দুৱাৰ খিৰিকি বন্ধ কৰি তেওঁ নিজৰ কোঠাটোত সোমাল। কোঠাটোৰ বিচনাত বহি তেওঁ আকৌ এবাৰ ভাবিলে তেওঁ এতিয়া বাহিৰৰ হৈ হাল্লাৰ পৰা নিৰাপদ নে?

নহয়। এতিয়া লক্ষীমপুৰ জিলাৰ সচেতন নাগৰিক মঞ্চৰ দুই এজন সদস্য আহিবও পাৰে। দুৱাৰত ঢকিয়াবও পাৰে। ভাবি ভাবি তেওঁ আগফালৰ তলা-চাবিজোৰ হাতত ললে। তাৰ পাছত পিছ দুৱাৰখন খুলি আগফালে গৈ দুৱাৰত তলা লগাই দিলে। তেওঁলোক নাথাকিলে তেনেদৰেই তলাটো ওলমি থাকে। তলাটোৱে দূৰতে গৃহস্থ নথকা কথাটো ঘোষণা কৰি দিয়ে।

আগফালৰ দুৱাৰত তলা ওলোমাই তেওঁ আকৌ পিছ দুৱাৰেদি ভিতৰ সোমাল। নাই, এতিয়া কোনো হৈ হাল্লাৰ চিন্তা নাই। দুৱাৰত ঢকিওৱাৰ চিন্তা নাই। কলিং বেল বজাৰ সম্ভাৱনা নাই।

দুৱাৰ খিৰিকি বন্ধ কৰি নিৰ্দিষ্ট কোঠাটোত সোমাই তেওঁৰ এনে লাগিল, তেওঁ যেন নিজাকৈ এটা ঘৰ সাজিছে। ৰহস্যৰ ঘৰ। জীয়া পাখিৰ শব্দ শুনা ঘৰ। নিজৰ হৃদয় বৃত্তিক খুলি-মেলি চাব পৰা ঘৰ। বিবেক, আবেগ, সন্মান, অপমান সমস্ত একাষৰীয়াকৈ থৈ নিজক খুচৰি খুচৰি চাব পৰা ঘৰ।

বাহিৰত তেতিয়া ৰ'দ। অথচ তেওঁ নিশাৰ অৰণ্যত। নিশাৰ অৰণ্যত, নিৰ্জনতাৰ অৰণ্যত মানুহটো কিছু সময় ডুবি থাকিল। তাৰ পাছত তেওঁ আলমাৰীটোৰ পৰা

এলবাম এটা আনি টেবুলত থলে। আপোনা আপুনি অভ্যস্ত হাত ছুইছু বোর্ডলৈ গ'ল। নাই নাই তেওঁক আজি ইমান পোহৰৰ প্ৰয়োজন নাই। কোঁচ খাই আহিল হাত। তাৰ পাছত টেবুলৰ ড্ৰয়াৰটো খুলি মম এডাল উলিয়ালে। জুই শলাটো? ক'ত জুই শলাটো? জুই শলাটো বিচাৰি কিছু সময় খৰচ হ'ল। পিছে তেওঁ সমুখৰ টেবুলখনৰ চুকতে পালে জুইশলাটো।

তেওঁ মমডাল জ্বলাই দিলে।

কঁপা কঁপা মমৰ পোহৰত তেওঁ এলবামটো মেলি ললে। এখিলা এখিলাকৈ লুটিয়াই গ'ল পৃষ্ঠাবোৰ। পলিথিনৰ চেপাত সোমাই থকা আপোন মানুহৰ মুখবোৰ চাই গ'ল, কথা পাতি গ'ল। এলবামটোত সোমাই আছে সৰু সৰু অলেখ জীৱন। এক মহা জীৱনৰ সতে সাঙোৰ খাই থকা সৰু সৰু জীৱন।

এপাকত তেওঁ চকু থৰ হৈ ৰ'ল নীলি আৰু তেওঁ হোমৰ কাষত বহি থকা ফটোখনত। সমাজক লৈ এনিশা টোপনিখতিৰ ফটো। হোমৰ কাষত ওৰণিৰ তলত থকা নীলিৰ আগত তেওঁ হিয়া উজাৰি কথাবোৰ কলে — তুমি মোৰ প্ৰেম, মোৰ জীৱন, সন্মান, ৰ'দ-বৰষুণ, সপোন, দিঠক। অনেক দিহা-পৰামৰ্শৰে তুমিয়েই মোৰ চালিকাশক্তি। অথচ তোমাৰ বুকুত মই ক্ৰুছ বহুৱাইছোঁ। মোৰ কিনো লাভ হ'ল সেই ক্ৰুছডালে যে তোমাক ভেদি মোক বিন্ধিছে! উস্ মই তোমাক কেতিয়াবা ঘূৰাই পাম নে — এই হোমৰ কাষৰ মানুহজনীৰ দৰে! অসম্ভৱ! অসম্ভৱ! কাৰণ ইতিমধ্যে তুমি মোৰ শত্ৰু হৈ গৈছা। যাক যেনেদৰে কোৱাৰ প্ৰয়োজন সেইদৰে এই সংবাদ ইতিমধ্যে ছাগৈ জিলা ভেদ কৰি দিছা। উস্ এই ফোনটো! তয়ো আজি মোৰ শত্ৰু। ঘৰৰ ভিতৰত থাকিয়েই নিমিষতে চৌদিশ বিয়পাই দিছ সন্মানৰ খবৰ, অপমানৰ খবৰ। পিছে তইতো নাজান — সন্মানৰ খবৰনো কেইজনে ৰাখে? অপমানৰ খবৰ হাজাৰ হাজাৰ মানুহে ৰাখে?

তেওঁ? তেওঁ বাৰু এতিয়া ক'লৈ গৈছে? মেঘালীৰ ঘৰলৈ নে মায়াৰ ঘৰলৈ। অঁ তেওঁ এতিয়া মায়াৰ ঘৰত .... তাৰ আগতে ফোন কৰি মেঘালী, পবিত্ৰ, বন্দনা ইত্যাদি .... তেওঁলোক ছাগৈ এতিয়া বিবুৰ্ধিত পৰিছে। এফালে সম্বৰ্দ্ধনা আনফালে পৰ্বতাকাৰ কলঙ্ক। দুখন ঘৰ চুৰমাৰ হৈ যোৱাৰ কলঙ্ক। ....উস্ মায়া! তই? তই যদি অমৃতৰ ঘৰৰ পৰা ওলাব লাগে, তেতিয়া? মই? মই তোক নতুন জীৱন দিব পাৰিম নে? তোক জীৱন দি মই এই সমাজত উশাহ নিশাহ লৈ থাকিব পাৰিম নে?..... অসীমা তই মোক বুজিবি নে? তই .... তই মোক আগৰ দৰেই দেউতা বুলি পাছফালৰ পৰা গবা মাৰি ধৰিব পাৰিবি নে?

নিভা! মই জানো তুমি নীলিৰ পক্ষই লবা। নীলিক জ্বলাই তুমি ৰং চাবা। তুমি

মোক চিঞৰি চিঞৰি ক'বা — তুমি পাপী। তোমাৰ মুখ চোৱাও পাপ। অৱশ্যে এইটোও জানো তুমি ঈৰ্ষাতেই চিঞৰিবা। উস্ এজনৰ বুকুত নিশাৰ পাছত নিশা সোমাই থাকিও আন এজনক প্ৰেমিক হিচাবে বিচৰা — এইয়া? এইয়া তোমাৰ পাপ নহয়? তুমি প্ৰতাৰণা কৰা নাই? প্ৰতাৰণা কি পাপ নহয়? .... খণ্ডৰ ভমকত তেওঁ খৰ্খৰ্কৈ এলবামটো লুটিয়াই গ'ল। এপাকত এৰুৱাই আনিলে নিভাৰ ফটোখন। একে উশাহে চিৰাচিৰ কৰি ফালি পেলালে সেইখন ফটো।

লগে লগে তেওঁ বহাৰ পৰা উঠিল। আলমাৰীৰ পৰা এটা নিৰ্দিষ্ট ফাইল আনিলে। সেইটো ফাইল বুলি নকৈ তেওঁ প্ৰাক্ বিবাহৰ প্ৰেমৰ দলিল পত্ৰ বোলাই ভাল। ইতিমধ্যে পানী হৈ যোৱা বহু প্ৰতিশ্ৰুতিৰ দলিল। সেইবোৰো উলিয়াই তেওঁ চিৰাচিৰ কৰি ফালি গ'ল। আকৌ সৃষ্টি হ'ল টুকুৰা টুকুৰ কাগজৰ অৰণ্য। ধিমিক ঢামাক মমৰ পোহৰত তেওঁক এসোপা ফুলি থকা দোৰোণ বনৰ ওপৰত বহি থকা যেন লাগিছে।

কিছুসময় নীৰৱ। সৰি পৰা এখিলা হালধীয়া পাতৰ দৰেই নীৰবে বৈ গ'ল তেওঁ। হঠাৎ তেওঁ শুনিলে সৰু মিহি ধপ্‌ধপ্ শব্দ। হয়তো বেৰৰ সিপাৰে অজান চৰাইৰ ধপ্‌ধপ্‌নি সেইয়া। আন্ধাৰতে হয়তো সি পাখি কটালিছে।

আকৌ সোমাই গ'ল তেওঁ পাপৰ ৰাজ্যত। এক নিষিদ্ধ ৰাজ্যত। পাপ? মানুহেইতো কৰে পাপ। কিন্তু মানুহে তাৰ পৰা নৱজন্ম পায়। কিন্তু তেওঁৰ নবজন্ম সম্ভবনে? .... অস্বস্তি। গভীৰ অস্বস্তি .... হতাশাত ডুবি গ'ল মানুহটো।

এতিয়া তেওঁৰ বুকুত দুখৰ নৃত্য। দুখৰ ৰাগ ৰাগিনী। টিমিক-ঢামাক মমৰ পোহৰত চকুহাল দোঁ-খাই আধা মুদ খাই গৈছে।

আজি তেওঁ শোৱনি কোঠালৈ নাহিল। পঢ়া-কোঠাতে থকা সৰু বিচনাখনত কুঁচি-মুচি শুই পৰিল। মুখৰ মিহি মিহি ৰেখাবোৰ নিমজ হৈছে টোপনিত। আঠুৱা নাই, লেপ নাই। কেৱল এখন কলা নোমাল কম্বল। একমাত্ৰ মুখখনৰ বাহিৰে গোটেই দেহাটো ঢাক খাই আছে নোমাল কম্বলেৰে। নোমাল কম্বলৰ মাজত সোমাই থকা প্ৰাণীটো এটা চিম্পাঞ্জীৰ দৰেই লাগিছিল। টিমিক ঢামাক পোহৰত চিম্পাঞ্জীটোৱে যেন প্ৰাৰ্থনা কৰিছে — হে প্ৰভু ৰাতিটো যিমান পাৰা দীঘল কৰা। মোক আজিৰ বাবে! মাত্ৰ আজিৰ বাবে এটা দীঘল ৰাতি নিদিবানে?..........

এসময়ত মমডাল আপোনা আপুনি মুমাই গ'ল।

পৃথিবীৰ কোনেও যদি ৰাতি পুৱৰাটো বাঞ্ছা নকৰে তথাপি ৰাতি পুৱাবই .... চিউ চিউ কৰি ঘৰৰ ওপৰেদি উৰি যোৱা চৰাইটোৱে, দূৰৈত ডাক দি থকা কুকুৰাটোৱে .... নিজৰ নিজৰ ভাষাৰে যেন সেই কথাকেই কৈছে।

কিছু সময়ৰ পাছত কাষৰ ঘৰৰ পৰা ঘটং ঘটংকৈ টিউবৱেল মৰাৰ শব্দ ভাহি আহিছে।

তেওঁ হঠাৎ বিচনাৰ পৰা উঠিল। আগফালে ওলাই যাবলৈ মন গ'ল অভ্যাস বসতঃ। কাৰণ সদায় শুই উঠি তেওঁ আগফালৰ দুৱাৰৰ হুক খোলাৰ অভ্যাস।

আজিয়ো তেওঁ পোনচাটে আগফালে গ'ল —। হুক খুলি দুৱাৰ ঠেলিলে। নুখুলিলে। তেতিয়াহে কথাটো মনলৈ আহিল — অ' ইয়াৰ গাত এটা তলা ওলমি আছে। থাকক। আজি গোটেই দিনটো তলাটো ওলমি থাকক। তেওঁ পাক্‌মাৰি ঘূৰি উভটিল। পাছফালে। পাছফালৰ দুৱাৰ খুলি তেওঁ বাহিৰ ওলাল। মুখ-হাত ধুলে। ঠেক চোতালত দোখোজমান কাঢ়িলে। আকৌ বন্ধ হ'ল দুৱাৰ।

পঢ়া কোঠাৰ নিৰ্দিষ্ট চকীখনত বহি তেওঁ ভাবিলে — তেওঁক অকণমান পোহৰৰ প্ৰয়োজন। কেৱল টেবুলখন পোহৰ হোৱাকৈ। তেওঁ বাওঁহাতে খিৰিকিৰ এটা পালা খুলি দিলে। তাৰ পাছত তেওঁ ঘড়ীটোলৈ চালে — 'উৱা! — আঠ বাজিলেই দেখোন। উস্ অলপ সময়ৰ পাছতে এখন নাটক আৰম্ভ হ'ব। তাত তেওঁ এটা ট্ৰেজিক ৰোল প্লে কৰিব। সমস্ত মানুহে এই দৃশ্য উপভোগ কৰিব।

অঁ। তলাতো আছে। চিন্তা নাই। সি বচাই দিব। সি বচাই দিব ভূৱা প্ৰশস্তিৰ পৰা। বচাই দিব বহুতৰ উপলুঙালি — ভেঙুচালিৰ পৰা। আহ্ মানুহৰ কি যে কুচক্ৰান্ত! প্ৰথমে অৱশ্যে তেওঁলোকে মোৰ গুনানুকীৰ্ত্তনেই আৰম্ভ কৰিলেহেঁতেন। তাৰ পাছত হয়তো আৰম্ভ হ'লহেঁতেন নিষিদ্ধ পুত্ৰৰ কথা। ইতিমধ্যে চাগৈ ক্ষুৰধাৰ মুখৰ মেঘালীয়ে, প্ৰচণ্ড সাহসী বহু শব্দ আয়ত্ত কৰিছে — মোক ধৰাশায়ী কৰিলে। ....জী তুল্য ছোৱালীৰ গৰ্ভত ভট্টাচাৰ্যৰ সন্তান। কাৰোবাৰ জীৱন যন্ত্ৰনাময় কৰাৰ অধিকাৰ কোনে দিলে......। প্ৰথমে ৰ'দ। তাৰ পাছত বৰষুণ। আহ মোৰ আত্মনিয়ন্ত্ৰণৰ অস্ত্ৰপাত এতিয়াও ভোটা হে যোৱা নাই।............

নাই নাই মোক কোনো উপাধী নালাগে, প্ৰশস্তি নালাগে, ৰাজহুৱা ভৎসনা নালাগে। তোমালোকৰ সৈতে মোৰ আৰু এতিয়া মিতিৰালি নাথাকে। মোৰ মিতিৰালি থাকিব মোৰ কামৰ সৈতে, কবিতাৰ সৈতে, ছবিৰ সৈতে।............

অ' তোমালোকে মোক কলেজৰ পৰাও বহিস্কাৰ কৰিবা। কৰা! কিন্তু মোৰ পৰাতো মোক বহিষ্কাৰ কৰিব নোৱাৰা। এতিয়া মোৰ ইচ্চাই হব মোৰ সকলো ইচ্ছাৰ ইতিহাস। লগ? মোৰ লগ? নিশাৰ চন্দ্ৰই কাৰোবাৰ লগ বিচাৰেনে? সমগ্ৰ পৃথিৱী শুই থাকে। অথচ চন্দ্ৰই অকলসৰে তাৰ কাৰ্যক্ৰম শেষ কৰে। সিয়েই তাৰ শ্ৰেষ্ঠ সঙ্গী। এতিয়াৰ পৰা মোৰ লগ — মোৰ প্ৰেম, মোৰ যুক্তি, মোৰ কবিতা।............

এই মূহুৰ্তত মোক এটা কবিতা লাগে। আধুনিক মানুহৰ কবিতা। তেওঁ গুণ গুণকৈ কবিতাৰ পংক্তিটো গালে —

সময়ৰ বলুকা ৰাশিত পদচিহ্ন ৰখা
উন্মাদ-বাসনা আমাৰ নাই—
আমি বুৰঞ্জীৰে শিলাখণ্ডৰ — জীৱন্ত ফচিল।

Her lips were red, her looks were free,
Her locks were yellow as gold;
Her skin was as white as Leprosy
The nightmare Life-in-Death was she
Who thicks man's blood with cold.

তেওঁৰ গুণ গুণ কণ্ঠ হঠাৎ গ'ল উচ্চ গ্ৰামলৈ। কলেজত থাকোতে সেই কবিতা তেওঁ উচ্চ গ্ৰামতেই আবৃত্তি কৰিছিল।

\+ \+ \+ \+

ইতিমধ্যে কেইবাখনো মটৰ চাইকেল ভোঁ ভোঁ কৈ আহি ভট্টাচাৰ্যৰ পদূলিত থমকি ৰ'ল। মানুহ কেইজনো থমকি ৰ'ল — দুৱাৰত ওলমি থকা তলাটো দেখি থৎমত খাই ৰৈ গ'ল সিহঁত। যি কি নহওক মটৰ চাইকেল কেইখন চোতালত ৰ'লহি।

— ধেৎতেৰি ছাৰহঁতনো আজি ওলাই যাব লাগে নে?

— ৰচোন ৰ অলপ ধৈৰ্য ধৰ। জৰুৰী কামত গৈছে চাগৈ! পাই যাবহি।

— ইমান জৰুৰী কথা হোৱা হলে আমাক ফোনত ক'লেহেঁতেন।

বাহিৰৰ কথাবোৰ ফৰিং ওফৰাৰ দৰে উফৰি উফৰি ভট্টাচাৰ্যৰ কোঠাত সোমাইছে। অলপ পাছতে আৰম্ভ হ'ব লগা এটা কাহিনীৰ বাবে মানুহটোৱে উচ্‌পিচ্ কৰিছে। তেওঁ? তেওঁ কৈ দিব নেকি — তোমালোক যোৱাঁগৈ মই সভালৈ নাযাওঁ।

মূহুৰ্ততে আন এক চিনাকি শব্দত তেওঁৰ কাণ থিয় হ'ল। চিনাকি কণ্ঠই ক'লে — তেওঁ এইমাত্ৰ পাবহি। তোমালোক যোৱা। বাকীবোৰ ৰেডি কৰাগৈ। মই তেওঁৰ সৈতে গৈ আছোঁ।

দলটোৱে স্বস্তিৰ উশাহ সলাই গ'লগৈ।

নীলিয়ে বেগৰ পৰা চাবিকোছা উলিয়াই দুৱাৰ খুলিলে। খৰখোজে সোমাই গ'ল ভিতৰলৈ। যাওঁতেই ভুমুকি মাৰি গ'ল প্ৰতিটো কোঠা। অৱশেষত সোমাল ভট্টাচাৰ্যৰ পঢ়া কোঠাত। তাই দেখিলে টুকুৰাটুকুৰ অসংখ্য সৰু সৰু কাগজে কোঠাটো ছানি আছে। যেন দহোটামান শিশুৱে অলপ আগতে ইয়াত চোৰ-ডকাইত খেলি গৈছে।